JAGIROAD COLLEGE MAGAZINE

JAGIROAD COLLEGE

# জাগীৰোড মহাবিদ্যালয় আলোচনী

২০১৩-২০১৪ বৰ্ষ

তত্ত্বাৱধায়ক
ড° খগেন শৰ্মা

সম্পাদক
অভিজিৎ সাহা



Members of the Teaching Staff

# জাগীৰোড মহাবিদ্যালয় আলোচনী

## ২০১৩-২০১৪ বর্ষ

# Jagiroad College Magazine
## 2013-2014




তত্বাৱধায়ক
**ড° খগেন শর্মা**

সম্পাদক
**অভিজিৎ সাহা**

'JAGIROAD COLLEGE MAGAZINE': Annual Magazine of Jagiroad College, Edited by Abhijit Saha and Published by Jagiroad College Students' Union, Jagiroad College, Jagiroad, Morigaon (Assam) for the Session- 2013-2014

# জাগীৰোড মহাবিদ্যালয় আলোচনী, ২০১৩-২০১৪ বৰ্ষ


## সম্পাদনা সমিতি Editorial Board

সভাপতি President
ড° ভবেন চন্দ্ৰ নেওগ, অধ্যক্ষ Dr. Bhaben Chandra Neog

তত্বাৱধায়ক Prof. Incharge
ড° খগেন শৰ্মা Dr. Khagen Sarma

শিক্ষক সদস্য Teacher Members
ড° ইনিচি চৌধুৰী মহন্ত Dr. Inishi Choudhuri Mahanta
ৰঞ্জু গগৈ চুতীয়া Ranju Gogoi Chutia
দেৱজিত শইকীয়া Debajit Saikia

সম্পাদক Editor
অভিজিৎ সাহা Abhijit Saha

ছাত্ৰ সদস্য Student Members
বিপুল পাটৰ Bipul Pator
বিশ্বজিৎ ডেকা Biswajit Deka
অভিজ্ঞান কাশ্যপ Abhigyan Kashyap
অভিলাসা পাটৰ Abhilasa Pator
মণিকা শাখাৰি Monika Shakhari


লেখক-লেখিকাসকলৰ মতামতৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

বেটুপাতৰ পৰিকল্পনা, অলংকৰণ ঃ সম্পাদনা সমিতি

Printed at : Shri Ganesh Printers,
Sankardev Market, Noonmati, Guwahati-781 020
Phone : 9707010889, 9864111659,
E-mail : bhattacharyyapratul@gmail.com



## শ্ৰদ্ধাঞ্জলি

এজাৰ ফুলৰ বতৰতে শিল্পীজন গ'লগৈ;
জনপ্ৰিয় গণশিল্পী, বিহু সম্ৰাট খগেন মহন্ত দেৱলৈ
আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদিলো।

লগতে যোৱা এটা বছৰত চেপ্তেম্বৰ ২০১৩ ৰ পৰা চেপ্তেম্বৰ ২০১৪ লৈ আমি
হেৰুওৱা এই সকল বৰেণ্য ব্যক্তি
গান্ধীবাদী দক্ষিণ আফ্ৰিকাৰ প্ৰথমগৰাকী কৃষ্ণাঙ্গ ৰাষ্ট্ৰপতি নেলছন মেণ্ডেলা,
উত্তৰ পূব ভাৰতৰ বিশিষ্ট চাহ খেতিয়ক তথা উদ্যোগপতি হেমেন্দ্ৰ প্ৰসাদ বৰুৱা,
সঙ্গীত নাটক একাডেমী বঁটা বিজয়ী সত্ৰীয়া নৃত্য শিল্পী গুণকান্ত দত্ত বৰবায়ন আৰু
সত্ৰীয়া নৃত্যৰ প্ৰথম গৰাকী গৱেষক ড° জগন্নাথ মহন্ত,
ভাৰতীয় ছবি জগতৰ সোণালী কণ্ঠৰ অধিকাৰী মান্নাদে,
লগতে স্বদেশ-স্বজাতিৰ হকে আপোন অৰিহণা যোগোৱা সমগ্ৰ বিশ্বৰ সেই
খ্যাত-অখ্যাত ব্যক্তিসকললৈ
সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি।

সম্পাদনা সমিতি

# কৃতজ্ঞতা সহকাৰে ঋণ স্বীকাৰ

মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ চাৰ
গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য মহোদয়
আলোচনীখনৰ তত্ত্বাৱধায়ক ড°খগেন শৰ্মা চাৰ
সম্পাদনা সমিতিৰ মাননীয় সদস্য-সদস্যাসকল
মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সমূহ বিষয়ববীয়া
চিত্ৰশিল্পী আৰু
আলোচনীখনৰ প্ৰতিজন লেখক -লেখিকালৈ
আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।
লগতে প্ৰেছৰ স্বত্বাধিকাৰী প্ৰতুল ভট্টাচাৰ্য আৰু
সমূহ কৰ্মকৰ্তালৈ আমাৰ শলাগ জনালোঁ।

**সম্পাদক**

# মহাবিদ্যালয় সঙ্গীত

স্বাগতম্ স্বাগতম্ স্বাগতম্
কলং কপিলী কিলিং
এই ত্ৰিবেণীতে

আঁহা আজি সবে মিলি
বোটলোঁ জ্ঞানৰ মুকুতা
বিনাশো এন্ধাৰ কালিমা

আমাৰ যাত্ৰাৰ শেষ নাই
দুৰ্বাৰ যাত্ৰা
জ্ঞান সুৰুযৰ জ্যোতিত আমাৰ
জিলিকে আশা
ডঙ্কা বজোৱা আকাশ নিনাদী
শঙ্কা নাশা
আ............................
ৰিক্ত পৃথিৱী সিক্ত কৰো
নতুন দিনক দুহাতে আদৰো
হাততে মিলাওঁ হাত, হিয়াতে মিলাওঁ হিয়া
যি আছে বন্ধু, বিলাই দুহাতে দিয়া
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্

পাহাৰৰ চূড়া জিলিকে শ্যামল
পৰিলে তাতে সোণালী কিৰণ
সৃষ্টি সমল লওঁ তাৰে পৰা
উজ্বলাও ইখনি এন্ধাৰ ধৰা
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্।

ৰচনা ঃ মহেন্দ্ৰ আহোম
সুৰকাৰ ঃ পবন চন্দ্ৰ গগৈ

জগীৰোড মহাবিদ্যালয়
জাগীৰোড, মৰিগাওঁ (অসম)



# অধ্যক্ষৰ একাষাৰ

বৰ্তমান সময়ত পৰম্পৰাগত (traditional) বিষয়ৰ শিক্ষা লাভৰ সমান্তৰালকৈ দক্ষতা (skill development) বৃদ্ধিৰ ধাৰণাটো অধিক চৰ্চিত বিষয় হিচাপে বিবেচিত হ'ব ধৰাৰ লগে লগে পূৰ্বতে অনুমান কৰিব নোৱাৰা নতুন নতুন নিয়োগ ক্ষেত্ৰৰ সৃষ্টি হ'বলৈ ধৰিছে। সেয়েহে বৰ্তমান সময়ৰ উপযোগীকৈ তাল মিলাই চলিবলৈ উচ্চশিক্ষাৰ প্ৰতিষ্ঠান সমূহত জীৱন জীবিকাৰ স্বাৰ্থতেই দক্ষতা বৃদ্ধিৰ নতুন বিষয়ৰ অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা আহি পৰিছে। যুগ যুগ ধৰি প্ৰচলিত পাঠ্যক্ৰম সমূহৰ লগত দক্ষতা বৃদ্ধিৰ নতুন পাঠ্যক্ৰমৰ সংযোজনে আমাৰ শিক্ষাৰ্থী সকলৰ নিয়োগৰ সম্ভাৱনীয়তা বৃদ্ধি কৰিব।

আনহাতে ২০১৬-১৭ শিক্ষা বৰ্ষৰ পৰা উচ্চ শিক্ষাত "চইচ্ বেচ্ড্ ক্ৰেডিট ব্যৱস্থা" আৰম্ভ কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগে যি নিৰ্দেশনা জাৰি কৰিছে তাৰ ফলত আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন হ'বলৈ গৈ আছে। বিশ্ববাণিজ্যৰ পৰিৱৰ্তিত পৰিস্থিতিৰ লগত ৰজিতা খুৱাই নিজৰ পচন্দৰ ক্ষেত্ৰখনত নিয়োগৰ বাবে উপযুক্ততা আহৰণ কৰিবলৈ হ'লে আমাৰ শিক্ষাৰ্থ সকল সাজু হোৱাৰ সময়ো সমাগত হৈছে। শিক্ষাব্যৱস্থাৰ বৰ্তমানৰ ধাৰণাটোৰ পৰিবৰ্তন এই সময়ৰেই আহ্বান আৰু উত্তৰ পুৰুষৰ ভৱিষ্যতৰ স্বাৰ্থত আমি আটায়ে কিছু ত্যাগ স্বীকাৰ কৰিব লাগিব আৰু নতুন নতুন ধাৰণাবোৰক অগ্ৰাধিকাৰ দিব লাগিব। এই ক্ষেত্ৰত আমাৰ দৰে শিক্ষানুষ্ঠানৰ বহুখিনি গুৰু দায়িত্ব পালন কৰিব লগীয়া আছে বুলি অনুভৱ কৰো।

জাগীৰোড মহাবিদ্যালয়ত বৰ্তমান উচ্চতৰ মাধ্যমিকৰ দুটা শাখা (কলা আৰু বিজ্ঞান), স্নাতকৰ তিনিটা পৰম্পৰাগত শাখা (কলা, বিজ্ঞান, বাণিজ্য) আৰু স্নাতকোত্তৰ শাখাত পৰ্য্যটন বিভাগৰ অধীনত এম. টি. এম. আৰু কম্পিউটাৰ বিভাগৰ অধীনত স্নাতকোত্তৰ ডিপ্লমা পৰ্য্যায়ত ভিন্ ভিন্ পাঠ্যক্ৰমত শিক্ষাৰ্থীৰ অধ্যয়নৰ সুবিধা থকাৰ উপৰিও স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৃত্তিগত দক্ষতা বৃদ্ধিৰ বাবে স্নাতক পাঠ্যক্ৰমৰ সমান্তৰাল ভাবে নিৰ্মাণ প্ৰযুক্তিৰ পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা আছে। এই কেইটাৰ লগত শেহতীয়াকৈ ২০১৫-১৬ শিক্ষাবৰ্ষৰ পৰা এটা দক্ষতা বৃদ্ধিৰ শাখা (ভকেশ্যন) আৰু এখন কমিউনীতি মহাবিদ্যালয়ৰ সংযোগেৰে সৈতে এই শিক্ষানুষ্ঠানখন এখন সাম্পসাৰিত শিক্ষানুষ্ঠানত পৰিণত হৈছে। ভিন্ন ৰুচিৰ পাঠ্যক্ৰম অধ্যয়নৰত এই সকল শিক্ষাৰ্থীৰ মাজত সুপ্ত কিম্বা জাগ্ৰত

অলেখ প্ৰতিভা বিদ্যমান। এওঁলোকৰ ভিতৰত বহুকেইজন ভাল গায়ক, এথলিট, কেৰাটে কিম্বা ডবা খেলুৱৈ আছে।

এনেধৰণৰ অফুৰন্ত প্ৰতিভাৰ সমাহাৰ আমাৰ নৱপ্ৰজন্মৰ বহুতৰে মাজত আছে। এনে প্ৰতিভা সমূহৰ ভিতৰত ক্ৰীড়া বা সাংস্কৃতিক দিশৰ প্ৰতিভা বিকাশৰ বাবে বিভিন্ন মঞ্চ ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে যদিও সাহিত্য প্ৰতিভাৰ বিকাশৰ উপযুক্ত মঞ্চৰ অভাৱ আমি বাৰুকৈয়ে উপলব্ধি অনুভৱ কৰো। যোৱা দুবছৰ মান আগতে বিশিষ্ট লেখিকা সন্মানীয়া ড° ৰীতা চৌধুৰী বাইদেউৰ উদ্যোগত গুৱাহাটীত সাহিত্য প্ৰতিভাৰ বিকাশ ঘটোৱা তেনে এখন মঞ্চ গঠন হোৱাৰ খবৰ আমাৰ পঢ়ুৱৈ সমাজে বাতৰি কাকতত নিশ্চয় পঢ়িবলৈ পাইছিল। বহল ভিত্তিত তেনে মঞ্চ হলে নিশ্চয় নতুন নতুন লিখকৰ সৃষ্টি হোৱাৰ লগতে সমাজত পাঠকৰ সংখ্যাও বাঢ়িব বুলি আশা কৰিব পাৰো।

এখন মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী সমূহ মহাবিদ্যালয়খনৰ দাপোণ সদৃশ। নদীৰ প্ৰৱাহমান জলৰাশিৰ দৰেই মহাবিদ্যালয়লৈ উচ্চ শিক্ষা লাভৰ বাবে ভিন্ ভিন্ সময়ত প্ৰবাহিত জ্ঞানান্বেষী সকলৰ সাহিত্য প্ৰতিভাৰ অংকুৰণৰ থলিয়েই হৈছে এই আলোচনী সমূহৰ পৃষ্ঠা সমূহ। বিভাগীয় প্ৰাচীৰ পত্ৰীকাৰ জৰিয়তে ভূমুকি মৰা সকলৰ মাজৰ পৰাই প্ৰতিভাত হ'বগৈ পাৰে পৰৱৰ্তী সময়ৰ প্ৰতিষ্ঠিত সাহিত্যিক। একোটা বছৰৰ একোখন আলোচনীৰ পৃষ্ঠাবোৰ সেই সময়চোৱাত অধ্যয়নৰত শিক্ষাৰ্থী সকলৰ প্ৰতিভাৰ প্ৰতিফলন মাথো। বিভাগীয় সম্পাদকৰ তৎপৰতা তথা সম্পাদনা সমিতিৰ বিষয় ববীয়া সকলৰ সক্ৰীয়তাৰ ওপৰত ইয়াৰ গুণগত মান বহুখিনি নিৰ্ভৰ কৰে।

বৰ্তমানৰ সম্পাদনা সমিতিখনে অতি আন্তৰিকতাৰে মহাবিদ্যালয়ৰ আলোচনীৰ এই সংখ্যাতো উলিয়াবলৈ যত্ন কৰিছে। এই ক্ষেত্ৰত বিভাগীয় তত্ত্বাৱধায়ক ড°খগেন শৰ্মা দেৱে যথেষ্ট সক্ৰীয়তা প্ৰদৰ্শন কৰি আলোচনীখন প্ৰকাশৰ বাবে যত্ন কৰিছে। তেখেতৰ লগতে সম্পাদনা সমিতিখনক ধন্যবাদ ও আন্তৰিক শুভকামনা জনাইছো। আশাকৰো আলোচনীখনে মহাবিদ্যালয়খনৰ ধনাত্মক প্ৰতিচ্ছবি এখন দাঙি ধৰিব পাৰিব। শুভেচ্ছাৰে -

**ড° ভবেন চন্দ্ৰ নেওগ**
অধ্যক্ষ
জাগীৰোড মহাবিদ্যালয়



# তত্বাৱধায়কৰ একলম

কলেজীয়া জীৱনটো জীৱনৰ সোণালী সময় বুলি কোৱা হয়। সাংসাৰিক সমস্যাৰ পৰা দূৰত থাকি প্ৰায় সকলোৰেই জীৱন গঢ়াৰ কাৰ্য্যত ব্ৰতী হয়। পঢ়াৰ লগে লগে তেওঁলোকে আন কেতবোৰ কাৰ্য্যত যেনে— সুকুমাৰ কলা, খেলা-ধূলা, নৃত্য-গীত তথা সাহিত্য কৰ্মত আগ্ৰহী হয়। সাহিত্য কৰ্মত আন্তৰিকতাৰে লাগি থকা সকলেই পিছৰ জীৱনত কবি, গল্পকাৰ, উপন্যাসিক তথা নাট্যকাৰ হিচাবে প্ৰতিষ্ঠা হোৱা দেখা যায়। আমি যদি বিশ্লেষণ কৰি চাওঁ তেতিয়া হ'লে দেখা পাম যে লব্ধ প্ৰতিস্থিত প্ৰায় সকলো সাহিত্যিকৰেই সাহিত্যিক জীৱনৰ অংকুৰণ ঘটিছিল এই কলেজীয়া জীৱনতেই কলেজ-আলোচনীৰ পাততেই। সেয়ে মহাবিদ্যালয়ৰ আলোচনীখনৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। 'মহাবিদ্যালয় আলোচনী'খনক সেই মহাবিদ্যালয়খনৰ সাহিত্য-সংস্কৃতিৰ দাপোণ স্বৰূপ বুলি গণ্য কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যিমানেই সৃজনীশীলতা থাকিব সিমানেই আলোচনীখন সৰ্বাঙ্গ সুন্দৰ হ'ব। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে দিয়া আলোচনী তত্বাৱধায়কৰ দায়িত্ব লৈ বিবুধিত পৰিলো। তিনিবাৰ জাননী দিও উপযুক্ত লিখনি পোৱা নহ'ল। অনুভৱ হ'ল আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যেন সাহিত্য দিশটোৰ প্ৰতি আগ্ৰহ কমি আহিছে। ইয়াৰ কাৰণবোৰ আমি কিন্তু বিশ্লেষণ কৰা নাই। আজিকালি মনোৰঞ্জনৰ বিভিন্ন বস্তু ওলাইছে। বিশেষ কৈ মোৱাইল ফোনতে ব্যস্ত থাকিব পাৰি। ফেচবুক, ৱাটচেফ, মেচেজ, কেৱল টি.ভি. আদিতে লাগি থকা দেখা যায় বহুতকে। তাৰ বাবেই হয়তো সাহিত্য-সংগীতৰ দৰে কলাৰ প্ৰতি আগ্ৰহ কমি আহিছে। হয়তো চেমিষ্টাৰ পদ্ধতিৰ বাবেও— পঢ়াৰ সময়ৰ পৰিমাণ কম, টিউচন, অনবৰতে নামভৰ্ত্তিৰ প্ৰ-পত্ৰ পূৰণ, পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ, পৰীক্ষা আদিতেই ব্যস্ত থাকিব লগাৰ বাবেই সময়ৰ অভাৱতেই এই দিশটোৰ প্ৰতি নৱ-প্ৰজন্মৰ অনিহা আহিছে। তথাপি অতি কষ্ট কৰি এই লিখনিসমূহ যোগাৰ কৰি পলমকৈ হ'লেও আলোচনীখন প্ৰকাশ কৰা হ'ল। সম্পাদকজন কৰ্মসূত্ৰে দূৰত থাকিব লগা হোৱা বাবে সমস্ত দায়িত্ব এই অভাজনে ল'ব লগা হ'ল। সম্পাদনা সমিতিৰ সমূহ সদস্য, লেখক-লেখিকা তথা অতিথি লেখক গৰাকীলৈ কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল। ২০১৩-২০১৪ শিক্ষাবৰ্ষতেই গণশিল্পী খগেন মহন্তৰ বিয়োগ হোৱাত মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা এই আলোচনী পাততেই তেখেতলৈ শ্ৰদ্ধা নিবেদন কৰা হ'ল। অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিলোঁ।

**ড° খগেন শৰ্মা**




জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত বাংলা শিল্পী সকলে
"অ' মোৰ আপোনাৰ দেশ" পৰিবেশন কৰা দৃশ্য।

**স**ম্পাদকীয়



# যুৱ প্ৰজন্ম কোন দিশে



*স্বাধীনতা লাভৰ পিছৰে পৰা আমাৰ ৰাজ্যখনে প্ৰায় প্ৰত্যেকটো দিশতে সমস্যাৰ সন্মুখীন হৈ আহিছে। কেতিয়াবা যদি ৰাজনৈতিক ক্ষেত্ৰত, কেতিয়াবা অৰ্থনৈতিক, শৈক্ষিক আদি বিভিন্ন ক্ষেত্ৰতে সমস্যাৰ দ্বাৰা অসমখন ভাৰাক্ৰান্ত। অৱশ্যে এটি সুস্থিৰ আৰু শৃংখল ৰাজনৈতিক বাতাবৰণৰ সৃষ্টিৰ যোগেদি এনে সমস্যাসমূহ হ্ৰাস কৰিব পৰাটো সম্ভৱ। যিহেতু সকলোবোৰ ক্ষেত্ৰকেই ৰাজনৈতিক ক্ষেত্ৰৰ লগত জড়িত থকা লোকসকলেই শৃংখলাবদ্ধভাৱে চলাই নিয়াৰ গুৰু দায়িত্ব গ্ৰহণ কৰে। আমাৰ ৰাজ্যৰ প্ৰতি গুৰুত্বপূৰ্ণ সমস্যা হ'ল নিৰক্ষৰতা। আমাৰ ৰাজ্যৰ শিক্ষা ব্যৱস্থাত থকা আসোঁৱাহ সমূহৰ বাবেই বৰ্তমানৰ এই জ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তিৰ বিস্ফোৰণৰ যুগতো অসমত ২৬.৮ শতাংশ লোক এতিয়াও নিৰক্ষৰ হৈ আছে। নিৰক্ষৰতাই এটা জাতিক আগুৱাই যোৱাত কেতিয়াও সহায় নকৰে। গতিকে আমাৰ ৰাজ্যখনক প্ৰতিটো দিশৰ পৰা আগুৱাই লৈ যাবলৈ হ'লে নিৰক্ষৰতা দূৰ কৰাটো অপৰিহাৰ্য। এই ক্ষেত্ৰত অসমৰ শিক্ষা ব্যৱস্থাত থকা চৰকাৰ প্ৰদত্ত বিভিন্ন সা-সুবিধাসমূহ অসমৰ প্ৰত্যেকটো অঞ্চলৰ লোককে স্পৰ্শ কৰিব লাগিব। ইয়াৰ উপৰিও অসমৰ বহুতো প্ৰাপ্তবয়স্ক লোক নিৰক্ষৰ হোৱাৰ বাবে অসমৰ শাসন ব্যৱস্থাই এটা উপযুক্ত ৰূপ পোৱাত ব্যৰ্থ হৈছে। গতিকে প্ৰাপ্তবয়স্ক সকলৰ বাবে চৰকাৰ প্ৰদত্ত সকলোবোৰ কাৰ্য্যসূচীৰে হাতে-কামে ৰূপায়ন হোৱাৰ প্ৰয়োজন আছে।*

*বৰ্তমান আমাৰ ৰাজ্যৰ যুৱ-প্ৰজন্মকো ভাৰতৰ আন কেতবোৰ ৰাজ্যৰ যুৱ-প্ৰজন্মৰ নিচিনা আধুনিকীকৰণে বিকাৰগ্ৰস্ত কৰি তুলিছে। অসমৰ এচাম যুৱক-যুৱতী আধুনিকীকৰণৰ ঢৌত উটি-ভাহি গৈছে। এই চাম যুৱক-যুৱতীয়ে 'জেনেৰেচন গেপ' এই শব্দটিৰ নামত নিজৰ চিন্তাধাৰা, পৰম্পৰা আৰু সংস্কৃতিক অৱজ্ঞা কৰিবলৈ লৈছে আৰু পশ্চিমীয়া চিন্তাধাৰা আৰু সংস্কৃতিক আদৰি লৈছে। আধুনিক চিন্তাধাৰাক এই চাম যুৱক-যুৱতীয়ে পশ্চিমীয়া চিন্তাধাৰাৰ দ্বাৰা সংজ্ঞায়িত কৰে। নিজ সংস্কৃতি আৰু পৰম্পৰাক বজাই ৰখাটো এওঁলোকে ৰক্ষণমূলক মানসিকতা স্বৰূপে গণ্য কৰে। এইচাম যুৱ-প্ৰজন্মৰ মনত মূল্যবোধৰ স্থান নাইকিয়া হৈ দিনকদিনে চৰম উদ্ভণ্ডালিয়ে স্থান পাইছে। এইদৰে এইচাম যুৱক-যুৱতীয়ে মূল্যবোধৰ স্খলন ঘটাই আৰু নিজ সংস্কৃতিক পাহৰি গোটেই অসমীয়া জাতিটোৰ বাবেই বিপদ মাতি আনিছে। এই কথাটো যদি এতিয়াও আমি উপলব্ধি কৰিব পাৰো তেতিয়া হয়তো আমাৰ অসমখন এদিন পৃথিৱীৰ ভিতৰতে এখন ঐতিহ্যমণ্ডিত আৰু অসাধাৰণ সংস্কৃতিৰ ৰাজ্য হিচাপে চিনাকি পাব।*

*সাম্প্ৰতিক যুগত ভাৰতৰ নিচিনা তৃতীয় বিশ্বৰ দেশত যুৱ-প্ৰজন্মই প্ৰযুক্তি প্ৰদত্ত সামগ্ৰীসমূহত নিজৰ লাগতিয়াল সকলো তথ্য আৰু জ্ঞান আহৰণৰ আহিলাৰূপে ব্যৱহাৰ কৰাৰ লগতে*

এনে সামগ্ৰীৰ ভোগ-বিলাসত ব্যস্ত থাকি নিজৰ অনুসন্ধিৎসু সত্বাটোক পাহৰি পেলাইছে। যাৰ ফলত এই সংখ্যক যুৱক-যুৱতীৰ মাজত সৃষ্টিমূলক চিন্তা আৰু প্ৰতিভাৰ বিকাশত বাধা আহি পৰিছে আৰু এক বৃহৎসংখ্যক মানৱ সম্পদৰ অপচয় ঘটিছে। এনে সমস্যাসমূহৰ ওপৰত চিন্তা-চৰ্চা চলি আছে যদিও এয়া পৰ্যাপ্ত নহয়। আমাৰ ৰাজ্যৰ বুদ্ধিজীৱী সকলে এই ক্ষেত্ৰত অধিক চিন্তা-চৰ্চা কৰাৰ লগতে জনসাধাৰণৰ সহযোগিতাও এই ক্ষেত্ৰত সমানে প্ৰয়োজনীয়।

জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি আমাৰ পৰম শ্ৰদ্ধাৰ ড° খগেন শৰ্মা ছাৰৰ দিহা-পৰামৰ্শমতে 'জাগীৰোড মহাবিদ্যালয় আলোচনী'ৰ এই সংখ্যাটি যিমান সুন্দৰকৈ পাৰি সিমান সুন্দৰকৈ সম্পাদনাৰ বাবে পাৰ্যমানে চেষ্টা কৰিছোঁ। এনে আলোচনী এখনি সম্পাদনাৰ দায়িত্ব ও সুযোগ প্ৰদানৰ বাবে সৰ্বপ্ৰথমে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই আলোচনীখনৰ প্ৰকাশনৰ দিশত মূল্যৱান দিহা-পৰামৰ্শ দিয়াৰ লগতে যাৱতীয় সকলোবোৰ ব্যৱস্থা আৰু উৎসাহ-উদ্দীপনা দিয়াৰ বাবে তত্বাৱধায়ক তথা আমাৰ পূজনীয় শিক্ষাগুৰু ড° খগেন শৰ্মা ছাৰৰ ওচৰত আমি চিৰঋণী হৈ ৰ'লো। ছাত্ৰ-ছাত্ৰী সকলৰ পৰা সময়মতে লিখনি নোপোৱাৰ বাবে সময়মতে আলোচনীখন উলিয়াব পৰা নহ'ল। ছাত্ৰ-ছাত্ৰী সকলৰ লিখাৰ দিশটোক কম গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ই অসমীয়া সমাজখনৰ বাবেই শুভ লক্ষণ নহয়। আলোচনীখনৰ প্ৰকাশনৰ দিশত বিশেষ প্ৰেৰণা আৰু উৎসাহ প্ৰদানকাৰী আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ভৰেনচন্দ্ৰ নেওগ ছাৰলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা যাচিলোঁ। আলোচনীখনৰ সম্পাদনাত সহায় আগবঢ়োৱা মোৰ সকলো বন্ধু-বান্ধৱী বিশেষকৈ কামৰুন নাহাৱ (ছাত্ৰ একতা সভাৰ সদস্য), নাৰায়ণ ছেত্ৰী (ছাত্ৰ একতা সভাৰ সদস্য), লোকেশ দাস (প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্য), ৰুবেদিনা আখতাৰ আৰু শিখা শৰ্মাক মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। ইয়াৰ লগতে অন্যান্য দিহা-পৰামৰ্শৰে আমাক সহায় কৰি থকা সম্পাদনা সমিতিলৈয়ো আমাৰ বিশেষ কৃতজ্ঞতা থাকিল। আলোচনীখনলৈ প্ৰৱন্ধ-পাতি আগবঢ়োৱা প্ৰকাশিত আৰু অপ্ৰকাশিত সকলো লেখক-লেখিকালৈ আমাৰ ধন্যবাদ তথা কৃতজ্ঞতা আগবঢ়ালোঁ। শেষত আলোচনীখনত অনাকাংক্ষিতভাৱে ৰৈ যাব পৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

**অভিজিৎ সাহা**
আলোচনী সম্পাদক

# সূচীপত্ৰ


- প্ৰবন্ধ ॥ ১৩
- কবিতা ॥ ৭৫
- গল্প ॥ ৮৯
- সাক্ষাৎকাৰ ॥ ১০৫
- English Section ॥ ১১৫
- বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন ॥ ১৫৭
- Colour Photograph ॥ ১৬৭


সূচীপত্ৰ




নেপালী শিল্পী সকলে জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত
"অ' মোৰ আপোনাৰ দেশ" পৰিবেশন কৰা দৃশ্য।

# প্ৰবন্ধৰ শিতান


- এজন অখ্যাত যোদ্ধাৰ কহিনী-ব্ৰিগেডিয়াৰ জন পৰশুৰাম ডালভী / কৌস্তুভমণি শৰ্মা/ ১৫
- চাৰণবিল ঃ ক্ৰীড়া পৰ্যটনৰ সম্ভাৱনীয়তা / কমল ডেকা/ ২১
- বৃহত্তৰ অসমীয়া সম্প্ৰদায় গঠন প্ৰক্ৰিয়া ঃ সংস্কৃতকৰণ (Sanskritization), সাংস্কৃতিক সমাহৰণ (Cultural Acculturation), সংমিশ্ৰণ বা একীকৰণ (Fusion) আৰু সমন্বয় (Cultural Assimilation) / দেৱজিৎ শইকীয়া/ ২৫
- শিশু শিক্ষাৰ বিকাশ, পৰিবেশ ও সমাজব্যৱস্থা / শৈলেন্দ্ৰ দাস / ৩২
- কাৰ্বিসকলৰ বিবাহ প্ৰথা /পংকজ শ্যাম/ ৩৬
- অসমীৰ সন্মান /গণেশ মণ্ডল/ ৪৩
- ড° মহম্মদ তাহেৰ ঃ ভূগোলৰ জীৱন্ত বিশ্বকোষ/ ৪৭
- যুগদ্ৰষ্টা খগেন মহন্ত / থানেশ্বৰ মালাকাৰ/ ৪৯
- শংকৰদেৱৰ নাটত অসমৰ লোক-সাংস্কৃতিক উপাদান ঃ এটি অধ্যয়ন /ড° মীৰা বৈশ্য/ ৫১
- জুবিন গাৰ্গ শতিকাৰ অন্যতম শ্ৰেষ্ঠ পুৰুষ /অভিজ্ঞান কাশ্যপ/ ৫৭
- ঐতিহ্য বহনকাৰী বিনিময়ৰ মেলা ঃ জোনবিল /বিষ্ণু ডেকা/ ৫৯
- পবিতৰা অভয়াৰণ্য /অভিলেখা পাটৰ/ ৬১
- গোলকীকৰণৰ প্ৰত্যাহ্বান / ডেভিদ ভূঞা/ ৬৫
- দিল্লীত উত্তৰ-পূৰ বাসীক হত্যা-ই কেতিয়া বন্ধ হব ?/ বিকি পাল/ ৬৭
- বন্ধুত্ব /দুলাল বিশ্বাস/ ৭০
- পৰিবেশ অৱক্ষয়ৰ কাৰণ আৰু ফলাফল/ দেৱজিৎ বিশ্বাস/ ৭১
- ইন্টাৰনেট আৰু আমি/দীপশিখা ৰাভা/ ৭২
- হাজো ভ্ৰমণ/ সহদেৱ বিশ্বাস/ ৭৩
- প্ৰযুক্তিয়ে হ্ৰাস কৰিছে গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা/দীপান্বিতা দাস/ ৭৪

# এজন অখ্যাত যোদ্ধাৰ কহিনী-ব্ৰিগেডিয়াৰ জন পৰশুৰাম ডালভী

**কৌস্তভমণি শৰ্মা**
পঞ্চম যান্মাষিক (বিজ্ঞান)

চীনা যুদ্ধ। সকলো ভাৰতীয়ৰ মুখত শুনিবলৈ পোৱা যায় এই শব্দ। যোৱা ৫২ বছৰে আমাক শিকোৱা হৈছে চীনৰ আগ্ৰাসন বুলি। কিন্তু অলপতে দুখন কিতাপ ক্ৰমে '১৯৬২' আৰু 'The Himalayan Blunder' পঢ়ি বুজিলো, যে এই যুদ্ধৰ প্ৰকৃত কাৰণ কি? কিয় চীনা সৈন্যই তেজপুৰৰ পৰা ঘূৰি গৈছিল।

এজন দূৰদৰ্শিতাহীন প্ৰধানমন্ত্ৰী অৰ্থাৎ জৱাহৰলাল নেহৰু, কৃষ্ণ মেননৰ দৰে এজন অহংকাৰী প্ৰতিৰক্ষা মন্ত্ৰী আৰু জেনেৰেল ব্ৰিজমোহন কউলৰ দৰে এজন অদক্ষ সেনা বিষয়াৰ কাৰণে ভাৰতে সেই যুদ্ধত পৰাজিত হৈছিল আৰু পিছলৈ সকলো ৰক্ষা বিশেষজ্ঞই এই কথা মানি লবলৈ বাধ্য হৈছে।

কিন্তু সেই যুদ্ধত ভাৰতীয় সেনাই যি অসীম সাহসেৰে যুজঁ দিছিল, সেই কথা ইতিহাসে পাহৰিব নোৱাৰে যদিও আজি আমি তেওঁলোকক পাহৰিবলৈ ওলাইছো। তেনে এজন অখ্যাত সৈনিকৰ কথা ক'বলৈ ওলাইছো যাৰ কথা যদি দিল্লীয়ে গুৰুত্ব দিলেহেঁতেন তেন্তে ভাৰতীয় সেনাৰ তেনে এক দশা নহ'লহেঁতেন যিজন আছিল চীন-ভাৰত যুদ্ধৰ মূল ট্ৰেজিক নায়ক, যিয়ে শত্ৰুৰ হাতত সাত মাহ কাল POW (Prisner of War) যুদ্ধবন্দী হিচাপে কটাইছিল।

সেই কথা ইতিহাসে পাহৰিব নোৱাৰে যদিও আজি আমি তেওঁলোকক পাহৰিবলৈ ওলাইছো। তেনে এজন অখ্যাত সৈনিকৰ কথা ক'বলৈ উলাইছো যাৰ কথা যদি দিল্লীয়ে গুৰুত্ব দিলেহেঁতেন তেন্তে ভাৰতীয় সেনাৰ তেনে এক দশা নহলহেঁতেনে যিজন আছিল চীন-ভাৰত যুদ্ধৰ মূল ট্ৰেজিক নায়ক, যিয়ে শত্ৰুৰ হাতত সাত মাহ কাল POW (Prisner of War)) যুদ্ধবন্দী হিচাপে কটাইছিল।

নামঃ ব্ৰিগেদিয়াৰ জন ডালভি

নাম ঃ ব্ৰিগেদিয়াৰ জন ডালভি (Brig. John Dalvi)

কামাণ্ডাৰ, ৭ ইনফ্ৰেণ্ট্ৰী ব্ৰিগেড

তৰিখ ঃ ৬ মাৰ্চ, ১৯৬২, দিল্লী

দায়িত্ব ঃ টাৱাং ৰক্ষা, চীন সৈন্যক মেকমোহন লাইন পাৰ হবলৈ নিদিয়া আৰু ঢলাৰ সীমান্তত এটা ছাউনী স্থাপন কৰা।

প্ৰতিটো খোজতেই তেওঁ গম পাইছিল তেওঁক কি দায়িত্ব দিয়া হৈছিল। প্ৰায় আধা দিন খোজকাঢ়ি নুৰনানঙত সেনাৰ ছাউনীত আশ্ৰয় লৈছিল। কেম্পত থকাৰ সময়ত তেওঁ বুজি উঠিছিল নেহৰু আৰু কৃষ্ণ মেননৰ মূৰ্খামীৰ কথা। ৰঙা চীন, মাও-জে-টুংৰ চীনৰ লগত যুদ্ধ কৰিব বিচাৰিছে অথচ যুদ্ধলৈ যাবলৈ ৰাস্তাও বনোৱা হোৱা

নাই। ৰাতি উশাহ ল'ব নোৱাৰি মনত পেলাইছিল জেনেৰেল কউলৰ উচ্চ বাক্যবোৰ আৰু ভাবিছিল নেহৰুৱে কিহৰ ভিত্তিত সংসদত বৰ-বৰ ডাঙৰ কথা চীন সম্বন্ধে কৈছিল। মাথো ভবা নাছিল যে আঠ মাহ পিছতে চীনা সৈন্যই ভাৰত আক্ৰমণ কৰিব আৰু তেওঁৰ চকুৰ সন্মুখতে এটা বিগ্ৰেদ নিশ্চিহ্ন হৈ যাব।

ব্ৰিগ্ৰেডিয়াৰ ডালভীক এসপ্তাহো লগা নাছিল নিজৰ ব্ৰিগেডৰ ভুলবিলাক ধৰিবৰ কাৰণে। তেওঁৰ ব্ৰিগেডৰ তলত আছিল তিনিটা বেটেলিয়ন।

(১) ১/৯ গোৰ্খা ৰাইফলছ (২) পাঞ্জাব ৰেজিমেণ্ট আৰু (৩) ১ শিখৰেজিমেণ্ট। প্ৰতিটো বেটেলিয়ানতে মোটামুটি ১০০০ জনকৈ সৈনিক থাকিব লাগে যদিও টাৱাঙৰ ৭ ইনফেণ্ট্ৰি ব্ৰিগেডত আছিল প্ৰায় ২৪০০ জন। কি এক অৱস্থা? কিন্তু দিল্লীক লাগে মাথো "RESULT". দৰাচলতে চীনা যুদ্ধৰ আগলৈকে পূৱ সীমান্তৰ কথা ভাবিবলৈ আহৰি নাছিল দিল্লীৰ।

নেহৰু, কৃষ্ণ মেনন হঁতে হয়তো বুজা নাছিল যে ১৬০০০ ফুট উচ্চতাত গাত মাথো এখন কম্বল মেৰিয়াই হাতত বন্দুক লোৱাৰ যন্ত্ৰনা কেনে হ'ব পাৰে। প্ৰকৃততে বুজা নাছিল বুলি কলে ভুল হ'ব। হয়তো বুজিও নুবুজাৰ ভাও ধৰিছিল। নহ'লে এই ধৰণৰ অৱস্থাত মেক মোহন লাইন অতিক্ৰম কৰি ফৰৱাৰ্ড পলিচীক আকোঁৱালী লৈ বিবাদমান ঢলাত চকী পাতিবলৈ নিৰ্দেশ নিদিলেহেঁতেন। কিন্তু ডালভীৰ দৰে বিচক্ষণ সেনা বিষয়াই ঢলাত চকী স্থাপন কৰি চীনক জোকাই লোৱাৰ পক্ষপাতী নাছিল। তাৰ কাৰণ আছিল দুটা। প্ৰথমে, তেওঁ নিজে ঢলা ভাৰতৰ মেপত আছিল বুলি বিশ্বাস নকৰিছিল।

দ্বিতীয়তে, এপ্ৰিল ১৯৬২ তহে প্ৰথমটো সৈন্যৰ কনভয় ফুটহিলৰ পৰা টাৱাং পোৱাৰ কথা আছিল। অৰ্থাৎ তেওঁ ভাবিছিল যে ঢলা চকী স্থাপন কৰাৰ আগতে নিজৰ সৈন্যবাহিনীৰ স্থিতি আৰু অলপ মজবুত হওঁক। কিন্তু দিল্লীয়ে নামানিলে। সম্পূৰ্ণ অনিচ্ছাসত্বেও দিল্লীৰ কাঢ়া নিৰ্দেশত জুন, ১৯৬২ ত বহুৱা হ'ল ঢলা কেম্প। চীনৰ পৰা লগে লগে নাহিল কোনো প্ৰতিবাদ। ইপিনে এপ্ৰিলত আহি পাব লগা সৈন্য আহি পোৱাই নাই। কিন্তু ব্ৰিগেডিয়াৰ ডালভিয়ে নাজানিছিল আগষ্ট মাহলৈকে যে চীনা সৈন্যৰ শক্তি কিমান?

আচলতে সেই সময়ত ভাৰতীয় সৈন্যৰ কোনো চোৰাংচোৱাই নাছিল। যদি আছিল সেয়া মাথোঁ অন্ধ অহংকাৰ। সম্পূৰ্ণ অন্ধকাৰেৰে আগবাঢ়িছিল ভাৰতীয় সৈন্য। নাজানে যে দুমাহ পিছতেই আৰম্ভ হ'ব যুদ্ধ। শেষ মুহূৰ্তলৈকে নাজানিছিল কোনেও যে চীনৰ শক্তি কিমান?

দিল্লীক লাগে "RESULT", তাকো নিজৰ পক্ষত। যাতে নেহৰুৱে এজন বিশ্বনেতা হ'ব পাৰে ষ্টেলিন, ৰুজভেল্ট, ছাৰ্চিল হিটলাৰৰ দৰে। নেহৰুৱে যি কয় সেয়াই আইন। ভাৰতত কাৰো সাহস নাই নেহৰুৰ ওপৰত ক'বলৈ। মুঠতে ভাৰতীয় সেনা সম্পূৰ্ণ অক্ষম এখন যুদ্ধৰ বাবে। টাৱাঙলৈ তেতিয়া এখন সৰু ট্ৰাক চলিব পৰাকৈ এটা পথ মুকলি হৈছেহে মাথোঁ।

৭ ছেপ্তেম্বৰ, ১৯৬২। ব্ৰিগেডিয়াৰ ডালভীয়ে একেধাৰে ছমাহ কাম কৰি ছুটীত ঘৰলৈ যাবলৈ বুলি তেজপুৰত উপস্থিত হৈছে। ঘৰত এবাৰ পৰিয়ালক চাই আহিব বিচাৰে। ব্ৰিগেডিয়াৰ ডালভী আৰু জেনেৰেল নিৰঞ্জন প্ৰসাদে মিছামাৰী ৰেল ষ্টেচনত ১/৯ গোৰ্খা ৰাইফলছক বিদায় জনাবলৈ আহিছে। যোৱা তিনিটা বছৰে ১/৯ গোৰ্খাৰ জোৱানসকল নেফাৰ (NEFA) দায়িত্বত আছিল। সন্ধিয়া ট্ৰেইনত উঠি যাবগৈ সকলো। সকলোৰে মুখত হাঁহি।

ব্ৰিগেডিয়াৰ ডালভী পিছদিনাখন পুৱাতে তেজপুৰৰ পৰা বিমানেৰে দিল্লী যাবগৈ। আবেলি তেজপুৰৰ গলফ ক'ৰ্টত এক ৰাউণ্ড গলফ খেলি গা ধুবলৈ বাথৰুমত সোমাইছিলহে মাথোঁ, তেনেতে টেলিফোনটো বাজি উঠিল।

ব্ৰিগেডিয়াৰ ডালভী অলপ আচৰিত হৈছিল। খুব কম সংখ্যক মানুহেহে জানে তেওঁ ক'ত আছে। তাতে তেওঁ ছুটীত।

কাৰ ফোন!

প্ৰায় খৰধৰকৈ টাৱেল পিন্ধিয়েই বাথৰুমৰ পৰা ওলাই আহি ফোনটো ধৰিছিল। সিমূৰে টাৱাঙৰ পৰা কোৱাৰ্টাৰ মাষ্টাৰ মেজৰ বেট্ৰি পেৰেইৰা।

"Sir, I think the Indo-China war has just hit us"

ফোনত পেৰেইৰাই এই কথা জনালে।

ঢলা চকীৰ কামাণ্ডৰে বাবে বাবে মেছেজ দিছে যে পুৱা 8am ত থালাগা শিখৰ অতিক্ৰম কৰি ৬০০ চীনা সৈন্যই ঢলা চকী বেৰি ধৰিছে। ঢলা কামাণ্ডাৰে ইতিমধ্যে সহায় বিচাৰিছে। ঢলা চকীৰ এই বাৰ্তা অসম ৰাইফলছৰ কেম্প এটাই দুপৰীয়া ২.৩০ pm ত পাইছে আৰু তাৰ পিছত টাৱাং আৰু একেবাৰে শেষত সন্ধিয়া ৬.৩০ pm ত তেজপুৰত। এয়াই আছিল ভাৰতীয় সৈন্যবাহিনীৰ Communication system.

খবৰ পায়ে ব্রিগেডিয়াৰ ডালবীয়ে ঘৰলৈ যোৱাৰ চিন্তা বাদ দিলে। পিছদিনা পুৱাই টাৱাং বেক। নিশা ৮ বজাত তেজপুৰৰ ডিভিজনেল হেডকোৱাৰ্টাৰত ব্রিগেডিয়াৰ ডালভী, জেনেৰেল প্রসাদ ইত্যাদি প্রমুখ্যে সকলো বিষয়াই আলোচনাত বহিল। সকলোৰে মুখত চিন্তা। সকলোৱে বুজি উঠিছিল যে নেহৰুৰ ফৰৱাৰ্ড পলিছীৰ ওলোটা ফল আৰম্ভ হৈ গৈছে। কিন্তু কোনেও ভবা নাছিল যে এই যুদ্ধ ঢলা সীমান্তৰ পৰা তেজপুৰলৈ বিয়পি পৰিব মাথোঁ ডেৰ মাহৰ ভিতৰতে আৰু এদিন তেজপুৰো সুৰক্ষিত নোহোৱা হ'ব। চীনে জানি-বুজিয়ে শনিবাৰে আৰম্ভ কৰিছিল তেওঁলোকৰ এটেক, যাতে দিল্লীয়ে খবৰ পাই মানে শনিবাৰে সন্ধিয়া হয় গৈ আৰু পিছদিনা দেওবাৰ হোৱাৰ কাৰণে বিভিন্ন কমাণ্ডাৰ বিলাকলৈ খবৰ যোৱালৈকে দেওবাৰে আবেলি হৈ যায়গৈ।

তেজপুৰৰ হেডকোৱাৰ্টাৰত সেই ৰাতিয়ে সিদ্ধান্ত লোৱা হ'ল -

১। ঢলা চকী ৰক্ষা কৰিব লাগিব।

২। ১/৯ গোৰ্খা ৰাইফলছক ৰখোৱা হওঁক।

৩। ব্রিগেডিয়াৰ ডালভী পিছদিনা পুৱাতেই টাৱাং অভিমুখে যাব।

৯ ছেপ্তেম্বৰ, ১৯৬২। পুৱা ৫.৩০am। শালনীবাৰী বিমানকোঠ। সেই দোকমোকালিতে এখন হেলিকপ্টাৰে উৰা মাৰিছিল টাৱাং অভিমুখে। আৰোহী মাত্র এজন। ব্রিগেডিয়াৰ ডালভী।

তেতিয়াও ব্রিগেডিয়াৰ ডালভী আৰু জেনেৰেল প্রসাদে দিল্লীলৈ বাতৰি পঠাইছিল যে ঢলাৰ পৰা চকী উঠাই পিছুৱাই আহিব লাগে আৰু টাৱাং আৰু কামেং সীমান্ততে ভাৰতীয় সৈন্যৰে স্থিতি মজবুত কৰিব লাগে। কিন্তু কোনে শুনে সৈন্যবাহিনীৰ 'গ্রাউণ্ড ৰিপৰ্ট'। এই খিনিতে সৈন্য বাহিনীৰ System ৰ কথা উল্লেখ নকৰিলে ভুল কৰা হ'ব।

ভাৰতীয় সেনা এক অদ্ভুত প্রশাসনিক ব্যৱস্থাৰে চলিছিল। আৰ্মী হেড কোৱাৰ্টাৰ নতুন দিল্লীত থাকিলেও ইষ্টাৰ্ণ কামাণ্ডৰ হেড কোৱাৰ্টাৰ আছিল লক্ষ্ণৌত। উত্তৰ প্রদেশৰ পৰা আৰম্ভ কৰি মিজোৰামলৈ এই সমগ্র অঞ্চল আছিল ইষ্টাৰ্ণ কামাণ্ডৰ তলত।

তাৰ তলত আছিল ৩৩ ক'ৰ। হেড কোৱাৰ্টাৰ শ্বিলঙত। অৰ্থাৎ উত্তৰ-পূৰ নিয়ন্ত্রণ হয় শ্বিলঙৰ পৰা। ইয়াৰ নেতৃত্বত আছিল লেঃ জেনেৰেল উমৰাও মিং। অৱশ্যে ১৯৬২ ৰ পিছত সমগ্র System টো সলনি কৰা হৈছিল আৰু ইষ্টাৰ্ণ কামাণ্ডৰ হেড কোৱাৰ্টাৰ হৈছিলগৈ কলিকতা। ৩৩ ক'ৰৰ তলত চীনা সীমান্ত ৰক্ষা কৰিবলৈ আছিল ৭ ব্রিগেড আৰু ৫ ব্রিগেড।

৭ ব্রিগেড হেড কোৱাৰ্টাৰ টাৱাং আৰু ইয়াৰে তিনিটা বেটেলিয়ন আছিল টাৱাং, ডিৰাং আৰু বমডিলাত। আনহাতে ৫ ব্রিগেড আছিল উত্তৰ লখিমপুৰত।

কাৰ্যতঃ চীনক ৰুধিবলৈ কামেং সীমান্তত আছিল মাথো ২৪০০ জন সৈনিক। সেয়াই দ্বাচলতে ভাৰতীয় সেনাৰ শক্তি, যিয়ে যুজঁ দিবলৈ ওলাইছে বিশাল চীনৰ ৰেড আৰ্মীৰ লগত।

ব্রিগেডিয়াৰ ডালভীয়ে ভালকৈ বুজিছিল যে দিল্লীয়ে তেওঁক সহায় কৰাৰ কথা কেতিয়াও ভবাই নাই। তথাপি নিৰ্দেশ মানি কাম কৰি গৈ আছিল। নিৰ্দেশ আছিল ২৪ টা নতুন চকী বহুৱাব লাগে মেকমোহন লাইনৰ পাৰে পাৰে।

৯ ছেপ্তেম্বৰ, ১৯৬২।

নতুন দিল্লী

প্রতিৰক্ষা মন্ত্রালয়।

কোঠাৰ ভিতৰত প্রতিৰক্ষা মন্ত্রী কৃষ্ণ মেনন, সেনাপ্রধান থপৰ, ইষ্টাৰ্ণ কামাণ্ডৰ মূৰব্বী জেনেৰেল সেন, কেবিনেট সচিব এছ. এছ. খেৰ, যুটীয়া সচিব এছ. বি. ছাৰিন। প্রধান মন্ত্রী নেহৰু কলম্বোত।

মন্ত্রীসভাৰ দ্বিতীয় স্থানত থকা মোৰাইজী দেশাই ৱাশ্বিংটনত। গৃহমন্ত্রী লালবাহাদুৰ শাস্ত্রী দিল্লীতে আছিল যদিও তেওঁক কৃষ্ণ মেননে দৰকাৰী বুলি নাভাবিলে। তেতিয়া নেহৰু-মেননৰ সোণালী যুগ। ভাৰতৰ বৈদেশিক আৰু প্রতিৰক্ষা নীতি তেওঁলোকৰ মতে চলে। বাকীবোৰ যেন অচল টকা।

সেই সভাতে সিদ্ধান্ত লোৱা হৈছিল যে ঢলাৰ পৰা বলপূৰ্বক হ'লেও চীনা সৈন্য আঁতৰাব লাগে। অৰ্থাৎ চীনৰ বিৰুদ্ধে শক্তি প্রয়োগ কৰাৰ সেই ঐতিহাসিক সিদ্ধান্ত কৃষ্ণ মেননে নিজেই ঘোষণা কৰিছিল। য'ত নাছিল নেহৰু, শাস্ত্রী, দেশাই।

সেয়াই 'অপাৰেছন লেগহৰ্ণ'।

কোনো ধৰণৰ প্রতিৰক্ষাৰ ব্যৱস্থা নথকাকৈ বৰলৰ বাহত হাত দিয়াৰ পৰিণতি কি হ'ব পাৰে, কৃষ্ণ মেননে পিছলৈ ভালদৰে বুজিছিল। মাথোঁ তেওঁৰ এই সিদ্ধান্তৰ ফলত কিমান সৈন্যই

মৃত্যুমুখত পৰিছিল, তাৰ কোনো লেখ জোখ নাই। ইতিহাসে তেওঁক ইয়াৰ কাৰণে কেতিয়াও ক্ষমা নকৰে।

ইফালে জেনেৰেল উমৰাও সিঙে চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰতিবাদ কৰিছিল। তেওঁৰ মতে চীনে যদি প্ৰত্যাক্ৰমণ কৰে, তেনেহলে ঢলাতো বাদেই, টাৱাংৰ পৰা আৰম্ভ কৰি তেজপুৰ আৰু পিছলৈ গুৱাহাটী আৰু শ্বিলং ৰক্ষা কৰাটোও টান হ'ব। ইফালে ব্ৰিগেডিয়াৰ ডালভীয়ে খঙত একো নকওঁ বুলি ভাবিও অৱশেষত ক'বলৈ বাধ্য হল যে কংগ্ৰেছ চৰকাৰে কমিউনিষ্ট সকলক জেইলত ভৰাই থোৱাৰ পৰিৱৰ্তে সময় থাকোতেই গৰম কাপোৰ, গুলী-বাৰুদ আদি পঠিয়াব লাগে।

ঢলাত ব্ৰিগেডিয়াৰ ডালভীক যোগ দিছিল কমাণ্ডাৰ জেনেৰেল প্ৰসাদে। দুয়োজনে এই সিদ্ধান্তত উপনীত হৈছিল যে কোনোপধ্যে সামৰিক শক্তিৰে চীনা সৈন্যক খেদি পঠাব পৰা নাযাব। আনহাতে ব্ৰিগেডৰ হাতত মাথোঁ ৫০০ ৰাইফল। জোৱানৰ গাত পাতল চোলা আৰু একোখনকৈ কম্বল আৰু নিশা তাপমাত্ৰা শুন্যৰ তলত। প্ৰত্যেকৰে হাতত মাথোঁ ৫০ ৰাউণ্ডকৈ গুলী।

জেনেৰেল উমৰাও সিঙে সঘনাই প্ৰতিবাদ কৰা দেখি দিল্লীয়ে উত্তৰ-পূৰত চীনা যুদ্ধৰ সেনানায়ক পাতিলে নেহৰুৰ ঘনিষ্ঠ লেঃ জেনেৰেল ব্ৰিজমোহন কউলক। যিজনে জীৱনত কেতিয়াও যুদ্ধ দেখাই নাছিল আৰু সামান্য নাকৰ অসুখ হোৱা বাবে যুদ্ধক্ষেত্ৰৰ পৰা পলাই পত্ৰং দিছিল আৰু মৰিবলৈ এৰি দিছিল হাজাৰ হাজাৰ সৈন্যক। সেয়া বাৰু পিছৰ কথা। দায়িত্ব পাই জেনেৰেল কাউল আহিল NEFA লৈ আৰু লগ হ'ল জেনেৰেল প্ৰসাদ আৰু ব্ৰিগেডিয়াৰ ডালভীৰ লগত। ৯ আক্টোবৰ, ১৯৬২। প্ৰচণ্ড শক্তিৰে আক্ৰমণ কৰি চীনে প্ৰায় বিধ্বংস কৰি দিছিল ৯ শিখ ৰেজিমেণ্টক।

জেনেৰেল কউল, ডালভী আৰু প্ৰসাদে শুনি গৈছিল সেই আৰ্তনাদ অসহায়ভাৱে। জেনেৰেল কউলৰো সেয়া যুদ্ধৰ লগত প্ৰথম পৰিচয়। ইয়াৰ আগলৈকে সঁচা যুদ্ধ দেখাই নাছিল তেওঁ।

ব্ৰিগেডিয়াৰ ডালভীয়ে ইয়াকে ভয় কৰি আছিল। তেওঁৰ সন্দেহ আখৰে আখৰে ফলিয়াইছিল। জেনেৰেল কউলে বুজিছিল যে এই যুদ্ধত বেছি সময় তিষ্ঠি থকা অসম্ভৱ। প্ৰতিজন ভাৰতীয় সৈন্যৰ বিপৰীতে কমেও ২০ জন চীনা সৈন্য।

'পিঠিত কোব নপৰিলে গা নলৰে'। এই কথাষাৰ জেনেৰেল কউলৰ ক্ষেত্ৰত প্ৰযোজ্য। ৯ শিখ ধ্বংস হোৱাৰ পিছতহে তেওঁ ব্ৰিগেডিয়াৰ ডালভীক কৈছিল -

"You are right Dalvi, We can not carry on, I have to inform Nehru."

ব্ৰিগেডিয়াৰ ডালভীয়ে বিশ্বাস কৰিছিল যে দালাই লামাক ভাৰতে ৰাজনৈতিক আশ্ৰয় দিয়াৰ পিছত চীনে মাথোঁ যুদ্ধ আৰম্ভ কৰিবলৈ এটা চেলু বিচাৰিহে আছিল। সেই কাৰণেই ঢলাত চকী বহোৱাক লৈয়ে চীনে এইখন কৰিছে।

ইফালে দিন বাগৰাৰ লগে লগে এটাৰ পিছত আনটো পৰাজয়ৰ বাতৰিয়ে দিল্লীত নেহৰু আৰু কৃষ্ণ মেননক গভীৰ চিন্তাত পেলাইছিল।

৭ ব্ৰিগেড, ব্ৰিগেডিয়াৰ ডালভীৰ ব্ৰিগেড ধ্বংস হ'বলৈ বাকী নাই। তেওঁ শেষবাৰৰ বাবে ৭ ব্ৰিগেডৰ হেড কোৱাৰ্টাৰ পাতিছিল ৰংলাত। ঢলাৰ পৰা ১০০০ গজমান হ'ব। সেয়া 16 অক্টোবৰ, ১৯৬২ নিশা।

কিন্তু ইয়াৰ বিপৰীতে দিল্লী গৰম। কৃষ্ণ মেননে কেবিনেটক কথা দিছিল যে ১ নৱেম্বৰৰ আগতেই চীনা সৈন্যক খেদি পঠিওৱা হ'ব। সেয়া তেওঁৰ নিজা হিচাপ। ব্ৰিগেডিয়াৰ জন ডালভীয়ে এই কথা শুনি খঙত ৰঙা হৈ পৰিছিল। ব্ৰিগেডৰ সকলোৱে বুজিছিল যে সমস্ত ব্ৰিগেডটোৱেই আশ্চৰ্য্যজনক ৰাজনৈতিক বলিৰ পঠা হ'বলৈ গৈ আছে। যাৰ খাবলৈ নাই, যাৰ দৰব নাই, যুঁজিবলৈ অস্ত্ৰ নাই, পিন্ধিবলৈ কাপোৰ নাই, তাক আকৌ আক্ৰমণৰ নিৰ্দেশ দিয়ে। ৭ ব্ৰিগেডৰ সকলোৱে থিৰাং কৰিছিল "Last Man, Last Bullet"। যুদ্ধক্ষেত্ৰ এৰি যাবলগীয়া হোৱা নাছিল কাৰো। যুদ্ধক্ষেত্ৰ এৰিছিল মাথো এজনে। তেওঁৰো সামান্য নাকৰ অসুখ আৰু কাঁহ হৈছিল। তেঁৱেই আছিল উত্তৰ-পূৰ সীমান্তত চীনা যুদ্ধৰ দায়িত্বত থকা জেনেৰেল কউল।

ব্ৰিগেডিয়াৰ ডালভীয়ে সামৰিক নেতৃত্বৰ ওপৰত বিতুষ্ট হৈ নিজেই সিদ্ধান্ত ল'ব বিচাৰিছিল। কিন্তু জেনেৰেল প্ৰসাদে অনুশাসন আৰু শৃংখলাৰ দোহাই দি ব্ৰিগেডিয়াৰ ডালভীক ক্ষান্ত কৰিছিল। কিন্তু ব্ৰিগেডিয়াৰ ডালভীৰ সহ্য নহ'ল। বাবে বাৰে ভুল নিৰ্দেশ মানি অতিষ্ঠ হৈ পৰিছিল তেওঁ।

"Rather than stand by and see the troops massacred, I would like to resign - It is time someone take a firm stand" -ব্ৰিগেডিয়াৰ ডালভীয়ে সকলো কনিষ্ঠ বিষয়াৰ আগতেই জেনেৰেল প্ৰসাদক চিঞৰি চিঞৰি এইদৰে কৈছিল। দিল্লী পাইছিলগৈ ব্ৰিগেডিয়াৰ ডালভীৰ সেই আৱেগ জৰ্জৰিত পদত্যাগৰ কথা।

২০ অক্টোবৰ, ১৯৬২।

সময় পুৰা ৪ বজা।

ভয়ংকৰ গৰ্জনেৰে চীনে নমকাছু আক্ৰমণ কৰিছিল। সেয়াই আছিল ইতিহাস প্ৰসিদ্ধ "Battle of Namkasu" সচাঁ অৰ্থত ক'বলৈ গ'লে, যুদ্ধৰ আধা ঘণ্টাৰ ভিতৰতে ব্ৰিগেড থৰক-বৰক হৈ পৰিঠিল। ব্ৰিগেডিয়াৰ ডালভীৰ কথা নামানি দিল্লীয়ে সৈন্যৰ কোম্পানীবোৰ ইমান দূৰে দূৰে ৰাখিলে যে যুদ্ধৰ সেই মুহূৰ্তত প্ৰত্যেকৰ লগত সংযোগ স্থাপন কৰা সম্ভৱ নহ'ল। সেয়াই হ'ল কাল। প্ৰায় ডেৰ ঘণ্টাৰ ভিতৰতে চীনে ভাৰতীয় সৈনাৰ অকল কামিহাড়েই ভাঙি দিয়া নাছিল, বৰঞ্চ সমস্ত মনোবলেই ভাঙি দিছিল। ধ্বংস হৈ গৈছিল ইনফেণ্ট্ৰি ব্ৰিগেড। পুৰা ৮ বজাত ব্ৰিগেডিয়াৰ ডালভীয়ে বাছি থকা সৈন্যক পিছ হুহকিবলৈ নিৰ্দেশ দিলে।

সেয়া সেনাৰ পৰাজয় নে ভাৰতীয় কুটনীতিৰ পৰাজয়? ইফালে চীনে উত্তৰ-পূৰত অকল টাৱাঙৰ ফালেই নহয়, পূৰ অৰুণাচলৰ ৱালঙৰ ফালেৰেও আক্ৰমণ কৰিছিল। মুঠতে তেজুৰ পৰা তিনিচুকীয়া, টাৱাঙৰ পৰা বমদিলা হৈ তেজপুৰ। আৰু পিছত গুৱাহাটী আৰু শ্বিলং। সচাঁ অৰ্থত অসম তেতিয়া চিধাচিধিকৈ চীনা আক্ৰমণৰ লক্ষ্যত।

ব্ৰিগেডিয়াৰ ডালভী নিজে যুদ্ধক্ষেত্ৰ এৰিবলৈ সাজু হৈছিল। লগত মুঠ ৩৭ জন সৈনিক। সকলোৰে মৰমৰ ৭ ইনফেণ্ট্ৰী ব্ৰিগেড ধ্বংস। তেওঁ লুম্পুলৈ যাবলৈ আৰম্ভ কৰিছিল। কিন্তু সেয়াও সম্ভৱ নাছিল। নামি আহিছিল চাৰ্ছিমলৈ।

সন্মুখত ১৮০০০ ফুট ঢলা পৰ্বত। পাৰ হোৱাৰ বাহিৰে উপায় নাই। পিন্ধনত সকলোৰে সাধাৰণ জোতা আৰু সাধাৰণ গৰম চোলা। সন্ধিয়া হৈ অহালৈকে নামি আহিছিল প্ৰচণ্ড ঠাণ্ডা। কৰবাত আশ্ৰয় নাপালে হিমালয়ৰ এই অক্টোবৰ মাহত মৃত্যু নিশ্চিত। কোনোবা এজনে ১৭০০০ ফুটত এটা সৰু গুহা বিচাৰি পোৱাত তাতেই গোটেই দলটোৱে আশ্ৰয় লৈছিল। টোপনিৰ প্ৰশ্নই নাছিল। সেয়া আছিল মৃত্যুৰ লগত যুঁজি থকা যুদ্ধ। চকু এবাৰ মুদিলে আৰু সাৰ নাপাব। ১৯ তাৰিখ ৰাতিৰ পৰা ২১ তাৰিখৰ দুপৰীয়ালৈকে কাৰো পেটত খুদকণো পৰা নাই। আৰু কেতিয়া পৰিব বা পৰিব নে নাই তাৰো কোনো ঠিক নাই। কিন্তু তেতিয়া জীয়াই থকাটোহে মূল প্ৰশ্ন। সেয়েহে তেওঁলোকৰ দলটো দুটা সৰু দলত বিভক্ত হ'ল। দুপৰীয়া ২ বজালৈকে ব্ৰিগেডিয়াৰ ডালভী আৰু ১০ জনমান সৈনিকৰ প্ৰথমটো দল লুম্পু কাৰপোলা পাইছিল। আনটো দল লাহে লাহে আগবাঢ়ি আহিছিল। দুয়োটা দলেই নাজানিছিল যে চীনা সৈন্য ইতিমধ্যে সীমাৰ ভিতৰলৈ সোমাই আহিছিল।

সকলোৰে গম পাইছিল যে ভোক আৰু ঠাণ্ডাত বাচিলেও চীনা সৈন্যৰ হাতত গ্ৰেপ্তাৰ হ'ব।

ইফালে ব্ৰিগেডিয়াৰৰ দলটোৱেই যাত্ৰা কৰিয়ে আছিল। সন্ধিয়াও নামি আহিছিল। আন এটা নিশা সম্পূৰ্ণ মুকলি আকাশৰ তলত কটাইছিল তেওঁলোকে। তেতিয়াও যে খোজকাঢ়িব পৰাকৈ শক্তি আছিল সেয়া দৰাচলতে এক আশ্চৰ্য। কিন্তু ব্ৰিগেডিয়াৰ ডালভীয়ে বুজি উঠিছিল যে তেওঁলোকে পথ হেৰুৱাইছে।

২২ অক্টোবৰ, ১৯৬২।

পুৰা ৪ বজা।

খুব লাহে লাহে নামি আহিছিল ব্ৰিগেডিয়াৰৰ দলটো। দেহাৰ শক্তি টুটি আহিছিল। পেটত যোৱা ৬০ ঘণ্টা ধৰি খুদকণো পৰা নাই। তথাপি নামি আহিছিল। দুঘণ্টামান নামি অহাৰ পিছত জিৰণি ল'বলৈ বহিছিল দলটো। হঠাৎ দেখিছিল তলত চীনা সৈন্যৰ দল এটা গৈ আছে। শিলৰ মাজেৰে দেখিছিল লাইন পাতি চীনা সৈন্য আগুৱাই গৈছে। তেওঁৰ বুজিবলৈ বাকী নাছিল যে সেইটো চীনা সৈন্যৰে এটা বেটেলিয়ান আছিল। লগে লগে আন সহযোগী সৈন্য কেইজনক তেওঁ সতৰ্ক কৰি দিছিল। এনেদৰে কিছু সময় থকাৰ পিছত নিজকে নিৰাপদ বুলি শিলটোৰ মাজেৰে পুনৰ চাবলৈ যত্ন কৰিছিলহে, তেনেতে ৬-৭ জন মান চীনা সৈনিকে বন্দুকেৰে ঘেৰি ধৰিছিল ব্ৰিগেডিয়াৰ ডালভীৰ দলটোক। ভাৰতীয় সৈনিক কেইজনে বন্দুক তুলিবলৈ চেষ্টা কৰিছিল যদিও সফল নহ'ল। যুদ্ধবন্দী হৈছিল ব্ৰিগেডিয়াৰ জন পৰশুৰাম ডালভী।

প্ৰায় ৭ মাহ কাল চীনৰ যুদ্ধবন্দী হিচাপে দিন কটাইছিল তেওঁ। প্ৰতিদিনে চলিছিল জেৰা। অৱশ্যে তেওঁক সন্মান সহকাৰে জেৰা কৰা হৈছিল বুলি তেওঁ নিজে পিছলৈ নিজৰ কিতাপ "The Himalayan Blunder" ত উল্লেখ কৰিছিল।

ইফালে ২০ নৱেম্বৰ, ১৯৬২ লৈ ভাৰতীয় সেনাৰ প্ৰায় সম্পূৰ্ণ পৰাজয় হৈছিল। ব্ৰিগেডিয়াৰ ডালভীয়ে চীনৰ বন্দী হৈ থকা অৱস্থাত গমেই পোৱা নাছিল যে যিখন অসমলৈ তেওঁক আঠ মাহ আগতে দিল্লীয়ে পঠাইছিল, আজি সেইখন অসমলৈকে দিল্লীয়ে "Director of Civil Defence" ক পঠাইছে যাতে ব্ৰহ্মপুত্ৰ উপত্যকাত চীনৰ কামত আহিব পৰা সকলো বস্তু ধ্বংস কৰি

দিয়ে যেন। তাৰ ভিতৰত আছিল দলং, বিমানকোঠ, চাহ ফেক্টৰী আৰু উজনি অসমৰ তেলখাদ। যাক যুদ্ধক্ষেত্ৰত কোৱা হয় "Scorched earth policy".

কিন্তু সকলোকে আচৰিত কৰি ২০ নৱেম্বৰৰ নিশা চীনৰ ছুপ্ৰীম কমাণ্ডাৰ মাও-সে- টুঙে যুদ্ধবিৰতি ঘোষণা কৰিছিল। বিশ্ব স্তম্ভিত হৈ পৰিছিল। সমগ্ৰ ভাৰত স্তম্ভিত, নেহৰু আৰু বেছি স্তম্ভিত।

বিশ্বৰ জানিবৰ বাকী নাছিল যে ভাৰতৰ ফৰৱাৰ্ড পলিচী বা বাৰে বাৰে সীমা ঠেলাৰ ভয়ানক শাস্তি দিব বিচাৰিছিল চীনে। সেইকাৰণেই ভাৰতীয় সেনাৰ কামিহাড় ভাঙি চীন বীৰদৰ্পে উভতি গৈছিল।

তেনেকৈয়ে শেষ হৈছিল ১৯৬২ ৰ 'চীন-ভাৰত যুদ্ধ'। ইফালে ব্ৰিগেডিয়াৰ জন ডালভীক প্ৰায় সাত মাহ যুদ্ধবন্দী কৰি ৰখাৰ পিছত ৪মে', ১০৬৩ ত তেওঁক মুকলি কৰি দিয়া হৈছিল, লগত আছিল তেওঁৰ ১০ জন সৈন্য। চীনা সৈন্যই তেওঁক সন্মান সহকাৰে বিদায় দিছিল আৰু এখন মিলিটেৰী প্লেনৰ দ্বাৰা কলিকতালৈ লৈ আনিছিল। কিন্তু নিজ দেশলৈ উভতি অহাৰ পিছত তেওঁ বৰ আচৰিত হৈছিল। সকলোৱে তেওঁলৈ সন্দেহৰ দৃষ্টিৰে চাইছিল। কিজানিবা চীনা সৈন্যই ব্ৰিগেডিয়াৰ ডালভীক ব্ৰেইন ৱাছ কৰি পঠাইছে। তেওঁৰ কিতাপ "The Himalayan Blunder" ত তেওঁ উল্লেখ কৰিছে -

"We landed in Dum Dum Airport in Calcutta on 4th May, 1963. We were received cordially, appropriately. But the silence there was disquieting. I realised later. We had to prove we were not brain washed by chinese idoology. We had to prove we were still loyal to India. My own army made a suspicious distance. The irony can not be harsher :this treatment from a country, which for more than a decade had brain washed itself more than a decads had brain washed itself into holding the Chinese baton whenever it went.

১৯৬৮ চনত ব্ৰিগেডিয়াৰ ডালভীয়ে "The Himalayan Blunder" কিতাপ লিখি উলিয়াইছিল। কিন্তু ভাৰত চৰকাৰে এই কিতাপ খনক বেন কৰি দিছিল। কিয়নো ব্ৰিগেডিয়াৰ ডালভীয়ে নেহৰুৰ ভুল সিদ্ধান্ত আৰু মূৰ্খামিৰ কথা সকলো লিখিছিল এইখন কিতাপত। আৰু ইয়াৰ ফলত কংগ্ৰেছ দলৰ ৰাজনৈতিক জনপ্ৰিয়তা হ্ৰাস পালেহেঁতেন বুলি তেতিয়াৰ ভাৰত চৰকাৰে বিশ্বাস কৰিছিল। অৱশ্যে পিছলৈ বিৰোধী, সংবাদ মাধ্যমৰ প্ৰবল বিৰোধিতাৰ বাবে এই বেন উঠাই ল'বলৈ বাধ্য হৈছিল। ব্ৰিগেডিয়াৰ ডালভীয়ে চীনা যুদ্ধত ভাৰতীয় সেনাৰ পৰাজয়ৰ দোষ দিছিল প্ৰধানমন্ত্ৰী নেহৰু, প্ৰতিৰক্ষা মন্ত্ৰী কৃষ্ণ মেনন আৰু ৰাজনৈতিক আশীৰ্বাদ থকা জেনেৰেল ব্ৰিজমোহন কউল, এই তিনিওজনক।

যুদ্ধৰ একেবাৰে শেষ সময়লৈকেও যদিও এই তিনিওজনে ব্ৰিগেডিয়াৰ ডালভীৰ কথা শুনিলে হয়, তেন্তে এনে এক পৰাজয়ৰ সন্মুখীন ভাৰতীয় সেনা নহ'ল হয়।

কিন্তু ব্ৰিগেডিয়াৰ ডালভীক কোনো ধৰণৰ মেদেল প্ৰদান কৰা নহ'ল। অৱসৰৰ আগমুহূৰ্তলৈকে দিয়া নহ'ল একো পদোন্নতি। হয়তো দিল্লীৰ কথা নুশুনা বাবেই তেওঁক এনেকুৱা কৰা হ'ল।

কিন্তু কোনোবাই মেদেল দিয়ক-নিদিয়ক, তেখেতে নিজৰ মাতৃভূমিৰ ৰক্ষাৰ কাৰণে যি কৰিছিল সেয়া অতুলনীয়। পৰিতাপৰ কথা এয়ে যে আজি ভাৰতীয় সেনাৰ বাহিৰে কতো তেওঁৰ নাম শুনা মানুহ নাই। ১৯৬২ আৰু "The Himalayan Blunder" নামৰ কিতাপখন পঢ়ি তেওঁৰ কথা জানি মই গৰ্বিত হৈ ক'ব খুজিছো যে ভাৰতীয় সেনাত তেওঁৰ দৰে এজন সৈনিক আছিল। আৰু এই লেখা পঢ়ি সকলোৱে তেওঁক লৈ গৰ্ব কৰিব বুলি মই দৃঢ়বিশ্বাসী।

●

# চাৰণবিল ঃ ক্ৰীড়া পৰ্যটনৰ সম্ভাৱনীয়তা

**কমল ডেকা**
পঞ্চম যান্মাষিক

**প্ৰস্তাৱনা ঃ**

জীৱজগতক আগুৰি থকা আকাশ, বায়ু, পানী, মাটি আৰু প্ৰকৃতিলৈ যি এক বাহ্যিক বাতাবৰণৰ সৃষ্টি হৈছে তাকে পৰিৱেশ বোলা হয়। পৰিৱেশৰ এই মূল উপাদানসমূহৰ মান বিনষ্ট হোৱাকে পৰিৱেশ প্ৰদূষণ বোলা হয়। পৰিৱেশ প্ৰদূষণ অতি স্পৰ্শকাতৰ বিষয় হৈ পৰিছে। চাৰণবিলৰ ক্ষেত্ৰ অধ্যয়নৰ প্ৰতিবেদনখনিৰ দ্বাৰা আমাৰ মৰিগাঁও জিলাৰ অন্তৰ্গত চাৰণবিলৰ পৰিৱেশ আৰু সম্পদৰাজি আৰু ইয়াৰ পৰিস্থিতি তন্ত্ৰৰ বিষয়ে চমুকৈ আভাস দিয়াৰ চেষ্টা কৰিলো।

**অধ্যয়নৰ তাৎপৰ্য ঃ**

আধুনিক পাৰমাণৱিক যুগৰ ঔদ্যোগিক পৰিৱেশে প্ৰাকৃতিক জগতৰ সৌন্দৰ্য বিনষ্ট কৰাৰ লগে লগে জীৱজগতৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। মানুহ জীয়াই থাকিবলৈ হ'লে সম্পূৰ্ণভাৱে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগে। বায়ুমণ্ডল প্ৰদূষিত হ'লে ইয়াৰ বিষাক্ত আৱৰণে পলকতে মানৱজীৱনৰ অন্ত আনি দিব। কল- কাৰখানাৰ পৰা নিৰ্গত বিষাক্ত গেছ আৱৰ্জনা আদিয়ে আমাৰ চাৰিওফালৰ পৰিৱেশ দিনে দিনে অত্যন্ত বেয়াৰ পিনে লৈ গৈ আছে। এনে ভয়ংকৰ পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ পৰিৱেশ অধ্যয়ন অতি আৱশ্যকীয় হৈ পৰিছে। সমগ্ৰ পৃথিৱীতে এই বিষয়ত চৰকাৰী, বেচৰকাৰী সংগঠনে এই বিষয়ত মনোনিৱেশ কৰিছে। পৰিৱেশ অধ্যয়ন আৰু ইয়াৰ সফল প্ৰয়োগৰ অবিহনে এই সুন্দৰ পৃথিৱীখন আৰু অধিক ধুনীয়া কৰিবলৈ অন্য কোনো বিকল্প নাই। বৰ্তমান বৈজ্ঞানিক যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ দ্বাৰা আমাৰ জীৱনলৈ ভাবুকি অনা বিভিন্ন কাৰকসমূহৰ নিৰাময়ৰ উপায় নিশ্চয় উলিয়াব পৰা যাব। জীৱশ্ৰেষ্ঠ মানৱৰ অক্লান্ত চেষ্টা আৰু পৰিশ্ৰমৰ



দ্বাৰা পৰিৱেশ প্ৰদূষণ ৰোধ কৰা নিশ্চয় সম্ভৱ হ'ব।

**চাৰণবিল, ইয়াৰ পৰিৱেশতন্ত্ৰ ঃ-**

চাৰণবিলৰ অৱস্থিতি আৰু চাৰিসীমা---

মৰিগাঁও জিলাৰ প্ৰায় সোঁমাজতে এই চাৰণবিল অৱস্থিত। মৰিগাঁও জিলা আৰু জাগীৰোডৰ মাজত থকা এই ঐতিহ্যমণ্ডিত বিলখনৰ পৰা মৰিগাঁওলৈ প্ৰায় ৫কি.মি. আৰু জাগীৰোডলৈ প্ৰায় ১৮ কি.মি.। ঐতিহ্যমণ্ডিত বিলখন কলং নদীৰ পৰা সৃষ্টি হৈছে আৰু খন্দাজানত বৈ গৈ ই লুইতৰ বুকুত মিলিত হৈছে। এই বিলখনৰ নাম চাৰণবিল হোৱাৰ কাৰণ বহু পৌৰাণিক। বহু আগে খৰালি মাহত চাৰণবিলৰ পানী শুকাই যায় আৰু যি অলপ পানী থাকে তাত ঘাঁহ, বন, বিৰিণা আদি গজিবলৈ ধৰে। ফলত ওচৰৰ গাঁওবোৰৰ গৰু, ম'হ, ছাগলী আদিয়ে ঘাঁহ, বন খাবলৈ আৰু চৰিবলৈ ইয়ালৈ আহে। আগে এই বিলখনৰ পানী খোৱা, গা ধোৱা আদি বিভিন্ন কামত ব্যৱহাৰ কৰা হৈছিল। তাৰ বুৎপত্তি ক্ৰমে এই বিলখনৰ নাম চাৰণবিল হিচাপে বুৰঞ্জী প্ৰসিদ্ধ হৈ আছে।



চাৰণবিলৰ চাৰিসীমা ঃ- চাৰণবিলৰ পূৱে ঔজাৰি, পশ্চিমে তৰাণি কলবাৰী, উত্তৰে মৰিগাঁও জাগীৰোড সংগমস্থলী ৰোড আৰু দক্ষিণে খেতিপথাৰ।

**উদ্ভিদ ঃ-**

চাৰণবিলৰ পাৰত বিভিন্ন গছ- গছনিয়ে এক বিস্তৃত অঞ্চল আগুৰি ৰাখিছে। বিলখনৰ পাৰে পাৰে প্ৰায় ৩কি.মি. গছ-গছনিৰে ভৰপূৰ। বিলৰ পাৰৰ বিভিন্নগছ- গছনিৰ ভিতৰত তেতেলী, বগৰী, ভোমোৰা, কলগছ, আহঁত ভেলৌ আদিয়ে প্ৰধান।



ইয়াৰ উপৰিও জলফাই, মধুৰিআম, নেমু, আমলখি আদি মূল্যৱান গছেও শোভাবৰ্দ্ধন কৰি ৰাখিছে।

ইয়াৰ উপৰিও পানীৰ ওপৰত আৰু তলত ভালেমান উদ্ভিদ, মাছ, চৰাই আদি দেখিবলৈ পোৱা যায়।

পানীৰ ওপৰত থকা উদ্ভিদৰ ভিতৰত পৰে অগৰা, জালখাৰু, বিহলঙনি, কটাহীবেঙেনা, গঙামূলা আৰু চেঙেৰীটেঙা পানীৰ তলত থকা উদ্ভিদৰ ভিতৰত মেটেকা পৰে।

বহুতো উদ্ভিদ থকাৰ লগতে মাছ, কাছ, ভেকুলী ইত্যাদি প্ৰাণীৰে বিলখন অধিক মনোমোহা কৰি তুলিছে। বিলত থকা

ডাঙৰ মাছৰ ভিতৰত চিতল, শ'ল, ৰৌ, মাগুৰ আদিয়ে প্ৰধান। সৰু মাছৰ ভিতৰত পুঠি, দৰিকণা, কাৱৈ, মোৱা আদি। ইয়াৰ উপৰিও বিভিন্ন পোক পতংগ বিলখনত পোৱা যায়।

আনহাতে গছ-গছনি আৰু জন্তুৰ দৰে চৰাইৰ ভিতৰত শালিকা, কাউৰী, ঘনচিৰিকা আদি। বিলত দেখা পোৱা চৰাইৰ ভিতৰত কণামুচৰী, বগলী, মাছৰোকা, পানীকাউৰী, হৰি চৰাই, হনুমান চৰাই আদিয়েই প্ৰধান। পৰিভ্ৰমী চৰাইয়ো চাৰণবিলত দেখিবলৈ পোৱা যায়।

**পানীৰ গভীৰতা ঃ-**

চাৰণবিলৰ পানী অতি পৰিস্কাৰ। তিনি কি.মি. দৈৰ্ঘ্য আৰু ২৫ কি.মি. প্ৰস্থৰ এই বিশাল জলাশয়ৰ গভীৰতা গড়ে প্ৰায় ২১/২ মি.। ইয়াৰ পানী বাৰিষাৰ দিনত ভৰপূৰ হৈ থাকে আৰু তেতিয়া পানীৰ গভীৰতা বৃদ্ধি পায়। খৰালিত ইয়াৰ পানী একেবাৰে শুকাই নাযায়। খৰালি দিনত জীৱ-জন্তুৱে বিলৰ ঘাঁহ-বন আদি খায়।

**খাদ্য-শৃঙ্খল ঃ-**

এটা পৰিৱেশ তন্ত্ৰত বিভিন্ন প্ৰকাৰৰ জীৱৰ মাজেদি (উৎপাদকৰ পৰা উপভোক্তালৈ) খাদ্য পৰিবহনক খাদ্য শৃঙ্খল বোলে। এক অৰ্থত খাদ্য শৃঙ্খল পৰিৱেশ তন্ত্ৰত এটা পুষ্টি সম্বন্ধীয় অনুক্ৰম। ইয়াৰ জৰিয়তে শক্তিৰ প্ৰবাহ হয়।

পানীত খাদ্য শৃঙ্খলৰ চিত্ৰ।

**পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্যতা ঃ**

চাৰণবিলৰ পৰিৱেশ মূলতঃ জলাশয়ৰ গভীৰতা জলজ উদ্ভিদৰ চাৰিওফলৰ গছ- গছনি, চৰাই- চিৰিকটি, জলজ পানী (মাছ, সাপ, ভেকুলী, পোক-পৰুৱা) আদিৰ ওপৰত নিৰ্ভৰশীল। গছ-গছনি অবিহনে চাৰণবিলৰ বায়ু প্ৰদূষিত হ'ব।

সেয়েহে সময়ে সময়ে নতুনকৈ বৃক্ষৰোপন কৰিব লাগিব। জলজ উদ্ভিদ বেছি হ'লে বিলৰ গভীৰতা হ্ৰাস পাব। সেয়েহে ইয়াক পৰিস্কাৰ কৰাটো নিতান্ত প্ৰয়োজনীয় হৈ পৰিব। মাছৰ পোনা আদি সময়ে সময়ে দি থাকিলে মাছৰ সংখ্যা হ্ৰাস নাপায়। জীৱ-জন্তুৰ মুকলি বিচৰণে উদ্ভিদ, জলাশয় উভয়ৰে ক্ষতি কৰিব। ইয়াক ৰোধ কৰাটো অৱশ্যে প্ৰয়োজনীয়। মুঠতে, চৰকাৰ আৰু ৰাইজৰ চেষ্টাত পৰিৱেশ বৰ্তমানতকৈ উন্নত কৰিব পৰা যাব।

**মানৱীয় কাৰ্যকলাপ ঃ-**

চাৰণবিলে মানুহৰ জীৱনত গুৰুত্বপূৰ্ণভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। প্ৰথমে এই চাৰণবিলখনে এক বৃহৎ পৰিস্থিতি তন্ত্ৰ গঢ়ি তুলিছে। এই বিলখনৰ লগতে ওচৰৰ ঔজাৰি অঞ্চলৰ উপৰিও মৰিগাঁও জিলাৰ অন্য অঞ্চলবোৰৰ এক বৃহৎ মাছৰ চাহিদা পূৰণ কৰি আহিছে। এই বিলখনত কোনো জলসিঞ্চনৰ ব্যৱস্থা কৰা হোৱা নাই, যদিও অসম মীন উন্নয়ন নিগম লিমিটেডে ব্যৱসায়িক ভিত্তিত বছৰি মাছ মৰাৰ ব্যৱস্থা কৰে। ঔজাৰি অঞ্চলটোৰ ৰাইজে বিহুৰে- সংক্ৰান্তিয়ে এই বিলৰ মাছ মাৰি খোৱাৰ ব্যৱস্থা কৰিছে। এই বিলখনৰ মাছ মৰাৰ এক বিশেষ পদ্ধতি আছে। এই বিলখনত ডাক কৰা আগতে বিলখনৰ পানীত থকা মেটেকাবোৰ গোটাই সুন্দৰকৈবিলৰ মাজত ঘূৰণীয়াকৈ একগোট কৰি ৰাখে। এই গোটাই থোৱা মেটেকাবোৰৰ তলত বিলৰ ডাঙৰ মাছ মাছবোৰ একগোট হৈ থাকে।। শীতকালৰ প্ৰথম মাহৰ অৰ্থাৎ কাতি-আঘোণ মাহত মেটেকা চাৰিওফালে মুচুৰি জাল পাতি নাৱলৈ মাছবোৰ উঠোৱা হয়। এনেদৰে এই মাছবোৰ অসমৰ বিভিন্ন স্থানলৈ নিয়া হয় আৰু এনেদৰে মাছৰ চাহিদা পূৰণ কৰাত সহায় কৰে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে ২০০৪ চনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাওঁখেল অৰ্থাৎ কাইকিং আৰু কেলৰিং খেলৰ নিৰাপদ স্থানৰূপে এই বিলখনে স্বীকৃতি লাভ কৰিছে। অসমৰ ভিতৰত মৰিগাঁও জিলাৰ এই চাৰণবিলতে কাইকিং আৰু কেলৰিং নাওঁখেলৰ একমাত্ৰ কেন্দ্ৰৰূপে পৰিগণিত হৈছে। এই কেন্দ্ৰত উচ্চ পৰ্যায়ৰ কাইকিং আৰু কেলৰিং খেলৰ প্ৰশিক্ষণ দিয়া হয়।

**উদ্দেশ্য, ফলাফল ঃ-**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্দ্দেশমতে স্নাতক চতুৰ্থ যান্মাষিকৰ পাঠ্যক্ৰমৰ সকলো ছাত্ৰ- ছাত্ৰীৰ বাবে পৰিৱেশ অধ্যয়ন বাধ্যতামূলক কৰা হৈছে। পোন প্ৰথমেই আমাৰ ছাত্ৰ- ছাত্ৰী গোটে চাৰণবিল বাছনি কৰিছিলো। কাৰণ ২০০৪ চনত ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নাওঁখেল চাৰণবিলত হোৱাত খেলুৱৈ আৰু খেল চাবলৈ ইয়ালৈ অগনণ দৰ্শকৰ লানি নিছিগা সোত বৈছিল। তেতিয়াৰ পৰাই চাৰণবিলৰ সৌন্দৰ্য্য মানুহৰ মুখে মুখে প্ৰচলিত হৈছিল। আমাৰ মহাবিদ্যালয়ৰ পৰা যাতায়তৰ বাবে বিশেষ সুবিধা থকা নিজ জিলাৰ এই ঠাই যেন সদাই স্বৰ্গপুৰী বিবেচনা হৈছিল। সেয়েহে আমি ছাত্ৰগোট চাৰণবিলত উপস্থিত হৈছিলো।

৯-২-২০১৫ তাৰিখে চাৰণবিলত উপস্থিত হৈ আমি অনুভৱ কৰিছিলো যে পৰিৱেশ অধ্যয়নৰ বাবে স্থান নিৰ্বাচন আমাৰ কিমান শুদ্ধ আৰু ফলদায়ক আছিল। চৰকাৰী ভাবে নিৰ্মাণ কৰা পাৰ্কত বহি অনুভৱ কৰিছিলো অভূতপূৰ্ব আনন্দ।

চাৰণবিলৰ জলাশয় ইয়াৰ দুয়োপাৰৰ গছ-গছনি, পানীত খেলি থকা মাছ, জলজ চৰাইৰ জাক, ইয়াৰ চাৰিওফালে বিচৰণ

কৰি থকা পোহনীয়া জীৱ- জন্তু, সেউজীয়া ঘাঁহনি পথাৰ আদিয়ে ভাবিবলৈ বাধ্য কৰিছিল যে গাঁৱলীয়া পৰিৱেশ কিমান উপভোগ্য।

ঔদ্যোগিক চহৰ জাগীৰোডৰ পৰা আমি যেন এক মুকলি সজীৱ আৰু মনোৰঞ্জনৰ স্বৰ্গপুৰীত প্ৰৱেশ কৰিছিলো। দিনটো বিলৰ পানীত, বিলৰ পাৰত কটাই আপোন পাহৰা হৈ আছিলো। প্ৰকৃতিক সতেজ কৰি প্ৰদূষণমুক্ত কৰি তোলাটো আমাৰ বাবে কিমান দৰকাৰী ইয়াক চাৰণবিলৰ পৰিৱেশে কাৰ্যত আমাক বুজাই দিছিল। মন প্ৰাণ সকলোতে আমি আনন্দৰ ভাৱ অনুভৱ কৰিছিলো। এনে পৰিৱেশত কোনো বেমাৰ আজাৰ ইয়াৰ বিকল্প একোৱেই নাই। বায়ু, পানী আৰু আহাৰ এই তিনিওবিধ মৌলিক প্ৰয়োজনীয় বস্তু চাৰণবিলৰ পৰিৱেশত বিৰাজমান। সতেজ বায়ু, নিৰ্মল পানী ফলমূল আৰু কীটনাশক শস্য ইয়াত সুলভ। এনেহেন ঐতিহ্যমণ্ডিত প্ৰয়োজনীয় স্থানৰ ৰক্ষণাবেক্ষণ কৰাটো আমাৰ বাবে অত্যন্ত প্ৰয়োজনীয়। প্ৰকৃতিৰ সকলো অৱদান ইয়াত বৰ্তমান থাকিলেও ইয়াক ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰি চিৰস্থায়ী উন্নতি কৰিবলৈ ইয়াৰ মানুহৰ কৰণীয় বহুতো আছে।

**চাৰণবিলৰ সমস্যা আৰু কৰণীয় ঃ-**

আমি চাৰণবিলত নানা সমস্যা দেখিবলৈ পাইছো। অৱশ্যে আমি কেতবোৰ সমস্যা সমাধানৰ উপায়ো অৱলম্বন কৰিব পাৰো। তাৰে আভাস দিয়া হ'ল--

(ক) বিলৰ দুয়োপাৰ উন্মুক্ত বাবে গৰু-ছাগলীৰ অবাধ বিচৰণে পৰিৱেশৰ ক্ষতি কৰিছে। অনন্ত জলাশয় আগুৰি থকাটো বা থকাকৈ দেৱালৰ ব্যৱস্থা কৰিব লাগে।

(খ) পাৰৰ মাটি, মৰা উদ্ভিদ আদিয়ে যাতে বিলৰ গভীৰতা কমাব নোৱাৰে তাৰ ব্যৱস্থা ল'ব লাগিব। বিলৰ আৱৰ্জনা চাফাই কৰিব লাগিব।

(গ) জনসাধাৰণ সজাগ আৰু শিক্ষিত নহ'লে বিলৰ পৰিৱেশ বিনষ্ট হোৱাৰ সম্ভাৱনা আছে।

(ঘ) অসাধু মাছমৰীয়া, বনধ্বংসকাৰী, চৰাই চিকাৰী আদি চৰকাৰী-বেচৰকাৰী সংস্থা উভয়ে নিয়ন্ত্ৰণ কৰিব লাগিব।

(ঙ) নতুন প্ৰজাতিৰ মাছৰ বংশবৃদ্ধি কৰি বিলখনৰ সৌন্দৰ্য বঢ়াব লাগিব।

(চ) পানী কোনো কাৰণতে দূষিত হ'ব দিব নালাগিব।

**সামৰণি ঃ-**

পৰিৱেশ প্ৰভাৱিত কৰা এবিধ উপাদান হ'ল পানী। পানী জীৱৰ জীৱন দায়িনী উপাদান। পানী গ্ৰহণ কৰি জীৱ আৰু উদ্ভিদ জীয়াই আছে। পানী আৰু উদ্ভিদৰ জীৱন ধাৰণ, পৰিপুষ্টি সাধন আৰু বংশবৃদ্ধিৰ বাবে পানীৰ প্ৰয়োজন অপৰিহাৰ্য্য। পৃথিৱীৰ এক তৃতীয়াংশ পানী যদিও জীৱই ঢুকি পোৱা পানীৰ পৰিমান একেবাৰে সীমিত। পৃথিৱীত প্ৰায় ১৪০০ নিযুত ঘন কি.মি. পানীৰ উৎস আছে। সেই পানীৰ উৎস সমূহ হ'ল নদ-নদী, সাগৰ-মহাসাগৰ, জান-জুৰি, নিজৰা, জলপ্ৰপাত, হ্ৰদ, পুখুৰী, কুঁৱা ইত্যাদি। এই জলভাণ্ডাৰৰ শতকৰা ৯৭ ভাগ পানী সাগৰ- মহাসাগৰৰ লুণীয়া পানী হিচাপে আছে। এক বৃহৎ অংশ বৰফৰ আকাৰত আছে। জীৱ- জন্তুৰ বাবে ৩ শতাংশ বিশুদ্ধ পানী হিচাপে আছে।

ঔদ্যোগিক কাম কাজ আৰু জনসংখ্যা বৃদ্ধিয়ে বিশুদ্ধ পানী উৎস দূষিত কৰিছে। ঔদ্যোগিক আৱৰ্জনা, নগৰ-চহৰৰ পেলনীয়া আৱৰ্জনা, জীৱ- জন্তুৰ মল- মূত্ৰ আদিৰ ফলত পানী দূষিত হৈছে। কৃষি মাটিৰ পৰা নানা ধৰণৰ কীটনাশক আৰু ৰাসায়নিক সাৰ বৰষুণৰ সৈতে নদ-নদীবোৰলৈ বৈ গৈ সেইবোৰৰ পানী দূষিত কৰিছে। বৰ্তমান চাৰণবিলখন এনে কু-প্ৰভাৱৰ পৰা দূৰৈত। বৰ্তমান চাৰণবিলৰ পৰিৱেশ ভাৰসাম্য বজাই ৰখাত এক বৃহৎ পৰিস্থিতিতন্ত্ৰ হিচাপে সংৰক্ষিত হৈ আছে।

# বৃহত্তৰ অসমীয়া সম্প্ৰদায় গঠন প্ৰক্ৰিয়া ঃ সংস্কৃতকৰণ (Sanskritization), সাংস্কৃতিক সমাহৰণ (Cultural Acculturation), সংমিশ্ৰণ বা একীকৰণ (Fusion) আৰু সমন্বয় (Cultural Assimilation)

**দেৱজিৎ শইকীয়া**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

**অৱতৰণিকা ঃ**

সাধাৰণতে অসমত বসবাস কৰা লোকসমষ্টিক বুজাবলৈ 'অসমীয়া' বা 'অসমীয়া জাতি' এই ধৰণৰ শব্দ বা শব্দপুঞ্জৰ ব্যৱহাৰ হৈ আহিছে। প্ৰকৃততে অসমীয়া এটা জাতি নে ই সম্প্ৰদায়লৈ উন্নীত হৈছে ? 'লোকসংস্কৃতি অধ্যয়ন' নামৰ জ্ঞান শাখাত জাতি (Race ) আৰু সম্প্ৰদায়ৰ (Community) সুকীয়া সুকীয়া সংজ্ঞা নিৰূপন কৰা হৈছে। জাতি হ'ল বিভিন্ন বৰ্ণৰ (Caste) সমষ্টি। বৰ্ণৰ ধাৰণাতো হিন্দু ধৰ্মৰ চতুবৰ্ণৰ সমাৰ্থক যদিও সময়ৰ পৰিবৰ্তনত এই ধাৰণাৰো কিছু পৰিবৰ্তন হৈছে। প্ৰাচীন হিন্দু ধৰ্মত কৰ্ম অনুসৰি মানুহক চাৰিটা শ্ৰেণীত ভাগ কৰা হৈছিল আৰু তাক বৰ্ণ বুলি কোৱা হৈছিল। এই চতুবৰ্ণ কেইটা হ'ল ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। এই চতুবৰ্ণৰ লোকসকলৰ কৰ্ম-ব্যৱস্থা সুকীয়া। উল্লেখযোগ্য যে তেওঁলোকৰ বৰ্ণ ব্যৱস্থা পুৰুষাণুক্ৰমে নহৈ কৰ্ম অনুসৰিহে নিৰূপন কৰা হৈছিল। অৰ্থাৎ পিতৃ যদি ব্ৰাহ্মণ হয়, কৰ্ম অনুসৰি পুত্ৰ হয়তো ক্ষত্ৰিয় বা বৈশ্যও হব পাৰে। এই কথাবোৰ অৱশ্যে বহু পুৰণি, ৰামায়ণ-মহাভাৰতৰো আগৰ, কাৰণ ৰামায়ণ-মহাভাৰতত বংশানুক্ৰমেহে বৰ্ণ নিৰূপন কৰাৰ উদাহৰণ পোৱা যায়, কৰ্ণৰ কথাবোৰেই ইয়াক প্ৰতিফলিত কৰে। সেইদৰে ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা জনগোষ্ঠীয় লোকসকলৰ মাজত হিন্দু বৰ্ণ ব্যৱস্থা স্পষ্টভাৱে দেখা নাযায়, তাৰ সলনি তেওঁলোকৰ একেটা জনগোষ্ঠীৰে মাজত সৰু সৰু উপগোষ্ঠী বা ভাগ দেখা যায়, যিখিনিৰ মাজত আন্তঃগোষ্ঠীয় বিবাহকে ধৰি কিছু সূক্ষ্ম পাৰ্থক্য পৰিলক্ষিত হয়। উল্লেখনীয় যে তেওঁলোক মূলতে আজিৰ দৰে সৰু সৰু জনগোষ্ঠী নাছিল, খুব কম সংখ্যক বৃহৎ বৃহৎ জনগোষ্ঠীহে আছিল। প্ৰজাতীয় ভাৱে যাক আজি মংগোলীয় বোলা হয়, তেওঁলোক সময়ৰ পৰিবৰ্তনতহে আজিৰ দৰে সৰু সৰু জনগোষ্ঠীত পৰিণত হৈছে। ইছলাম ধৰ্মী মুছলমান সকলৰ মাজতো (অসমীয়া মুছলমান বাদ দি) এনে চাৰিটা সামাজিক উপগোষ্ঠী পৰিলক্ষিত হয় আৰু এই চাৰিটা উপগোষ্ঠীৰ সংমিশ্ৰণত বৃহৎ মুছলমান জাতিৰ সৃষ্টি হৈছে। সেয়েহে জাতি আৰু জনগোষ্ঠীৰ (Tribal) সংজ্ঞাও সুকীয়া সুকীয়া। তদুপৰি বৰ্ণ বা উপগোষ্ঠী বা আন্তঃভাগৰ ধাৰণা সমাজ ভেদে কিছু সুকীয়া সুকীয়াও হব পাৰে। বৰ্তমান সময়ত হিন্দু বৰ্ণ ব্যৱস্থা কৰ্ম অনুসৰি নহৈ, বংশানুক্ৰমেহে নিৰূপিত হয়। উল্লেখনীয় যে আজিৰ সমাজত কৰ্মৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে ব্ৰাহ্মণেও অব্ৰাহ্মণৰ কাম আৰু অব্ৰাহ্মণেও ব্ৰাহ্মণৰ কাম কৰিছে। বৈবাহিক পৰম্পৰাৰে চৰ্তুবৰ্ণ সংমিশ্ৰণৰ প্ৰভাৱতো পৰিছে। গতিকে বৰ্তমান সময়ত একে ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ লোকসমষ্টিকো বৰ্ণ আখ্যা দিব পাৰি। এনে চৰ্তুবৰ্ণ আৰু তেওঁলোকৰ সংমিশ্ৰিত বৰ্ণৰ সমষ্টিক জাতি আখ্যা দিয়া হয়। সম্প্ৰদায়ৰ পৰিসৰ জাতিতকৈ ডাঙৰ। সম্প্ৰদায় হ'ল বৰ্ণ, জাতি বা জনগোষ্ঠী আটাইবোৰৰে সমষ্টিগত ৰূপ। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে বৰ্ণ, জাতি অথবা জনগোষ্ঠী --- এই আটাইবোৰ বিভাজন সমাজ আৰু সংস্কৃতিৰ ওপৰতহে নিৰ্ভৰশীল, নৃতত্ত্ব বা ভাষা বা ধৰ্মৰ লগত জড়িত নহয়। অসমীয়া সম্প্ৰদায়ৰ আবেষ্টনীত সোমাই থকা এনে জাতি আৰু জনগোষ্ঠীসমূহ হ'ল -- ব্ৰাহ্মণ, কৈৱৰ্ত, কলিতা,কোচ, কেওট, নাথ-যোগী, মুছলমান, বড়ো, ৰাভা, মিছিং, কাৰ্বি, তিৱা, দেউৰী, হাজং, সোণোৱাল-কছাৰী,

কছাৰী, কোচ-ৰাজবংশী, খাছী, গাৰো, কন্যাক নগা, ৰেংমা নগা, খামটি, মৰাণ, মটক, মৈতেই বা মণিপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী,চাকমা, বিয়াটে বা বেইটে, মাৰ, ডিমাচা, চিংফৌ, আহোম, চাহ-বাগানীয়া, নেপালী, শিখ, মাৰোৱাৰী, বিহাৰী, বঙালী আদি। এই সকলোবোৰ জাতি-জনগোষ্ঠীৰ মানুহ বহুকাল ধৰি অসম নামৰ ভূখণ্ডত বসবাস কৰি অহাৰ ফলশ্ৰুতিত তেওঁলোকৰ প্ৰত্যেকৰে কিছু কিছু অৱদানেৰে 'অসমীয়া সম্প্ৰদায়'ৰ আবেষ্টনীটোৰ সৃষ্টি হৈছে। 'অসমীয়া সম্প্ৰদায়' গঠনৰ প্ৰক্ৰিয়াটো একেদিনাই সম্ভৱ হোৱা নাই, ই এক দীঘলীয়া পৰিক্ৰমাৰ ফল। অসমৰ সমাজ আৰু সংস্কৃতিৰ ইতিহাস আৰু বিজ্ঞানসন্মত বিশ্লেষণ অবিহনে 'অসমীয়া কোন' বুলি উত্থাপন কৰা প্ৰশ্ন এটাৰ উত্তৰ একেআষাৰে দিয়াটো এক প্ৰকাৰে জটিলেই নহয়, প্ৰায় অসম্ভৱো।

**১.০ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃগোষ্ঠীয় বা প্ৰজাতীয় পৰিচয় আৰু প্ৰব্ৰজন ঃ**

পৃথিৱীত বসবাস কৰা মানুহখিনিক বিভিন্ন দৃষ্টিকোণৰ পৰা যেনে, ভাষা, ধৰ্ম, সংস্কৃতি অথবা শাৰিৰীক গঠনৰ ফালৰ পৰা ভাগ ভাগ কৰা হৈছে। ভাষাৰ ফালৰ পৰা শ্ৰেণী বিভাগ কৰা একো একোটা সমষ্টিক যিদৰে ভাষাগোষ্ঠী বা ভাষা পৰিয়াল বুলি কোৱা হয়, একেদৰে শাৰিৰীক গঠন, যেনে- চুলি, ছাল, হাড় আদিৰ গঠনৰ ফালৰ পৰা মিল থকা মানুহখিনিক একো একোটা সমষ্টিত ৰখা হৈছে, যাক নৃগোষ্ঠী বা প্ৰজাতি বুলি কোৱা হয়। অসমত বসবাস কৰা অধিবাসীসকলে তলত দিয়া নৃগোষ্ঠীকেইটাৰ প্ৰতিনিধিত্ব কৰে[১] — — —

ক) অষ্ট্ৰিক বা অষ্ট্ৰলয়ড , খ) মংগোলীয় , গ) ভূমধ্যসাগৰীয় বা দ্ৰাবিড় ঘ) আলপাইন আৰু ঙ) আৰ্য।

**ক) অষ্ট্ৰিক বা অষ্ট্ৰলয়ড ঃ** অসম তথা ভাৰতৰ অদিমতম অধিবাসী নিগ্ৰিতোসকলৰ পিছতে প্ৰত্ন অষ্ট্ৰলয়ড বা অষ্ট্ৰিক ভাষা-ভাষী লোকসকল উত্তৰ চীনৰপৰা ভাৰতলৈ আহে।[২] অসমৰ প্ৰথম অধিবাসী অষ্ট্ৰিক, নিগ্ৰো নে মংগোলীয় এই লৈ বিভিন্ন পণ্ডিতসকলৰ মাজত মতভেদ থকা দেখা যায়। ৰাজমোহন নাথে অষ্ট্ৰিক অসম তথা ভাৰতৰ অদিম অধিবাসী বুলি মতপোষণ কৰিছে।[৩] এওঁলোকৰ ভাষাগোষ্ঠী হ'ল অষ্ট্ৰিক, যদিও মানুহখিনি বিভিন্ন উপগোষ্ঠীত বিভক্ত হৈহে অসমত প্ৰবেশ কৰিছিল। যদি এওঁলোকক প্ৰথম অধিবাসী বুলি ধৰা হয়, তেতিয়াহ'লে মংগোলীয় সকল অহাৰ আগতেই অৰ্থাৎ খৃঃপূঃ আনুমানিক ৩৫০০ৰ আগতেই আহিছে বুলি ক'ব পাৰি। আৰু যদি মংগোলীয়ৰ পিছত অষ্ট্ৰিক আহিছে বুলি ধৰা হয়, তেতিয়াহ'লে তাৰ কিছু পিছত আহিছে বুলি থাৱৰ কৰিব পাৰি। অসমত বসবাস কৰা অষ্ট্ৰিকসকলৰ পৰিচয় খাম্‌টি, জয়ন্তীয়া, খাচী আৰু মৰাণৰ মাজত পোৱা যায়।[৪] আন এটা মত অনুসৰি খাচীয়া, কুকি, মণিপুৰী আৰু কছাৰীৰ মাজত অষ্ট্ৰলয়ড নৃগোষ্ঠীৰ লক্ষণ পোৱা যায়।[৫] অৱশ্যে পৰবৰ্তী সময়ত অসমলৈ অহা মংগোলীয় নৃগোষ্ঠীৰ লগত হোৱা সংমিশ্ৰণৰ ফলত এই অষ্ট্ৰিক গোষ্ঠীবোৰৰ মাজত অষ্ট্ৰিকৰ নৃগোষ্ঠীয় বা শাৰিৰীক লক্ষণ বহু পৰিমাণে সলনি হৈ পৰিছে। বৃটিছ আগমনত চাহ বাগিচাৰ কাম কৰিবলৈ অহা চাহ-বাগানীয়াসকলৰ মাজতো অষ্ট্ৰিক নৃগোষ্ঠীৰ লক্ষণ দেখা যায়। অষ্ট্ৰিক নৃগোষ্ঠীৰ পৰিচয় বহন কৰা ওপৰৰ এই গোষ্ঠীবোৰ বিভিন্ন সময়ত অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ আহি ইয়াতে নিগাজীকৈ বসবাস কৰিবলৈ ধৰে। অষ্ট্ৰিকসকলৰ আদি বাসস্থান ইন্দো-চীন বা চাইবেৰীয়া বা ফিনো অষ্ট্ৰিয়া[৬] বুলি বিভিন্ন পণ্ডিতে মত ব্যক্ত কৰিছে যদিও ভাৰতলৈ অহা অষ্ট্ৰিকসকল উত্তৰ চীনৰ পৰা আহিছে[৭]। এওঁলোকে লগত লৈ অনা উল্লেখযোগ্য সাংস্কৃতিক বৈশিষ্ট্যসমূহ হ'ল -

১) পশুপালক, চিকাৰজীৱী, আহাৰসংগ্ৰহকাৰী। ম'হ, গৰু আদি তেওঁলোকে পোহা নাছিল, তাৰ সলনি ছাগলী, ভেড়া আদি পোহিছিল। বিভিন্ন ধৰণে চিকাৰ কৰিছিল। আহাৰ সংগ্ৰহৰ কাৰণে গছৰ ডালৰ দুয়োটা মূৰ জোঙা কৰি মাটিৰ তলৰ আলু, কচু আদি খান্দি সংগ্ৰহ কৰিছিল।

২) খেতি কৰ্মৰ প্ৰাথমিক জ্ঞান। খনিত্ৰ[৮] অৰ্থাৎ দুই মূৰ জোঙা কৰি লোৱা গছৰ ডালৰ জৰিয়তে মাটি খান্দি ঝুম খেতিৰ প্ৰচলন।

৩) দীক্ষা প্ৰথাৰ প্ৰচলন।

৪) চাক ব্যৱহাৰ নকৰাকৈ মাটিৰ পাত্ৰ নিৰ্মাণ প্ৰণালী।

৫) খেতি কৰ্মৰ লগে লগে পৃথিৱীৰ উৰ্বৰা শক্তিৰ বিশ্বাসৰ আধাৰত মাতৃক শক্তিমান হিচাপে সমাজত আগস্থান। তেতিয়াৰে পৰা মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰচলন। অম্বুবাচীৰ ধাৰণা সৃষ্টি। কামাখ্যা মন্দিৰৰ উপাসনৰ ধাৰণা আৰম্ভ। নংক্ৰেম, চমাংকান আদি অনুষ্ঠানৰ লগত জড়িত লোকবিশ্বাসৰ সৃষ্টি।

৬) বিহু উদ্‌যাপনৰ ধাৰণাৰ সৃষ্টি। বহাগ, কাতি অথবা মাঘ বিহুৰ লগত বেলেগ বেলেগ লোকবিশ্বাসৰ উদ্ভৱ। বিহু নাচৰ শৈলী, যেনে — হাত আৰু ভৰি সঞ্চালনৰ বিভিন্ন প্ৰতীকমূলক বৈশিষ্ট্যৰ সৃষ্টি।

৭) মৃত ব্যক্তিৰ সৎকাৰৰ ঠাইত শিল পোতা নিয়মৰ সৃষ্টি।

৮) ঢোল বাদ্য, গছ খুলি নাও সৃষ্টি কৰাৰ ধাৰণা।

৯) তামোল, হালধি আদিৰ ব্যৱহাৰ।

১০) বাঁহ, খেৰৰ দুচলীয়া ঘৰ সজাৰ নিয়ম।

১১) মদ বা পানীয় তৈয়াৰ কৰাৰ ধাৰণা সৃষ্টি।

**খ) মংগোলীয় ঃ** অসমৰ আন এটা মূল নৃগোষ্ঠী মংগোলীয়সকলৰ আদি বাসস্থান আছিল চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উজনিভাগ।[৯] বিভিন্ন পণ্ডিতসকলে মত ব্যক্ত কৰিছে যে খৃঃপূঃ ৩৫০০ তেই তেওঁলোক ভাৰতত প্ৰবেশ কৰিছিল। বৰ্তমান অসমত বসবাস কৰা মংগোলীয় নৃগোষ্ঠীৰ লোকসকল বিভিন্ন সৰু সৰু নৃগোষ্ঠীত বিভক্ত হ'লেও আদিতে তেওঁলোক এটা নৃগোষ্ঠীহে আছিল। সৰু সৰু গোটত ভাগ ভাগ হৈ অহা এই লোকসকলে অসমত বসবাস কৰাৰ পাছত নিজা নিজা পৰিচয় বহন কৰিব পৰাকৈ আজিৰ দৰে তিৱা, কাৰ্বি আদি নামবোৰ গ্ৰহণ কৰিলে। বৰ্তমান অসমত বসবাস কৰা মংগোলীয় নৃগোষ্ঠীৰ লোকসকল হ'ল বড়ো, ৰাভা, মিছিং, কাৰ্বি, তিৱা, দেউৰী, হাজং, সোণোৱাল-কছাৰী, কছাৰী, কোচ-ৰাজবংশী, গাৰো, কন্যাক নগা, ৰেংমা নগা, খামটি, মৰাণ, মটক, মৈতেই বা মণিপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী,চাকমা, বিয়াটে বা বেইটে, মাৰ, ডিমাচা, চিংফৌ, আহোম ।ইয়াৰ ভিতৰত আহোমসকল শেহতীয়াভাৱে আহিছে আৰু তেওঁলোক আহিছে চীন দেশৰ মুংমাও নামৰ ঠাইৰ পৰা। মংগোলীয়সকলে লগত লৈ অনা সাংস্কৃতিক বৈশিষ্ট্যসমূহ হ'ল ঃ—

১) মাটিৰ ঢিপ বা থিয় হৈ থকা শিল, সিজু গছ সদৃশ বহু শাখাযুক্ত গছক পূজা । মনসাৰ ৰূপত সৰ্প পূজা।

২) পাটপলু পোহা আৰু তাৰ পৰা সূতা কাটি তাঁতশালত বৈ ৰং-বিৰঙৰ কাপোৰ তৈয়াৰ কৰা প্ৰথা।

৩) নাচ-গানত পাকৈত, ডাঙৰ ঢোল-ডবা আদি নিৰ্মাণ।

৪) আহাৰ পুৰি খোৱা প্ৰথা।

৫) চাঙঘৰৰ প্ৰথা।

৬) তিৰোতাসকলে বুকুত মেখনি মাৰি কাপোৰ পিন্ধা প্ৰথা।

**গ) ভূমধ্যসাগৰীয় ঃ** এই নৃগোষ্ঠীটোৰ আদি বাসস্থান হ'ল ভূমধ্যসাগৰৰ পূৰ্বাঞ্চল[১০]। এওঁলোকক তিনিটা ভাগত ভাগ কৰা হয়[১১] - - ক্লাছিক বা ভূমধ্যসাগৰীয়, আটলান্ট'-ভূমধ্যসাগৰীয় আৰু ইণ্ড'-আফগান বা ইৰাণ'-আফগান। ভাৰতলৈ তেওঁলোক একেলগে অহা নাছিল, বিভিন্ন সময়ত বিভিন্ন দলত বিভক্ত হৈহে আহিছিল। ভাৰতত বসবাস কৰা ভূমধ্যসাগৰীয় সকলক ইণ্ড'-দ্ৰাবিড় বোলা হয়। ভাৰতৰ তামিল ব্ৰাহ্মণ, তেলেগু ব্ৰাহ্মণ, নায়াৰ, এলাহাবাদৰ ব্ৰাহ্মণ, পশ্চিমবংগৰ ব্ৰাহ্মণ আদিৰ মাজত এই প্ৰকাৰৰ লোক দেখা যায়। অসমত বসবাস কৰা কৈবৰ্ত লোকসকলৰ মাজতো দ্ৰাবিড়ীয় উপাদান পোৱা যায় বুলি কোনো কোনো পণ্ডিতে মতপোষণ কৰিছে।

**ঘ) আলপাইনীয় ঃ** পশ্চিমীয়া প্ৰশস্তমস্তকী নামৰ প্ৰধান নৃগোষ্ঠীটোক তিনিটা উপভাগত ভাগ কৰা হৈছে — আলপাইনীয়, ডিনাৰিক আৰু আৰ্মেনীয়। "খৃষ্টাব্দৰ প্ৰায় তিনি হেজাৰ বছৰ পূৰ্বে প্ৰশস্তমস্তকী দীৰ্ঘনাসিকী আলপাইন লোকৰ ভাৰতলৈ প্ৰব্ৰজন ঘটে।"[১২] অসমত বসবাস কৰা কোনো জাতিৰ মাজত আলপাইনীয় বৈশিষ্ট্য স্পষ্টভাৱে দেখা নাযায় যদিও ইতিহাসবিদ কনকলাল বৰুৱাৰ এটা মন্তব্য এনেধৰণৰ, "অসমৰ এই কলিতাবিলাকেই যে ইৰাণৰপৰা আৰ্য ভাষা আৰু সভ্যতা লগত লৈ অহা আলপাইন জাতিৰ মানুহ এইটোহে মোৰ অনুমান হয়। বৰ্তমান সময়ৰ কিছুমান অসমীয়া ব্ৰাহ্মণ আৰু কায়স্থও যে বঙালী ব্ৰাহ্মণৰ নিচিনা মূলতে আলপাইন আছিল সেই বিষয়ে সন্দেহ খুব কমেই আছে।"[১৩] এইখিনিতে আন এটা মন্তব্য প্ৰণিধানযোগ্য, "মিথিলা বা কনৌজতে প্ৰশস্তমস্তকী আলপাইনৰ দীৰ্ঘমস্তকী ভূমধ্যসাগৰীয় (দ্ৰাবিড়) বা ইণ্ড' আৰ্যৰ লগত সংকৰণ ঘটিছে আৰু তাৰ পিছত সেই মিশ্ৰিত লোক অসমত প্ৰবেশ কৰিছে। ফলস্বৰূপে তেওঁলোকৰ আৱয়বিক চৰিত্ৰৰ পৰিবৰ্তন ঘটিছে।"[১৪] মুঠতে ক'ব পাৰি যে সংমিশ্ৰণৰ প্ৰভাৱত পৰি মূল আলপাইনসকল অন্য নৃগোষ্ঠীৰ লগত মিলি যায়।

আলপাইনসকলৰ সাংস্কৃতিক বৈশিষ্ট্য অসমীয়া সমাজত পৰিলক্ষিত হয়। এনে কেইটামান বৈশিষ্ট্য এনেধৰণৰ — ১) শৱদেহক অস্পৃশ্য বুলি ভবা হয় আৰু সেয়ে মৃত্যুৰ পিছত বাসস্থানৰ বাহিৰলৈ উলিয়াই অনা হয়। শৱদেহ ৰখা ঠাই পিছত জুইৰে শুদ্ধি কৰা হয়। আলপাইন নিয়ম অনুসৰি কেৱল শৱদেহ শগুন-শিয়াল আদিক খাবলৈ এৰি দিয়াৰ সলনি দাহ কৰা হয় ; ২) কনকলাল বৰুৱাই মন্তব্য কৰিছে যে অসমীয়া সমাজত মাহেকীয়া হোৱা তিৰোতাক অশুচি গণ্য কৰা, কোনো বস্তু স্পৰ্শ কৰিলে অশুচি বুলি পানীৰে শুদ্ধি কৰা, খাদ্য আতৰৰ পৰা দিয়া আদি আলপাইনৰ প্ৰভাৱ।

**ঙ) আৰ্য ঃ** 'আৰ্য' শব্দটোৰ প্ৰয়োগ পোনপ্ৰথমে চাৰ উইলিয়াম জোন্সে কৰিছিল এটা বিশেষ ভাষা পৰিয়ালক বুজাবৰ বাবে। কালক্ৰমত এই শব্দটোৱেই সেই বিশেষ ভাষা পৰিয়ালৰ ভাষা কোৱা লোকসকলৰ নৃগোষ্ঠীয় পৰিচয়ৰো বাহক হৈ পৰিল। আৰ্য শব্দৰ অৰ্থ হৈছে শ্ৰেষ্ঠ। ভাৰতীয় হিন্দুধৰ্মী আৰ্যসকল সামাজিক কৰ্ম ব্যৱস্থাৰ ভিত্তিত চাৰিটা ভাগত বিভক্ত — — ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। বৰ অসমলৈ (প্ৰাগ্‌জ্যোতিষপুৰ, কামৰূপ) আৰ্যসকলৰ প্ৰব্ৰজন সম্বন্ধে বিভিন্নজন পণ্ডিতে বিভিন্ন

ধৰণৰ মতামত আগবঢ়াইছে — —

১) পণ্ডিত ৰাজমোহন নাথৰ মতে, "আৰ্যসকল বৰ সু-সংগঠিত আৰু শক্তিশালী গোট আছিল। তেওঁলোকে সজোৰে সন্মুখত উদ্ভৱ হোৱা সকলো বাধা বিঘিনি অতিক্ৰম কৰিব পাৰিছিল আৰু পাৰ্চিয়াৰ পৰা সুদূৰ ভাৰতৰ পাঞ্জাৱ পৰ্যন্ত বিস্তৃত ভূ-খণ্ডত ভালেমান সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। এই দেশলৈ আহি তেওঁলোকে পূৰ্বৰ বাসিন্দাসকলৰ পৰা প্ৰবল বাধাৰ সন্মুখীন হৈছিল। তাৰ ভিতৰত দ্ৰাবিড়সকলে পশ্চিমফালে, অষ্ট্ৰিক আৰু বড়োসকলে যথাক্ৰমে উত্তৰ আৰু পূবফালে, নিগ্ৰোসকলে দক্ষিণফালে প্ৰবল বাধা ৰূপে থিয় দিছিল।"[১৫]

২) ড° জগদীশ পাটগিৰি (সম্পা)ৰ 'অসমীয়া জাতিৰ ইতিবৃত্ত' গ্ৰন্থৰ 'ভাষা আৰু সাহিত্য' প্ৰবন্ধত ড° সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে, "অৱশ্যে শতপথ ব্ৰাহ্মণ গ্ৰন্থ আৰু বৌদ্ধ নিকায় গ্ৰন্থৰ পৰা খৃষ্টপূৰ্ব কেইবা শতিকাৰ আগৰ পৰা প্ৰাগজ্যোতিষ অঞ্চলত আৰ্যবসতি হোৱাৰ প্ৰমাণ পোৱা যায়। শতপথ ব্ৰাহ্মণৰ বিদেঘ মাথৱ আৰু অগ্নি সংবাদত সদানীৰা বা কৰাতোৱা নদীৰ পূব পাৰে আৰ্যসকলে বসতি কৰিবলৈ লোৱাৰ উল্লেখ আছে। দীৰ্ঘনিকায়ত দুজন 'লোহিচ্ছ' (লোহিত্য' ব্ৰাহ্মণৰ উল্লেখ পোৱা যায়। ওপৰত উল্লেখ কৰা দুয়োখন গ্ৰন্থ খৃষ্টপূৰ্ব শতাব্দীৰ ৰচনা। তদুপৰি অসমৰ কলিতাসকলক প্ৰাক্‌বৈদিক আৰ্য বুলি কোনো কোনোৱে যুক্তি সহকাৰে অভিমত দাঙি ধৰিছে। গতিকে উত্তৰ-পূব ভাৰতত অৰ্থাৎ প্ৰাচীন কামৰূপত আৰ্য বসতিৰ ইতিহাস যথেষ্ট প্ৰাচীন ; অন্ততঃ খৃষ্টজন্মৰ কেইবাশ বছৰ আগলৈকে সহজে নিব পাৰি।"[১৬]

৩) ড° নবীন চন্দ্ৰ শৰ্মাই আৰ্যসকলৰ প্ৰব্ৰজন সম্পৰ্কে কৈছে এনেদৰে, "প্ৰাক্ ঐতিহাসিক যুগত পশ্চিমৰ পথেৰে ভাৰতবৰ্ষত প্ৰবেশ কৰা নৃগোষ্ঠীসমূহৰ ভিতৰত আৰ্য ভাষা-ভাষী নৰ্ডিকসকলেই আছিল শেষ নৃগোষ্ঠী। নৰ্ডিকসকলে নিজকে আৰ্য বা শ্ৰেষ্ঠ স্বৰূপে চিনাকি দিছিল। লাহে লাহে তেওঁলোকৰ বংশধৰসকল এই অঞ্চল পৰ্যন্ত প্ৰব্ৰজিত হয়। ব্ৰাহ্মণ, কলিতা, বৈশ্য, ক্ষত্ৰিয় আদি লোক আৰ্যগোষ্ঠীৰ অন্তৰ্গত।"[১৭]

৪) 'অসমীয়া সংস্কৃতি' গ্ৰন্থত কনকলাল বৰুৱাই 'অসমৰ প্ৰাগঐতিহাসিক সংস্কৃতি' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে, "বড়োসকল প্ৰথমতে ভূমধ্য সাগৰীয়সকলৰ সভ্যতাৰ প্ৰভাৱত পৰে ; তাৰ পিছত আলপাইন আৰু শেষত বৈদিক আৰ্যসকলৰ দ্বাৰা প্ৰভাবান্বিত হয়। কিন্তু ইতিমধ্যেই তেওঁলোকে প্ৰাগঐতিহাসিক স্তৰ অতিক্ৰম কৰি আহিছিল। কাৰণ তেওঁলোকৰ উত্তৰ বংগ আৰু অসম উপত্যকাত থকা বিভিন্ন ৰজা আৰু ৰাজ্যৰ এৰাধৰা বিবৰণ পুৰাণসমূহ আৰু মহাভাৰতত সিঁচৰতি হৈ থকা পোৱা যায়।......

..............অনুমান হয়, আগে নহ'লেও অন্ততঃ খৃঃ পূঃ ১০০০ ত যেতিয়া তেওঁলোকে আৰ্যসকলক লগ পায়, তেতিয়া তেওঁলোক নিগাজী খেতিয়ক।"[১৮]

৫) এছ. কে. চেটাৰ্জীৰ ৰচনাত পোৱা যায়, "অন্ততঃ কমেও খৃঃ পূঃ ৭০০ বছৰ আগতে ইণ্ড আৰ্য লোক বিহাৰত উপস্থিত হয়। তাৰপৰা তেওঁলোক পূবলৈ প্ৰব্ৰজন আৰম্ভ কৰি অসমত উপনীত হয়।"[১৯]

৬) ড° বাণীকান্ত কাকতিৰ মতে, "প্ৰথম খ্ৰীষ্টাব্দৰ আৰম্ভণিৰ কালতে আৰ্যসকল অসমলৈ আগমন ঘটি-ছিল।"[২০]

৭) ড° বাণীকান্ত কাকতিৰ "Mother Goddess Kamakhya" গ্ৰন্থত খ্ৰীঃ পূঃ পাঁচ হাজাৰ বা চাৰি হাজাৰ বছৰ আগতে সৃষ্টি হোৱা বুলি ধাৰণা কৰা পালকাপ্য মুণিৰ ৰচিত হস্তায়ুৰ্বেদ বা গজ চিকিৎসা গ্ৰন্থৰ উল্লেখ এই ক্ষেত্ৰত উল্লেখনীয়।

৮) 'শতপথ ব্ৰাহ্মণ' যিখন গ্ৰন্থ খ্ৰীঃ পূঃ সময়ত ৰচিত বুলি কোৱা হয়, তাত উল্লেখ থকা অগ্নি বিদেঘ মাথৱ প্ৰসংগকো পূৰ্বাঞ্চলত আৰ্যসভ্যতাৰ বিস্তাৰৰ প্ৰতীক বুলি গণ্য কৰা হৈছে।

৯) তদুপৰি যদিও ইণ্ড'-আৰ্য আৰু নৰ্ডিক একে নৃগোষ্ঠীয় গোট বুলি বিভিন্ন সমালোচকে উল্লেখ কৰিছে, কিন্তু নৃতত্ত্ববিদ ড° ভূবন মোহন দাসে ইণ্ড'- আৰ্য আৰু নৰ্ডিক বেলেগ বেলেগ প্ৰজাতি বুলি উল্লেখ কৰিছে।[২১]

ওপৰৰ বিভিন্ন মতসমূহৰ পৰা আৰ্যসকল অসমত প্ৰবেশ কৰাৰ এটা স্পষ্ট সময় মানি ল'ব নোৱাৰিলেও এটা কথা অৱশ্যে দ্বিধা নোহোৱাকৈ ক'ব পাৰি যে আৰ্যসকল খ্ৰীঃ পূঃ সময়ত অসমলৈ আহিছে আৰু পশ্চিম দিশৰ পৰা প্ৰবেশ কৰিছে। আৰ্যসকলৰ আগতে অষ্টিক আৰু মংগোলীয় নৃগোষ্ঠীৰ বসতিৰ কথাও ইতিমধ্যে স্বীকৃত হৈছে। উল্লেখনীয় যে ইচলাম ধৰ্মাৱলম্বী আৰ্যসকলৰ ভাৰতত প্ৰবেশ ইমান পুৰণি নহয়। 'আৰৱৰ পশ্চিমত সপ্তম শতিকাত উৎপত্তি হোৱা ইচলাম ধৰ্ম দ্ৰুতগতিত উত্তৰ আফ্ৰিকা, মধ্য এচিয়া, ভাৰতবৰ্ষ, দক্ষিণ-পূব এচিয়া, ইন্দোনেচিয়া ইত্যাদি আৰু পৃথিৱীৰ অন্যান্য বহুতো ঠাইলৈ বিস্তাৰিত হয়।'[২২] তদুপৰি 'ত্ৰয়োদশ শতিকাৰপৰা অসমলৈ এঘৰ-দুঘৰকৈ মুছলমান মানুহ আহিবলৈ ধৰে।'[২৩]

২.০ অসমীয়া সম্প্ৰদায় গঠনত তিনিটা প্ৰক্ৰিয়া স্পষ্টভাৱে দেখা যায়। সেয়া হ'ল - সংস্কৃতকৰণ, সাংস্কৃতিক সমাহৰণ বা আদান-প্ৰদান বা বিনিময় আৰু সাংস্কৃতিক সমন্বয়। অৱশ্যে বৰ্তমান সময়ত সাংস্কৃতিক সংমিশ্ৰণ বা একীকৰণ

প্ৰক্ৰিয়াইও অসমীয়া সম্প্ৰদায়ত ভূমুকি মাৰিছে। এই প্ৰক্ৰিয়াকেইটাই অসমীয়া সম্প্ৰদায় গঠনত কেনেধৰণে ক্ৰিয়া কৰিছে, সেই বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**২.১ সংস্কৃতকৰণ প্ৰক্ৰিয়া ঃ** শ্ৰী নিবাস নামৰ এগৰাকী পণ্ডিতে পোনপ্ৰথমে এইবিষয়ে উল্লেখ কৰিছিল। সাধাৰণতে সৰু সৰু জনগোষ্ঠীসমূহৰ ওপৰত বৃহৎ জাতি-জনগোষ্ঠীসমূহৰ প্ৰভাৱ পৰে, এই প্ৰভাৱৰ ফলত সৰু জাতি-জনগোষ্ঠীৰ সামাজিক জীৱন ব্যৱস্থাত পৰিবৰ্তনে দেখা দিয়ে, ক্ৰমান্বয়ে সৰু জাতি-জনগোষ্ঠীবোৰ বৃহৎ জাতি-জনগোষ্ঠীৰ অন্তৰ্ভুক্ত হ'বলৈ আগবাঢ়ে, ইয়ে হৈছে সংস্কৃতকৰণ প্ৰক্ৰিয়া। ভাৰতীয় সমাজ ব্যৱস্থাত এনে কোনো সৰু জনগোষ্ঠী হিন্দু ধৰ্মৰ ৰীতি-নীতিসমূহৰ প্ৰতি আকৃষ্ট হৈ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আদি উচ্চ হিন্দু বৰ্ণৰ আচাৰ ব্যৱহাৰ অনুকৰণ কৰি, ক্ৰমান্বয়ে হিন্দু সমাজৰ স্বীকৃতি লাভ কৰি, হিন্দু ধৰ্ম আৰু বৰ্ণ ব্যৱস্থাৰ মাজত সোমাই পৰা দেখা যায়, যাক সংস্কৃতকৰণ বা হিন্দুত্বকৰণ বা আৰ্যীকৰণ প্ৰক্ৰিয়া হিচাপে আখ্যা দিয়া হয়। অসমীয়া সম্প্ৰদায় গঠনৰ প্ৰক্ৰিয়াত সংস্কৃতকৰণ প্ৰক্ৰিয়াৰ বিশেষ ভূমিকা আছে। অসমত অতীজৰে পৰা বসবাস কৰি অহা জনগোষ্ঠীয় লোকৰ সংখ্যা সৰ্বাধিক। সময়ৰ পৰিবৰ্তনত দেখা গৈছে যে এই জনগোষ্ঠীসমূহৰ কিছুমানে নিজস্ব ৰীতি-নীতি, বৈশিষ্ট্যৰ লগত হিন্দু ধৰ্ম ব্যৱস্থাৰ বিভিন্ন ৰীতি-নীতিকো আঁকোৱালি লৈ দৈনন্দিন জীৱন যাপন কৰি আহিছে। অসমৰ এনে জনগোষ্ঠীসমূহ হ'ল পাতি ৰাভা, কোচ-ৰাজবংশী, হাজং, সোণোৱাল-কছাৰী, ভৈয়ামৰ কাৰ্বি, বড়ো, তিৱা, মিচিং, দেউৰী, আহোম, চুতীয়া, মৰাণ আদি জনগোষ্ঠী। এনে জনগোষ্ঠীসমূহ সংস্কৃতকৰণ প্ৰক্ৰিয়াৰ মাজত সোমোৱাৰ মূলতে আছে মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ সুদূৰ প্ৰসাৰী দাৰ্শনিক চিন্তা। গুৰুজনাই নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ জৰিয়তে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত একতাৰ ভাৱ বৃদ্ধিৰ বাবে উচ্চ-নীচৰ ভেদাভেদ ভাৱ নোহোৱা কৰি জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোকে নৱ বৈষ্ণৱ ধৰ্মত শৰণ লোৱাৰ সুবিধা দি কৰ্ম অনুসৰিহে উচ্চ স্থান দিছিল। গুৰুজনাৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বহু জনগোষ্ঠীয় লোকেই এই ধৰ্মৰ মাজত সোমাই পৰে। সংস্কৃতকৰণ প্ৰক্ৰিয়াত সোমাই পৰা জনগোষ্ঠীসমূহ ভাষিক, সাংস্কৃতিক আৰু ধৰ্মীয় — এই তিনিটা দিশেৰে সংমিশ্ৰণৰ প্ৰভাৱত পৰে। ভাষিক সংমিশ্ৰণৰ ক্ষেত্ৰত দেখা যায় যে জনগোষ্ঠীসমূহৰ মাজত প্ৰচলিত নৃগোষ্ঠীয় ভাষাৰ ব্যৱহাৰ লাহে লাহে কমি আহি অসমীয়া ভাষাক মাতৃভাষা বা প্ৰধান ভাষা হিচাপে গ্ৰহণ কৰিছে। সাংস্কৃতিক সংমিশ্ৰণৰ ক্ষেত্ৰত দেখা যায় যে বৰ্ণ হিন্দুসকলৰ সাংস্কৃতিক বৈশিষ্ট্য আৰু জনগোষ্ঠীয় সাংস্কৃতিক বৈশিষ্ট্যৰ মাজত আদান-প্ৰদান আৰু সংমিশ্ৰণৰ সৃষ্টি হৈছে। জনগোষ্ঠীয় সমাজত চাদৰ-মেখেলা বা আধুনিক সাজপাৰৰ প্ৰচলন, সেন্দুৰৰ প্ৰচলন, খাদ্য পুৰি খোৱাৰ সলনি সিজাই খোৱা, চাংঘৰৰ প্ৰচলন নোহোৱা, গাখীৰ,দৈ আদিৰ ব্যৱহাৰ, নিৰ্দিষ্ট তাৰিখত বিহু পালন আদি আৰ্যসকলৰ প্ৰভাৱৰ ফল। ধৰ্মীয় দিশত দেখা যায় যে জনগোষ্ঠীসমূহে তেওঁলোকৰ নিজা নিজা লোকবিশ্বাসৰ অন্তৰ্গত পূজা-পাৰ্বন, উৎসৱ-অনুষ্ঠানৰ সমান্তৰালকৈ নৱ-বৈষ্ণৱ ধৰ্মৰ ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান পালন কৰি বৰ্ণ হিন্দুৰ নিচিনাকৈ জীৱন যাপন কৰিছে। ধৰ্মীয় দিশত বিশেষভাৱে সংমিশ্ৰণৰ প্ৰভাৱত পৰা জনগোষ্ঠীৰ ভিতৰত ভৈয়ামৰ কাৰ্বি, তিৱা, বড়ো, হাজং, সোণোৱাল-কছাৰী, পাতি-ৰাভা, মৰাণ, চুতীয়া, আহোম আদিৰ নাম লব পাৰি।

**২.২ সাংস্কৃতিক সমাহৰণ বা আদান-প্ৰদান বা বিনিময় ঃ** সাংস্কৃতিক বিনিময় প্ৰক্ৰিয়াত কোনো দুটা বা ততোধিক জাতি-জনগোষ্ঠীৰ মাজত সাংস্কৃতিক বৈশিষ্ট্যৰ আদান-প্ৰদান হয় যদিও সেই সেই জাতি-জনগোষ্ঠীসমূহৰ মাজত আদান-প্ৰদান হোৱা বৈশিষ্ট্যসমূহ সহজতে বিচাৰি উলিয়াব পাৰি। অৰ্থাৎ কোনো জাতি-জনগোষ্ঠীয়ে আনৰ পৰা আহৰণ কৰা বৈশিষ্ট্যসমূহ নিজৰ মাজত গভীৰ ৰূপত সংপৃক্ত বা একাত্ম হৈ নোযোৱা অৱস্থাই সাংস্কৃতিক আদান-প্ৰদান বা বিনিময়। অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনতো এনে আদান-প্ৰদান প্ৰক্ৰিয়া দেখা যায়। অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনতো এনে আদান-প্ৰদান পৰিলক্ষিত হয়। এনে আদান-প্ৰদান আৰ্য সংস্কৃতি, জনগোষ্ঠীয় সংস্কৃতি, ভাৰতীয় সংস্কৃতি আৰু বৃটিছ আগমন আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ ফলত পাশ্চাত্য সংস্কৃতিয়েও আদান-প্ৰদানৰ অংশীদাৰ হৈছে। আৰ্য আৰু জনগোষ্ঠীয় সংস্কৃতিৰ মাজত আদান-প্ৰদান বা বিনিময় এক যথেষ্ট দীঘলীয়া পৰিক্ৰমা আৰু ই ইমানেই গাঢ় হ'ল যে তাক সাংস্কৃতিক সমন্বয় প্ৰক্ৰিয়াৰ দ্বাৰাহে আলোচনা কৰাতো বেছি সুবিধাজনক। সাধাৰণভাৱে ক'বলৈ গ'লে অসমীয়া সংস্কৃতিৰ অন্তৰ্গত খাদ্য, সাজপাৰ, উৎসৱ, ৰীতি-নীতি, বিশ্বাস, শিল্প-কলা আদি সকলোতে জনগোষ্ঠীয় প্ৰভাৱ লক্ষ্য কৰা যায়। ভাৰতীয় সমাজ জীৱনৰ পৰা বিভিন্ন সময়ত চামে চামে প্ৰব্ৰজিত হোৱা জনগোট সমূহৰ জৰিয়তে বিভিন্ন সাংস্কৃতিক বৈশিষ্ট্য অসমীয়া সংস্কৃতিলৈ প্ৰবাহিত হৈছে। এনে জনগোটৰ ভিতৰত অসমৰ শিখ, মাৰোৱাৰী, বিহাৰী, মুছলমান আদিৰ কথা ক'ব পাৰি। মুছলমানৰ সাজপাৰ আৰু স্থাপত্য-ভাস্কৰ্যই অসমীয়া সংস্কৃতিক প্ৰভাৱিত কৰিছে। শিখ, মাৰোৱাৰী আৰু বিহাৰীসকলে নিজা নিজা উৎসৱ-পাৰ্বন অসমত উদ্‌যাপন কৰাৰ সময়ত অসমৰ অন্যান্য জনগণেও তাত অংশগ্ৰহণ কৰে। ইও এক বিনিময়। পাশ্চাত্য সংস্কৃতিয়ে অসমীয়া সংস্কৃতিক স্বাভাৱিকভাৱেই প্ৰভাৱিত কৰিছে। দৰাচলতে আধুনিক

প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলত সমগ্ৰ পৃথিৱীখনেই এখন গাঁৱত পৰিণত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। ইয়াৰ ফলত পৃথিৱীৰ বিভিন্ন সংস্কৃতিৰ মাজত এক চমকপ্ৰদ বিনিময় ঘটিছে আৰু পৃথিৱীৰ বিভিন্ন সংস্কৃতি এটা হোৱাৰ দিশত আগবাঢ়িছে, যাক 'সংস্কৃতি অধ্যয়ন'ত জনপ্ৰিয় সংস্কৃতি (Popular culture ) আখ্যা দিয়া হয়। অসমীয়া সংস্কৃতিতো লক্ষ্য কৰিলে এনে প্ৰভাৱ সহজতে বাছি উলিয়াব পাৰি। এনে উপাদানসমূহ হ'ল — —

ক) কৃষক জীৱনৰ সলনি নগৰীয়া জীৱন আৰু তাৰ লগত জড়িত বিভিন্ন বৈশিষ্ট্য ; যেনে - লোকবিশ্বাসত অনাস্থা, আভ্যন্তৰীণতকৈ বাহ্যিকতাক বিশ্বাস।

খ) সাজপাৰ-খাদ্যত বিভিন্ন পৰিবৰ্তন। লংপেন্ট-চাৰ্ট পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰিছে। খাদ্যত অসমৰ থলুৱা খাদ্যৰ সলনি পৃথিৱীৰ অন্যান্য প্ৰান্তৰ খাদ্যই বেছি ঠাই অধিকাৰ কৰিছে। খাদ্য পেকেজিংৰ ব্যৱস্থা আহিছে।

গ) কৃষক জীৱনৰ লগত জড়িত উৎসৱ-পাৰ্বন পালনৰ মূল উদ্দেশ্য হেৰাই গৈছে। ইয়াৰ সলনি বাহিক আনন্দৰ বাবে কোনো মূল চিন্তা আৰু উদ্দেশ্য নথকা, অৰ্থকেন্দ্ৰীক উৎসৱ-পাৰ্বন উদ্‌যাপন কৰা হৈছে। কৃষক জীৱনৰ পৰা আতৰত থাকি পৰম্পৰা বিহীন ষ্টেজ বিহু পতাতো শিক্ষিত জাতিৰ বাবে লজ্জাজনক। কৃষক জীৱনত বাওধান অথবা কঠীয়া বহাগতেই পেলোৱা হয়। কিয় এনে কৰা হয়, তাৰ উত্তৰ অকৃষক এজনে সহজতে বুজি নাপায়। গতিকে আজি পাশ্চাত্য বাহ্যিক সমাজখনক দেখি জেঠ মাহলৈকে ষ্টেজ বিহু পালন কৰি থকা হৈছে। এয়া এটা জাতিৰ চূড়ান্ত অধঃপতনৰ এক নমুনা। অসমীয়া পৰম্পৰাত সাতদিনৰ দিনা গছৰ গুৰিত সেৱা লৈ বিহু সামৰা বা উৰুৱা হয় , তাৰ পিছত সকলোৱে কৃষি কৰ্মত নিয়োজিত হয়।

ঘ) বিহু নাচৰ উদ্দেশ্য নজনাৰ বাবে লংপেন্ট-চাৰ্ট পিন্ধিও বিহু পৰিবেশন কৰা হৈছে। ই প্ৰকৃততে সংস্কৃতিৰ লগত জড়িত সংস্কাৰ কেতিয়াও নহয়।

ঙ) প্ৰযুক্তিবিদ্যাৰ সঘন প্ৰয়োগ।

**২.৩ সাংস্কৃতিক সংমিশ্ৰণ বা একীকৰণ ঃ** একীকৰণ প্ৰক্ৰিয়া এনেধৰণৰ যে য'ত কোনো দুটা ভিন্ন সাংস্কৃতিক উপাদান একেলগে বা সংমিশ্ৰিত ৰূপত ব্যৱহাৰ কৰা হয় , কিন্তু দুয়োটাৰে মৌলিকতাৰ পৰিবৰ্তন নহয়, অৰ্থাৎ ইবোৰক কোনো পৰিবৰ্তন নকৰাকৈ সংমিশ্ৰিত ৰূপত ব্যৱহাৰ কৰাটোৱেই একীকৰণ প্ৰক্ৰিয়া। অসমীয়া সংস্কৃতিৰ বৰঘৰতো একীকৰণ প্ৰক্ৰিয়া উদাহৰণ লক্ষ্য কৰা যায় ; যেনে - জনগোষ্ঠীয় গামোচাখন বিভিন্ন মাংগলিক কাৰ্যত অজনগোষ্ঠীয় লোকেও ব্যৱহাৰ কৰিবলৈ লৈছে, নিজৰ সাজপাৰৰ লগত। অৱশ্যে অসমীয়া সংস্কৃতিত পশ্চিমৰপৰা আমদানি কৰি ভুলকৈ ব্যৱহাৰ কৰাৰ প্ৰতিযোগিতা চলা একীকৰণ আমাৰ বাবে শুভফলদায়ক নহয়।

**২.৪ সাংস্কৃতিক সমন্বয় ঃ** সম্প্ৰদায় গঠনৰ আন এটা প্ৰক্ৰিয়া হ'ল সাংস্কৃতিক সমন্বয়। এচিমিলেচন বা সমন্বয় প্ৰক্ৰিয়াটো এনেধৰণৰ যে যেতিয়া কোনো দুটা বা ততোধিক জাতি বা জনগোষ্ঠী সাংস্কৃতিক বিভিন্ন উপাদানৰ আদান-প্ৰদান প্ৰক্ৰিয়াৰে আগবাঢ়ে, তেতিয়া সময়ৰ পৰিৱৰ্তনত সেই বিভিন্ন উপাদানসমূহৰ মূল উলিওৱাটো অসম্ভৱ হৈ পৰে, অৰ্থাৎ সি ইমানেই সংপৃক্ত হৈ পৰে যে কোনটো উপাদান কোন জাতি বা জনগোষ্ঠীৰ আছিল, তাক চিনি উলিয়াব নোৱাৰি। উদাহৰণ স্বৰূপে কব পাৰি তৰকাৰী বনোৱাৰ পাছত যেনেদৰে নিমখ আৰু হালধি পৃথক কৰিব নোৱাৰি। অসমীয়া সম্প্ৰদায় গঠনৰ প্ৰক্ৰিয়াটোত সাংস্কৃতিক সংমিশ্ৰণ প্ৰক্ৰিয়াৰ গুৰুত্ব অসীম।

বৃহত্তৰ অসমীয়া সম্পদায়ৰ অন্তৰ্গত বিভিন্ন সাংস্কৃতিক উপাদানসমূহলৈ লক্ষ্য কৰিলেই ওপৰৰ কথাখিনিৰ স্পষ্টতা প্ৰতিফলিত হয়।

জাতীয় উৎসৱ বিহু সমন্বয় প্ৰক্ৰিয়াৰ স্পষ্ট উদাহৰণ। বিহুত অষ্ট্ৰিক, মংগোলীয়, আৰ্য সকলোৰে বৈশিষ্ট্য এনেভাৱে সংপৃক্ত হৈছে যে তাক আৰু এতিয়া পৃথক পৃথক কৰিব নোৱাৰি। অসমৰ জাতীয় উৎসৱ বিহু তিনিটা পালন কৰাৰ মূল উৎস হ'ল অসমীয়া সমাজৰ কৃষিভিত্তিক পৰম্পৰা। ইয়াৰ লগত জৰিত বিভিন্ন ৰীতি-নীতি, বিশ্বাস আদিবোৰৰ পৰিসৰ অতি বৃহৎ আৰু ই বিভিন্ন জাতি-জনগোষ্ঠীৰ । বিহু পালনৰ মূল ধাৰণা, বিহু নাচ, ঢোল আদি অষ্ট্ৰিক উপাদান। সাজপাৰ, খাদ্য আদি মংগোলীয় উপাদান। ধৰ্মীয় পৰম্পৰা আৰ্য উপাদান। গতিকে আটাইবোৰৰ সংমিশ্ৰণত জাতীয় উৎসৱ বিহুৰ সৃষ্টি হৈছে।

অসমৰ লোকসাহিত্যৰ অন্তৰ্গত বিভিন্ন উপাদানসমূহতো সমন্বয়ৰ চানেকী দেখা যায়। লোকসাহিত্যৰ বিভিন্ন উপাদানসমূহ যদিও অসমীয়া ভাষাৰ জৰিয়তে প্ৰকাশ হৈছে, ইয়াত বিভিন্ন জাতি-জনগোষ্ঠীৰ অনুভৱ সংৰক্ষণ হৈ আছে। উদাহৰণ স্বৰূপে, বেজবৰুৱাই সাধুকথাবোৰ সংগ্ৰহ কৰোতে একেটা সাধুকথাই বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত কেনেদৰে প্ৰচলিত হৈ আছিল সংগ্ৰহ কৰি তাৰ মূল ৰূপ এটা নিৰ্ণয় কৰি পাঠকৰ আগত দাঙি ধৰিছিল। একেদৰে লোকগীতসমূহতো বিভিন্ন জাতি-জনগোষ্ঠীৰ আশা-আকাংক্ষা প্ৰকাশিত হৈছে, যদিও ইয়াৰ ভাষা অসমীয়া। অসমীয়া ভাষাত প্ৰকাশ হ'লেই যে ই কোনো এটা বিশেষ জাতি বা সম্প্ৰদায়ৰ হ'ব এই ধাৰণা ভুল।

একেদৰে অসমীয়া লোকবিশ্বাসসমূহতো সমন্বয়ৰ উদাহৰণ বিচাৰি পোৱা যায়। লোকবিশ্বাসসমূহ হ'ল লোকবিজ্ঞান আৰু ইয়াত লোকমনৰ সৰল অনুভূতিৰ প্ৰকাশ লক্ষ্য কৰা যায়। অসমীয়া লোকবিশ্বাসসমূহৰ অনুসংগ আৰু প্ৰাসংগিকতা বিভিন্ন ধৰণৰ যদিও ইবোৰত কোনো জাতি-বৰ্ণৰ ৰেহ-ৰূপ দেখিবলৈ পোৱা নাযায়। গতিকে ইয়াতো এটা সমন্বয় হৈছে।

নৃগোষ্ঠীয় ভাৱে অসমৰ সমাজ জীৱন বাৰুকৈয়ে সমন্বয়ৰ প্ৰভাৱত পৰিছে। অসমত যদিও বিভিন্ন নৃ-গোষ্ঠীৰ অৰ্থাৎ বেলেগ বেলেগ শাৰিৰীক গঠনৰ বসবাস কৰে তথাপিও তেওঁলোকৰ মাজত কিছুমান সাদৃশ্য সততে পৰিলক্ষিত হয় বুলি নৃতাত্ত্বিক অধ্যয়নে প্ৰমাণ কৰিছে। এই সাদৃশ্যবোৰ তেজৰ সম্পৰ্কৰ জৰিয়তে আদান-প্ৰদান হৈছে। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত বৈবাহিক সম্পৰ্কই এনে সমন্বয় সাধনত সহায় কৰিছে। এনে সাংস্কৃতিক সমন্বয়ে অৱশ্যে বহুক্ষেত্ৰত অসমীয়া সমাজখনক এটা নতুন পৰিচয় দিছে। উচ্চ-নীচ, জাতিভেদ প্ৰথা বহু পৰিমাণে কমি গৈছে। অসমীয়া সমাজত সুনিৰ্দিষ্ট কৰ্মপন্থা থকা মানুহৰো কৰ্মৰ ক্ষেত্ৰখন বেলেগ হৈছে। বাস্তবৰ দোহাই দি ক'ব পাৰি ব্ৰাহ্মণেও অব্ৰাহ্মণেৰ কাম কৰিছে আৰু অব্ৰাহ্মণেও ব্ৰাহ্মণৰ কাম কৰিছে।

**সামৰণি** ঃ অসমৰ সমাজ জীৱনৰ আটাইবোৰ উপাদানতেই বিনিময় আৰু সমন্বয়ে আগুৰি আছে যে তাক সুকীয়া সুকীয়াকৈ ভাগ কৰি আতৰাই দিলে অসমীয়া সংস্কৃতিৰ বৰ গছ জোপাই উভালি থাকিব।

<u>প্ৰসংগ সূচী ঃ</u>


১) নবীন চন্দ্ৰ শৰ্মা, অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃঃ ৩৭।
২) উক্ত গ্ৰন্থ, পৃঃ ৩৭।
৩) ৰাজমোহন নাথ, অসমীয়া সংস্কৃতিৰ পটভূমি,(অসমীয়া অনুবাদ-ভবকান্ত নাথ), পৃঃ ১।
৪) উক্ত গ্ৰন্থ, পৃপৃঃ ১৮-১৯।
৫) ভুবন মোহন দাস, অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়, পৃঃ ৪১।
৬) ৰাজমোহন নাথ, অসমীয়া সংস্কৃতিৰ পটভূমি, পৃঃ ১।
৭) নবীন চন্দ্ৰ শৰ্মা, অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃঃ ৩৭।
৮) ভুবন মোহন দাস, অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়, পৃঃ ৪৩।
৯) উক্ত গ্ৰন্থ, পৃঃ ৬৯
১০) উক্ত গ্ৰন্থ, পৃঃ ৪৬
১১) উক্ত গ্ৰন্থ, পৃঃ ৪৬
১২) উক্ত গ্ৰন্থ, পৃঃ ৫৩
১৩) কনকলাল বৰুৱা, অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ, সপ্তদশ অধিবেশন, ১৯৩৭।
১৪) ভুবন মোহন দাস, অসমীয়া মানুহৰ নুবৈজ্ঞানিক পৰিচয়, পৃঃ ৫৫।
১৫) নাথ ৰাজমোহন, অসমীয়া সংস্কৃতিৰ পটভূমি, পৃঃপৃঃ ৪২-৪৩।
১৬) জগদীশ পাটগিৰি (সম্পা), অসমীয়া জাতিৰ ইতিবৃত্ত, সত্যেন্দ্ৰনাথ শৰ্মাৰ *ভাষা আৰু সাহিত্য* প্ৰবন্ধ, পৃঃ৪৩।
১৭) নবীন চন্দ্ৰ শৰ্মা, ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি, পৃঃ২৮।
১৮) হৰিপ্ৰসাদ নেওগ, লীলা গগৈ (সম্পা), অসমীয়া সংস্কৃতি, পৃঃপৃঃ ২২-২৩।
১৯) এচ. কে.চেটাৰ্জী, কিৰাত জনকৃতি, পৃঃ৫৯।
২০) Dr. B.K. Kakati, The mother goddess kamakhya, p.29 ।
২১) ভুবন মোহন দাস, অসমীয়া মানুহৰ নুবৈজ্ঞানিক পৰিচয়, পৃঃ৫৬ ।
২২) পৰমানন্দ ৰাজবংশী (সম্পা), অসমীয়া জাতি আৰু সংস্কৃতি, ইৰশ্বাদ আলিৰ *অসমত ইচলাম ধৰ্ম আৰু অসমীয়া সংস্কৃতিলৈ অৱদান* প্ৰবন্ধ, পৃঃ১৬৪।
২৩) লীলা গগৈ, অসমৰ সংস্কৃতি, পৃঃ১৬৬।


<u>সহায়ক গ্ৰন্থপঞ্জী ঃ</u>


১. দাস, ভুবন মোহন, অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়, অসম বিজ্ঞান সমিতি, ২০০৩।

২. নেওগ, হৰিপ্ৰসাদ, অসমীয়া সংস্কৃতি, অসম সাহিত্য সভা, ২০০৩। গগৈ লীলা (সম্পা)

৩. নাথ, ৰাজমোহন, অসমীয়া সংস্কৃতিৰ পটভূমি, বাণী মন্দিৰ, ২০০৯। (অসমীয়া অনুবাদ-ভবকান্ত নাথ)

৪. পাটগিৰি, জগদীশ (সম্পা), অসমীয়া জাতিৰ ইতিবৃত্ত, অসম সাহিত্য সভা, ২০০৫।

৫. ৰাজবংশী, পৰমানন্দ, অসমীয়া জাতি আৰু সংস্কৃতি, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, ২০০৩।

৬. শৰ্মা, নবীন চন্দ্ৰ, ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি, বাণী মন্দিৰ, ২০০৩।

# শিশু শিক্ষাৰ বিকাশ, পৰিৱেশ ও সমাজব্যৱস্থা

**শৈলেন্দ্ৰ দাস**, (প্ৰাক্তন ছাত্ৰ)
জাগীৰোড মহাবিদ্যালয়

শিক্ষা এনেকুৱা এটি ধাৰণা যিটোৰ মাধ্যমত সমাজৰ প্ৰতিটো শিশুৱে তেওঁলোকৰ চিন্তাধাৰা, সমস্যা সমাধানৰ দক্ষতা সৃষ্টিশীলতা, বুদ্ধি প্ৰৱণতা, যোগাত্মক দৃষ্টিভংগী, অনুভৱজনিত চিন্তা, ন-ন কৌশল, মূল্যবোধ আৰু ভাব-ভংগী আদিৰ উন্নতি সাধন কৰিব পাৰে। শিক্ষাই মানৱ আচৰণৰ সংশোধন ঘটাই মানুহক সামাজিক, নৈতিক, আধ্যাত্মিক আৰু আদৰ্শ জীৱ হিচাপে সমাজত প্ৰতিষ্ঠিত কৰি তোলে। প্ৰত্যেক শিশুৱে প্ৰতিদিনে প্ৰত্যেক মুহূৰ্ত্তত নতুন কথা শিকিবলগীয়া হয়। শিশুৰ আচৰণ আৰু প্ৰবৃত্তি সমূহক যিমানখিনি পাৰি সংশোধন কৰি শিশুক এটি বিশেষ জীৱ হিচাপে পৰিগণিত কৰাটোৱে শিক্ষাৰ মূল উদ্দেশ্য। শিশুৰ সামাজিক জীৱন আৰম্ভ হোৱাৰ লগে লগে শিশুৱে শিক্ষাৰ পাতনি মেলে। সেই সামাজিক জীৱনৰ মাধ্যমেৰে সমাজৰ মুখিয়াল সমাজ সচেতন শিক্ষিত লোকসকলে সমাজৰ শিশুসকলক প্ৰয়োজন অনুসৰি শিক্ষাৰ প্ৰতি আগ্ৰহ কৰিবলৈ বিভিন্ন কাৰ্যব্যৱস্থা হাতত লোৱা উচিত। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সভ্যতাৰ প্ৰগতি আৰু দেশৰ প্ৰয়োজন অনুসৰি শিশুসকলক প্ৰাক-প্ৰাথমিক স্তৰত গুণগত আৰু উপযোগী হোৱাকৈ উপযুক্ত শিক্ষাৰে গঢ়ি তুলিবলৈ আমি প্ৰয়াস কৰা উচিত।

শিশুৱে জন্ম লাভ কৰিয়েই কোনো বাহ্যিক অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম নহয়। বাক-শক্তি আৰু অংগ-প্ৰত্যঙ্গবোৰ পৰিপুষ্টি আৰু সবল হোৱাৰ লগে লগে শিশুৱে আধাফুটা মাতেৰে কথা কবলৈ আৰম্ভ কৰে ও অভ্যাস কৰে আৰু পৰিয়ালৰ মাধ্যমত শিশুসকল ডাঙৰ দীঘল হোৱাৰ সময়ত মাক-দেউতাক ও আন সদস্যসকলৰ সংস্পৰ্শত আহি কিছু নতুন কথা শিকিবলৈ যত্ন কৰে।

শিশুৰ মনোদৈহিক বিকাশৰ বাবে শিশুৱে সহজতে অতি কম সময়ৰ ভিতৰত আয়ত্ব কৰিব পৰাকৈ শিশুৰ বিকাশৰ প্ৰতিটো স্তৰত উপযোগী হোৱাকৈ শিশুশিক্ষাৰ বিভিন্ন কাৰ্যব্যৱস্থাও বিদ্যালয়ৰ পাঠ্যক্ৰমত প্ৰস্তুত কৰা উচিত। বৰ্তমান সমাজত শিশুশিক্ষাৰ বিকাশৰ বাবে শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰণ, পাঠদান পদ্ধতি, অনুশাসন ব্যৱস্থা, মূল্যায়ন ব্যৱস্থা আদি প্ৰস্তুত কৰাৰ ক্ষেত্ৰ ত অভিজ্ঞতা সম্পন্ন উচ্চশিক্ষিত, জ্ঞানী বিদ্বান ব্যক্তিসকলৰ লগত আলোচনা কৰি শিক্ষা ব্যৱস্থা প্ৰণয়ন কৰা উচিত। এখন শিক্ষাৰ আঁচনিৰ সাফল্যতা নিৰ্ভৰ কৰে শিশুসকলৰ শ্ৰেষ্ঠতম সম্ভাৱনাৰ উচ্চতম বিকাশৰ ওপৰত। শিশুৰ মানসিক বিকাশৰ ক্ষেত্ৰত পৰিয়াল, বৰ্তমান সমাজ তথা পাৰি-পাৰ্শ্বিক পৰিবেশ আদিৰ পৰা কোনো ধৰণৰ মানসিক হেঁচা ও বিভিন্ন ধৰণৰ বাহ্যিক কাৰকে প্ৰভাৱ বিস্তাৰ কৰি শিশুৰ মানসিক ভাৰসাম্যতা নোহোৱা কৰি হীনমন্যতাত ভূক্তভোগী কৰি তুলিব নোৱাৰে তাৰ বাবে সদায় অভিভাৱক সচেতন হোৱা উচিত।

শিশুৰ শিক্ষাৰ ক্ষেত্ৰ ত বিভিন্ন চিন্তাবিদসকলে বিভিন্ন মন্তব্য আগবঢ়োৱা দেখা যায়, তাৰে ভিতৰত কেইটামান তলত আগবঢ়োৱা হ'ল- আমেৰিকাৰ বিখ্যাত মনিষি জন ডিউইয়ে কৈছে- " শিক্ষা কেৱল এটি শিশু বা মানুহৰ জীৱনৰ এক নিৰ্দ্দিষ্ট কালত বা বয়সত লাভ কৰা নিৰ্দ্দিষ্ট জ্ঞানৰাশি, নিৰ্দ্দিষ্ট অভিজ্ঞতা বা প্ৰশিক্ষণ নহয়, শিক্ষা জীৱনৰ যিকোনো পৰিস্থিতিতে অবিৰাম ভাবে চলি থকা এটা জীৱনযোৰা দীঘলীয়া প্ৰক্ৰিয়া।" তদুপৰি প্ৰায়বোৰ শিক্ষাবিদে শিশুৰ সৰ্বাংগীন বিকাশ পদ্ধতিকেই শিক্ষা

বুলি অভিহিত কৰিছে। তেখেতসকলৰ মতে শিশুৰ অৰ্ন্তনিহিত সুপ্ত গুণসমূহক যি পদ্ধতিৰ দ্বাৰা বহিঃ প্ৰকাশ কৰি বিকশিত কৰা হয়, তাকেই শিক্ষা বোলা হয়। ইয়াৰ জৰিয়তে শিশুক দৈহিক, মানসিক, সামাজিক, নৈতিক আৰু আধ্যাত্মিকভাৱে বিকাশ কৰা হয়। মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল- "শিক্ষাৰ দ্বাৰা মই শিশুৰ দৈহিক, মানসিক, আধ্যাত্মিক আদি সকলো প্ৰকাৰৰ বিকাশৰ কথা বুজোঁ, লগতে কৰ্মৰ মাজেৰে শিকা শিক্ষাকহে আচল শিক্ষা বুলি কোৱা হয়।

মোৰ মতে শিশুৰ দেহত সুপ্ত হৈ থকা জন্মগত শক্তি, বুদ্ধি, সামৰ্থ, সম্ভাৱনা, আগ্ৰহ, মনোযোগ অভাৱ আৰু ইচ্ছা আদিক বিকাশ সাধন কৰি বাহ্যিক জগতত প্ৰতিফলিত কৰি তোলাই শিক্ষাৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। অৱশ্যে এই ক্ষেত্ৰ ত অভিভাৱক সকলৰ শিশুৰ বৃদ্ধি আৰু বিকাশ সম্পৰ্কে স্পষ্ট ধাৰণা থকা উচিত লগতে শিশুৰ বৃদ্ধি আৰু বিকাশৰ প্ৰতিটো স্তৰতে যথেষ্ট সতৰ্কতা অৱলম্বন কৰা উচিত।

**শিশুৰ বৃদ্ধি আৰু বিকাশ ঃ-** শিশুৰ শিক্ষাৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে শিশুৰ বৃদ্ধি (Growth) আৰু বিকাশ (Development) এই শব্দ দুটাৰ অৰ্ন্তনিহিত অৰ্থ জনাটো অতি প্ৰয়োজন। মনকৰিবলগীয়া যে বৃদ্ধি আৰু বিকাশ শব্দৰ অৰ্থ একে নহয়। বৃদ্ধি শব্দটোৰ জৰিয়তে শিশুৰ শাৰিৰীক, দৈহিক আৰু আৱয়াবিক যেনে- শিশুৰ উচ্চতা, দেহৰ আকৃতি, ওজন, দাঁতৰ গঠন, শৰীৰৰ বিভিন্ন অংগ- প্ৰত্যংগৰ শ্ৰীবৃদ্ধিক বুজায়।

আনহাতে, শিশুৰ বিকাশ হ'ল প্ৰচলিত পৰিবেশৰ অনুকুল প্ৰতিকূল অৱস্থাত শিশুৰ মানসিক, আবেগিক, সামাজিক তথা বুজন ক্ষমতা আদিৰ গুণগত বিকাশক বুজায়। বিকাশ হ'ল শিশুৰ জীৱনত নিৰবিচ্ছিন্নভাৱে চলি থকা এক বিৰামহীন প্ৰক্ৰিয়া। জন্মৰ পাছৰ পৰাই শিশুৰ ক্ৰমাগত দৈহিক পৰিৱৰ্তনৰ লগে লগে মানসিক তথা বৌদ্ধিক পৰিৱৰ্তনৰ ফলত পিতৃ- মাতৃ আৰু পৰিয়ালৰ আন লোকৰ মৰম- চেনেহ আৰু তত্বাৱধানত ডাঙৰ হবলৈ আৰম্ভ কৰা মানৱ শিশু এদিন পৈণত হৈ সমাজত নাগৰিক হিচাপে নিজকে চিনাকি দিয়ে। কিন্তু এই বিকাশ এদিনত সম্ভৱ নহয়। ক্ৰমাগত ভাৱে বিভিন্ন পৰ্য্যায় তথা বিকাশৰ প্ৰতিটো স্তৰৰ মাধ্যমেদি অতিবাহিত হৈ এটি শিশু ভৱিষ্যতে প্ৰাপ্তবয়স্ক অৱস্থা প্ৰাপ্ত হয়।

**শিশুৰ বিকাশৰ স্তৰ ঃ-** সাধাৰণতে শিশুৰ দৈহিক, মানসিক আবেগিক, সামাজিক আৰু নৈতিক দিশত হোৱা পৰিৱৰ্তনবোৰৰ এক সমন্বয় সাধন কৰি বিকাশ সংগঠিত হয়। শিশুৰ বিকাশৰ ক্ষেত্ৰ ত জৈবিক, মানসিক আৰু পৰিবেশীয় প্ৰভাৱে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হয়। সকলো শিশুৰে একে সময়তে বিভিন্ন দিশৰ বিকাশ সমৰূপত সাধিত নহয়। লিংগভেদে বিকাশৰ গতি আৰু ধৰণ পৃথক পৃথক হোৱা দেখা যায়। অৱশ্যে কিশোৰীসকলৰ ক্ষেত্ৰ ত কিশোৰ সকল প্ৰায় দুইবছৰ পিছুৱাই থাকে। শিশু বিকাশৰ স্তৰবোৰক বিভিন্ন শিক্ষাবিদসকলে বিভিন্ন ধৰণে বিভক্ত কৰিছে।

**বিখ্যাত শিক্ষাবিদ ৰুছোৰ মতে–**

জন্মৰ পৰা ৫ বছৰলৈ —— শৈশৱ কাল।

৫ বছৰৰ পৰা ১২ বছৰলৈ —— বাল্য কাল।

১২ বছৰৰ পৰা ১৫ বছৰলৈ —— লৰালি কাল বা প্ৰাক-কৈশোৰ কাল।

১৫ বছৰৰ পৰা ২০ বছৰলৈ —— বয়ঃপ্ৰাপ্তি বা শেহতীয়া কৈশোৰ কাল।

**শিক্ষাবিদ আৰ্ন্টে জনচ'ৰ মতে–**

জন্মৰ পৰা ৫ বছৰলৈ —— শৈশৱ কাল।

৫ বছৰৰ পৰা ১২ বছৰলৈ —— শেহতীয়া বাল্য কাল।

১২ বছৰৰ পৰা ১৮ বছৰলৈ —— কৈশোৰ কাল।

১৮বছৰৰ পাছৰ পৰা —— বয়ঃপ্ৰাপ্তি কাল।

**শিক্ষাবিদ ৰেমণ্টৰ মতে–**

জন্মৰ পৰা ৩ বছৰলৈ —— কেঁচুৱা কাল।

৩ বছৰৰ পৰা ৭ বছৰলৈ —— আগতীয়া বাল্য কাল।

৭ বছৰৰ পৰা ১১ বছৰলৈ —— শেহতীয়া বাল্য কাল।

১১বছৰৰ পৰা ১৪ বছৰলৈ —— কৌমাৰ।

১৪ বছৰৰ পাছৰ পৰা—— কৈশোৰ কাল।

**শিক্ষাবিদ পিয়াজৰ মতে–**

জন্মৰ পৰা ২ বছৰলৈ —— ইন্দ্ৰিয় সঞ্চালনমূলক বিকাশ।

২ বছৰৰ পৰা ৭ বছৰলৈ —— প্ৰাকবোধমূলক বিকাশ।

৭ বছৰৰ পৰা ১২ বছৰলৈ —— মূৰ্তক্ৰিয়া সম্পাদন।

১২ বছৰৰ পাছৰ পৰা —— বিধিগত ক্ৰিয়া সম্পাদন।

উল্লেখিত ক্ৰিয়া বিকাশৰ প্ৰতিটো স্তৰত পৰ্যায়ক্ৰমে হোৱা শিশুৰ মানসিক তথা দৈহিক পৰিৱৰ্তনৰ ক্ষেত্ৰ ত অভিভাৱকসকলে তীক্ষ্ণ দৃষ্টি, ও পৰ্যবেক্ষণ কৰা উচিত যাতে শিশুবোৰ অসৎ সংগত পৰি নিজৰ নৈতিক চৰিত্ৰৰ স্খলন নঘটায় আৰু নিজৰ উদ্দেশ্য প্ৰণোদিত পথৰ পৰা যাতে বিচলিত নহয়। এইক্ষেত্ৰ ত শিশুৰ বাল্যকাল আৰু শিশুৰ কৈশোৰ কালত হোৱা পৰিৱৰ্তনবোৰ অতি গুৰুত্বপূৰ্ণ ও লেখত লবলগীয়া।

**বাল্যকাল আৰু শিশুৰ শাৰিৰীক বিকাশ ঃ-** শিশুৰ দৈহিক বিকাশ হ'ল দৈহিক বৰ্ধনৰ ওপৰত পৰিৱেশৰ পৰিৱৰ্তনীয় প্ৰভাৱ। জন্মৰ প্ৰথম বছৰটোৱে হৈছে শিশুৰ সৰ্বাধিক বিকাশ হোৱাৰ সময়। তদুপৰি শিশু এজনৰ দৈহিক বিকাশ ৮ বছৰৰ পৰা ১১বছৰ বয়সৰ ভিতৰত অৰ্থাৎ বাল্যকালত অধিক মন্থৰ হোৱা দেখা যায়। এই কালছোৱাত লিংগভেদৰ ভিত্তিত দৈহিক বিকাশৰ বিশেষ পাৰ্থক্য পৰিলক্ষিত নহয়। এই বয়সৰ শিশুসকলে নানাবিধ খেল-ধেমালিৰ মাজেদি নিজৰ দৈহিক অঙ্গসঞ্চালন ক্ষমতা বৃদ্ধি কৰে। বাল্যকালত শিশুসকলে নিজৰ নিজৰ পৰিয়ালৰ পৰা কিছু আঁতৰি নিজৰ সমনীয়াৰ লগত খেল-ধেমালি কৰি সময় কটায় আৰু দল বান্ধি নিজৰ দলৰ নীতি- নিয়ম মানি তথা গোপনীয়তা ৰক্ষা কৰাত অধিক গুৰুত্ব আৰোপ কৰে। এই দলবোৰৰ নীতি-নিয়ম আৰু লক্ষ্যৰ ওপৰত শিশুসকল সু-পথে বা কু-পথে পৰিচালিত হোৱাটো বহু পৰিমাণে নিৰ্ভৰ কৰে। এই কালছোৱাত শিশুৰ নৈতিক চৰিত্ৰ গঢ় লৈ উঠে, তেনেস্থলত শিশুটোৱে বেয়াসংগত যোগ দিছেনে ভাল সংগত যোগ দিছে সেইটো চকু ৰখাটো প্ৰতিজন অভিভাৱকৰ গুৰু দায়িত্ব বুলি মই ভাবো। অন্যথা নিজৰ শিশুটোৰ চৰিত্ৰৰ নৈতিক পতন হৈ ভৱিষ্যতে কু-পথে পৰিচালিত হোৱাৰ সম্ভাৱনা অধিক। এই কালছোৱাত শিশুৰ চৰিত্ৰ গঠনৰ বাবে প্ৰয়োজনীয় সদ অভ্যাস গঠন আৰু কু- অভ্যাস সমূহ বৰ্জন কৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। সাধুতা, নম্ৰতা, কৰুণা আদি সজ গুণবোৰ আয়ত্ব কৰাৰ সুযোগ যাতে পায় তাৰ প্ৰতি প্ৰত্যেক অভিভাৱকে তীক্ষ্ণ দৃষ্টি ৰখাটো অতি বাঞ্চনীয়।

**কৈশোৰ কাল আৰু শিশুৰ মানসিক বিকাশ ঃ–** শিশুৰ মানসিক অথবা বৌদ্ধিক বিকাশ হৈছে ক্ৰমাগত বিকাশ প্ৰক্ৰিয়া। জন্মৰ পিছৰ পৰা ব্যক্তিৰ বয়ঃ প্ৰাপ্তিলৈকে মানসিক বিকাশৰ গতি অব্যাহত থাকে যদিও কৈশোৰ কালত শিশুৰ দৈহিক পৰিৱৰ্তনৰ উপৰিও মানসিক পৰিৱৰ্তন দ্ৰুতগতিত হয় লগতে বুদ্ধি বৃত্তিৰ চৰম বিকাশ সাধন হয়। সাধাৰণতে ১২ বছৰৰ পৰা ১৮ বছৰ বয়সলৈকে বিয়পি থকা কৈশোৰ কালছোৱাক বিখ্যাত মনোবিজ্ঞানী টেইনলি হলে মানুহৰ জীৱনৰ ধুমুহা আৰু উৎপীড়নৰ কাল (Storm of life & stress) বুলি আখ্যা দিছে। এই কালছোৱাত লাভ কৰা বিশেষ ধৰণৰ দৈহিক বিকাশ, মানসিক বিকাশ, আবেগিক বিকাশ আৰু সামাজিক সমাযোজনত ব্যৰ্থতা আদিৰ বাবে শিশু সকল মানসিক ভাবে ভাঙি পৰিব পাৰে আৰু হীনমন্যতাত ভূক্তভোগী হব পাৰে।

এই কালছোৱাত শিশুৰ অনুভূতি বৰ প্ৰৱল হয় বাবে আবেগৰ আতিশয্যাত শিশুসকলে কেতিয়াবা অধিক আবেগিক হৈ মানসিক ভাৰসাম্য ও নিয়ন্ত্ৰণ হেৰাই পেলায় ফলত কেতিয়াবা অধিক আশাবাদী নতুবা অধিক নিৰাশজনক হৈ পৰে। এই কালছোৱাত শিশুৰ নিজৰ শক্তি সামৰ্থৰ ওপৰত সম্পূৰ্ণ আস্থা আহে বাবে অধিক আত্ম নিৰ্ভৰশীল হৈ উঠে আৰু নিজৰ অধিকাৰ সম্বন্ধে অধিক সচেতন হোৱা দেখা যায়।

কৈশোৰ কাল সকলোবোৰ মানসিক ক্ষমতাৰ চৰম বিকাশৰ সময়। গতিকে এই ক্ষমতাবোৰৰ আশানুৰূপ বিকাশৰ বাবে উপযুক্ত উন্নত শিক্ষাৰ পৰিৱেশ, শিশুসকলৰ উপযোগীকৈ শিক্ষাব্যৱস্থাৰ প্ৰণয়ন, উপযুক্ত সা- সজুলি, প্ৰকৃত অৰ্হতা সম্পন্ন শিক্ষক, উন্নত শিক্ষণ পদ্ধতি আদিৰ অতি আৱশ্যক অন্যথা এনে বয়সৰ শিশুসকলে প্ৰতিকূল পৰিৱেশৰ লগত খাপ- খোৱাই নিজকে ৰাখিব নোৱাৰিব ফলত মানসিক চিন্তাত ভাৰাক্ৰান্ত হব।

**শিশু শিক্ষাত পৰিয়াল ও পৰিবেশৰ প্ৰভাৱ ঃ-** শিশুৰ শিক্ষাৰ ক্ষেত্ৰত পৰিয়ালৰ গুৰুত্ব আৰু দায়িত্ব অপৰিসীম। দল বা সমাজৰ সহ সম্পৰ্ক স্থাপন কৰাৰ মূল ভোটি হ'ল পৰিয়াল। নৱজাতক শিশু এটিয়ে জন্মৰ পাছৰ পৰা পৰিয়ালৰ মাজেদি শিশুৱে নিজৰ প্ৰতিভা বিকাশ কৰে আৰু লাহে লাহে সমাজৰ লগত পৰিচয় হবলৈ সুযোগ পায়। এটি শিশুৰ সামাজিকীকৰণত পৰিয়ালে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা কৰে। শিশু এটিয়ে প্ৰথমতে যিটো পৰিয়ালত জন্মগ্ৰহণ কৰে সেই পৰিয়ালৰ সকলো ব্যক্তিৰ পৰা প্ৰভাৱিত হৈ পৰিয়ালটোৰ সকলো দিশৰ পৰিবেশ শিশুটোৰ ওপৰত প্ৰতিফলিত হয়। লগতে পৰিয়ালত বসবাস কৰা মা- দেউতা, ভাইটি- ভণ্টি আৰু আত্মীয় তথা অন্যান্য সদস্য সকলৰ আচৰণে শিশুৰ চত্ৰিৰ ওপৰত প্ৰভাৱ পেলায়। সেয়েহে শিশুৱে যাতে তাৰ নিজৰ বিকাশ তথা চৰিত্ৰৰ প্ৰতিফলন ভাল শৈক্ষিক পৰিবেশত কৰিব পাৰে তাৰবাবে অভিভাৱক সকলে পদে পদে গুৰুত্ব প্ৰদান কৰা উচিত কাৰণ ভাল পৰিয়ালৰ মাধ্যমতে শিশুৰ চৰিত্ৰৰ সু-অভ্যাস গঢ়ি উঠে আৰু বেয়া পৰিয়ালৰ মাধ্যমত শিশুৰ চৰিত্ৰৰ নৈতিক স্খলন (পতন) হোৱাৰ উপৰিও বিভিন্ন ধৰণৰ কুঅভ্যাস গঢ় লোৱা পৰিলক্ষিত হয়।

অতীতত সমাজত শিক্ষা ব্যৱস্থা নথকাৰ আগতে সামাজিক, নৈতিক, ধৰ্মীয়, বৃত্তিমূলক আদি সকলো প্ৰকাৰৰ শিক্ষা পৰিয়াল তথা পৰিয়ালৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা আহৰণ কৰিছিল। বিখ্যাত চিন্তাবিদ ৰজেন ক্ৰেজে মন্তব্য কৰিছিল যে, "Family is the orginal starting point of education"- অৰ্থাৎ সামাজিক জীৱন ধাৰণৰ প্ৰথম পাঠটো শিশুৱে পৰিয়ালৰ মাধ্যমত পায়। তদুপৰি শিশুসকলে ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত

সামাজিক মানদণ্ড, স্বীকৃত সন্মান, মৰ্যদা, আত্মসন্মান আদিৰ ধাৰণাৰ উমান পৰিয়ালৰ মাধ্যমত লাভ কৰা পৰিলক্ষিত হয়।

শিশুৰ শিক্ষাৰ ক্ষেত্ৰ ত পৰিয়ালৰ পৰিবেশেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। শিশুৰ শাৰিৰীক ও মানসিক বিকাশ সম্পূৰ্ণ নিৰ্ভৰ কৰে পৰিবেশৰ ওপৰত। সিশুৰ শাৰিৰীক এ মানসিক বিকাশৰ ক্ষেত্ৰ ত শিক্ষক, অভিভাৱক সকলে যাতে শিশুটিক সুস্থ পৰিবেশ দিব পাৰে, কোনোধৰণৰ অভাৱ অনাটন, দৰিদ্ৰতাত ভুক্তভোগী নহয় তাৰ প্ৰতি লক্ষ্য ৰখাটো প্ৰতিজন অভিভাৱকৰ অতি প্ৰয়োজন। দেখা গৈছে যিবোৰ শিশুক শৈশৱত সতৰ্কতা অৱলম্বন কৰি উপযুক্ত পৰিবেশৰ মাধ্যমেদি শিক্ষা প্ৰদান কৰা হৈছে তেনে শিশু সৎ পথত পৰিচালিত হৈ নিজকে সমাজত সু-নাগৰিক হিচাপে পৰিচয় দিয়াত সফল হৈছে। শিক্ষাবিদ মেডাম মণ্টেছৰীয়ে শিশু শিক্ষাৰ ওপৰত গুৰুত্ব দি মন্তব্য প্ৰদান কৰি কৈছিল,- "শিশুৰ এটা সৃষ্টি ক্ষমতা আৰু স্বাভাৱিক প্ৰাণশক্তি আছে, যাৰ পৰা শিশুৱে নিজৰ বাবে এখন মানসিক জগত সৃষ্টি কৰি লব পাৰে। কিন্তু এটা অনুকূল পৰিবেশৰ সৃষ্টি কৰি লব নোৱাৰিলে, তেনে শিশুৰ মানসিক জীৱন গঠনত বাধা জন্মে লগতে তেনে অৱস্থাত শিশু এটি গৰাকীবিহীন সম্পত্তিৰ দৰে হৈ পৰে।"

**শিশু, বিদ্যালয় ও সমাজব্যৱস্থা ঃ-** শিশুৱে পৰিয়ালৰ মাধ্যমত ডাঙৰ দীঘল হোৱাৰ পাছত কিছুদিনৰ ভিতৰত প্ৰায় সকলোখিনি প্ৰয়োজনীত জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়। তদুপৰি শিশুৱে নানা ধৰণৰ পৰিস্থিতি অৱস্থাৰ মাধ্যমত নিজৰ ভাব প্ৰকাশ কৰাৰ ক্ষমতা আয়ত্ব কৰি লয় যদিও সুস্থ-সবল, সুখী ও সফল জাৱন-যাপন, কৰিবলৈ সকলোখিনি জ্ঞান কেৱল অভিজ্ঞতাৰ মাধ্যমেদি আয়ত্ব কৰাটো কঠিন হোৱাত প্ৰয়োজন হ'ল শিক্ষানুষ্ঠান অৰ্থাৎ বিদ্যালয়বোৰৰ। যাৰ জৰিয়তে শিশুসকলে নতুন চিন্তা আৰু সংস্কৃতিক ধাৰণাৰ লগতে জীৱনৰ নতুন পথ বিচাৰি, বুদ্ধি আৰু জ্ঞানৰ বিস্তাৰ কৰি জগতৰ ভাল বেয়া বিচাৰ কৰাৰ শক্তি লাভ কৰিব পাৰে। কালক্ৰমত শিশুসকলক শিক্ষানুষ্ঠানত প্ৰদান কৰা শিক্ষাই আধুনিক সমাজৰ মূল আহিলা হিচাপে পৰিগণিত হ'ল। এই শিক্ষানুষ্ঠানবোৰত শিক্ষাদান কৰা প্ৰতিজন শিক্ষকৰ ব্যক্তিত্ব, চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ, চৰিত্ৰ আদিয়ে কণ কণ শিশুসকলৰ ওপৰত গভীৰভাবে প্ৰভাৱ পেলায় ও শিশুসকলেও প্ৰভাৱান্বিত হৈ নিজ চৰিত্ৰ গঠন কৰিবলৈ প্ৰস্তুত হয়। পৰ্য্যায়ক্ৰমে শিশুসকল পাছত সমাজৰ একোএকোজন নাগৰিক হয়। এই বিদ্যালয়ৰ মাধ্যমতে শিশুসকলে সমাজৰ নানাবিধ ধাৰণাৰ বিষয়ে শিকিবলৈ সক্ষম হয় বাবে বিদ্যালয়ক সমাজৰ এটি ক্ষুদ্ৰ অংশ বুলি অভিহিত কৰিব পাৰি।

মানুহ সামাজিক জীৱ, মানুহে সমাজ পাতি সামাজিক ৰীতি- নীতি প্ৰচলিত পৰম্পৰা আদি মানি জীৱন নিৰ্বাহ কৰে। প্ৰত্যেকজন ব্যক্তিৰ সামাজিক আন্তঃ ক্ৰিয়াৰ মাধ্যমত বান্ধোন থকা পৰিলক্ষিত হয়। এই বান্ধোন অবিহনে ব্যক্তিৰ বিকাশ সম্ভৱ নহয়। এই বান্ধোনে শিশুসকলৰ ওপৰত নানা ধৰণৰ প্ৰভাৱ পেলায়।

সমাজ এখনৰ ভৱিষ্যতৰ মেৰুদণ্ড প্ৰকৃতভাৱে নিৰ্ভৰ কৰে উঠি অহা শিশুসকলৰ ওপৰত আনহাতে, শিশুৰ নিজৰ জীৱনৰ নিৰাপত্তাৰ লগতে শিশুৰ প্ৰয়োজনীয় উন্নতি সাধন হয় প্ৰচলিত সমাজ ব্যৱস্থাৰ পৰা। প্ৰতিজন শিশুৰ জীৱনৰ সৰ্বাংগীন উন্নতিৰ বাবে এখন সুসংগঠিত, আদৰ্শ সমাজৰ দৰকাৰ আৰু সেই সমাজখন শিশুৱে জন্মৰ লগে লগে পৰিয়ালৰ সংস্পৰ্শত পায় আৰু কিছুদিন পৰিয়ালৰ মাধ্যমত লালন-পালন হোৱাৰ পাছত বিদ্যালয়ৰ সেই সুবিধাকণ গ্ৰহণ কৰিবলৈ সক্ষম হয়।

শিশুৰ সৰ্বাংগীন উন্নতি তথা ক্ৰমবিকাশৰ ক্ষেত্ৰ ত প্ৰচলিত সমাজ ব্যৱস্থাৰ গুৰুত্ব অপৰিসীম কাৰণ এটি শিশুৰ আশা-আকাংক্ষা, আদৰ্শ, শিক্ষা, সংস্কৃতি আদি সামাজিক জীৱনৰ মাধ্যমেদি বিকশিত হবলৈ সুবিধা পায়। এটি ভাল শিশু সমাজত প্ৰথমতে এজন ভাল ব্যক্তি আৰু এজন ভাল ব্যক্তিয়েহে ভৱিষ্যতত নিজৰ কৰ্ম ও প্ৰচেষ্টাৰ জৰিয়তে এখন ভাল সমাজ গঢ়িব পাৰে। তাৰোপৰি এখন আদৰ্শ সমাজৰ জৰিয়তে আমি সেই সমাজত জন্মগ্ৰহণ কৰা প্ৰতিটো শিশু আদৰ্শ তথা সৰ্বাংগীন উন্নতি হব বুলি আশা কৰিব পাৰি কাৰণ ভাল সমাজত এজন ব্যক্তিৰ ব্যক্তিত্ব ভালদৰে ফুটি উঠাৰ ফলত নিজকে সু-নাগৰিক হিচাপে এই সমাজখনত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হয়। প্ৰতিজন শিশুৱে জন্মৰ পাছৰে পৰা ভাল আদৰ্শ সমাজৰ সংস্পৰ্শলৈ আহে তাৰ বাবে সকলো অবিভাৱক তথা সমাজ সচেতন নাগৰিক সকলে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা উচিত।

●

# কাৰ্বিসকলৰ বিবাহ প্ৰথা

**পংকজ শ্যাম**

প্ৰাক্তন সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

জাগীৰোড মহাবিদ্যালয়

**০.০০ ঃ অৱতৰণিকা ঃ**

জীৱশ্ৰেষ্ঠ মানৱৰ সামাজিক জীৱন সুশৃংখল আৰু সুদৃঢ় কৰা ব্যৱস্থাসমূহৰ ভিতৰত অন্যতম এক ব্যৱস্থা হৈছে - বিবাহ। ভাৰতবৰ্ষৰ হিন্দু পৰম্পৰা অনুসৰণকাৰীসকলৰ মাজত ধৰ্মীয় বিধিদত্ত বিবাহ প্ৰথা প্ৰচলিত থকাৰ দৰে অন্যান্য জনজাতীয় গোষ্ঠীবিশেষৰ মাজতো স্বকীয় ধৰ্মীয় আৰু সামাজিক পৰম্পৰা অনুযায়ী বৈবাহিক ব্যৱস্থাৰ প্ৰচলন থকা দেখা যায়।

মানৱ জাতিৰ বিবাহ ব্যৱস্থাক নৃ-তাত্বিক **(Anthropologist)** আৰু পুৰাতাত্বিক **(Archeologist)** পণ্ডিতসকলে প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিছে - পিতৃতান্ত্ৰিক আৰু মাতৃতান্ত্ৰিক। ভাৰতত বসবাস কৰা আৰ্য আৰু দ্ৰাবিড়সকল পিতৃতান্ত্ৰিক ; আনহাতে অষ্ট্ৰিক আৰু মঙ্গোলীয়সকল মাতৃতান্ত্ৰিক বিবাহ ব্যৱস্থাৰ অনুগামী। ভাৰতত ব্ৰাহ্মণ, দৈৱ, আৰ্য, প্ৰজাপাত্য - চাৰিবিধ বৈদিক বা আৰ্য আৰু অসুৰ, গান্ধৰ্ব, ৰাক্ষস; পৈশাচ - চাৰিবিধ আসুৰিক বা অনাৰ্য - মুঠ আঠবিধ বিবাহ প্ৰথা ভাৰতীয় হিন্দুসকলৰ মাজত প্ৰচলন আছিল।

**১.০১ ঃ কাৰ্বিসকলৰ বিবাহ প্ৰথা ঃ**

অসমৰ এটা প্ৰধান পাহাৰীয়া জনগোষ্ঠী হৈছে কাৰ্বি জনগোষ্ঠী। নৃ-তাত্বিক দৃষ্টিকোণৰ পৰা এওঁলোক মঙ্গোলীয় প্ৰজাতিৰ আৰু ভাষাতাত্বিক দৃষ্টিকোণৰ পৰা তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ বৃহৎ বড়ো ঠালৰ অন্তৰ্গত। পূৰ্বে এওঁলোক পাহাৰীয়া অঞ্চলৰ বাসিন্দা আছিল যদিও পিছলৈ অসমৰ ভৈয়াম অঞ্চলৰ বিভিন্ন ঠাইত বিয়পি পৰিল। প্ৰধানকৈ কাৰ্বি-আংলং জিলাত এওঁলোকৰ বসতি যদিও নগাঁও, মৰিগাঁও, কামৰূপ আদি জিলাতো এওঁলোক সিচৰতি হৈ আছে। ভৌগোলিক অৱস্থিতি অনুসৰি কাৰবিসকলক দুটা ভাগত ভগাব পাৰি - পাহাৰ অঞ্চলৰ কাৰবি আৰু ভৈয়াম অঞ্চলৰ কাৰ্বি।

অসমৰ আন আন ভূমিপুত্ৰ জনজাতিৰ দৰে কাৰ্বি জনগোষ্ঠীৰো সামাজিক আৰু সাংস্কৃতিক পৰিবেশত এক সৌষ্ঠবপূৰ্ণ লোক-সংস্কৃতিৰ পৰিচয় ফুটি উঠিছে। কাৰ্বিসকলে অনুষ্ঠিত কৰা বিভিন্ন সামাজিক আচাৰ-অনুষ্ঠানৰ ভিতৰত বিবাহ অন্যতম। কাৰ্বি ভাষাত ইয়াক 'আদাম আছাৰ' বোলা হয়। আৱহমান কালৰে পৰা কাৰ্বিসকলে স্বকীয় ধৰ্মীয় আৰু সামাজিক পৰম্পৰা আৰু নীতি-নিয়মেৰে বিবাহ উৎসৱ অনুষ্ঠিত কৰি আহিছে। কাৰ্বি লোকসমাজত বিশ্বাস আছে যে কোনো লোকে সামাজিক প্ৰথা অনুযায়ী বিবাহ নকৰালে তেনে ব্যক্তিয়ে সন্তান জন্ম দিয়াৰ বৈধতা দাবী কৰিব নোৱাৰে অথবা এটা সন্তান জন্ম নিদিয়াকৈ তেওঁ মৃত্যুৰ পিছতো সংসাৰৰ পৰা বা পৰজন্মত মুক্তি লাভ নকৰে বা কৌলিক পূজা সম্পাদন কৰাৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। 'কাৰ্বি সমাজত বিবাহ নোহোৱাকৈ কোনো লোকৰ মৃত্যু হ'লে তেওঁৰ শ্ৰাদ্ধ উৎসৱ 'চ'মাংকান'ত বিবাহ সম্পন্ন কৰি লোৱাটো অত্যন্ত প্ৰয়োজনীয় কৰ্ম। চ'মাংকান উৎসৱত উপস্থিত ৰাইজে খেৰৰ দৰা-কইনা জুমুঠি সাজি ভুৱা বিবাহ পাতি মৃত লোকজনৰ আত্মা মুক্ত কৰে।'[১]

অন্যান্য মঙ্গোলীয় জনগোষ্ঠীয় সমাজৰ দৰে কাৰ্বি সমাজখনো এসময়ত মাতৃতান্ত্ৰিক আছিল। সেয়েহে বোধহয় কাৰ্বি সমাজৰ বিয়াবাৰুৰ ৰীতি-নীতিত নাৰীৰ ব্যক্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হয়। কাৰ্বিসমাজত বিবাহৰ পিছতো পত্নীৰ পিতৃ গোত্ৰ লুপ্ত নহয় আৰু ইয়াৰ অন্তৰালত সম্ভৱতঃ মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰভাৱেই বৰ্তি থকা বুলি ক'ব পাৰি। পূৰ্বৰ কাৰ্বি লোকসমাজত প্ৰচলিত ৰীতি অনুসৰি কাৰ্বি পুৰুষে নিজৰ মোমায়েকৰ ছোৱালীক বিয়া কৰাব লাগে।

এনে বিবাহেই কাৰ্বি সামাজিক দৃষ্টিকোণৰ পৰা উত্তম বিবাহ। আজিকালি এই বাধ্যবাধকতা কিছু শিথিল হৈছে। সেয়েহে, নিজৰ মোমায়েকৰ কোনো কন্যা-সন্তান নাথাকিলে বা ল'ৰাৰ মন নিমিলিলে নিজ কুল বা গোত্ৰৰ বাহিৰৰ আন কুলৰ মনে মিলা ছোৱালীক বিয়া পাতিব পাৰে। উল্লেখ্য যে, কাৰবি সমাজত একেটা প্ৰধান কুলৰ মাজত বা একেটা প্ৰধান কুলৰ অন্তৰ্গত শাখাকুলৰ মাজত বৈবাহিক সম্বন্ধ নিষেধ।

**১.০২ ঃ কাৰ্বি সমাজত বিবাহ ব্যৱস্থা প্ৰচলন সম্পৰ্কীয় লোক বিশ্বাস ঃ**

কাৰ্বি লোকসমাজত প্ৰথম বৈবাহিক অনুষ্ঠান আৰু বিবাহ প্ৰথাৰ প্ৰথম প্ৰচলক সম্পৰ্কীয় মনোমোহা লোক বিশ্বাস আছে। এই লোকবিশ্বাস মতে কাৰ্বি জনগোষ্ঠীৰ প্ৰথম বৈবাহিক সম্বন্ধ ঘটিছিল মিৰিংৰংছ'পী (মুৰিং ৰংছ'পী?) নগৰত সৰগৰ দেৱী ৰাছিনজাৰ লগত। এওঁ আছিল কাৰ্বি লোকবিশ্বাসৰ দেৱতা লাংমিংপ' বহাং (হেম্ফু)-ৰ ভগ্নী। স্বয়ং হেম্ফুৱে ভগ্নী ৰাছিন্‌জাৰ লগত পৃথিৱীৰ সন্তান ৰাংমুক্ৰাঙৰ পুত্ৰ লংমুক্ৰাঙ'ৰ বিবাহ পাতি দিছিল। এই বিবাহ পদ্ধতিকে মিৰিংৰংছ'পী (মুৰিং নগৰবাসী)-য়ে গ্ৰহণ কৰিছিল। মুৰিং নগৰৰ লংমুক্ৰাঙ আৰু ৰাছিন্‌জাৰ এই বিবাহ পদ্ধতি পোন প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষ কৰে ৰেলংবি আৰু হাৰলংবি নামে দুজন কাৰ্বি ডেকাই আৰু ইয়াৰ পিছত তেওঁলোকৰ সন্তানাদিৰ যোগেদি কাৰ্বি সমাজত বিবাহ প্ৰথাৰ প্ৰচলন হয়। সেয়েহে, 'আজিৰ দিনত বিবাহ কাৰ্য সম্পন্ন কৰাৰ সময়ত ৰেলংবি আৰু হাৰলংবিৰ নাম ল'ব লগা হয় অৰ্থাৎ তেওঁলোকৰ জীৱনকাহিনী গল্প বা গীত আকাৰে গোৱা নিয়ম। সেই নিয়মক 'আদাম আপৰম কাংথুম' বোলে।'[২]

কাৰ্বি সমাজত বিভিন্ন প্ৰকাৰৰ বিবাহৰ প্ৰচলন আছে। পূৰ্ণকান্ত দেউৰীয়ে 'কাৰ্বি লোক-সংস্কৃতিত এভুমুকি' (সুংগৰী, স্মৃতিগ্ৰন্থ) শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰা মতে কাৰবিসকলে অৱস্থাভেদে কেইবা প্ৰকাৰে বিবাহ অনুস্থিত কৰে। তাৰ ভিতৰত অন্যতম হ'ল -- সৰণে-হৰ্হাক (বৰ বিয়া), বকা-বুহন (মধ্যমীয়া বিয়া) আৰু পেপ-কে কিথে ৰংবং কে কিথেক-হো (সৰু বিয়া)। আৰ্থিক সমৰ্থতা বা অন্যান্য কাৰণবশতঃ কাৰ্বি সমাজত এনে ধৰণৰ বিবাহ অনুষ্ঠিত কৰা দেখা যায়।

কাৰ্বি সমাজত অনুষ্ঠিত বিবাহৰ প্ৰকাৰ সম্পৰ্কত অন্যান্য ব্যাখ্যাও পোৱা যায়। বিদৰছিং ক্ৰ'ৰ মতে -- 'বৰ্তমান কাৰ্বি সমাজত চাৰিবিধ বিবাহ প্ৰথাই বিশেষকৈ প্ৰচলিত; যেনে -- ১। আদামাছাৰ, ২। হৰ্হাক কাংথুৰ, ৩। আদাম থন্‌থক আৰু ৪। কেমেন।'[৩]

উল্লেখ্য যে প্ৰতিটো বিবাহ প্ৰথাৰ কিছুমান স্বকীয় বিশেষত্ব আছে। 'আদাম থন্‌কক' প্ৰথা মতে বাকীবোৰ আচাৰ-নীতি আন আন বৈবাহিক প্ৰথাৰ লগত প্ৰায় মিলে যদিও বিবাহ সম্পন্ন হোৱাৰ দিনাখনেই দৰাঘৰীয়াই কইনাক লগত আনিব নোৱাৰে। তাৰ পৰিবৰ্তে তেওঁলোকে দৰাকহে কইনাৰ ঘৰত এৰি থৈ আহিব লাগে। এক নিশা বা কেইদিনমান দৰাই শহুৰেকৰ ঘৰত থকাৰ পিছতহে দৰাই নিজেই কইনাকলৈ স্ব-গৃহলৈ প্ৰত্যাৱৰ্তন কৰিব পাৰে। 'আদান থন্‌থক' নিয়মত দৰাঘৰৰ পৰা তিনিটা 'হৰ্কাক' বা মাননি (ইংজিৰ আৰ্ল, ছুছুফিলি আৰু আৰি) নিয়াৰ প্ৰথা নাই।

'হৰ্হাক কাংথুৰ' প্ৰথা মতে বিবাহ অনুষ্ঠিত হ'লে 'হৰ্হাক' বা মাননি তিনিটা নিয়াটো নিতান্তই বাধ্যতামূলক। বাকীবোৰ নীতি-নিয়মত বৰ বিশেষ পাৰ্থক্য পৰিলক্ষিত নহয় বুলিব পাৰি।

**১.০৩ ঃ 'আদাম আছাৰ'ৰ আখ্যান ঃ**

কাৰ্বি লোকবিশ্বাস মতে এদিনাখন কাৰ্বি জনগোষ্ঠীয় ৰজা ৰাংমুক্ৰাঙ'ৰ পত্নী তথা ৰাণী ৰেলিৰবনে কাৰ্বি দেৱতা লাংমিংপ' (হেম্ফু)-ৰ ওচৰলৈ আহি ভনীয়েক ৰাছিন্‌জাক নিজৰ পুতেক লংমুক্ৰাঙ'ৰ লগত বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। লাংমিংপ'ই ভনীয়েকৰ সন্মতি থকাত ৰেলিৰবনক বাইদেউ সম্বোধন কৰি দ্বিতীয়বাৰ মাননিসহ অহিবৰ বাবে ক'লে আৰু আহোঁতে দুটা লাওপাত্ৰত মদ ভৰাই আনিবলৈ কৈ পঠালে। কেইদিনমান পিছত ৰেলিৰবনে মদৰ মাননিসহ লাংমিংপ'ৰ ঘৰলৈ আহি তেওঁক লংমুক্ৰাঙ'ৰ মোমাইদেউ সম্বোধন কৰি সুৰ লগাই গীতেৰে ৰাছিন্‌জাক বোৱাৰী হিচাপে বিচাৰিলে। লাংমিংপ'ই সেই মাননি গ্ৰহণ কৰি বিয়াৰ দিন ধাৰ্য কৰিবলৈ পুনৰ আন এদিন মাননিসহ আহিবৰ বাবে জনালে। সেইমতে, আন এদিনাখন ৰেলিৰবন আহি পুনৰ কইনাঘৰত উপস্থিত হয়; কিন্তু মাননিৰূপে অনা পাওৰ পাত্ৰ কম হোৱাত লাংমিংপ'ই তৃতীয়বাৰৰ বাবে মদৰ পাত্ৰ দুটাৰ লগত মদৰ কলহ এটা (হৰ্টেবক) অনাৰ বাবে শিকাই দিয়ে।

লাংমিংপ'ই কোৱা অনুসৰি তৃতীয় দফাৰ অনুষ্ঠান সম্পন্ন হ'ল আৰু বিয়াৰ দিনো ধাৰ্য কৰা হ'ল। ইয়াৰ পিছত নিৰ্দিষ্ট দিনটোত খাং এটাত লাওৰ পাত্ৰ দুটা আৰু মদৰ কলহ এটা ভৰাই লৈ দিনে পোহৰে দৰাপক্ষই গৈ কইনাঘৰত উপস্থিত হ'ল। মদৰ খাংটো চাংঘৰৰ ভিতৰত পবিত্ৰ ঠাই 'নকচেক'ৰ কাষত থোৱা হ'ল। নিশা 'বংচিন' পাত্ৰটো দৰাৰ মোমায়েক (লাংমিংপ')-ৰ হাতত আৰু 'বংদাম' পাত্ৰটো মামীয়েকৰ হাতত দিয়া হ'ল আৰু বিয়াৰ মূল পৰ্বভাগ আৰম্ভ কৰা হ'ল। গীতৰ মাজেৰেই দুয়োপক্ষই মনৰ ভাৱৰ আদান-প্ৰদান কৰাৰ অন্তত মোমায়েক লাংমিংপ'ই

(হেম্ফু) 'বংচিন' হাতত লৈ দৰা-কইনাৰ মংগল কামনা কৰি প্ৰাৰ্থনা কৰিলে।

বিয়াৰ কাম শেষ হোৱাত দৰা-কইনা উভয়কে চাঙৰ অন্তেষপুৰত ফুলশয্যাৰ নিশা যাপনৰ ব্যৱস্থা কৰি দিয়া হয়। 'পুৰা ছুম' নামে ব্যক্তি এজনে হেম্ফু-ৰ নিৰ্দেশমৰ্মে 'ৰোৰ কামাথা' পূজাভাগ সম্পন্ন কৰে আৰু মন্ত্ৰপুত শান্তিপানী তিনিবাৰকৈ দৰা-কইনাৰ গাত ছটিয়াই আশীৰ্বাদ দিয়ে। ইয়াৰ পিছত দৰা-কইনাক লৈ ঘৰলৈ উভতাৰ পথত মাজতে জিৰণি লৈ কইনাঘৰৰ পৰা দি পঠিওৱা একেটা ভাতৰ টোপোলাৰ পৰা ভাত খাই 'আদান আথেকাৰ' পৰ্বটি সম্পন্ন কৰে।

কইনাই দৰাঘৰ পোৱাৰ পিছদিনা তিনিটা বেদী সাজি 'ৰোৰ কামাথা' নামে পূজা এভাগ দিয়া হয়। এসপ্তাহ পিছত ৰাছিন্‌জাই স্বামীক লগত লৈ মদৰ মাননি আদি লৈ মাকৰ ঘৰলৈ যায় আৰু মাকৰ ঘৰৰ পৰা পিন্ধি অহা কাপোৰ-কানিবোৰ ঘূৰাই দিয়ে। এই প্ৰথাক 'পেছ'ৰিছ' কাচেথন' বোলে। লাংমিংপ' (হেম্ফু) ই লংমুক্ৰাঙ আৰু ৰাছিন্‌জাৰ বিয়াখন এনেদৰে বিভিন্ন ৰীতি-নীতিৰ মাজেৰে সু-সম্পন্ন কৰি কাৰবি সমাজত বিবাহ প্ৰথাৰ আৰ্হি দাঙি ধৰিলে। বিবাহৰ এই ৰীতি-নীতি কাৰবি সমাজত 'আদাম আছাৰ' ৰূপে খ্যাত হ'ল।

**১.০৪ ঃ প্ৰথম বিবাহ প্ৰথাৰ প্ৰচলক ৰেলংবি আৰু হাৰলংবিৰ আখ্যান ঃ**

প্ৰাচীন কাৰ্‌বি সমাজত দুজন 'ছুম্ফং - ছুম্ফি' (মানৱ-মানৱী)-ৰ আবিৰ্ভাৱ হয়। এওঁলোকক ক্ৰমে ৰেলংবি লিএ' আৰু হাৰ্‌লংবি তুংএ' বুলি জনা যায়। এওঁলোকৰ বাসস্থান সম্পৰ্কে সবিশেষ একো তথ্য পোৱা নাযায়। দুয়োজন বৰ নলে-গলে লগা বন্ধু আছিল। তেওঁলোকৰ গাঁৱৰ উজনিৰ ফালে থকা আৰ্‌ক্লি (আক্লি) গাঁৱৰ তিৰোতাবোৰে গাঁৱৰ কাষেৰে বৈ অহা লাংকুম্ফাং নদীত বিভিন্ন জাৱৰ-জোঁথৰ পেলোৱাৰ উপৰিও মেখেলা আদি ধুই নদীৰ পানী অপবিত্ৰ কৰাত উপায়ন্তৰ হৈ দুয়োৱে আৰ্‌ক্লিবাসীৰ বিৰুদ্ধে যুদ্ধৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

যুদ্ধৰ বাবে অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োজন হোৱাত মাকৰ পৰামৰ্শমতে পূৰ্বদিশত থকা এখন নগৰৰ ৰজা লংকামাৰ পৰা মাননি আগবঢ়াই দি পুৰণি অস্ত্ৰ-শস্ত্ৰ কিছুমান লৈ যুদ্ধযাত্ৰা কৰিলে। যাত্ৰা কালত মাজবাটতে মাৰ্‌লে নৈৰ ঘাটত মৰংপি নামৰ আইতা এগৰাকীক তিতালাওৰ পাত্ৰ চাফা কৰি থকা অৱস্থাত লগ পালে। আইতাগৰাকীয়ে দুয়োকে যুদ্ধযাত্ৰা স্থগিত কৰি মুৰিংনগৰ (মুৰিং ৰংছ'পী)- লৈ গৈ তাত অনুষ্ঠিত হৈ থকা লংমুক্ৰাঙ আৰু ৰাছিন্‌জাৰ বিয়াৰ নীতি-নিয়মবোৰ শিকি আহি কাৰ্‌বি সমাজত প্ৰচাৰ কৰাৰ বাবে ক'লে। এই বিষয়ে লোকগীতত আছে —

*'লা আৰি মৰংপি*
*নাংজু আলাম দি*
*ৰণছ' কে ল'ৰি*
*ৰাপলু ছু মাৰলি*
*লা মিৰিং ৰংছপি*
*বাং দামছাৰ কাপিনথি ....... ।'*[৪]

আইতাগৰাকীৰ কথামতে দুয়োবন্ধুৱে যুদ্ধযাত্ৰা স্থগিত কৰি মুৰিং নগৰলৈ গৈ ৰাছিন্‌জা আৰু লংমুক্ৰাঙ-ৰ বিয়াখন চাই আহি সেই নীতি-নিয়মেৰে হাৰলংবিয়ে নিজৰ পুতেকৰ বিয়া ৰেলংবিৰ জীয়েকৰ লগত পাতি দি কাৰ্‌বি সমাজত 'আদাম আছাৰ'ৰ প্ৰথা যুগমীয়া কৰিলে।

**১.০৫ ঃ কাৰ্‌বি 'আদাম আছাৰ'ৰ বিভিন্ন পৰ্যায় ঃ**

কাৰ্‌বি সমাজত এখন বিবাহ কেইবাটাও পৰ্যায়ৰ মাজেৰে সম্পন্ন হয়। হেম্ফুৱে প্ৰৱৰ্তন কৰা নীতি অনুসৰি কাৰবি সমাজত বিয়া এখনৰ বন্দোবস্ত চাৰিটা পৰ্যায়ত হয় —

**(ক) নেংপি-নেংছিঁ কাচিংকি (বৌৱেক-ননদৰ মাজত আলোচনা) ঃ**

কাৰ্‌বি সমাজত ল'ৰাৰ মাকে (ননদে) বৌৱেকৰ ঘৰলৈ গৈ পাত্ৰী সম্পৰ্কীয় প্ৰাথমিক আলোচনা কৰে। বৌৱেক-ননদৰ মাজত গীত-মাতেৰে কথোপকথন চলে আৰু ল'ৰাৰ মাকে আগমণৰ উদ্দেশ্যৰ বিষয়ে জনায় অৰ্থাৎ বিবাহযোগ্য ছোৱালী আছে নেকি, সেয়া সোধে। পৰম্পৰা অনুসৰি বৌৱেকে প্ৰথমে ছোৱালী নাই বুলি কয় আৰু শেষত থাকিলেও অনুপযুক্ত, অনভিজ্ঞ বুলি জনায়। শেষত অৱশ্যে ছোৱালীৰ মাকে নিজৰ যোগাত্মক অভিমত ব্যক্ত কৰে আৰু ছোৱালীৰ অভিমত জানিবলৈ আন এদিন অহাৰ বাবে আমন্ত্ৰণ দিয়ে।

**(খ) পিছ' কেহাং (ছোৱালীৰ মতামত আৰু বিয়াৰ প্ৰস্তাৱ উত্থাপন পৰ্ব) ঃ**

দ্বিতীয় পৰ্যায়ত ছোৱালীঘৰলৈ যাওঁতে লগত সোধনী ভাৰ নিয়া হয়। 'বংক্ৰক' (দীঘল ডিঙিযুক্ত তিতালাওৰ পাত্ৰ), 'কাংছিৰ আৰ্জলা (লাওপানী), তামোল-পাণ আদিৰ সু-সজ্জিত সোধনী ভাৰ (কেহাং আহৰ) নি ছোৱালীৰ পিতৃৰ আগত দিয়া হয়। ইতিমধ্যে ছোৱালীৰ অভিমতটোও জানি লোৱা হয় আৰু ছোৱালীৰ সন্মতি পালে পিতৃয়ে সেই 'কেহাং আহৰ' গ্ৰহণ কৰে। ইয়াৰ পিছত বিয়াৰ পৰৱৰ্তী কথা-বতৰা পাতিবলৈ অন্য এদিন দৰাঘৰীয়া লোকক আমন্ত্ৰণ জনায়। এই দ্বিতীয় পৰ্যায়ৰ

সকামভাগক 'কেহাং কাপাতিনি' বোলা হয়।

**(গ) লাম-কেপাথিত বা লাম আখিৰ কেৰি (ঘৰজোঁৱাই বা গা-খাটি দিয়া সম্পৰ্কীয়) ঃ**

তৃতীয় পৰ্যায়ত দৰাঘৰৰ মানুহে আকৌ লাওৰ পাত্ৰত মদৰ মাননি লৈ কইনা ঘৰলৈ যায়। পৰম্পৰাগত কাৰ্বি সমাজত আগতে ল'ৰাই গৈ ছোৱালীৰ ঘৰত দুই বা তিনিবছৰ গা-খাটি দিব লাগিছিল। ইয়াক 'পিছ'কেমেন' (গা-খাটনি) বুলি কোৱা হয়। আজিকালি এনে নীতি-নিয়মত কিছু সামাজিক শিথিলতা আহি পৰাত এই নিয়মবোৰ প্ৰায় নোহোৱা হৈছে। তথাপি ১/২ বা ৫/৭ দিন ছোৱালীৰ ঘৰত থাকি এই সামাজিক প্ৰথাটো পালন কৰা হয়।

**(ঘ) আজ'আৰ্নি কেফা (চূড়ান্ত বন্দোবস্ত) ঃ**

এই স্তৰত দৰাঘৰৰ পৰা মদৰ মাননিসহ সোধনী ভাৰ এখন নি বিয়াৰ দিন-বাৰ স্থিৰ কৰা হয়। এনেকৈ উভয়পক্ষৰ সন্মতিমৰ্মে বিয়াৰ দিন ধাৰ্য কৰা হয়। এই চাৰিদফীয়া পৰম্পৰাগত নীতি-নিয়মৰ মাজেৰে কইনা ঘৰলৈ গৈ এখন বিয়া বন্দোবস্ত কৰা হয়। প্ৰতিবাৰ কইনাঘৰলৈ যাওঁতে দৰাপক্ষই 'হৰআলাং' আৰু 'হৰ আৰাক' নামৰ দুবিধ মদৰ মাননি নিয়াটো নিতান্তই প্ৰয়োজনীয়। কাৰবি সমাজত পঞ্জিকা চাই দিন-বাৰ স্থিৰ কৰাৰ পৰিবৰ্তে উভয়ঘৰৰ সুবিধানুযায়ীহে এখন বিয়াৰ দিন স্থিৰ কৰা হয়। এনেকৈ বিয়াৰ সিদ্ধান্ত হোৱাৰ পিছত লাওৰ পৰা মদ বাকি মঙ্গল চোৱাৰ ৰীতি কাৰ্বি লোকসমাজত আছে। এইদৰে চতুৰ্থ লানি কথোপকথন তথা নীতি-নিয়মৰ অন্তত কাৰ্বি সমাজত 'পিছ'পাংৰি' (কাপাংৰি) অৰ্থাৎ বিয়া এখন অনুষ্ঠিত কৰা নিয়ম।

**১.০৬ ঃ মূল বিবাহ অনুষ্ঠান 'পিছ'পাংৰি' ঃ**

কাৰ্বি সমাজত মূল বিবাহৰ দিনা কইনাঘৰলৈ যাবৰ সময়ত বিশেষ ধৰণৰ মাননি (হৰ্হাক) নিয়াৰ প্ৰথা আছে। এই মাননিত থাকে তিনিটা মদৰ খাং (হৰ্হাক) — এটা ভনীয়েকহঁতৰ ফালৰ (ইংজিৰ আৰ্ল), এটা ভাগিনহঁতৰ ফালৰ (ছুছুফিলি) আৰু দৰাৰ নিজৰ ফালৰ (আৰি) পৰা মদৰ এটা কলহ (কাংচিৰ আজৰ্লাং) নিয়া হয়। প্ৰতিটো হৰ্হাক-ত কেইটা মদৰ পাত্ৰ থাকিব লাগে, সেই বিষয়ে অঞ্চলভেদে মতভেদ আছে। সাধাৰণতে এটা হৰ্হাক-ত দাম্দাম (ডাঙৰ লাওৰ পাত্ৰ) এটা, বংক্ৰক বা বংচিন (দীঘল ডিঙিযুক্ত সৰু লাওৰ পাত্ৰ) এটা আৰু 'হৰ্তিবুক' (মদৰ কলহ) এটা থাকে। লাওৰ পাত্ৰ আৰু হৰ্তিবুক-ত নডালকৈ বগা সূতা (এৰাঁ সূতা)- ৰে তিনিপাককৈ বন্ধা থাকে। এই মাননিসমূহ কইনাৰ পিতৃক দিব লাগে। কাৰবি সমাজত বৈবাহিক সম্বন্ধ স্থাপনত 'বংক্ৰক', 'হৰলাং' আৰু তামোল-পাণৰ উপাচাৰেই আটাইতকৈ প্ৰয়োজনীয় আৰু সন্মানীয়। বিবাহ সমাপণ হোৱালৈকে স্থান বিশেষ পাঁচটাৰ পৰা যাঠিটালৈকে 'বংক্ৰক' কইনাঘৰীয়াক মাননিৰূপে আগবঢ়োৱাৰ পৰম্পৰা আছে। আগতে দৰাঘৰীয়াই কইনাঘৰলৈ যাওঁতে বাটতে পোৱা প্ৰতিখন গাঁৱত এলাওকৈ মদ মাননি স্বৰূপে দিয়াৰ পৰম্পৰা আছিল। বৰ্তমান কালত ইয়াৰ বহুখিনি পৰিবৰ্তন লক্ষ্য কৰা যায়।

নিশা দৰাৰ অভিভাৱকে লগত নিয়া মাননিসমূহ কইনাৰ পিতৃক আগবঢ়াই দিয়াৰ পিছত বিয়াৰ কাম আৰম্ভ হয়। কইনাৰ পিতৃয়ে মদৰ পাত্ৰটোৰ পৰা তিনিবাৰ মদ ঢালি দি মন্ত্ৰ মাতি ঈশ্বৰক স্মৰণ কৰে আৰু দৰা-কইনাক আশীৰ্বাদ দিয়ে। কইনাৰ পিতৃয়ে হেম্ফু, মুক্ৰাং আৰু ৰাছিন্জাৰ নামত মদৰ উপাচাৰ আগবঢ়াই দি প্ৰাৰ্থনা কৰে। এই অনুষ্ঠানটোক 'হৰবং আৰণাম কেপু' বোলে। এই অনুষ্ঠানৰ যোগেদি দৰা-কইনাৰ মঙ্গল কামনা কৰি কোৱা হয় —

*'বি কেথেপ' উনএ, হাই কেথেপ' উনএ*
*ৰলং কম বেবে, ৰলং কম চেচে*
*লা আবৰ দেই, লা আকান দেই*
*আৰণাম চ'কজিব' মেজিব'*
*আথিক নে থানথা, আবেন নে থানথা'*[৫]

অৰ্থাৎ হে প্ৰভু, দৰা-কইনাৰ এই সম্বন্ধ হেজাৰ বছৰীয়া শিলৰ সাঁকোৰ দৰে যুগমীয়া হওক, সোণৰ হাৰহেন মোৰ জী-জোঁৱাইৰ পবিত্ৰ বান্ধোন চিৰজীৱি হওক। সতি-সন্ততিৰে ঘৰ-সংসাৰ পাতি বগলী বাস কৰা বিলৰ দৰে যুগজয়ী হওক।

নিশা দৰা-কইনাক ফুলশয্যাৰ মাধ্যমেৰে যুগ্ম-জীৱনৰ শুভসূচনা কৰাৰ ব্যৱস্থাও কৰা হয়। পিছৰ দিনা 'বোৰ কাম্থা' নামে এভাগ পূজা দি পূজাৰ পবিত্ৰ পানী দৰা-কইনাৰ গাত ছটিয়াই তেওঁলোকৰ মঙ্গল কামনা কৰা হয় আৰু আশীৰ্বাদ দিয়া হয়। এইদিনা ভোজৰ সময়ত দৰাৰ ভনীয়েকহঁতৰ ফালৰ মাননি (ইংজিৰ আৰ্ল) -ৰ পৰা লাওৰ পাত্ৰ উলিয়াই কইনাৰ পিতৃ-মাতৃক মাননি হিচাপে আগবঢ়োৱা হয়। শেষত, বিদায় লৈ যাবলৈ ওলোৱাৰ সময়ত ভাগিনহঁতৰ ফালৰ মাননি (ছুছুফিলি) আগবঢ়োৱা হয়।

কাৰ্বি সমাজত মূল বিবাহ অনুষ্ঠানত দৰা-কইনাই পৰম্পৰাগত জাতীয় সাজ-পাৰ পৰিধান কৰিব লাগে। দৰাই ফুলাম চাদৰ, তলৰ ফালে দীঘল দহি ওলমি থকা চোলা 'চই-ইক্-চই-আং' পিন্ধাৰ উপৰিও মূৰত প'হ' (পাগুৰি) মাৰে আৰু কান্ধত 'জাম্বিলি' (মোনা) এটা লয়। আনহাতে, কইনাই 'ৰামকক'

নামৰ ফুলাম পেটীৰে সৈতে ক'লা ৰঙৰ 'পিন্ধি' অৰ্থাৎ মেখেলা পৰিধান কৰে। অৱশ্যে এওঁলোকে কপালত সেন্দুৰৰ ফুট নলয় বা বিশেষ সোণ-ৰূপৰ অলংকাৰ আদিও পৰিধান নকৰে।

কাৰ্বি সমাজত হোম পুৰি বিয়া কৰোৱাৰ কোনো প্ৰথা নাই। তাৰ পৰিবৰ্তে কাৰবি দেৱতা 'হেম্ফু', দেৱী ৰাছিন্‌জা আৰু মুক্ৰাং -ৰ নামত মদৰ উপাচাৰ আগবঢ়াই প্ৰাৰ্থনা জনোৱা হয় আৰু আশীৰ্বাদ লোৱা হয়।

**পেছ'ৰিছ' কাচেথন (আঠমঙলা) ঃ**

অসমীয়া সমাজৰ আঠমঙলাৰ দৰে কাৰ্বি সমাজতো এটি অনুষ্ঠান মূল বিয়াৰ পিছত পতা হয়। সাধাৰণতে বিবাহৰ তিনি, সাত বা ন দিনৰ পাছত দৰা-কইনাই পুনৰ কইনাৰ ঘৰলৈ যায়। এইদিনা ছোৱালীয়ে মাকৰ ঘৰৰ পৰা বিয়াৰ দিনা পিন্ধি যোৱা কাপোৰ-কানিসমূহ উভতাই দিয়াৰ লগতে মাকক মাননি (লাওৰ পাত্ৰ) আগবঢ়াই। কাৰ্বি সমাজত এই প্ৰথাক 'পেছ'ৰিছ' কাচেথন' বোলা হয়।

**১.০৭ ঃ কাৰবি বিবাহ অনুষ্ঠানত গীতৰ বিশেষত্ব ঃ**

কাৰ্বি সমাজত বিবাহৰ কইনা খোজাৰ পৰা আৰম্ভ কৰি বিবাহৰ সামৰণিলৈকে গীতৰ এক অপৰিহাৰ্য ভূমিকা আছে। কাৰবি লোকসমাজত কেইবাপ্ৰকাৰৰ বিয়াগীত প্ৰচলন আছে আৰু এইবোৰ বিবাহৰ বিভিন্ন পৰ্বৰ লগত সংগতি ৰাখি পৰিবেশন কৰা হয়। সাধাৰণতে কাৰ্বি সমাজত কইনাৰ পিতৃ আৰু দৰাৰ পিতৃৰ মাজত খুলশালি বা জেঠেৰী আৰু ভিনীহি বা বৈনাইৰ সম্বন্ধ। সেয়েহে, কইনাৰ পিতৃয়ে গোৱা বিয়াগীতসমূহক 'থেলু' আৰু দৰাৰ পিতৃয়ে গোৱা গীতসমূহক 'ছাংলিন' বুলি কোৱা হয়। বিয়াৰ পিছদিনা কইনাৰ পিতৃয়ে জীয়েকক উপদেশ দি গোৱা গীতসমূহক 'আছ' কাচিনেম' গীত বোলে। কইনা দৰা ঘৰত গৈ উপস্থিত হোৱাৰ পিছত দৰাৰ পিতৃয়ে ন-বোৱাৰীক আদৰিবলৈ গোৱা গীতসমূহক 'মুনচাৰণে' গীত বুলি অভিহিত কৰা হয়। আকৌ, দৰাঘৰত ছোৱালী থৈ উভতি আহোঁতে কইনাঘৰীয়া লোকে কইনাক উদ্দেশ্যী গোৱা গীতক 'আছ' আংজিৰ চেপাৰে' বোলা হয়।

কাৰ্বি বিয়াগীতৰ এটা প্ৰধান বিশেষত্ব এয়ে যে এইবোৰ অসমীয়া বিয়ানামৰ দৰে মহিলাসকলে নাগায়। মূল বিবাহ অনুষ্ঠানৰ আৰম্ভণিৰ পৰা শেষলৈকে দৰা আৰু কইনাঘৰৰ হৈ দুগৰাকী 'লুঞ্ছেপ' (গায়ক) ই গীতৰ মাধ্যমেদি ভাৱ-বিনিময় কৰি দুয়োপক্ষৰ যোগসূত্ৰ ৰক্ষাত সহায় কৰে। কাৰবিসমাজত বিয়া এখনৰ বিভিন্ন পৰ্যায়ৰ আলাপ-আলোচনা, ভাৱৰ আদান-প্ৰদান, প্ৰতিশ্ৰুতি, উপদেশ, আদৰণি আদি নিৰ্দিষ্ট গীতৰ মাধ্যমেদিয়েই সম্পন্ন কৰা হয়। ইয়াৰে বেছিভাগ গীতেই আদিম স্তৰতেই ৰচিত যদিও তাৰে কিছু অংশ গায়কে নিজে সাজিও গোৱা দেখা যায়। এইবোৰ কাৰ্বি মৌখিক লোক সাহিত্যৰ অন্তৰ্গত। তলত কেইবিধমান কাৰ্বি বিয়াগীতৰ উদাহৰণ দাঙি ধৰা হ'ল —

**থেলু (কইনাৰ পিতৃ) ঃ**

*'জা ছাংলিন পেন ক্লিৰ্মে*
*আন, ছাৰ আংহাং ফুহে,*
*বংছুক পাং ফাৰ্চে*
*খিমা ৰিম্‌ৰেচে,*
*দেং কিন্দু তক্‌চে (লে)*
*থেলু আহুম্‌মে*
*ল'হুম্‌ৰি নাংলে (কে)*
*পিচিং আলাম্ থে?*

অৰ্থাৎ হে, ছাংলিন আৰু ক্লিৰ্ণিসৰ, লাখুটিত ভৰ দি চকুৰে দেখি নোপোৱা এই ভাটি বয়সত ক'লৈ যাবলৈনো অঙৰ পজাত পদাৰ্পন কৰি এই সন্মানৰ কিহৰ আয়োজন?' [৬]

**ছাংলিন (দৰাৰ পিতৃ) ঃ**

*'নে নাং ছাংলিন মান্দুং (পেন)*
*নাংলি ক্লিৰ মান্দুং*
*আৰুণ বচেদুন (কে)*
*জু লাম্‌থে লামমুং।*
*ৰ'ফু পেন ৰ'থুং (ছন)*
*নথিন ৰিণৰাণ ফুন*
*কাবেদেত বিথুং*
*দামছাৰ পিন থেদুন (তা)*
*চ'জাক নেলিতুম (ল)*
*থেলু মান্দু*

অৰ্থাৎ, হে মোৰ ল'ৰাৰ মোমায়েক, আপোনাৰ ভিনীহি আৰু বাইদেউৰ অৱস্থা শোচনীয়। কপৌ আৰু ঘনচিৰিকা চৰাইৰ বাঁহৰ দৰে অস্থায়ী। গতিকে বিয়াখন পাতি আমি লজ্জিত।' [৭]

**আছ' কাচিনেম গীত ঃ**

*'অ, হেৰ্লি জাং হেৰ্মে*
*নাং হাজং আতুম্' কে*
*বাং ল'মাথুমল' হে,*
*নাং হাৰ্চি কামে*
*আন ছাৰ আংহাং ফুহে*
*বংছুক পাংফাৰচে*

*থিমা ৰিম্‌ৰেচে*
*বই ফাৰাণ কাৰে*
*নাং হাজং আহুম্‌মে*
*ল'নাংপ' ছেৰ্‌মে।*

অৰ্থাৎ হে সোণজনী, তোমাৰ হাজংসৰে তোমাক নিবলৈ আহিলে, যিহেতু তেখেতসৰৰ এই ভাটি বয়সত আলপৈচান ধৰোঁতা কোনো নাই, গতিকে সোণজনী যোৱাগৈ।' [৮]

**মুনচাৰ্‌ণে' গীত ঃ**

*'জ ৰাছুন ৰিএ'*
*জন ৰাজে ৰাং লে (ৰা)*
*পি আৰজে লিত কে*
*হুহু আছেৰম (তা)*
*হুম্‌মে ছি চিং বে,*
*নিমে ৰাণি কে*
*এৰুণ এহুম্‌মে*
*ল'ইক ল'নাংহে।*

অৰ্থাৎ, হে আইজনী বয়সৰ লগে লগে অইন নাৰীবোৰেও সময়ত তেওঁলোকৰ আপোন ঘৰলৈ যায়; গতিকে তোমাৰো উপযুক্ত বয়স হোৱাত আজি এই শুভদিনত আমিও আমাৰ নিজা ঘৰলৈকে যাওঁ ব'লা।' [৯]

**আছ' আংজিৰ চেপাৰে' গীত ঃ**

*'অ, ছেৰজাং ছেৰ্‌মে*
*নাং হাৰচি কামে (পেন)*
*নাং তক্‌লি কামে*
*আচাৰ্‌ নাম কেমে*
*থিৰ্‌জি নাং হুম্‌মে,*
*নাং ৰিন্দি কেমে*
*ফান্দাৰ পালক্‌ৰে*
*ম' ছিং ক্ৰেং মুন্তালে*
*নাং ৰুণ নাং হুম্‌মে*
*হুম্‌ৰি ৰাংজি নে,*
*জৰলাং বিৰ্তি কে*
*হিং আহৰ কেমে*
*ৰিদেং নাৰান্‌ৰে (নন)*
*ছেৰ্‌জাং ছেৰ্‌মে।*

অৰ্থাৎ, হে সোণজনী, ঈশ্বৰৰ কৃপাত আৰু তোমাৰ 'লক্‌হেই নীহেই' ৰ সৎ পৰামৰ্শ গ্ৰহণ কৰি তোমাৰ সংসাৰ তথা ঘৰখন যেন লখিমীয়ে উপচি পৰক, অহা ফাগুনত তোমাৰ নিজৰ হাতেৰে বনোৱা লাওপানী আদি খাবলৈ যাতে পুনৰ ইয়ালৈ আহিব পাৰোঁ।' [১০]

**১.০৮ ঃ কাৰ্‌বি বিবাহৰ লগত জড়িত বাধা নিষেধ ঃ**

কাৰ্‌বি সমাজত একে একে কুলৰ মাজত বিবাহ নিষিদ্ধ। কাৰবিসকলৰ পাঁচটা প্ৰধান কুল (গোত্ৰ) আৰু প্ৰত্যেকটো মূল বা প্ৰধান কুলৰ অন্তৰ্গত কিছুমান শাখাকুল আছে।[১১] এনে একেটা প্ৰধান কুল বা তাৰ অন্তৰ্গত শাখাকুলৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন কৰা নহয়। একেটা প্ৰধান কুলৰ অন্তৰ্গত শাখাকুলৰ ল'ৰা-ছোৱালীৰ মাজত প্ৰেম বা বৈবাহিক সম্বন্ধ ঘটিলে, ইয়াক অবৈধ বুলি স্বীকৃতি দিয়া হয়। অৰ্থাৎ তেৰণ'ৰ ছোৱালীক তেৰণে বা ইংতিৰ ছোৱালীক ইংতি ল'ৰাই কেতিয়াও বিয়া পাতিব নোৱাৰে। একে ফৈদৰ মাজত ঘটা অবৈধ প্ৰেম বা বিবাহক 'কুৰ ছেনেম' আৰু নিষিদ্ধ গণ্ডিৰ ভিতৰত (অন্য চাৰিটা ফৈদৰ লগত) ঘটা অবৈধ প্ৰেমক 'লাই ছেনেম' বুলি কোৱা হয়।[১২] এনে অপৰাধৰ শাস্তি গুৰুতৰ। আগতে এনেধৰণৰ সমাজবিৰোধী কাৰ্যৰ বাবে মৃত্যুদণ্ড পৰ্যন্ত বিহা হৈছিল। কথিত আছে যে, মনীষাসম্পন্ন কাৰবি ৰজা 'ৰেংবংহম'ৰ একমাত্ৰ পুত্ৰসন্তানগৰাকী এই 'লাইছেনেম' (অবৈধ প্ৰণয়)-ত দোষী সাবস্ত্য হোৱাৰ পিছৰ পৰাই এনে দোষত অপৰাধী প্ৰেমিক-প্ৰেমিকাক শিৰচ্ছেদ (বলি) নকৰি তাৰ ঠাইত ছাগলী, চৰাই, গাহৰি আদি বলি দিয়া প্ৰথা প্ৰৱৰ্তন কৰা হয়।

কাৰ্‌বি সমাজত বিবাহৰ পিছত কইনাই দৰাৰ উপাধি গ্ৰহণ নকৰে। তাৰ পৰিবৰ্তে নিজৰ পূৰ্বৰ উপাধি বা গোত্ৰ (কুল)-ৰ পিছত 'পী' প্ৰত্যয় যোগ দি এনেদৰে লিখে — হাঞ্চে > হাঞ্চেপী; ইংতি > ইংতিপী, তেৰাং > তেৰাংপী ইত্যাদি। অৱশ্যে, তেওঁলোকৰ সন্তানাদিয়ে পিতৃকুলৰ কুলনাম বা উপাধি গ্ৰহণ কৰাত বাধা নাই।

বিবাহৰ পিছত কাৰ্‌বি মহিলাই নৃত্য কৰা, গীত গোৱা, খোপাত ফুল পিন্ধা আদি নিষেধ। কেৱল 'চ'মানকান' উৎসৱৰ সময়ত এই বাধা-নিষেধ শিথিল কৰা হয়। বিবাহৰ পিছত কাৰবি তিৰোতাই অন্য পুৰুষৰ আগে আগে যোৱাটো নিষেধ। পৰপুৰুষৰ আগে আগে যোৱা তিৰোতা আৰু পুৰুষজনকো লম্পট চৰিত্ৰৰ বুলি ধৰি পূৰ্বৰ কাৰবি সমাজে দণ্ডিত কৰাও দেখা গৈছিল। অৱশ্যে, সমাজৰ পৰিবৰ্তনৰ লগে লগে এনেবোৰ বাধা-নিষেধ আৰু ৰীতি-নীতি মানি চলা দেখা নাযায়।

'কাৰ্বি সমাজত বিধবা-বিবাহৰ প্ৰথা আছে, কিন্তু পুৰুষজন মৃত স্বামীৰ সৈতে একে গোষ্ঠী বা ফৈদৰ হ'ব লাগে। ককায়েকৰ মৃত্যুৰ পিছত ভায়েকে বৌয়েকক পত্নীৰূপে গ্ৰহণ কৰিব পাৰে।'[১৩]

২.০০ ঃ উপসংহাৰ ঃ

কাৰ্বি জনজাতীয় সমাজখনত এতিয়াও আধুনিকতাৰ পৰশ বৰকৈ পৰা নাই। সেয়েহে, উৎসৱ-অনুষ্ঠান আদি উদ্‌যাপনৰ ক্ষেত্ৰত এওঁলোকৰ মাজত এতিয়াও পৰম্পৰাগত প্ৰথা আৰু ৰীতি-নীতিসমূহে দৃঢ়ভাৱে ক্ৰিয়া কৰি আছে। অৱশ্যে, ভৈয়াম অঞ্চলত বসবাস কৰা কাৰবিসকলে কিছু পৰিমাণে অসমীয়া সমাজৰ সংস্পৰ্শত আহি স্বকীয় কৃষ্টি তথা আচাৰ ৰীতিৰ পৰা ফালৰি কাটি আহিছে। বিবাহোৎসৱ উদ্‌যাপনৰ ক্ষেত্ৰতো এনে পাৰ্থক্য সততে চকুত পৰে। তথাপি ক'ব পাৰি যে, পৰম্পৰাগত লোকাচাৰ আৰু লোকপ্ৰথাৰ প্ৰতি আজিও কাৰবিসকলে সন্মান জনাই আহিছে।

******

প্ৰসঙ্গসূচী ঃ

১। শইকীয়া, পল্লৱী ঃ *কাৰ্বি ভাষা-সংস্কৃতিৰ ৰেঙনি*, ২০১২, পৃ- ৮৯

২। ক্ৰ বিদৰছিং ঃ *কাৰ্বি সংস্কৃতিৰ এখিলা*, ২০০৮, পৃ- ১১

৩। প্ৰাগুক্ত, পৃ- ১৭

৪। দাস, বসন্ত ঃ *কাৰবি সংস্কৃতিৰ ইতিহাস*, ২০১০, পৃ- ১০২

৫। প্ৰাগুক্ত, পৃ- ১০৪

৬। ক্ৰ, বিদৰছিং ঃ *কাৰবি সংস্কৃতিৰ এখিলা*, ২০০৮, পৃ- ১৭-১৯

৭। দাস, বসন্ত ঃ *কাৰবি সংস্কৃতিৰ ইতিহাস*, ২০১০, পৃ- ১০৯

৮। ক্ৰ, বিদৰছিং ঃ *কাৰবি সংস্কৃতিৰ এখিলা*, ২০০৮, পৃ- ২১-২২

৯। প্ৰাগুক্ত, পৃ- ২২

১০। প্ৰাগুক্ত, পৃ- ২৩

১১। কাৰবিসকল প্ৰধানকৈ পাঁচটা গোত্ৰ বা কুলত বিভক্ত - ইংহি, তিমুং, তেৰণ, ইংতি আৰু তেৰাং। এই পঞ্চকুল বা গোত্ৰক কাৰবিসকলে 'কাৰবি ছানকু'ৰ' বুলি উল্লেখ কৰে। কাৰবি ছানকু'ৰৰ এই পাঁচটা প্ৰধান গোত্ৰৰ প্ৰত্যেকৰে শাখা-গোত্ৰও আছে। বসন্ত দাসৰ মতে এই শাখা-গোত্ৰৰ সংখ্যা - ইংহিৰ ৭ টা, তিমুঙৰ ৩০ টা, তেৰণৰ ৭ টা, ইংতিৰ ৭ টা আৰু তেৰাঙ'ৰ ১৩ টা।

১২। ক্ৰ, বিদৰছিং ঃ *কাৰবি সংস্কৃতিৰ এখিলা*, ২০০৮, পৃ- ২৪

১৩। শইকীয়া পল্লৱী ঃ *কাৰ্বি ভাষা সংস্কৃতিৰ ৰেঙনি*, ২০১২, পৃ- ৯৩-৯৪

গ্ৰন্থপঞ্জী


অসমীয়া ঃ

১। ক্ৰ, বিদৰছিং ঃ *কাৰবি সংস্কৃতিৰ এখিলা*, কাৰবি লাম্‌মেত আমেই, ডিফু, ২০০৮

২। তেৰাং, ৰংবং ঃ *কাৰবি সাহিত্য সংস্কৃতিত এভুমুকি*, অসম সাহিত্য সভা, যোৰহাট, ১৯৮২

৩। দাস, বসন্ত ঃ *কাৰবি সংস্কৃতিৰ ইতিহাস*, আঁক-বাক, গুৱাহাটী, ২০১০

৪। দাস, মুৰুলীধৰ ঃ *ভৈয়াম কাৰ্বি লোক-সংস্কৃতিত এভুমুকি*, পুথি প্ৰকাশ, গুৱাহাটী, ২০০১

৫। নাথ, প্ৰফুল্ল কুমাৰ ঃ *অসমৰ জনগোষ্ঠীয় ঐতিহ্য ঃ সাংস্কৃতিক বিনিময় আৰু সংহতি*, বুকলেণ্ড, গুৱাহাটী, ২০০৯

৬। শইকীয়া,পল্লৱী ঃ *কাৰ্বি ভাষা-সংস্কৃতিৰ ৰেঙণি*, জাগৰণ সাহিত্য প্ৰকাশন, গুৱাহাটী, ২০১২

৭। ৰাভা হাকাচাম, উপেন ঃ *অসমৰ জনজাতীয় সংস্কৃতি*, বাণী মন্দিৰ, গুৱাহাটী, ২০০৫

৮। .......................... ঃ *বৰ অসমৰ বৰ্ণিল সংস্কৃতি*, বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০০৮

ইংৰাজী ঃ

1. Baura, B.K. : *A Cultural Study of Assam*, Bina Library, Guwahati, 2003

2. Phangcho, Phukan Ch. : *The Karbis of North-East India*, AngGik Prakashan, Guwahati, 2003

3. Teron, Dharamsing : *Karbi Studies- vol. 2*, Assam Book Hive, Guwahati, 2011.

আলোচনী -

১। দাস, বসন্ত
ছাৰত্ৰং, হাঞ্চে (সম্পা.) ঃ *ব'থাতলাংছ'*, অসম সাহিত্য সভা, কাৰ্বি আংলং, ২০১০

২। শ্যাম, পংকজ (সম্পা.) ঃ *কৰণি*, জাগীৰোড মহাবিদ্যালয়, জাগীৰোড, ২০১৩

৩। Brahma, Amarendra (Ed.) : *FESTIVALS OF NORTH-EAST BHARAT*, Heritage Foundation, Guwahati, Aug. - 2011

# অসমীৰ সন্মান

**গণেশ মণ্ডল**
পঞ্চম যান্মাসিক (বাণিজ্য বিভাগ)

অসম এখন বাৰে বৰণীয়া ৰাজ্য। ই কেৱল জাতি ধৰ্মৰ বাবেই যে বাৰেবৰণীয়া এনে নহয়। প্ৰকৃতি, সমাজ, সংস্কৃতি, সাজ-পাৰ, অৰ্থনীতি, ৰাজনীতি আদি সকলো দিশতেই বাৰেবৰণীয়া। অসমৰ বিভিন্ন ঠাই সমান আৰু একে নহয়। অসমত বহুতো নদ-নদী, পাহাৰ-পৰ্বত, বনাঞ্চল, নগৰ-চহৰ আৰু বহুতো গাওঁ অঞ্চল দেখা যায়। কেতিয়াবা একেখন গাঁও বা চহৰতে বিভিন্ন ধৰণৰ সমাজ-সংস্কৃতি, বিভিন্ন ধৰণৰ সাজপাৰ, জাতি-ধৰ্মৰ লগতে অৰ্থনীতি আৰু ৰাজনৈতিক ভিন্নতা দেখা যায়। সেয়েহে অসমখন এখন যে নানাৰঙী ফুলনি বাগিচাহে। আকৌ চিৰসুন্দৰ অসমখনক "ৰূপহী কন্যা" বুলিবও পাৰি। কিয়নো অসমৰ বিভিন্ন ধৰণৰ শস্য পথাৰে ইয়াক ৰূপহী কৰি ৰাখিছে। সুধাকণ্ঠ ড°ভূপেন হাজৰিকাদেৱে কৈছিল- "অসম আমাৰ ৰূপহী , গুণৰো নাই শেষ...." সেয়ে নোহোৱা নহয়, গুণৱতী অসমী আইৰ গুণ গাই শেষ কৰিব নোৱাৰি।

অৱশ্যে অসমত লোভী লোকৰ সংখ্যাও কম নহয়। আন দেশৰ এচাম দেশদ্ৰোহী লোকৰ সহায়ত লোভত পৰি আমাৰ অসমীৰ সন্মানক লৈ টনা আজোৰা কৰি আছে। এচাম সতৰ্ক আৰু দেশপ্ৰেমী লোকৰ বাবেহে সিহঁতে অসমী আইৰ সন্মান হানি কৰিব পৰা নাই। গতিকে আমি অসমী আইৰ সন্তান হিচাপে আইৰ সন্মান ৰক্ষা কৰিবই লাগিব আৰু সেই লোভী দুষ্ট চক্ৰবোৰ নোহোৱা কৰি অসমী আই তথা আমাৰ সন্মান ৰক্ষা কৰিব লাগিব। উদাহৰণ হিচাপে কব পাৰি কাজিৰঙা আৰু পবিতৰাৰ গঁড় হত্যা কথা আৰু কিছুমানে নিজ দেশৰ বস্তু বজাৰত অধিক মূল্যত বিক্ৰী কৰে ফলত বিদেশী বস্তুৱে বজাৰ দখল কৰে। ইয়াৰ উপৰিও আৰু অনেক দিশ আছে যেনে- প্ৰাকৃতিক, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক। এইবোৰ তলত আলোচনা কৰা হ'ল।

(ক) **প্ৰাকৃতিক** ঃ- আমাৰ অসমখন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। অসমৰ প্ৰাকৃতিক সম্পদ সমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল- বনজ সম্পদ, জলজ সম্পদ আৰু খনিজ সম্পদ। এইবোৰ তলত আলোচনা কৰা হ'ল-

বনজ সম্পদ ঃ- যিবোৰ সম্পদ আমি বনাঞ্চলৰ পৰা আহৰণ কৰো সেইবোৰ সম্পদকে বনজ সম্পদ বোলে। আমাৰ অসমত পাচখন ৰাষ্ট্ৰীয় উদ্যান আছে। সেইকেইখন হ'ল- কাজিৰঙা, মানাহ, ওৰাং, নামেৰি আৰু ডিব্ৰু-চৈখোৱা। ইয়াৰ উপৰিও বহুকেইখন অভয়াৰণ্য আছে। যেনে- পবিতৰা, সোণাই- ৰূপাই অভয়াৰণ্য ইত্যাদি। এই ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যবোৰত বিভিন্ন ধৰণৰ গছ-গছনি পোৱা যায়। যেনে- শাল, চেগুণ, তিতাচপা, বনচোম, গমাৰী, বাহ-বেত, হলং আদি। এইবোৰৰ লগতে বহুতো প্ৰাণী এই উদ্যান আৰু অভয়াৰণ্যবোৰত পোৱা যায়। যেনে- হাতী, গড়, বাঘ, সিংহ, ম'হ, হৰিণা, বান্দৰ

আদি। ইয়াৰ উপৰিও বহু ধৰণৰ চৰায়ো দেখা যায়। যেনে- ভাটৌ, বাদুলি, কপৌ, শালিকা, ফেঁচা আদি। বনাঞ্চলত বহুতো ফল-মূল আৰু ঔষধি গছ-গছনি পোৱা যায়। আমি সকলোৱে জানো, "অসমৰ গৌৰৱ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত।" কিন্তু এই গঁড় দিনৰ পিছত এটাকৈ মাৰি লাহে লাহে নিঃশেষ কৰিবলৈ ধৰিছে। বনাঞ্চলৰ গছ-গছনি কাটি মুকলি কৰিবলৈ ধৰিছে। পাহাৰ-পৰ্বতৰ শিল ভাঙি নোহোৱা কৰি আহিছে। কিমান লোকে খেতি কৰিবলৈ আৰু বসবাস কৰিবলৈ বনাঞ্চলৰ মাটি বেদখল কৰিছে।

মানুহৰ এনে কিছুমান হৃদয়হীন কাৰ্য্যকলাপৰ বাবে অসমৰ অমূল্য সম্পদ সমূহ বহু পৰিমাণে কমি আহিছে। মাটিবোৰ তৰাং হৈ মৰুভূমিত পৰিণত হৈছে। ঠায়ে ঠায়ে ভয়ংকৰ ভূমিস্খলন হৈছে, মাটিবোৰ নৈৰ তলি বাম কৰাত বানপানীৰ সৃষ্টি হৈছে।

যদিহে আমি অসমীৰ সন্মানৰ কথা চিন্তা কৰো তেন্তে বনাঞ্চল ৰক্ষা কৰাতো অতি প্ৰয়োজন। বনাঞ্চল ৰক্ষা নকৰিলে বনজ সম্পদবোৰ ৰক্ষা কৰাটো অসম্ভৱ হব। গতিকে আমি উপযুক্ত শিক্ষা দি এনে ধৰণৰ দেশদ্ৰোহী কাম কৰাটো বহু পৰিমাণে কমাব পাৰি। জনসাধাৰণ সদায় সজাগ হৈ থাকিব লাগিব আৰু আইনৰ সহায়ত দুষ্ট চক্ৰবোৰ বন্ধ কৰিবলৈ চেষ্টা কৰিব লাগিব।

জলজ সম্পদ ঃ- অসম এখন নদী-মাতৃক দেশ। ইয়াত ব্ৰহ্মপুত্ৰ, বৰাক আদি বৃহৎ-বৃহৎ নদ-নদী আছে। আৰু কলং, কপিলী, কিলিং, উদৰি, জীয়াভৰালী আদি বহুতো উপনৈ আছে। ইয়াৰ উপৰিও অসমত কেইবাখনো বিল আছে। তাৰে ভিতৰত দ্বীপৰ বিল, চাৰণ বিল আদিৰ কথা ক'ব পাৰি। এইবোৰৰ বাহিৰেও অসমত বহুতো জান-জুৰি দেখা যায়।

অসমৰ এই নৈ, বিল, জান-জুৰি আদিত বহুতো মাছ-কাছ, ঘৰিয়াঁল, সাপ, ভেকুলী, শামুক আদি পোৱা যায়। ইয়াৰ উপৰিও নৈ, বিল, জান-জুৰিবোৰত আৰু তাৰ আশে-পাশে বিভিন্ন ধৰণৰ উদ্ভিদ যেনে- শেলাই, নল, খাগৰী আদি থাকে আৰু বিভিন্ন প্ৰজাতিৰ চৰাই যেনে- দেওঁহাহ, পানী কাউৰী,বগলী আদি চৰাই দেখিবলৈ পোৱা যায়। এইদৰে যিবোৰ সম্পদ আমি পানীৰ পৰা আহৰণ কৰো তাক জলজ সম্পদ বোলে। এতিয়ালৈ এই জলজ সম্পদবোৰ সু-ব্যৱহাৰ কৰিব পৰা নাই। বিভিন্ন উদ্যোগ- কাৰখানা আদিৰ পৰা ওলোৱা পানী আৰু বিভিন্ন লেতেৰা বস্তু পেলাই নদীৰ পানী প্ৰদূষিত কৰি তুলিছো। ফলত মাছ-কাছ আদি মৰি নিঃশেষ হবলৈ ধৰিছে। খোৱা পানীৰ অভাৱ হৈছে, পানীৰ অভাৱত খেতিয়কে নিৰ্দ্দিষ্ট পৰিমাণে শস্য উৎপাদন কৰিব পৰা নাই। মন কৰিবলগীয়া যে মানুহৰ বিভিন্ন কাৰ্য্যকলাপৰ বাবে নদী-বিল আদি ভৰি আহিছে। ই বানপানী সমস্যাৰ এটা প্ৰধান কাৰণ।

খনিজ সম্পদ ঃ- অসম খাৰুৱা তেলৰ বাবে বিখ্যাত। সেয়েহে ইয়াক "পনীয়া সোণৰ ৰাজ্য" বুলি কোৱা কয়। ভূ-গৰ্ভত খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণশিল আদি পোৱা যায়। ভূ-গৰ্ভত পোৱা এই সম্পদবোৰকে খনিজ সম্পদ বোলে।

খাৰুৱা তেল পোনে পোনে ব্যৱহাৰ কৰিব নোৱাৰি। ইয়াক শোধন কৰি কেৰাচিন, ডিজেল, পেট্ৰ'ল, মমবাতি, ভেচলিন, আলকাত্‌ৰা, নেপথলিন আদি তৈয়াৰ কৰা হয়। কেৰাচিন, ডিজেল, পেট্ৰ'ল, প্ৰাকৃতিক গেছ কয়লা আদি কল-কাৰখানা, গাড়ী-মটৰ আদিত ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। ঘৰ দলং আদি বনাবলৈ ব্যৱহাৰ কৰা চিমেন্ট বা বিলাতীমাটি বনাবলৈ চূণশিল ব্যৱহাৰ কৰা হয়।

খনিজ সম্পদবোৰ অনবীকৰণযোগ্য সম্পদ। অৰ্থাৎ এনে সম্পদ এবাৰ ব্যৱহাৰ কৰিলে পুনৰ ব্যৱহাৰ কৰিব নোৱাৰি। খনিজ সম্পদবোৰ অধিক ব্যৱহাৰ কৰিলে বায়ু প্ৰদূষণ হয়। ফলত শ্বাস-প্ৰশ্বাসজনিত অধিক ৰোগে দেখা দিব পাৰে। এনে সম্পদৰ ব্যৱহাৰ যি ঘৰত বাঢ়ি গৈছে এনেকৈ গৈ থাকিলে এসময়ত গৈ থাকিলে ই নিঃশেষ হৈ যাব। গতিকে আমি ইয়াৰ বিকল্প বস্তুৰ সন্ধান উলিয়াব লাগে আৰু ব্যৱহাৰ কৰি খনিজ সম্পদৰ ব্যৱহাৰ কমাব লাগে। যেনে- যিখিনি ঠাই আমি চাইকেলেৰে বা খোজকাঢ়ি যাব পাৰি সেইখিনি ঠাইতো বাইক বা আন গাড়ী লৈ যোৱা দেখা যায়। গতিকে এনে ক্ষেত্ৰ ত আমি বাইক বা গাড়ীৰ সলনি চাইকেল ব্যৱহাৰ কৰিলে কিছু হ'লেও ইন্ধনৰ ৰেহাই কৰিব পাৰি।

(খ) **সামাজিক** ঃ- মানুহ সমাজপ্ৰিয় জীৱ। কোনো মানুহেই অকলে জীয়াই থাকিব নোৱাৰে। গতিকে সমাজত শান্তিভাবে জীয়াই থাকিবলৈ আমাৰ সমাজখন নিৰ্মল হব লাগিব। তাৰ বাবে কেইটামান দিশত গুৰুত্ব দিব লাগিব। সেইকেইটা হ'ল ধৰ্ম, ভাষা, সাজ-পাৰ, গীত-মাত আৰু শিশু আৰু নাৰীৰ সুৰক্ষা। এইবোৰ তলত আলোচনা কৰা হ'ল-

ধৰ্ম ঃ- অসমত বিভিন্ন ধৰ্মৰ মানুহে বসবাস কৰে। যেনে- হিন্দু, মুছলিম, জৈন, বুদ্ধ ইত্যাদি। আকৌ হিন্দু ধৰ্মকো বিভিন্ন ধৰণে ভগাব পাৰি। কিন্তু ধৰ্মক আমি যিমানেই নভগাও কিয় ইহঁতৰ মূল মন্ত্ৰ এটা। সেইটো হ'ল ঈশ্বৰ। কেৱল পথটোহে বেলেগ বেলেগ। যেনে- হিন্দু ধৰ্মমতে ঈশ্বৰক সন্তুষ্ট কৰিবলৈ কিছুমানে মূৰ্তি পূজা কৰে আকৌ আন কিছুমানে নাম-প্ৰসংগৰ জৰিয়তে ঈশ্বৰক সন্তুষ্ট কৰিবলৈ বিচাৰে। আকৌ মুছলিম সকলে মচজিদত

সমূহীয়া নামাজ পঢ়ে।

কিন্তু এনে বিভিন্নতাৰ বাবে কেতিয়াবা ধৰ্মীয় কন্দলৰ সৃষ্টি হোৱা দেখা যায়। আমি সদায় নিজৰ ধৰ্ম মানি চলিব লাগিব আৰু আনৰ ধৰ্মক সন্মান কৰিব লাগিব। তেতিয়াহে এনে কন্দলৰ ওৰ পৰিব।

ভাষা ঃ- অসমত ভাষাৰ ক্ষেত্ৰতো বহুতো ভিন্নতা দেখা যায়। কিন্তু অসমত থাকি অসমীয়া নাজানিলে বৰ লাজৰ কথা হয়। মই এই কথাষাৰ মানো যে আমি সকলো ভাষাই জানিব লাগে। যেনে- ৰাষ্ট্ৰীয় ভাষা হিচাপে হিন্দী, আন্তৰ্ৰাষ্ট্ৰীয় হিচাপে ইংৰাজী আৰু আন আন ভাষা যেনে- বাংলা, নেপালী, বড়ো, তিৱা, ৰাভা, মালায়ালম, তেলেগু আদিও জানিব লাগে। তেনেহলেহে আমি সকলোৰে লগত নিজৰ মনৰ ভাব বিনিময় কৰিব পাৰিম। কিন্তু বহু লৰা-ছোৱালীক দেখা যায় সৰুৰে পৰা ইংৰাজী মাধ্যমত পঢ়ায়। সিহঁতে ইংৰাজী শিকি অসমীয়া কব নোৱাৰা হয়। তাৰ এটা জলন্ত উদাহৰণ হৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ একমাত্ৰ পুত্ৰ তেজ হাজৰিকা। যিজন মহান শিল্পীয়ে অসমীয়া ভাষাত বিভিন্ন গীত গাই গৈছে, যিজন মহান পুৰুষে অসমীয়া ভাষাক বিদেশতো চিনাকী কৰাই দিছে সেই মহাপুৰুষজনৰে সন্মান নাৰাখিলে পুত্ৰই।

সাজ-পাৰ ঃ- অসমীয়া সমাজৰ নাৰী-পুৰুষ সকলোৰে আজি যেন নিজৰ সাজ-পাৰ এৰি পশ্চিমীয়াৰ সাজ-পাৰহে পচন্দ কৰে। যিবোৰ সাজ-পাৰ পৰিধান কৰিলে দেহৰ অধিকাংশই ওলাই থাকে। মহাত্মা গান্ধীদেৱে নিজে দেশবাসীক কাপোৰ ববলৈ শিকাইছিল। আজিৰ অসমীয়াই আনহেন বাদেও বিহুৰ বিহুৱানখনো বহি ৰাজ্যৰ পৰা আনিব লগা হয়। আজিৰ দিনত কাপোৰৰ সমানেই আগবাঢ়িছে সৌন্দৰ্য চৰ্চা। ডেকা গাভৰু সকলে অসমীয়া সৌন্দৰ্য পচন্দ নকৰে। সিহঁতে যি ধৰণে সাজিব বিচাৰে সি সম্পূৰ্ণৰূপে ইংৰাজ মডেল। এতিয়া যেন যৌৱন দেখুৱাই ফুৰা এটা ফেশ্বনত পৰিণত হৈছে। এইটো আচলতে কোনো ভাল কথা হোৱা নাই। কিয়নো কোম্পানীবোৰে কম খৰচত অধিক লাভ কৰিছে। যৌৱনৰ লোভত বহুতে সন্মান বস্তুটো হেৰাই পেলাইছে। গতিকে আমি পুনৰ আমাৰ নিজস্ব সাজ-পাৰ আৰু সৌন্দৰ্যক ঘূৰাই আনিব লাগিব। প্ৰয়োজন হ'লে বিদেশতো আমাৰ এই মৰমৰ সাজ-পাৰবোৰ চিনাকী কৰাই দিব লাগে। তেহে অসমী আইৰ সন্মান বৃদ্ধি হব।

গীত-মাত ঃ- যিহেতু অসম বিভিন্ন জাতি-উপজাতিৰ মিলনভূমি। গতিকে সিহঁতৰ নৃত্যগীতো ভিন ভিন। অসমৰ কেইটিমান উল্লেখযোগ্য নৃত্য হ'ল- বিহু নৃত্য, তিৱা নৃত্য, ঝুমুৰ নৃত্য, বাগুৰুম্বা নৃত্য ইত্যাদি। কিন্তু অসমত এনে কিছুমান লোক আছে, যিসকলে হিন্দী আৰু ইংৰাজী গীত আৰু নৃত্যহে ভাল পায়। এইটো হয় যে আমি সকলো নৃত্য-গীতকে ভাল পাব লাগে। সেইবুলি বিহুৰ দিনত হিন্দী, ইংৰাজী আদি গীত গাই মতলীয়া হৈ অসমীক অপমান কৰিব নাপায়। কিয়নো আমি অসমীৰে সন্তান। নিজৰ আইক আমি নিজে সন্মান নিদিলে আনে কেতিয়াওঁ নিদিয়ে

নাৰী-সুৰক্ষা ঃ- সমাজখন সুন্দৰ আৰু সবল হবলৈ হ'লে নাৰী জাতিটোৰ কথা নাভাবিলে নহব। বৰ্তমান সময়ত নাৰীসকল সকলো দিশতে অৱহেলিত হৈ আহিছে। অৱশ্যে এইখিনিতে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ ধন্যবাদ নিদিলে নহব। তেখেতে লোৱা এটা আঁচনি, "বেটী বচাও বেটী পঢ়াও" এইক্ষেত্ৰ বৰ আদৰণীয় হৈছে। কিয়নো কিছুমানে গৰ্ভাৱস্থাতে ভ্ৰুণ পৰীক্ষা কৰায় আৰু ছোৱালী থাকিলে গৰ্ভতেই মাৰি পেলায়। সিহঁতে নাজানে যে ছোৱালী ভাল হ'লে এজনীৰ কামৰ লগত তিনিজন ল'ৰাই বলে নোৱাৰে। আমি সদায় নাৰীৰ গুৰুত্ব লক্ষ্য কৰিব লাগে। নাৰীসকল সৃষ্টিকৰ্তা। নাৰী ঘৰৰ লক্ষ্মী।

কিন্তু আমাৰ সমাজত নাৰীসকল সৰুৰে পৰা অৱহেলিত হোৱাৰ উপৰিও ডাঙৰ হ'লেও নাৰী নিৰ্যাতনৰ দৰে জঘন্য ঘটনা দেখা যায়। অৱশ্যে নাৰী নিৰ্যাতনৰ বহুতো কাৰণ থাকিব পাৰে। তাৰে ভিতৰত কেইটামান তলত দিয়া হ'ল-

(ক) ধনৰ লোভত দুষ্ট লোভী সকলে নাৰীসকলক নিৰ্যাতন কৰে।

(খ) যৌৱনৰ লালসাত নাৰীসকল ধৰ্ষিতা হয়। সিহঁতে যেতিয়া অকণমানি কাপোৰ পিন্ধি নিজৰ বহুমূলীয়া যৌৱন পুৰুষসকলক দেখুৱাই ফুৰে তেতিয়া কিছুমানে লোভ সামৰিব নোৱাৰি এনে কাম কৰে।

(গ) প্ৰেম জনিত কাৰণতো নাৰী নিৰ্যাতন হয়। কিছুমানে লৰাবোৰৰ লগত কেতিয়াবা প্ৰেমৰ অভিনয় কৰি লৰাবোৰৰ বহু টকা খৰচ কৰায়। যেতিয়া সেই ঘটনাৰ সত্যখিনি ধৰা পৰে তেতিয়া খঙত বা জেদত তেনে কাম কৰিবলৈ লৰাবোৰ বাধ্য হয়।

নাৰী নিৰ্যাতনৰ আৰু বহুতো কাৰণ থাকিব পাৰে। সেয়েহে নাৰী-পুৰুষ সকলোৱে একেলগে ইয়াক ৰক্ষা কৰিব লাগিব। পুৰুষসকলে লোভ-লালসা ত্যাগ কৰিব লাগিব আৰু নাৰীসকলেও সদায় নিজৰ যৌৱন ঢাকি ৰাখি তাক ৰক্ষা কৰিবলৈ আৰু সু-ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। তেহে আমাৰ সমাজ পবিত্ৰ হ'ব।

(গ) ৰাজনৈতিক ঃ- আমাৰ ৰাজনৈতিক ব্যৱস্থা গণতান্ত্রিক। ইয়াত ৰাইজৰ সম্পূর্ণ অধিকাৰ থাকে। অসমত বিভিন্ন ধৰণে নির্বাচন কৰা হয়। যেনে- কেন্দ্রীয় চৰকাৰ গঠনৰ বাবে লোকসভা নির্বাচন, ৰাজ্য চৰকাৰ গঠনৰ বাবে বিধান সভা নির্বাচনৰ লগতে অসমত পঞ্চায়ত নির্বাচন আৰু তিৱা কাউন্সিলৰ নির্বাচন পতা হয়। প্রতিটো নির্বাচন পাঁচ বছৰৰ মূৰে মূৰে পতা হয়। এই নির্বাচনীবোৰ পাতি ৰাইজৰ উন্নয়নৰ বাবে প্রতিনিধি বাচিবলৈহে পতা হয়।

বর্তমান সময়ত ৰাজনৈতিক ব্যৱস্থা যেন গণতান্ত্রিক নহৈ ব্যক্তিকেন্দ্রিক আৰু পৰিয়াল তান্ত্রিকহে হৈছে। নির্বাচনীৰ সময়ত বহু প্রতিশ্রুতি দি ৰাইজৰ পৰা ভোট গ্রহণ কৰে কিন্তু সেই প্রতিশ্রুতিৰ সম্পূর্ণ কৰিব নোৱাৰে বৰং আধাতকৈ বেছি ৰৈ যায়। ৰাজনৈতিক নেতাসকলে টকাৰ লোভত ৰাইজৰ হিতৰ কথা পাহৰি যায়। গতিকে আমাৰ ৰাজনৈতিক ব্যৱস্থা পুনৰ গণতান্ত্রিক নকৰিলে ৰাইজৰ দুৰৱস্থাৰ সীমা নাথাকিব। দিনে দিনে বস্তুৰ দাম বাঢ়িছে, অসমৰ ভূমি বিদেশক দিছে আৰু কিছুমান কাম কৰিছে যিবোৰে অসমীৰ সন্মান বহু তললৈ নমাই আনিছে। আমি অসমীৰ সন্মান ঘূৰাই আনিবলৈ উপযুক্ত চৰকাৰ গঠন কৰি দিব লাগিব। যিয়ে দেশৰ কথা চিন্তা কৰিব, নিজৰ কথা নহয়।

(ঘ) অর্থনৈতিক ঃ- অসমত ধনী, মধ্যবিত্ত আৰু দুখীয়া এই তিনি শ্রেণীৰ লোকে বাস কৰে। বর্তমান অসমত বিশেষকৈ কৃষকসকল দুখীয়া শ্রেণীত আছে, চাকৰিয়াল সকল মধ্যবিত্ত শ্রেণীত আৰু ব্যৱসায়ীসকল ধনী শ্রেণীত অর্ন্তভূক্ত হৈ আছে। এইখিনিতে ক'ব লাগিব যে নিবনুৱা আৰু দিন মজুৰি কৰা শ্রমিকসকলো দৰিদ্র বা দুখীয়া শ্রেণীৰ অর্ন্তগত।

ব্যৱসায়ীসকল শিক্ষিত আৰু বৰ বুদ্ধিয়ক। অৱশ্যে বুদ্ধি থাকিলে শিক্ষিত নহলেও ব্যৱসায় কৰিব পাৰি। মাত্র তাৰ বাবে হিচাপত পাকৈত হব লাগে। সিহঁতে বিশ্বাসযোগ্য শিক্ষিত যুৱক-যুৱতীক দৰমহা দি কাম কৰায়। সিহঁতে বহি বহি ব্যৱসায় কৰে। গাওঁৰ খেতিয়কসকল সহজ সৰল হোৱাৰ বাবে সিহঁতক উৎপাদন বৃদ্ধি হ'ব বুলি শস্য পথাৰত ৰাসায়নিক সাৰ, কীটনাশক দ্রব্য, অপতৃণ নাশক দ্রব্য আদি ব্যৱহাৰ কৰাইছে। যাৰ বাবে উদ্যোগী আৰু ব্যৱসায়ীসকলে কৃষকৰ পৰা বহু টকা লুটি নিছে। এনেকৈ কৃষকসকল দুখীয়া হৈ ৰৈ আছে।

অসমৰ অর্থনৈতিক দিশটো উন্নত কৰিব নোৱাৰিলে অসমীৰ সন্মান বিশ্বদৰবাৰলৈ নিব পৰা নাযাব। তাৰ বাবে আমি প্রাকৃতিক সম্পদৰ সুব্যৱহাৰ কৰিব লাগিব, শিক্ষা ব্যৱস্থা উন্নত হব লাগিব, নিবনুৱা সমস্যা দুৰ কৰিব লাগিব, দেশখনত নতুন নতুন উদ্যোগ গঢ়ি তুলিব লাগিব, বিদেশী বস্তুৰ সলনি দেশীয় বস্তুত অধিক গুৰুত্ব দিব লাগিব। তেতিয়াহে দেশৰ অর্থনীতিৰ উন্নয়ন হ'ব।

অসমৰ আন এটা ডাঙৰ সমস্যা হ'ল বাংলাদেশী সমস্যা। ২০১৫ চনৰ ৰাষ্ট্রীয় নাগৰিক পঞ্জী (NRC)য়ে এই সমস্যা বহু পৰিমাণে দূৰ কৰিব বুলি ধৰিব পাৰি। আমি সকলোৱে অসমীৰ সন্মান সদায় আগুৱাই নিবলৈ চেষ্টা কৰিব লাগে আৰু তললৈ যোৱাত বাধা দিব লাগে।

●

অবাবত সময় নষ্ট কৰা আৰু আত্ম হত্যা কৰা সমার্থক।

— জর্জ ছেভাইল

সত্যক জানিবলৈ চেষ্ট কৰা ই তোমাক মুক্তি দিব। দুঃখ ভোগ নকৰাকৈ এৰকো কার্য কৰিব নোৱাৰে।

— মহাত্মাগান্ধী

শিক্ষক হল এডাল মমৰ নিচিনা, যিয়ে নিজে গলি আনক পোহৰ দিয়ে।

— জৱাহাৰলাল নেহৰু

**সংগ্রহ ঃ পাকিজা আলম**
তৃতীয় ষান্মাসিক

**স্মৃতিচাৰণ**

# ড° মহম্মদ তাহেৰ ঃ ভূগোলৰ জীৱন্ত বিশ্বকোষ

*(প্ৰফেচৰ এম. তাহেৰ ভাৰতৰ এগৰাকী প্ৰখ্যাত ভূগোলবিদ তথা বিশিষ্ট চিন্তাবিদ আছিল। বহুকেইখন গৱেষণা পত্ৰ প্ৰকাশ হোৱাৰ উপৰি তেখেতে ভূগোল তথা অন্য বিষয়তো ভালেমান পুথি প্ৰণয়ন কৰিছিল। অসম সাহিত্য সভাই প্ৰকাশ কৰা বিশ্বকোষৰ সাংস্কৃতি সম্পৰ্কীয় দুটা খণ্ডৰ তেখেত সম্পাদক আছিল। এইজনা মনিষিৰ মৃত্যুত অসমৰ অপূৰণীয় ক্ষতি হ'ল। তেখেতৰ প্ৰতি সন্মান জনাই জাগীৰোড মহাবিদ্যালয় পৰিয়ালে এই আলোচনীৰ পাততে এই চমু লিখাৰ জৰিয়তে স্মৃতি চাৰণ কৰা হ'ল বিভিন্ন খবৰ কাকতত প্ৰকাশ পোৱা বাতৰিৰ সমল লৈ,* – সম্পাদনা সমিতি)

২০১৫ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে এজন মহান আত্মাৰ মহাপ্ৰয়াণ হ'ল। এই মহান লোকজন হৈছে উত্তৰ পূব ভাৰত তথা ভাৰতবৰ্ষৰ ভূগোল বিজ্ঞানৰ মহীৰূহ মহম্মদ তাহেৰ। এইজনা প্ৰথিতযশা ভূগোল বিজ্ঞানীয়ে ভূগোল বিজ্ঞানৰ বিভিন্ন শাখাত প্ৰাকৃতিক, মানৱ আৰু সমাজ ভূগোল আদিৰ যি অৱদান আগবঢ়াই থৈ গ'ল, সেয়া তুলনাবিহীন। উল্লেখ্য এইজনা ভূগোল বিজ্ঞানীৰ আঞ্চলিক ভূগোলত ইমান ব্যাপক আৰু গভীৰ জ্ঞান আছিল যে সেয়া দেশৰ ভিতৰতে অদ্বিতীয়। তদুপৰি মহম্মদ তাহেৰ আছিল এজন মাল্টিফেকটেড ব্যক্তি। এজন বিশিষ্ট শিক্ষাবিদ হোৱাৰ উপৰি তেওঁ আছিল এজন খ্যাতনামা সাহিত্যিক। তেওঁ সাহিত্যিক জীৱন আৰম্ভ কৰিছিল 'কটনিয়ান'ৰ সম্পাদক ৰূপে।



১৯৩১ চনৰ ১ এপ্ৰিল তাৰিখে উত্তৰ লক্ষীমপুৰৰ জাপি-সজীয়াত জন্ম গ্ৰহণ কৰা মহম্মদ তাহেৰ উত্তৰ লক্ষীমপুৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা ১৯৪৮ চনত অসমীয়া আৰু ভূগোল বিষয়ত লেটাৰ নম্বৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯৫১ চনত কটন কলেজৰ পৰা প্ৰথম বিভাগত এই. এছ. চি, ১৯৫৪ চনত ভূগোলত অনাৰ্চ সহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এছ. চি প্ৰথম শ্ৰেণী দ্বিতীয় স্থান লাভ কৰি উচ্চ শিক্ষাৰ্থে নিউজিলেণ্ডলৈ যায়। ১৯৬৫ চনত Auckland University ৰ পৰা Common Wealth Scholar হিচাবে Ph.D. লাভ কৰি অসমলৈ ঘুৰি আহে। ১৯৫৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ভূগোল বিভাগৰ প্ৰৱক্তা ৰূপে শিক্ষক

জীৱন আৰম্ভ কৰে। ১৯৯১ চনৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰাৰ পিছত তেওঁ অসম মাধ্যমিক শিক্ষা পৰিষদৰ (ছেবা) অধ্যক্ষ হিচাবে যোগদান কৰে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূগোল বিষয়ত অতিথি অধ্যাপক হিচাবে ১৯৯৩ চনৰ পৰা ২০০২ চনলৈ সেৱা আগবঢ়ায়। অসম চৰকাৰে ২০০৯ চনৰ ১৫ আগষ্টত বিশিষ্ট শিক্ষাবিদ হিচাব তাহেৰ ছাৰক সন্মান যাচিছিল।

**ভূগোলৰ জীৱন্ত বিশ্বকোষ আছিল তাহেৰ ছাৰ**

নদী এখনৰ পাৰত থিয় হ'লেই নদীখনৰ গতি প্ৰকৃতিৰ সমগ্ৰ বুৰঞ্জী থাউকতে কৈ দিব পৰা মানুহজনেই হ'ল ড° মহম্মদ তাহেৰ। এয়া কেৱল অসমৰ নদ-নদীৰ ক্ষেত্ৰতে নহয়। বিশ্বৰ যিকোনো প্ৰান্তৰ প্ৰতিখন নৈ, প্ৰতিটো পাহাৰ-পৰ্বত, প্ৰবাহ-প্ৰণালী নখ দৰ্পণত আছিল ড° তাহেৰৰ। ভূগোলবিদ বুলি ক'লে প্ৰকৃতাৰ্থত যি বুজা যায় সেই অভিধা মহম্মদ তাহেৰৰ ব্যক্তিত্বত পূৰ্ণ শতাংশই আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ শ্ৰেণাকোঠাতে হওঁক অথবা উত্তৰ-পূব ভাৰত ভূগোল সংস্থাৰ অধিৱেশনতে হওঁক ড° তাহেৰৰ বিদ্যায়তনিক বক্তৃতা সমূহে দীৰ্ঘকাল জুৰি ছাত্ৰ-ছাত্ৰী, দৰ্শকক মোহাবিষ্ট কৰি ৰাখিছিল। সমগ্ৰ পৃথিৱীখন নিজৰ মন মগজুত লৈ ফুৰা ড° তাহেৰ প্ৰকৃতাৰ্থতে যেন এখন জীৱন্ত বিশ্বকোষ। ভূগোল বিদ্যাৰ এনে এটা দিশ নাই যি বিষয়ত ড° তাহেৰে তত্বগধুৰ বক্তৃতা দিব পৰা নাছিল। আকস্মিক ভাৱে দিব লগা বক্তৃতাৰ ক্ষেত্ৰতো তেখেতৰ পাণ্ডিত্য ফুটি উঠিছিল। ড° তাহেৰৰ প্ৰৱন্ধ বা লেখা সমূহত বিস্তৃত হৈ আছে বিপুল জ্ঞান-প্ৰজ্ঞাৰ মেটমৰা সম্ভাৰ। সামাজিক ভূগোলৰ ক্ষেত্ৰত ড° তাহেৰ ভিন্ন সময়ত প্ৰদান কৰা বক্তৃতাৰ একাংশ ভাৰতৰ কেবাখনো বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত পাঠ হিচাপে অন্তৰ্ভুক্ত হৈ আছে। অসমৰ ক্ষেত্ৰত স্নাতক অথবা স্নাতকোত্তৰ মহলাৰ ভূগোল বিষয়ৰ পাঠ্যক্ৰমত ড° তাহেৰৰ হাতৰ পৰশ নপৰাকৈ পাঠ্যক্ৰম প্ৰস্তুত নহৈছিল বুলিব পাৰি। প্ৰাথমিক পৰ্যায়ৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰা ভূচিত্ৰৱলী সমূহতো মহম্মদ তাহেৰৰ ভৌগোলিক চিন্তা চৰ্চাৰ চাপ স্পষ্ট ভাৱে বিদ্যমান। অৱসৰ গ্ৰহণৰ দুটা দশকৰ পিছতো বিশিষ্ট শিক্ষাবিদ জনে বিদ্যায়তনিক কাম কাজ অব্যাহত ৰাখি আছিল। ২০১৪ চনত প্ৰকাশ পোৱা 'প্ৰাচীন ভাৰতৰ ভূগোল' খনেই তাৰ উৎকৃষ্ট উদাহৰণ। আনন্দৰাম বৰুৱাই ১৮৭৭ চনতে প্ৰস্তুত কৰা আৰু ১৯৭১ চনত অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা মূল ইংৰাজী গ্ৰন্থখন (Ancient Geography of India) সাৱলীল ভাৱে অসমীয়ালৈ অনুবাদ কৰি ড°তাহেৰে যি উদাহৰণ ৰাখি থৈ গ'ল সেই কাম ড° তাহেৰৰ ভাষাতে - মৰসাহ। উত্তৰ লখিমপুৰৰ পৰা জ্ঞান-প্ৰজ্ঞাৰ যাত্ৰা আৰম্ভ কৰা ড° তাহেৰ চিৰকাললৈ থমকি ৰোৱাত অসমৰ ভূগোল বিষয়ৰ এটা অধ্যায় জাপ খাই ৰ'ল।

●

## কৌতুক

১) বিৱেকৰ জালত দুটা মাছ পালে। এটা ডাঙৰ, এটা সৰু। ডাঙৰটো আকৌ পুখুৰীত দলিয়াই দি সৰুটো খালৈত ভৰালে।
কাৰণ সোধাত বিৱেকে ক'লে- মোৰ কেৰাহীটো সৰু। তাত ডাঙৰ মাছটো ভাজিম কেনেকৈ?

২) ঘটনা আৰু দুৰ্ঘটনাৰ মাজত পাৰ্থক্য কি?
যেতিয়া পত্নীয়ে খং কৰি মাকৰ ঘৰলৈ গুছি যায় সেয়া- ঘটনা আৰু যদিহে উভতি আহে সেয়া হব দুৰ্ঘটনা।

**শ্ৰী দুলাল বিশ্বাস**
উ: মা: ১ম বৰ্ষ (বিজ্ঞান)

অতিথি লেখকৰ শিতান

# যুগদ্ৰষ্টা খগেন মহন্ত



**থানেশ্বৰ মালাকাৰ**

আমাৰ কৈশোৰ, যৌৱন আৰু আনকি যৌবনোত্তৰ সময়ছোৱাতো যি কেইগৰাকী সংগীত শিল্পীৰ কণ্ঠই মন আৰু হৃদয় আচ্ছন্ন কৰি ৰাখিছিল তাৰ প্ৰথম শাৰীতে আছিল খগেন মহন্ত। ড° ভূপেন হাজৰিকাৰ পিছতেই সেই সময়ত অসমীয়া মানুহে বেছিকৈ আপোন কৰি লোৱা গীতসমূহ গাইছিল খগেন মহন্ত আৰু জয়ন্ত হাজৰিকাই। লক্ষণীয়ভাৱে তিনিও গৰাকী কিংবদন্তি শিল্পীৰেই কণ্ঠত আছিল এক সুকীয়া আমেজ তথা সুকীয়া বৈশিষ্ট্য। বিশেষকৈ বিহুনাম, বৰগীত তথা লোকগীতৰ জগতখনত বৈশিষ্ট্যপূৰ্ণ স্থিতিৰে এক সুকীয়া স্থান দখল কৰি লৈছিল শিল্পীগৰাকীয়ে, যাৰ বাবে পৰৱৰ্তী সময়ত তেওঁ বিহুগীতৰ সম্ৰাট হিচাপেও আখ্যায়িত হৈছিল। নগাঁৱৰ সত্ৰাধিকাৰৰ পৰিয়ালত জন্মগ্ৰহণ কৰা মহন্তৰ সংগীতৰ সৈতে এক অংগাংগী সম্পৰ্ক গঢ় লৈ উঠিছিল জন্ম সূত্ৰেই মহন্তৰ ভাষাত মাছ আৰু পানীৰ দৰে। দেউতাক হৰেন্দ্ৰ নাথ মহন্তৰ পৰাও উৎসাহ পাইছিল। কেশৱ মহন্ত, ৰুদ্ৰ বৰুৱা, বিষ্ণু প্ৰসাদ ৰাভা, হেমাঙ্গ বিশ্বাসকে ধৰি বিভিন্ন গৰাকীৰ সংস্পৰ্শই তেওঁৰ সংগীত চৰ্চা আৰু সংগীত কলাক অনন্য স্তৰলৈ লৈ যায়। অসমীয়া সংগীত জগতৰ গীতিকাৰ নিৰ্মল প্ৰভা বৰদলৈৰ গীতে যিদৰে প্ৰাণ পাই উঠিছিল জয়ন্ত হাজৰিকাৰ কণ্ঠত, নৱকান্ত বৰুৱা, তফজ্জুল আলীৰ গীতে যিদৰে প্ৰাণ পাই উঠিছিল ড°বীৰেন্দ্ৰ নাথ দত্তৰ কণ্ঠত; একেদৰে কেশৱ মহন্তৰ গীত সমূহে জীৱন্ত ৰূপ পাইছিল খগেন মহন্তৰ কণ্ঠত, যাৰ পৰিণতিত দুয়োগৰাকীয়েই হৈ পৰিছিল কিংবদন্তি অসমীয়া। ৭০-৮০ ৰ দশকত তদানীন্তন ছোভিয়েট ৰাছিয়াৰ সমাজবাদী চিন্তাই বিশ্বৰ কোণে কোণে প্ৰসাৰতা লাভ কৰিছিল। অনুৰূপভাৱে অসমতো সমাজবাদৰ সমৰ্থক কেশৱ মহন্তৰ গীতৰ জৰিয়তে প্ৰকাশ পাইছিল সৰ্বহাৰাৰ মুক্তি চেতনা, ধ্বনিত হৈছিল নিপীড়িত, নিৰ্যাতিতসকলৰ আৰ্তনাদ। আৰু সেয়া জীৱন্ত প্ৰকাশ ঘটিছিল খগেন মহন্তৰ বলিষ্ঠ কণ্ঠেৰে নিগৰিত হৈ। খগেন মহন্ত হৈ পৰিছিল গণ শিল্পী খগেন মহন্ত।

অসমতো সমাজবাদৰ সমৰ্থক কেশৱ মহন্তৰ গীতৰ জৰিয়তে প্ৰকাশ পাইছিল সৰ্বহাৰাৰ মুক্তি চেতনা, ধ্বনিত হৈছিল নিপীড়িত, নিৰ্যাতিতসকলৰ আৰ্তনাদ। আৰু সেয়া জীৱন্ত প্ৰকাশ ঘটিছিল খগেন মহন্তৰ বলিষ্ঠ কণ্ঠেৰে নিগৰিত হৈ। খগেন মহন্ত হৈ পৰিছিল গণ শিল্পী খগেন মহন্ত।

তবলা শিক্ষাৰে সংগীত জীৱনৰ পাতনি মেলা খগেন মহন্তৰ প্ৰতিটো আধুনিক গীততেই কিন্তু প্ৰস্ফুটিত হৈছিল অসমৰ থলুৱা লোক-সংগীতৰ প্ৰতিধ্বনি। ১৯৫৭

চনতে তেওঁ প্ৰথমবাৰৰ বাবে গাইছিল কেশৱ মহন্তৰ কথা আৰু ৰুদ্ৰ বৰুৱাৰ সুৰেৰে অসমীয়া আধুনিক সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ গীত হিচাপে আখ্যায়িত 'কলৰে পাততে কাউৰী পৰে' ... গীতটো।

৬০ ৰ দশকৰ ভাষা আন্দোলনত জড়িত হৈ বিষ্ণু প্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, যুগল দাস আদি কিংবদন্তি পুৰুষৰ সংস্পৰ্শত নিজৰ আদৰ্শ, জাতি, মাটি আৰু মানুহৰ প্ৰতি প্ৰেম অধিক গাঢ় হৈ পৰিছিল, যিয়ে তেওঁক নিজ কৰ্মৰ জৰিয়তে সেৱা আগবঢ়াই যাবলৈ উদ্বুদ্ধ কৰিছিল।

লোক-সংগীতক বিভিন্ন মাধ্যমেদি তেওঁৰ কণ্ঠত সংৰক্ষণ কৰি খগেন মহন্তই এটা যাউতিযুগীয়া কাম কৰিছিল। বিশেষকৈ গাঁৱে-ভূঞে বিভিন্ন চহা লোকৰ মুখত প্ৰচলিত বিহুনাম সমূহ, বিহু নামৰ সুৰ সমূহ অতি কষ্টৰে এগৰাকী গৱেষক ছাত্ৰৰ দৰে সংগ্ৰহ কৰি নিজে কণ্ঠ নিগৰাই অধিক জীপাল কৰি তুলিছিল। আজি বিহুনাম-বিহুগীতৰ প্ৰকৃত ঠাঁচ বিচাৰি খগেন মহন্তৰ ৰেকৰ্ডিং সমূহ খুঁচৰিব লাগে লোক-সংগীতৰ একোজন গৱেষক ছাত্ৰয়ো। আনহাতে, সংগীতজ্ঞ তথা গায়কসকলে তুলনামূলক ভাৱে অৱহেলাৰ দৃষ্টিভংগীৰে চোৱা শিশুগীতৰ ক্ষেত্ৰখনলৈকো খগেন মহন্তই কেইবাটাও গীতেৰে অৱদান আগবঢ়াই গৈছে অকণিৰ গীতসমূহৰ জৰিয়তে - বাঁহৰ মুঢ়া বগৰীৰ গুড়া/ এটা যে আছিল বুঢ়া। সৰু ল'ৰাবোৰে মাতে জোৰে জোৰে / ক'লৈ যোৱা তলৌ খুড়া।

অথবা - 'বৰষুণৰ বতৰত মইনা নুঠে মটৰত'.. আদি শিশুগীত আজিও কালজয়ী। অৰ্চনা মহন্তৰ সৈতে মেলা যুগ্ম জীৱনে তেওঁৰ সংগীত সাধনাক আৰু গতিশীল কৰি তুলিছিল। সৌ সিদিনালৈকে খগেন মহন্ত, অৰ্চনা মহন্ত যুটিয়ে শদিয়াৰ পৰা ধুবুৰীলৈকে বিহুতলীয়েই হওক অথবা অন্যান্য সংগীতানুষ্ঠানেই হওক, এটা সুকীয়া সম্ভ্ৰান্ত মাদকতা আনি দিছিল। আকাশবাণী, দূৰদৰ্শন, শ্ৰব্য ৰেকৰ্ডিং আদি প্ৰত্যেকতেই অসমৰ ৰাইজৰ চেনেহৰ যুটিলৈ পৰিণত হৈছিল খগেন-অৰ্চনা যুটি। বিহুগীত, আধুনিক গীত, লোকগীত আদি প্ৰত্যেকটো যুগজয়ী অবদান আগবঢ়াইছিল একেলগে মৃত্যুৰ প্ৰাকমুহূৰ্তলৈকে। ক'বলৈ গ'লে অসমীয়া সংগীত জগতখনত দিলীপ শৰ্মা, সুদক্ষিণা শৰ্মা আৰু খগেন মহন্ত-অৰ্চনা মহন্ত এই দুই দম্পতীৰ মহান যুটিয়ে দুটা যুগৰ সৃষ্টি কৰি গৈছে শিল্পী সত্তা হিচাপে।

শিল্পীসত্তা সদায়েই বৈচিত্ৰ্যপূৰ্ণ আৰু বিশাল। অনুৰূপভাবেই খগেন মহন্তৰো। এটা জীৱনাদৰ্শক বিশ্বাস কৰি জাতীয় দায়বদ্ধতাৰে গীত গাইছিল খগেন মহন্তই। থলুৱা সংগীতৰ প্ৰসাৰৰ বাবেই জীৱন পাত কৰিছিল। জীৱন সংগীকো জীৱন পথৰ সহযাত্ৰী কৰি আগুৱাই নিছিল। এই বিশাল জীৱন পৰিক্ৰমাত সংযোজন ঘটিছিল ১৯৫৯ চনত মাইচৰত অনুষ্ঠিত সদৌ ভাৰত আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱত পৰমাপৰাগত বাদ্য 'খোল' বজাই সমগ্ৰ ভাৰতৰ ভিতৰতেই প্ৰথম পুৰস্কাৰ লাভ কৰাৰ পৰা আৰম্ভ কৰি জীৱনজোৰা সাধনাৰে ক্লিমক্ৰাফট বঁটা সংগীত নাটক একাডেমী, শ্ৰীময়ী বঁটা, সংগীতাচাৰ্য আদি সন্মান প্ৰাপ্তিলৈকে বিভিন্ন পৰিক্ৰমা। সংযোজিত আছে আকাশবাণীয়ে 'এ' গ্ৰেডৰ শিল্পীৰূপে স্বীকৃতি দিয়াৰ পৰা আৰম্ভকৰি এই জাতীয় অনুষ্ঠানটোৰ সৈতে জড়িত হৈ অনুষ্ঠানটোক নেতৃত্ব দি আগবঢ়াই নিয়া এক সুদীৰ্ঘ পৰিক্ৰমা। নেপালৰ কাঠমাণ্ডুৰ ঐতিহাসিক 'ৰয়েল হল'ত ১৯৬৫ চনত কৰা গীত পৰিৱেশনত আপ্লুত হৈ তদানীন্তন নেপাল অধিপতি ৰজা ধৰ্মৰাজ থাপাই নিজৰ টুপী খুলি পিন্ধাই দিয়া পৰিক্ৰমাও অন্য এক সংযোজন, যি সমূহৰ বিষয়ে সুকীয়াকৈ বিস্তাৰিতভাৱে অধ্যায়ন আৰু গৱেষণাৰ প্ৰয়োজন।

অসমৰ সংগীতৰ পথাৰখনত এটা সময় আছিল যেতিয়া খগেন মহন্ত বিহীন বিহুতলী এখনৰ কথা কল্পনা কৰিব পৰা নহৈছিল। কিন্তু বিহুতলী উকা কৰি বিহু সম্ৰাট আঁতৰি গ'ল সময়ৰ আহ্বানত। উকা হ'ল লোক সংগীতৰ জগতখনো। ১৯৪২ চনৰ পৰা ২০১৪ চনলৈকে ৭২ বছৰীয়া জীৱনকালত সংগ্ৰাম, সাধনা, নিজ কৰ্মৰ মাজেদি জাতি-মাটি আৰু মানুহক ভালপোৱাৰে আঁকোৱালী নিজকে অসমী আইৰ চৰণত স্থাপিত কৰি থৈ গ'ল সমসাময়িক সময়ৰ এগৰাকী শ্ৰেষ্ঠ অসমীয়া হিচাপে।

ব্যক্তিগত ভাবে এই মহান শিল্পীগৰাকীক বিভিন্ন সময়ত লগ পাইছিলোঁ। তেওঁৰ ভাতৃ দ্বিগেন মহন্তৰ সৈতেও আমাৰ সম্পৰ্ক ঘনিষ্ঠ। শেষবাৰৰ বাবে তেওঁৰ সৈতে মুখামুখি হৈছিলো ওদালগুৰি জিলাৰ উপায়ুক্ত হিচাপে থাকোঁতে ২০১২ চনত কলাইগাঁৱৰ এটা অনুষ্ঠানত সহধৰ্মিনী অৰ্চনা মহন্তৰ সৈতে সেয়াই আছিল শেষ দেখা, যি স্মৃতি হৈ ৰ'ব আজীৱন। তেওঁলোকৰ সন্তান অংগৰাগেও সৰ্বভাৰতীয় স্তৰত অসমীয়া লোক-সংগীতক লৈয়েই প্ৰতিষ্ঠা লাভ কৰিছে যি আদৰণীয়। থলুৱা বাদ্য ব্যৱহাৰেৰে থলুৱা লোক সংগীতক লৈয়ে জীৱনপাত কৰা খগেন মহন্ত 'যুগদ্ৰষ্টা' হৈ থাকিব অসমীয়া জাতি থকালৈকে।

---

*শ্ৰীযুত থানেশ্বৰ মালাকাৰ দেৱ অসম সচিবালয়ৰ প্ৰথমিক শিক্ষা বিভাগৰ সচিব ৰূপে কৰ্মৰত আৰু প্ৰাক্তন উপায়ুক্ত, ওডালগুৰি।*

# শংকৰদেৱৰ নাটত অসমৰ লোক-সাংস্কৃতিক উপাদান ঃ এটি অধ্যয়ন

**ড° মীৰা বৈশ্য**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া ভাষা-সাহিত্যৰ ভেঁটি সুদৃঢ় কৰি ইয়াক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰাত যিগৰাকী পুৰোধা ব্যক্তিৰ অক্লান্ত শ্ৰম নিহিত হৈ আছে, সেইগৰাকীয়েই অসমীয়া জাতিৰ শ্ৰেষ্ঠ সম্পদ মহাপুৰুষ শংকৰদেৱ। ভাষা-সাহিত্য-কলা-সংস্কৃতিৰ প্ৰতিটো দিশকেই নিজস্ব আলোকেৰে আলোকিত কৰি অসমীয়া জাতিক তেওঁ দি গৈছে এক স্বকীয় পৰিচয়।



মহাপুৰুষ শংকৰদেৱেই হৈছে অসমীয়া নাট্য-সাহিত্যৰ জনক। তেওঁৰ পূৰ্বে অসমতে নহয়, ভাৰতৰ আন অঞ্চলতো থলুৱা ভাষাত নাট ৰচিত হোৱাৰ নিদৰ্শন পোৱা নাযায়। নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি শংকৰদেৱে প্ৰাচীন সংস্কৃত নাট, অসমৰ পৰম্পৰাগত লোক-নাট্যানুষ্ঠানসমূহ আৰু সমকালীন ভাৰতীয় লোক-নাট্যানুষ্ঠানসমূহৰপৰা সমল সংগ্ৰহ কৰি নিজস্ব মৌলিকতাৰে অসমীয়া সাহিত্যৰ অনৱদ্য 'অংকীয়া নাট'ৰ জন্ম দিয়ে। অৱশ্যে, শংকৰদেৱে নাট বুজাবৰ কাৰণে 'নাট', 'নাটক' আৰু 'যাত্ৰা' শব্দহে ব্যৱহাৰ কৰিছিল। 'অংকীয়া নাট' শব্দটো পৰৱৰ্তীকালৰ সংযোজন। মুখ্যতঃ জনসাধাৰণৰ মাজত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই নাটবোৰ ৰচিত হৈছিল আৰু সত্ৰ, নামঘৰ আদিত অভিনীত হৈছিল। শংকৰদেৱে একেধাৰে ছখন নাট ৰচনা কৰে; সেয়া হ'ল -*পত্নীপ্ৰসাদ, কালিয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ* আৰু *ৰামবিজয়*। এই ছখন অনৱদ্য অংকীয়া নাটেৰে শংকৰদেৱে অসমীয়া নাট্য-সাহিত্যৰ মূল ভেঁটি দৃঢ়ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়।

মনকৰিবলগীয়া যে, শংকৰদেৱৰ নাটৰ নায়ক কৃষ্ণ বা ৰাম - সৰ্বভাৰতীয় পটভূমিৰ চৰিত্ৰ যদিও, শংকৰদেৱে অসমীয়া সমাজ আৰু সংস্কৃতিৰ পটভূমিত নাটকেইখনক থলুৱা সম্পদৰ ৰূপত সুন্দৰকৈ সজাই-পৰাই তুলিছে। সেইবাবে প্ৰায় আটাইকেইখন নাটতে অসমৰ লোক-সাংস্কৃতিক উপাদানসমূহ খুন্দাখাই সোমাই আছে।

সাহিত্য, সমাজ আৰু সংস্কৃতি-এটাৰ লগত আনটো ওতঃপ্ৰোতভাৱে জড়িত। সাহিত্যত সমাজ আৰু সংস্কৃতিৰ

প্ৰতিচ্ছবি প্ৰতিফলিত হয়। সেয়েহে কোনো সাহিত্যিকে সমাজ আৰু সংস্কৃতিক বাদ দি সাহিত্য সৃষ্টি কৰিব নোৱাৰে। এককথাত, সাহিত্য হৈছে সমাজৰ দাপোণস্বৰূপ। প্ৰত্যেক সাহিত্যতেই সমসাময়িক সমাজ আৰু সংস্কৃতিৰ ৰূপ বিদ্যমান।

মহাপুৰুষ শংকৰদেৱৰ ৰচনাৱাজিৰ মাজতো সেইসময়ৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। তেওঁৰ নাটকেইখনো ইয়াৰ ব্যতিক্ৰম নহয়। শংকৰদেৱ বিৰচিত ছয়োখন নাটতে অসমীয়া লোক-সংস্কৃতিৰ উপাদান কম-বেছি পৰিমাণে পোৱা যায়।

লোক-সংস্কৃতি (Folklore) হৈছে সংস্কৃতিৰ এটা প্ৰধান ভাগ। অসমীয়া লোক-সংস্কৃতিক চাৰিটা ভাগত ভগোৱা হৈছে - (ক) মৌখিক লোকবিদ্যা বা লোকসংস্কৃতি, (খ) সামাজিক লোকপ্ৰথা বা লোকাচাৰ, (গ) ভৌতিক সংস্কৃতি আৰু (ঘ) লোক-পৰিৰেশ্যকলা (নবীন চন্দ্ৰ শৰ্মা ঃ *অসমীয়া লোকসংস্কৃতিৰ আভাস*, ১৯৯৫, পৃ.45)। ইয়াৰে মৌখিক লোকবিদ্যাৰ ভিতৰত পৰে লোককবিতা, লোক-কাহিনী, লোকোক্তি, লোকভাষা আদি। সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ পৰিসীমাত উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, লোক-ঔষধ আৰু লোকধৰ্ম পৰে। তেনেদৰে, ভৌতিক সংস্কৃতিৰ ভিতৰত প্ৰাত্যহিক জীৱনৰ প্ৰয়োজনীয় ভৌতিক বস্তু, যেনে - বাচন-বৰ্তন, ঘৰ-দুৱাৰ, আ-অলংকাৰ, স্থপতিবিদ্যা, ৰন্ধন-প্ৰণালী, চিত্ৰকলা আদিক সামৰিব পাৰি। আকৌ লোক-কলা বা পৰিৰেশ্য কলা-ৰীতিৰ ভিতৰত পুতলা নাচ, ঢুলীয়া, খুলীয়া, ভাউৰীয়া, ওজাপালি, দেওধনী, দেৱদাসী, কুশানগান, ভাৰীগান, ভাওগান, ফাৰকান্‌টি, খেৰাই, বাগৰুম্বা আদি অনুষ্ঠান পৰে। এনে বিবিধ প্ৰকাৰৰ উপাদানে অসমীয়া লোক-সংস্কৃতিক বৈচিত্ৰ্য ৰূপ প্ৰদান কৰিছে।

শংকৰদেৱৰ নাটকেইখনতো অসমীয়া লোক-সংস্কৃতিৰ যথেষ্ট উপাদান পোৱা যায়। শংকৰদেৱ আছিল সহজ-সৰল মাটিৰ মানুহ। তেওঁৰ নাটৰ উদ্দেশ্য যদিও সৰ্বসাধাৰণৰ মাজত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰা বা 'কৃষ্ণস্তু ভগৱান স্বয়ম্' - এই তত্ত্ব প্ৰতিষ্ঠা কৰা; তথাপিও তেওঁ নাটৰ প্ৰায় ঠাইতেই সৰ্বসাধাৰণৰ উপভোগ্যকৈ কৃষ্ণ বা ৰাম চৰিত্ৰক সাধাৰণ মনুষ্য ৰূপতো ব্যক্ত কৰিছে। তেওঁৰ নাটৰ চৰিত্ৰ যদিও সৰ্বভাৰতীয় পটভূমিৰপৰা বুটলি অনা হৈছে কিন্তু এই চৰিত্ৰসমূহক অসমীয়া মাটি-পানীৰে জীপাল কৰি তোলা



হৈছে। সেইবাবে, তেওঁৰ নাটত অসমীয়া সমাজ, অসমীয়া প্ৰকৃতি, অসমীয়া লোকজীৱনৰ প্ৰায়বোৰ দিশেই জীৱন্ত ৰূপত উদ্ভাসিত হৈছে। তেওঁ বিৰচিত ছয়োখন নাটৰ পৰাই এনে কিছু তথ্য দিবলৈ যত্ন কৰা হৈছে।

***পত্নীপ্ৰসাদ ঃ***

*পত্নীপ্ৰসাদ* নাটখনিৰ কাহিনীভাগ ভাগৱতৰ দশম স্কন্ধৰপৰা লোৱা হৈছে। নাটখনিত কৃষ্ণই তেওঁৰ সমনীয়া গোপবালকসকলৰ লগত বৃন্দাবনত গৰু চৰাবলৈ যাওঁতে ভোকত আতুৰ হৈ ব্ৰাহ্মণ তথা ব্ৰাহ্মণ পত্নীসকলৰপৰা ক্ষুধা নিবাৰণৰ বাবে অন্ন বিচৰাৰ কাহিনী ব্যক্ত হৈছে। এই নাটখনিৰ কাহিনীভাগ বিচাৰ কৰোঁতে অসমীয়া লোকসংস্কৃতিৰ দুটা দিশ দৃষ্টিগোচৰ হৈছে; সেয়া হ'ল -

(১) অসমীয়া লোকসমাজত ক্ষুধাতুৰক অন্ন দান কৰা কথাটো পৱিত্ৰ বুলি জ্ঞান কৰা হয়। *পত্নীপ্ৰসাদ* নাটতো ক্ষুধাত আতুৰ ৰাম-কৃষ্ণ আৰু গোপবালকসকলক ব্ৰাহ্মণ পত্নীসকলে অন্ন দান দিছে; যেনে -

"ওহি শুনি ব্ৰাহ্মণীসৱ পৰম হৰষিত মনে শ্ৰীকৃষ্ণক প্ৰতি পৰম সুগন্ধি অন্ন ব্যঞ্জন, পিঠাপন্না,
পৰমান্ন, পনস, শুক্ল চেনি, বহুবিধ ষড়ৰস, বিচিত্ৰ পাত্ৰ ভৰি লয়া কলু যৈচে চলল, তা দেখহ, শুনহ।"

(মহিম বৰা (সম্পা.)ঃ *শংকৰদেৱৰ নাট,* ২০০৮, পৃ. ৪১)

ইয়াত উল্লিখিত পিঠা-পনা, পৰমান্ন আদি অসমীয়া পৰম্পৰাগত খাদ্যাভাসৰ অন্তৰ্গত।

(২) অসমীয়া সমাজত তুলসীক নিৰ্মালিৰূপে ব্যৱহাৰ কৰা হয়। *পত্নীপ্ৰসাদ* নাটতো এই কথা

পোৱা যায় -

"তোহাৰি চৰণ নিৰ্মাল্য তুলসী, তাহেক শিৰে ধৰি কহোঁ, দাসী হুয়া ৰহব।" (উক্ত গ্ৰন্থ; পৃ. ৪৫)

***কালিয় দমন ঃ***

*কালিয় দমন*ৰ কাহিনীভাগ শংকৰদেৱে *ভাগৱত*ৰ দশমস্কন্ধৰ ষোড়শ-সপ্তদশ অধ্যায়ৰ বিৱৰণৰ ভেটিত ৰচনা কৰিছে (সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া নাট্য সাহিত্য;* ১৯৯৬, পৃ. ৪৫)। শ্ৰীকৃষ্ণই লগৰীয়াসকলৰ সৈতে বৃন্দাবনত গৰু চৰাবলৈ যাওঁতে কালিন্দী হ্ৰদৰ পানী খাই গোপবালকসকল অচেতন হৈ পৰে। কৃষ্ণই হ্ৰদত জাপ দি এই হ্ৰদত থকা বিষধৰ কালি সৰ্পক দমন কৰি ৰমণক দ্বীপলৈ নিৰ্বাসন দিয়ে। সেইদিনাখন ৰাতিয়েই তেওঁলোকক বৃন্দাবনত বনজুয়ে বেড়ি ধৰাত কৃষ্ণই নিজ মুখেৰে সেই বনাগ্নি পাণ কৰে। সাধাৰণভাৱে নাটখনৰ কাহিনী এয়াই। এই নাটখন অধ্যয়নৰ অন্তত পোৱা অসমীয়া লোকসংস্কৃতিৰ উপাদান বিশেষ হ'লঃ

(১) অসমীয়া সংস্কৃতিত জনবিশ্বাসে এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ঘৰত কিবা অমংগল হ'লে তাৰ বিভিন্ন লক্ষণ আগতীয়াকৈ ফুটি উঠে বুলি জনবিশ্বাস আছে। *কালিয়দমন* নাটতো শ্ৰীকৃষ্ণক কালিনাগে দংশন কৰাৰ পাছত গকুলত তেনে অমংগলৰ ছবি ফুটি উঠা দেখা যায় —

"গোকুলত নানা বিমঙ্গল মিলল ঃ ঘন ঘন ভূমিকম্প যায় ঃ নিৰ্ঘাত পৰয় ঃ ঘৰে ঘৰে ফেৰুৱা আৰৱ কৰে ঃ অনাবাৰে বৃক্ষসৱ উভৰি পৰে ঃ স্ত্ৰীক দক্ষিণ পুৰুষক বাম ফন্দয় ঃ তাহে পেখি সব লোক মহাভিতি ভেল।" (উক্ত গ্ৰন্থ; পৃ. ১১১)

***কেলিগোপাল বা ৰাসক্ৰীড়া ঃ***

শংকৰদেৱৰ সাহিত্যকৰ্মৰ ভিতৰত ৰাসক্ৰীড়াৰ এক বিশেষ স্থান আছে। সেইবাবে *কেলিগোপাল* নাটখন *ৰাসক্ৰীড়া* বুলিও জনাজাত। আনকেইখন নাটৰ দৰে এই নাটৰো মূল বিষয়বস্তু *ভাগৱত পুৰাণ*ৰ পৰাই সংগ্ৰহ কৰিছে। নাটখনত শ্ৰীকৃষ্ণই তেওঁৰ একান্ত ভক্তা গোপীসকলৰ মনোবাঞ্চা পূৰণৰ হেতু তেওঁলোকৰ লগত মিলিত হৈ ৰাসক্ৰীড়া কৰিছে। এই নাটখনিৰ মাজত পোৱা অসমীয়া লোকসংস্কৃতিৰ উপাদানকেইটা হ'ল —

(১) অসমীয়া লোকসংস্কৃতিত তামোল-পাণৰ ভূমিকা অপৰিহাৰ্য; *কেলিগোপাল* নাটতো ইয়াৰ প্ৰকাশ বিদ্যমান —

"তদনন্তৰ গোপীসৱ শ্ৰীকৃষ্ণক সেৱা কৰয় লাগল। কাহুঁ পীতবস্ত্ৰ পৰিধান কৰাৱে। ... কাহুঁ কদম্ব মালা গাঠি গলে পিন্ধাৱয়। কাহুঁ তাম্বুল সাজি যোগাৱয়।" (উক্তগ্ৰন্থ; পৃ. ২২৫)

(২) সমগ্ৰ নাটখনতে অসমীয়া প্ৰকৃতি জগতৰ চিত্ৰ বিৰাজমান; যেনে —

"বকুল কদম্ব বন্দুলি বক তুলসী।
তোহোঁ সব পৰ উপকাৰী।।" (উক্তগ্ৰন্থ; পৃ. ২০৮)

(৩) একেদৰে, শপত দিয়া, গালি-শপনি দিয়া আদি কাৰ্যও অসমীয়া লোকজীৱনৰ আন এক বৈশিষ্ট্য;

এই বৈশিষ্ট্যটোও নাটখনত বিদ্যমান —

(ক) শপত দিয়া কাৰ্য - "হামাক শপত উঠহ। পৰম উৎসুকে ৰাসকেলি কৰসিয়া।"(পৃ.২০৯)

(খ) গালি-শপনি -

"কুকুৰা ৰাৱে জানি ৰজনী শেষ
তাকু শপয় পুত মাথে।
আজু বৈৰিণী নিশি নিমিষে
পুহাৱলি
হামাকু তেজল প্ৰাণনাথে।।" (পৃ. ২২৭)

***ৰুক্মিণীহৰণঃ***

*ৰুক্মিণীহৰণ* শংকৰদেৱৰ এখন উল্লেখযোগ্য নাট। ইয়াৰ মূল আধাৰ গ্ৰন্থও *ভাগৱত পুৰাণ*। শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ প্ৰেম তথা বিবাহ এই নাটখনৰ মূল বিষয়বস্তু। এই নাটখনত অসমীয়া লোকসংস্কৃতিৰ উপাদান খুন্দা খাই আছে। উদাহৰণ স্বৰূপে —

(১) অসমীয়া সমাজত অতি প্ৰাচীনকালৰেপৰা সখী পতা ব্যৱস্থা প্ৰচলিত; *ৰুক্মিণীহৰণ* নাটতো মদনমঞ্জৰী আৰু লীলাৱতীক ৰুক্মিণীৰ সখীৰূপত পোৱা যায়।

(২) ৰুক্মিণীৰ বিবাহৰ ক্ষেত্ৰত অসমীয়া বিবাহৰ বাস্তৱ ছবি এখন নাটখনত পোৱা যায়। অসমীয়া সমাজত ছোৱালী বিয়াৰ উপযুক্ত হ'লে মাক-বাপেকৰ চিন্তা বৃদ্ধি পায় আৰু জ্ঞাতি-কুটুম্বৰ লগত আলোচনা কৰা হয়। *ৰুক্মিণীহৰণ* নাটতো এই চিত্ৰ বিদ্যমান —

"আহে পাত্ৰমন্ত্ৰী জ্ঞাতি সৱ, হামাৰ দুহিতা ৰুকমিণী বিৱাহক যোগ্যা ভেল। কন্যাক সদৃশ বৰ কোন থানে থিক, সৱহি বিমৰিষ কয় বোল।"

(মহিম বৰা (সম্পা.)ঃ *শংকৰদেৱৰ নাট*, ২০০৮, পৃ. ১৪৯)

(৩) অসমীয়া লোকবিশ্বাসত নাৰীৰ বাওঁ অংগৰ কম্পন শুভফলদায়ক বুলি বিবেচিত হয়।

*ৰুক্মিণীহৰণ*তো কৃষ্ণৰ আগমনত ৰুক্মিণীৰ বাওঁ অংগ নাচি উঠিছে - "আহে সখিসৱ, হামাৰ বাম অঙ্গ ফন্দে। কোন শুভ বাত কহে, ইহা নাহি জানু।।"

(উক্তগ্ৰন্থ; পৃ. ১৬৫)

(৪) ৰুক্মবীৰৰ চৰিত্ৰটোৰ মাজত অসমীয়া সমাজত প্ৰায়ে দেখা বৰপোৰ প্ৰতিচ্ছবি বিদ্যমান।

(৫) তামোল-পাণৰ ব্যৱহাৰ নাটখনৰ প্ৰায় ক্ষেত্ৰতেই দেখা যায়।

(৬) ইয়াৰ উপৰিও, অসমীয়া সমাজত প্ৰচলিত কিছু ৰীতি-নীতি, যেনে — পত্নীয়ে স্বামীক সেৱা কৰা, পিতৃয়ে কন্যাদান কৰা, দৰা-কইনাক গৃহ প্ৰৱেশ কৰোৱা, কইনাৰ মুখচন্দ্ৰিকা আদি ৰুক্মিণীহৰণ নাটতো বিদ্যমান; যেনে —

(ক) "সখিসৱ সহিতে হাস বিলাস দৰশিয়ে, কৌতুকে স্বামীক সেৱা কৰিতে চললি।" (পৃ. ১৭৮)

(খ) "দেৱী দৈৱকী পৰম মঙ্গল বাদ্য ভাণ্ডে আসি কহো, বৰ কন্যাক হাত এক ঠাম কৰিকহো বহুতৰ উৎসৱে গৃহ পৰবেশ কৰাৱল।" (পৃ. ১৮২)

(গ) "ৰাজা ভীষ্মক কন্যা সম্প্ৰদান কৰিয়ে বৰ কন্যাক কেশ এক ঠাম কয়ে কহো, পানী ঢালিতে তথি যৈচে কৌতুক মিলল; আহে লোক তাহে দেখহ, শুনহ। (পৃ. ১৮৪)

(৭) সমগ্ৰ নাটখনতে জতুৱা ঠাঁচ, খণ্ডবাক্য, প্ৰবচন আদি অসমীয়া মৌখিক লোকবিদ্যাৰ অন্তৰ্গত লোককথা ঠাঁহ খাই আছে; যেনে —

(ক) "যৈচে কদলিক বাতে উপাৰল।" (পৃ. ১৫২)

(খ) "সিংহক ভাৰ্য্যাক শৃগাল অভিলাষ।" (পৃ. ১৫৪)

(গ) "যৈচে মত্ত সিংহ চলইছে।" (পৃ. ১৭১)

(ঘ) "যোনো কাচক চাহিতে মাণিক হৰায়।" (পৃ. ১৭২)

(ঙ) "যৈচে পতঙ্গ অগনিত জাস কয়ল।" (পৃ. ১৮০); ইত্যাদি।

***পাৰিজাত হৰণঃ***

নাট্য ধৰ্মৰ দিশৰপৰা শংকৰদেৱৰ শ্ৰেষ্ঠ নাটখন হ'ল *পাৰিজাত হৰণ* (সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া নাট্য সাহিত্য*; ১৯৯৬, পৃ. ৫১) *পাৰিজাত হৰণ*ৰ মূল কাহিনী *ভাগৱত পুৰাণ*, *হৰিবংশ* আৰু *বিষ্ণুপুৰাণত* পোৱা যায়। শংকৰদেৱে নাট্যবস্তু আকৰ্ষণীয় কৰিবৰ নিমিত্তে *ভাগৱত* আৰু *হৰিবংশ*ৰ কথাবস্তু লগ লগাইছে। স্বৰ্গৰপৰা সত্যভামাৰ নিমিত্তে পাৰিজাত ফুল অনা আৰু নৰকাসুৰক বধ কৰাৰ কাহিনীৰে নাটখনৰ মূল কাহিনীভাগ বিবৃত হৈছে। এই নাটখনতো অসমৰ লোকসংস্কৃতিৰ ভালেমান কথাৰ মিল আছে —

(১) অসমীয়া লোকজীৱনত ঘৰলৈ দেৱ-দ্বিজ আহিলে পবিত্ৰ জ্ঞান কৰা হয়; *পাৰিজাত হৰণ*তো নাৰদৰ আগমনক পবিত্ৰ বুলি জ্ঞান কৰা হৈছে —

"হে মুনিৰাজ। তুহু কুশলে আৱল। আঃ তোহাৰি আগমনে আজু হামাৰ দ্বাৰকাপুৰী পৱিত্ৰ ভেল।" (উক্তগ্ৰন্থ; পৃ. ৬২)

(২) পতিপ্ৰাণা পত্নীয়ে স্বামীক সেৱা কৰা সংস্কাৰো নাটখনত পৰিদৃশ্যমান —

"কৌতুকে ৰুকমিনী নমিয়ে স্বামীক পাৰে
মাগে আজুৰি যোৰি হাত ।" (পৃ. ৬১)

(৩) এই নাটখনতো সত্যভামাৰ সখী ৰূপত ইন্দুমতীক পোৱা যায়। অসমীয়া সমাজৰ সখীপতা ৰীতিটো ইয়াতো বিদ্যমান।

(৪) কলহপ্ৰিয় নাৰদৰ চৰিত্ৰটো অসমীয়া গ্ৰাম্য জীৱনৰপৰা বুটলি অনা বুলি ক'লেও বঢ়াই কোৱা নহয়।

(৫) শপত দিয়া কাৰ্য অসমীয়া লোকসংস্কৃতিত বিৰাজমান। নাটখনতো শ্ৰীকৃষ্ণই সত্যভামাক শপত দিছে — "প্ৰিয়ে, হামাক শপত, উঠহ, উঠহ।" (পৃ. ৬৯)

(৬) অসমীয়া সমাজত শাহু-শহুৰ তথা বৰজনাক আঁঠুকাঢ়ি সেৱা লোৱাৰ লোকাচাৰ প্ৰচলিত। ইয়াতো শচী আৰু সত্যভামাই শাহুৱেক অদিতিক আঁঠুকাঢ়ি সেৱা কৰিছে —

"শচী সহিত সত্যভামা অদিতি শাশুক জানুপাৰি প্ৰণাম কয়ল।" (পৃ. ৭৯)

(৭) শচী-সত্যভামাৰ গালি-শপনি অসমীয়া তিৰোতাৰ গ্ৰাম্য কলহৰ চানেকি বুলি নিঃসন্দেহে ক'ব পাৰি। গালি-শপনিৰ মাজে মাজে প্ৰাচীন লোকভাষাৰ ব্যৱহাৰো মন কৰিবলগীয়া —

"সত্যভামা বোল।। ... অয়ে <u>পামৰী</u> শচী, ওহি ইন্দ্ৰক দেখাই, অতয়ে দৰ্প কয়লি, অব তোহাৰি <u>ভতাৰক</u> কৈছে নাহি পলটাৱ ?" (পৃ. ৮৯)

(৮) ইয়াৰ উপৰিও, নাটখনৰ ঠায়ে ঠায়ে অসমীয়া লোকোক্তিৰ ব্যৱহাৰো দেখা যায় —

(ক) "যৈছে লৱঙ্গলতাক বাতে উপাৰল।" (পৃ. ৬৭)

(খ)"কমল নয়নক নীৰ ঝুৰাৱে।" (পৃ. ৭০); ইত্যাদি।

***ৰামবিজয়ঃ***

*ৰামবিজয়* নাট হৈছে শংকৰদেৱৰ জীৱনৰ অন্তিম সাহিত্য কৰ্ম। *ৰামায়ণ*ৰ আদিকাণ্ডৰ পৰা ইয়াৰ কথাবস্তু চয়ন কৰা হৈছে। বিশ্বমিত্ৰৰ লগত ৰাম-লক্ষ্মণৰ সিদ্ধাশ্ৰমলৈ গমন, অসুৰ নিধন কৰি জনকৰ স্বয়ম্বৰ সভাত হৰধনু ভঙ্গ কৰি সীতাক গ্ৰহণ কৰা, পৰশুৰামৰ দৰ্পচূৰ্ণ আৰু শেষত অযোধ্যালৈ সীতাসহ প্ৰত্যাৱৰ্তন, অযোধ্যাত ৰাম-সীতাৰ মহাআয়োজনৰ বিবাহেৰে নাটখনৰ অন্ত পৰিছে। শংকৰদেৱৰ *ৰামবিজয়* নাটৰ লগত পূৰ্বতে ৰচিত *ৰুক্মিণীহৰণ* নাটৰ কেইবাটাও দিশত ভালেখিনি মিল পৰিলক্ষিত হয়। এই নাটখনতো অসমীয়া লোকসংস্কৃতিৰ ছবি খুন্দ খাই আছে —

(১) ইয়াতো মদনমঞ্জৰী আৰু কনকাৱতীক সীতাৰ সখী ৰূপত পোৱা গৈছে। অৰ্থাৎ, অসমীয়া সমাজৰ সখীপতা ৰীতি ইয়াতো পোৱা যায় ।

(২) সীতাক জাতিস্মৰ কন্যা ৰূপত উপস্থাপন কৰোঁৱা কথাটোত অসমীয়া সমাজত প্ৰচলিত এটি জনবিশ্বাস - পূৰ্বজন্মৰ ধাৰণাত বিশ্বাস স্থাপন কৰোৱা হৈছে।

(৩) তেনেদৰে শপত দিয়া, আশীৰ্বাদ কৰি তুলসী দিয়া আদি ৰীতিও অসমীয়া লোক বিশ্বাসত প্ৰচলিত। নাটখনতো তুলসীক পৱিত্ৰ বস্তু বুলি জ্ঞান কৰা হৈছে।

"ওহি বুলি আশীৰ্বাদ তুলসী দেলহ শ্ৰীৰাম মাথা পাতি লেলহ ।" (উক্তগ্ৰন্থ ; পৃ. ২৪৬)

(৪) অসমীয়া মানুহে যিকোনো ভাল কাম কৰিবলৈ গ'লে ডাঙৰৰ আশীৰ্বাদ লয়; ৰামেও হৰধনু ভাঙিবলৈ যোৱাৰ আগত ঋষি বিশ্বামিত্ৰৰ পৰা আশীৰ্বাদ লৈছিল।

(৫) ইয়াৰ উপৰিও, সীতাৰ বাওঁ অঙ্গ নচা, তামোল-পানৰ ব্যৱহাৰ, সীতাৰ মুখচন্দ্ৰিকা কৰা, দৰা- কইনাৰ চুলি একলগ কৰা, দৰাৰ মাতৃ কৌশল্যাই দৰা-কন্যাক আশীৰ্বাদ কৰা, গালি-শপনিৰ চিত্ৰ ইত্যাদি ভালেখিনি দিশ শংকৰদেৱে *ৰামবিজয়* নাটত অসমীয়া লোকসংস্কৃতিৰপৰা লৈছে; যেনে —

(ক) "কোন ৰাজা আৱল। সত্বৰে জানগিয়া। হামাক বাম অঙ্গ ফান্দে। কোন কুশল সাধে জানয়ে নাহি।।" (পৃ. ২৫১)

(খ) "সোহি সময়ে বৰ কণ্যাক কেশ এক ঠাম কৰিয়ে পানী ঢালিতে ব্ৰহ্মা-ৰুদ্ৰ-ইন্দ্ৰাদি দেৱতাসৱ, যৈচন আনন্দ মিলাৱল, তা দেখহ, শুনহ ।" (পৃ. ২৬২)

(গ) "ৰামক মাতা কৌশল্যা শ্ৰীৰামক বিজয় বাত শুনিয়ে, অনেক স্ত্ৰীসৱ সহিত, পৰম মঙ্গল গীত আনন্দে বাজনা বজাই, বৰ কন্যাক হাত এক ঠাম ধৰি কহু, মহোৎসৱে, গৃহ প্ৰৱেশ কৰাৱল।" (পৃ. ২৬৯)

(৬) নাটখনত বিভিন্ন অসমীয়া লোকবাদ্যৰ উল্লেখ পোৱা যায়। যেনে —

"তদনন্তৰে, ঢোল ঢক্কা, শঙ্খ, গোমুখ, মৃদু মৃদঙ্গ, তাল কৰতাল কাহাল কোলাহাল মহোৎসৱ ৰৱ শুনিয়ে জানকী সখিক সম্বুধি বোলল ।" (পৃ. ২৫১)

(৭) লোকোক্তিৰ ব্যৱহাৰো মনকৰিবলগীয়া—"যৈচে



সিংহক আগু বালেক হৰিণ ।" (পৃ. ২৬১) ইত্যাদি ।

**সামৰণি ঃ**

এনেদৰে শংকৰদেৱৰ আটাইকেইখন নাটৰে আভ্যন্তৰীণ বিচাৰ্যৰপৰা দেখা যায় যে, তেওঁ নাটৰ জঁকাটো ভাৰতীয় প্ৰেক্ষাপটৰপৰা লৈছে যদিও, অসমীয়া লোকজীৱন আৰু লোক-সংস্কৃতিৰ সমলেৰে তাত ৰক্ত-মাংসৰ সংযোগ কৰিছে। সেইবাবে নাটকেইখনত অসমীয়া প্ৰকৃতি জগতখন মূৰ্ত হৈ উঠাৰ লগতে আ-অলংকাৰ, সাজ-পাৰ, বাদ্যযন্ত্ৰ, লোকবিশ্বাস, ৰীতি-নীতি আদি প্ৰায় দিশতে অসমীয়া জনজীৱনৰ প্ৰভাৱ পৰিছে। তদুপৰি, পুতলা নাচ, ওজাপালি, ঢুলীয়া নাচ আদি অসমীয়া লোক-পৰিৱেশ্যকলাৰপৰা আহৰিত সূত্ৰধাৰ, মুখা, সাজ-পাৰ আদি থলুৱা প্ৰভাৱো নাটকেইখনত উপলব্ধ হৈছে। সেইবাবে ক'ব পাৰি যে, অসমীয়া লোক-জীৱন আৰু লোকসংস্কৃতিৰ প্ৰকাশে শংকৰদেৱৰ নাটকেইখনত সোণত সুৱগা চৰাইছে ।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

(১) গগৈ, লীলা। *অসমৰ সংস্কৃতি*। ডিব্ৰুগড় ঃ বনলতা, ১৯৯৪।

(২) পাঠক, ৰমেশ। *নাটক আৰু নাটক* । গুৱাহাটী ঃ অশোক বুক ষ্টল, ২০০৯।

(৩) বৰা, মহিম (সম্পা.)। *শংকৰদেৱৰ নাট*। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ২০০৮।

(৪) বৰা, লীলাৱতী শইকীয়া। *ভাষা-সাহিত্যৰ সুবাস*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ১৯৯২।

(৫) বৰ্মন, শিৱনাথ। *শ্ৰীমন্ত শংকৰদেৱ - কৃতি আৰু কৃতিত্ব*। গোলাঘাট ঃ পুথিতীৰ্থ প্ৰকাশন, ১৯৯৭।

(৬) শৰ্মা, নবীন চন্দ্ৰ। *অসমীয়া লোকসংস্কৃতিৰ আভাস*। গুৱাহাটী ঃ বাণী প্ৰকাশ, ১৯৯৫।

(৭) শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া নাট্য সাহিত্য*। গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ, ১৯৯৬।

---

শিক্ষকতাৰ বিদ্যা হ'ল আত্ম আবিস্কাৰৰ বিদ্যা

— মাৰ্কভান

গৃহ হল শিক্ষাৰ আৰম্ভণি

— ৰোচ্চন চক্ৰজ

শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি

— চক্ৰেটিছ

শিক্ষকবৃন্দ হ'ল ৰাষ্ট্ৰৰ মন আৰু আত্মাৰ প্ৰকৃত খনিকৰ।

— জৰ্জ ৱাংশ্বিটন

**সংগ্ৰহ ঃ পাকিজা আলম**
তৃতীয় যান্মাসিক



# জুবিন গাৰ্গ
## শতিকাৰ অন্যতম শ্ৰেষ্ঠ পুৰুষ

"নিয়ৰৰে ফুল,
এপাহ ফুলিল,
এপাহ সৰিল কেনি?"

**অভিজ্ঞান কাশ্যপ**
পঞ্চম যান্মাসিক (কলা বিভাগ)
জাগীৰোড মহাবিদ্যালয়

বিংশ শতিকাৰ অন্তিমটো দশক তেতিয়া। অসমৰ সংগীত জগত খনত কলীয়া ডাৱৰে আৱৰি আছিল। একঘেয়ামী হোৱা অসমীয়া গীত বোৰক সেই সময়ত যুৱ প্ৰজন্মই নুশুনি আকোঁৱালী লৈছিল হিন্দী গীত সমূহক। তেতিয়া অসমৰ আকাশে বতাহে কেৱল হিন্দী গীত। অসমীয়া গান শুনা মানুহ সেই সময়ত কমি গৈছিল।

অসমীয়া সংগীতৰ সেই দুৰ্যোগৰ সময়তে এজন ল'ৰাৰ আবিৰ্ভাব হ'ল অসমীয়া সংগীত জগতত। ১৯৯৩ চন তেতিয়া, ক্ষীণ কায়, মিঠা বৰণৰ মৰম লগা এজন ল'ৰা, যিয়ে পৰিবৰ্ত্তন আনিলে অসমীয়া সংগীতৰ ধাৰালৈ। 'অনামিকা, আজিও নুবুজিলো তোমাক', 'হাঁহিলে তুমি মুকুতা মনি সৰে' দুচকু ভৰিলেও মন নভৰে'। অসমৰ আকাশ বতাহৰ পৰা হিন্দী গানক খেদি অনামিকাৰ জৰিয়তে জয়ধ্বজা উৰুৱা সেই ক্ষীণকায়, মিঠা বৰণৰ মৰম লগা ল'ৰা জনে হ'ল জুবিন গাৰ্গ। একঘেয়ামী হৈ পৰা অসমীয়া গানৰ পৰা পলায়ন কৰা সকলোৱে আদৰি ল'লে জুবিনৰ 'অনামিকাক'। কি ডেকা, কি বুঢ়া, জুবিনৰ সংগীতৰ মায়াত এনেদৰে মেহিত হ'ল যে ককা আইতা সকলোৰেও 'অনামিকাত' বিচাৰি পালে নিজৰ যৌৱনক। আৰু ইয়াৰ পিচৰ খিনি আজি ইতিহাস .....।



জুবিন গাৰ্গ। ১৯৭২ চনৰ ১৮ নৱেম্বৰত যোৰহাটত জন্ম গ্ৰহণ কৰা এইজন ব্যক্তি কেৱল গায়ক নহয়, তেওঁ একেধাৰে কণ্ঠশিল্পী, সংগীত পৰিচালক, গীতিকাৰ, চলচিত্ৰ পৰিচালক, চলচিত্ৰ অভিনেতা, নাট পৰিচালক, কবি আৰু এজন সমাজ সেৱক। জুবিন গাৰ্গে ইতিমধ্যেই ভাৰতৰ প্ৰায় সকলো ভাষাতে ২২,০০০ ৰ ওপৰত গানত নিজৰ কণ্ঠ নিগৰাইছে। বৰগীত, লোকগীত, বনগীত, ৰ'ক সকলো ধৰণৰ গানত দক্ষতা থকা তেওঁ হয়তো একমাত্ৰ গায়ক।

যোৰহাটত জন্ম গ্ৰহণ কৰা জুবিন গাৰ্গৰ পিতৃৰ নাম মোহিনী বৰঠাকুৰ আৰু মাতৃ আছিল প্ৰয়াত ইলি বৰঠাকুৰ। জুবিন নামটো ৰখা হৈছিল প্ৰসিদ্ধ গীতিকাৰ জুবিন মেহতাৰ নামত।

জুবিনে সদায় জীৱনৰ প্ৰথম গুৰু বুলি নিজৰ মাতৃকেই বিবেচনা কৰে। গুৰু ৰবীন বেনাৰ্জীৰ পৰা জুবিনে তবলাৰ শিক্ষাৰে সংগীত শিক্ষাৰ আৰম্ভণি কৰিছিল। তাৰ পিছত গুৰু ৰমণী ৰায়ৰ ওচৰত অসমীয়া লোক সংগীত শিকি এই শিক্ষা অব্যাহত ৰাখিছিল।

যোৰহাটৰ জে. বি. কলেজত পঢ়ি থাকোতেই পৰিয়ালটো গুৱাহাটীলৈ আহিবলগীয়া হোৱাত জুবিনে গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ৰ পৰা বিজ্ঞানৰ স্নাতক শিক্ষা গ্ৰহণ কৰিছিল। কিন্তু তেওঁ নিজকে সংগীতত উচৰ্গা কৰাত স্নাতক শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে। কলেজীয়া কালত জুবিনে গুৱাহাটী মহাবিদ্যালয়ৰ যুব মহোৎসৱৰ সোণৰ পদক লাভ কৰিছিল।

'অনামিকা'ই জুবিনক প্ৰদান কৰিছিল ভাবিব নোৱাৰা জনপ্ৰিয়তা। জুবিনৰ আবিৰ্ভাৱ হৈছিল অসমীয়া সংগীতৰ ত্ৰাণকৰ্তাৰ ৰূপত। সেই দায়িত্ব অব্যাহত ৰাখিছিল তেওঁৰ 'মায়া'ই। 'মায়া, মায়া মাথোঁ মায়া', হয় জুবিনৰ কণ্ঠত আছে এক সুন্দৰ মায়া যি মায়াৰ জালত বন্দী হৈছিল লাখ লাখ অসমীয়া। নিদ্ৰাহৰণ হৰণ কৰিলে যোড়শী গাভৰুৰ। এক প্ৰকাৰৰ 'জুবিন বলীয়া' হৈ পৰিল সকলো। আৰু আৰম্ভ হ'ল এটা নতুন যুগৰ। (জুবিন যুগ)।

এগৰাকী শিল্পী কিমান জনপ্ৰিয় হ'ব পাৰে বাৰু? জুবিনৰ জনপ্ৰিয়তাই সকলো পাৰ ভাঙিলে। দুৰ্ঘটনাত মৃত্যু হোৱা জুবিনৰ ভগ্নীৰ চিতাৰ জুইৰ কাষতো উন্মাদ জুবিন প্ৰেমীয়ে তেওঁৰ অট'গ্ৰাফ বিচাৰি হেতা-ওপৰা লগাইছিল। এজন ব্যক্তি ইমানো জনপ্ৰিয় হ'ব পাৰেনে? সধাৰণ মানুহৰ কাৰণে কল্পনাতীত।

তাহানিতে ভূপেন হাজৰিকাই কৈছিল যে 'এজন ব্যক্তি যিমানে জনপ্ৰিয় হয়, সিমানে বিতৰ্কিত হয়'। ভূপেন হাজৰিকাৰ মৃত্যুত সমগ্ৰ অসম শোকত ভাগি পৰিছিল। সকলোৰে চকুলো টুকিছিল কিন্তু সেই ভূপেন হাজৰিকাকেই এসময়ত অসমীয়া মানুহেই বা কবলৈ গ'লে তথা কথিত বুদ্ধিজীৱিয়ে মানসিক অত্যাচাৰ কৰা নাছিল জানো। ভমকা ভমকা ৰঙৰ কাপোৰ পিন্ধাৰ কাৰণে ঠাট্টা মস্কাৰা এই অসমীয়া বুদ্ধিজীৱিয়েই কৰিছিল। এসময়ত ভূপেন ককাক বহিষ্কাৰ কৰা হৈছিল অসমৰ সাংস্কৃতিক জগতৰ পৰা। সেয়েহে ভূপেন ককাই কৈছিল বিতৰ্ক এজন জনপ্ৰিয় ব্যক্তিৰ এৰাব নোৱাৰা সম্পদ। বিতৰ্কই জুবিনকো নেখেদাকৈ থকা নাই। কিছুমান অজানিতে কৰা ভুলৰ বাবে আৰু আন কিছুমান স্বাৰ্থপৰ সুবিধাবাদী সকলৰ কাৰণে। কিন্তু জুবিনে কেতিয়াও ভাগৰি পৰা নাই। কেতিয়াও হাৰ মনা নাই কাৰণে কেতিয়াবাতে যে তেওঁ কৈছিল - "যুঁজাৰু মই জন্মগত

আমৰণ মোৰ সংকল্প

অস্তিত্ব অপৰাজিত"।

হেজাৰ প্ৰতিবন্ধকেও ৰুদ্ধ কৰিব নোৱাৰে যাৰ বিজয় ৰথ, সেইজন সাহসী যুঁজাৰু জুবিন। সেয়ে আজি তেওঁ চিঞৰি চিঞৰি গাইছে ...."যুঁজাৰু যে মই আছিলো, যুঁজাৰু যে মই আজিও, নামানো একোকে সন্মুখত আগুৱামেই"।

অসমৰ সংগীতৰ 'নিয়ৰৰে ফুল' গীতটো অন্যতম শ্ৰেষ্ঠ গীত। কবি নৱকান্ত বৰুৱাৰ মাথো এই গীতেই ভূপেন হাজৰিকাই গাইছিল। কবিতাটিক মিঠা সুৰেৰে সঁজাই প্ৰাণ ঢালি গালে ভূপেন ককাই -

"নিয়ৰৰে ফুল,

এপাহ ফুলিল,

এপাহ সৰিল কেনি?"

লাহে লাহে সময়ৰ লগত এই গানটো মানুহে প্ৰায় পাহৰিবই ধৰিছিল। সেই সময়তে সকলোকে আচৰিত কৰি জুবিনে গাৰ্গে পুনৰ নিজৰ সাঁচত গীতটি গালে। জুবিনৰ দৰদী কণ্ঠত আকৌ প্ৰাণ পাই উঠিল গীতটোৱে। আকৌ এবাৰ ডেকা, গাভৰু, ককা, আইতা সকলোৰে জুবিনৰ সুৰত বন্দী হ'ল। গীতটো শুনি ভূপেন হাজৰিকাই ক'লে "সি (জুবিনে) নতুন ধৰণে গাইছে। মোৰ ভাল লাগিছে। তাৰ (জুবিনৰ) কণ্ঠত অমৃত আছে।" জুবিনৰ কণ্ঠত 'নিয়ৰৰে ফুল' গানটো শুনি ভূপেন ককাৰ আনন্দত চকুপানী ওলাইছিল।

জুবিন গাৰ্গ আজি এটা বিশাল অনুস্থান। কি কৰা নাই অনুস্থানে? এইডছ্ ৰোগীৰ বাবে কাম কৰিছে। কেন্সাৰ ৰোগীৰ বাবে কাম কৰিছে। শিল্পীৰ সহায়ৰ কাৰণে শিল্পী ন্যাস গঠন কৰিছে। বহু অনাথ শিশুৰ পিতৃ জুবিন গাৰ্গ। কি কৰা নাই তেওঁ? কিন্তু বিনিময়ত কি পাইছে জুবিনে? সংবাদ মাধ্যমৰ TRP ৰ কাৰণে মিছা অপবাদ, বদনাম। মুম্বাইৰ বহু লোভনীয় প্ৰস্তাৱ আৰু বিলাসী জীৱন এৰি থৈ অসমৰ মাটিত অসমীয়াৰ কাৰণেই গান গাই গৈছে। তেওঁৰ বিশাল মনটোক কোনেও বুজিব চেষ্টা নকৰিলে। জয় বৰুৱা, প্ৰিয়ংকা ভৰালী, বাবু, দীক্ষু এই সকলোকে নিজৰ ভৰিত থিয় কৰোৱালে জুবিনে। জুবিনৰ মায়া আলোচনীত সকলোকে প্ৰথমবাৰৰ কাৰণে অংগৰাগ মহন্তক অসমবাসীৰ সৈতে পৰিচয় কৰোৱাই দিছিল জুবিন গাৰ্গে। 'ষ্ট্ৰীং' নামৰ হিন্দী চিনেমাত সংগীত পৰিচালনা কৰা জুবিনে অংগৰাগক এটি গানত কণ্ঠ দিবলৈ প্ৰথম সুযোগ দিছিল। তেনে মহান হৃদয়ৰ জুবিন গাৰ্গ। যি এজোপা বৃহৎ বট গছ আৰু যাৰ ছাঁত আন সকলোৰে আশ্ৰয় লয়।

'ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজো মই চিৰদিন চিৰন্তন আকাশ চুব খোজো'।

তাহানিতেই আকাশ চুব খোজা জুবিন গাৰ্গে বিচাৰি ফুৰে আকাশৰ সীমনা। নিজাববীয়াকৈ সাজি লৈছে আৰু এখন পৃথিৱী, যিখনৰ তেওঁ একছত্ৰী সম্ৰাট।

# ঐতিহ্য বহনকাৰী বিনিময়ৰ মেলা ঃ জোনবিল



**বিষ্ণু ডেকা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

মংগোলীয় মানৱগোষ্ঠীৰ অন্তৰ্গত তিব্বত-বৰ্মী ফৈদৰ অসমৰ প্ৰাচীন অধিবাসীসকলৰ এটি অন্যতম চহকী জনগোষ্ঠী হৈছে তিৱা বা লালুং। বিখ্যাত লা-লি হিলালী গীতৰ লগতে বৰত, লাংখুন পূজা, ৱান ঝুৱা উৎসৱ প্ৰভৃতিত ব্যৱহৃত গীতৰ স্ৰষ্টা। এই তিৱাসকল স্বকীয় ভাষা, সাহিত্য আৰু বৰ্ণাঢ্য সংস্কৃতিৰ বাহক।

বৰ্তমান অসমৰ নগাঁৱৰ পশ্চিম অংশ আৰু সমগ্ৰ মৰিগাঁও জিলাখনেই আছিল এসময়ত তিৱাৰ পোৱালী ৰজাসকলৰ প্ৰাচীন বিভিন্ন ৰাজ্য। বিশেষতঃ মৰিগাঁও জিলাৰ আজিৰ মায়ং, দন্দুৱা, দমাল, বঘৰা, কুমৈ, ঘগুৱা প্ৰভৃতি অঞ্চলবোৰ আছিল মধ্যযুগীয় আহোমৰ কৰতলীয়া ক্ষুদ্ৰ ক্ষুদ্ৰ একো একোখন তিৱাৰ পোৱালী ৰাজশাসিত ৰাজ্য। আনহাতে গোভা, নেলী, খলা, চহৰী প্ৰভৃতি ৰাজ্যও আছিল সম্প্ৰতি মৰিগাঁও জিলাৰ পূৰ্বৰ অতি চহকী ভিন্ন ৰাজশাসনৰ অন্তৰ্গত লালুং ৰাজ্য। বিচিত্ৰ সংস্কৃতিৰ বাহক এই




দাঁতিয়লীয়া ৰাজ্যকেইখনৰ ৰজাসকলে পূৰ্বতে জয়ন্তীয়া ৰাজ্যৰ ৰজাৰ লগত সম্পৰ্ক ৰক্ষা কৰি ৰাজ্য শাসন কৰিছিল। কিন্তু পিছলৈ বাহুবলী, শক্তিধাৰী আহোমৰ তলতীয়া ৰাজ্য হিচাপে পৰিগণিত হয়। গোভা ৰাজ্য আছিল অতি চহকী সংস্কৃতিবান ৰাজ্য। তেওঁলোকৰ নিজা গীত-পদ, লোক-চিন্তা, উৎসৱ-পাৰ্বনবোৰত সম্পূৰ্ণ ৰূপত আজিও সঞ্চিত হৈ আছে, তেওঁলোকৰ প্ৰাচীন চহকী সংস্কৃতিৰ সেই ৰং-ৰূপবোৰ। বিশেষতঃ অসমৰ অসমীয়া সমন্বয় সংহতিৰ পূৰ্ণ পাঠ জোনবিল মেলাই এতিয়াও সোঁৱৰাই দিয়ে গোভা ৰাজ পৰিয়ালৰ চিন্তা-চৰ্চা, শাসন ব্যৱস্থা তথা সাংস্কৃতিক মনৰ কথা।

বৰ্তমান জোনবিল মেলা বুলি কলে অসমৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকেৰে লোকাৰণ্য হৈ পৰা এটি জনসমুদ্ৰলৈ মনত পৰে। য'ত প্ৰাচীন মানৱ সভ্যতাৰ আদান-প্ৰদানৰ সহ-অৱস্থান ওৰফে বিচিত্ৰ বিনিময় প্ৰথা পাহাৰ ভৈয়ামৰ লোকৰ মধুৰ সম্পৰ্ক আৰু সুন্দৰ সমন্বয় সংহতিৰ লেখ, তিৱা জনজাতিৰ বৈচিত্ৰ্যময় নৃত্য গীত, প্ৰাচীন গোভা ৰজাৰ কৰ কাতল সংগ্ৰহৰ নমুনা আৰু অসংখ্য হাট বজাৰ আদি দেখা যায়।

মৰিগাঁও জিলাৰ পশ্চিম দিশত অৱস্থিত প্ৰাচীন তিৱাৰ গোভা ৰজা শাসিত বৰ্তমানৰ শিল্পনগৰী জাগীৰোডৰ সমীপৱৰ্তী কিম্বদন্তী আৰু ইতিহাসৰ জীৱন্ত সাক্ষী জোনবিলৰ পাৰতেই মাঘ বা ভোগালী বিহুৰ সময়ত উদ্‌যাপন হয় বিখ্যাত জোনবিল মেলা। সাধাৰণতে মেলা বিহুৰ পিছৰটো বৃহস্পতিবাৰৰপৰা আৰম্ভ কৰি মুঠতে তিনিদিন ধৰি চলে মেলাৰ আনন্দ, বেচা-কিনা আৰু প্ৰাচীন তিৱা পৰম্পৰাৰ নীতি নিৰ্দেশনাৰ বাহা। শনিবাৰে এই মেলা অন্ত পৰে পুনৰ এবছৰলৈ। মেলাখন আৰম্ভ হোৱাৰ আগদিনাই পাহাৰ আৰু ভৈয়ামৰ ভিতৰুৱা গাঁওবোৰৰপৰা তিৱা, খাছি, বড়ো, কছাৰী, কাৰ্বি আদি জনজাতিৰ লোকসকলে নিজ নিজ ঘৰত আৰু পাহাৰত উৎপাদিত সামগ্ৰীসমূহ লৈ আহে আৰু ইতিহাসক সুঁৱৰি এই জোনবিলৰ পাৰতেই তেওঁলোকে কঢ়িয়াই লৈ অনা বাঁহ আৰু পথাৰত পোৱা ধানৰ নৰাৰ সৰু সৰু ঘৰ সাজে। তাতে তেওঁলোকে স্বকীয় কৃষ্টি-সংস্কৃতিৰে ভাত পানী প্ৰভৃতি ৰান্ধি খায়।

পাহাৰ-ভৈয়ামৰ বিনিময় প্ৰথাটো এইখিনিতে লেখত ল'বলগীয়া। পাহাৰৰ মানুহবোৰে মৰমতে মামা-মামী বুলি সম্বোধন কৰে। পাহাৰীয়াসকলে লগত লৈ অনা পাহাৰীয়া আদা, কচু, কোমোৰা, লা, ধূনা, শিলিখা, আমলখি, চিৰতা, বাহকা, ৰঙালাও আদিৰ সলনা-সলনি কৰে। আকৌ ভৈয়ামৰ লোকসকলেও ঘৰতে বনোৱা সান্দহ, পিঠাগুৰি, তিলৰ পিঠা, তিলৰ লাডু, শুকান মাছ আদি লৈ মৰম চেনেহৰ মাজেৰে পাহাৰীয়া মামা-মামীসকলৰ লগত দ্ৰব্য বিনিময় কৰে। এইখিনিতে উল্লেখযোগ্য যে জোনবিলৰপৰা বিনিময় প্ৰথাৰে লৈ যোৱা সান্দহ, পিঠা, লাডু তথা অন্যান্য খাদ্য সামগ্ৰীবোৰৰ জৰিয়তে পাহাৰীয়া জনজাতিৰ লোকসকলে নিজ নিজ ঘৰত ভোগালী বিহু উদ্‌যাপন কৰে। বিভিন্ন জাতি-জনজাতিৰ লোকসকলে লগলাগি যথেষ্ট সৌহাৰ্যপূৰ্ণভাৱে ঐতিহ্যপূৰ্ণ বিল জোনবিলত সমূহীয়াভাৱে মাছ মৰাৰ পৰম্পৰাও ৰক্ষা কৰা হয়।

গোভা ৰজাই পৰম্পৰা অনুসৰি মেলাৰ দিনকেইটাত মেলাথলীত অস্থায়ী ৰাজ দৰবাৰ পাতি ডা-ডাঙৰীয়া, ঢুলীয়া, কালিয়া আদিৰ সমন্বিতে মেলাৰ নীতি নিয়ম তথা আইন কানুন সম্পৰ্কে মেলাত উপস্থিত সকলো নাগৰিককে অৱগত কৰি থাকে। ইয়াৰ দ্বাৰা প্ৰাচীন তিৱা ৰাজ্যৰ প্ৰশাসন, ৰাজকীয় কাৰ্যৰ সম্যক ধাৰণা উপলব্ধি কৰিব পাৰি। বিষয়ববীয়াসকলে দোকান-পোহাৰীবোৰৰপৰা কৰ-কাটল, চান্দা আদি সংগ্ৰহ কৰে।

এনেদৰেই ঐতিহ্য বহনকাৰী তথা যুগ যুগ ধৰি চলি অহা মেলাখনৰ সমাপ্তি ঘটে জাতি-জনজাতিৰ মিলাপ্ৰীতি আৰু ভাতৃত্ববোধৰ মাজেৰে।

জোনবিল মেলাক বিষয় হিচাপে লৈ মই ২০১০ চনত গীত এটি ৰচনা কৰি ১৭-০১-২০১০ তাৰিখে বাণীবদ্ধ কৰিছিলো, সংগীত ব্যৱস্থাপনা দিলৰাজৰ, ষ্টুডিঅ' ডিজি বিট্, জাগীৰোড। গীতটি পাঠক সমাজৰ বাবে আগবঢ়ালো----

**সমন্বয়ৰ গীত**

গৰৈ পুঠি আৰু ছেঙেলী
জোনবিলৰে বৰালি
সুখেৰে খাম আমি গধূলি
ঔ আৰু কচুৰে তৰকাৰি
গৰৈ পুঠি .........
.................. বৰালি।

জোনবিলৰ মেলাতে
তিলৰে পিঠাৰে
সলামে আদা হালধি
জোনবিলৰ মেলাতে
সান্দহৰ গুৰিৰে
সলামে লাও পাচলি।
বিনিময় প্ৰথা আমি ৰাখিমে ধৰি
জোনবিলৰ পাৰতে মাঘত বছৰি
গৰৈ পুঠি .........
.................. বৰালি।

পাহাৰে-ভৈয়ামে বিয়পি পৰিলে
জোনবিবলৰে গাঁঠা।
একতাৰ জৰিৰে বহুজাতি মিলি
পাতিলে ৰঙেৰে মেলা।
আমি অসমীয়া অসমৰে
নানা জাতি মিলি জুলি একেলগে
গৰৈ পুঠি .........
.................. বৰালি।।

# পবিতৰা অভয়াৰণ্য



**অভিলেখা পাটৰ**
পঞ্চম ষাণ্মাষিক

**আৰম্ভণি ঃ**

পবিতৰা অভয়াৰণ্য অসমৰ পৰ্যটন স্থান সমূহৰ ভিতৰতে এখন উল্লেখযোগ্য পৰ্যটন স্থান। এই অভয়াৰণ্যখন মৰিগাঁওজিলাৰ মায়ং মৌজাৰ অৰ্ন্তগত। পৃথিৱীৰ বিখ্যাত এশিঙীয়া গড়ঁ পবিতৰা অভয়াৰণ্যত দেখিবলৈ পোৱা যায়। এই অভয়াৰণ্যত গড়ঁৰ সংখ্যাৰ ঘনত্ব পৃথিৱীৰ ভিতৰতে সৰ্বাধিক। এই অভয়াৰণ্যত বহুতো জীৱ- জন্তুৰ আবাসস্থল।

সেয়েহে পৃথিৱীৰ বিখ্যাত এশিঙীয়া গড়ঁৰ লগতে শীতকালত পৰিভ্ৰমী চৰাই আগমনৰ কাৰণে দেশী-বিদেশী পৰ্যটকৰ সমাগম হোৱা দেখিবলৈ পোৱা যায়। লগতে পবিতৰা অভয়াৰণ্যৰ মাজেদি পাৰ হৈ যোৱা গৰঙা বিলৰ আশে- পাশে পিকনিকৰ বাবে অতি সুন্দৰ ঠাই আছে।

পবিতৰাক এখন সৰু কাজিৰঙা বুলি ক'লেও ভুল কোৱা নহয়। কাৰণ পবিতৰা এখন সৰু অভয়াৰণ্য হ'লেও ইয়াত বিভিন্ন প্ৰজাতিৰ চৰাই, গছ-গছনি, ইকৰা ,তৰা, জলচৰ প্ৰাণী, হাতী, বাঘ, গড়ঁ, বনৰীয়া ম'হ



আৰু বনৰীয়া ফুলবোৰ পোৱা যায়। সেই কাৰণে পবিতৰাক কাজিৰঙা অভয়াৰণ্যৰ লগত তুলনা কৰিব পাৰি।




নামৰ উৎপত্তি ঃ- ঠাইখনৰ নামটো 'পবিতৰা' কিয় ৰখা হৈছিল এই লৈ স্থানীয় ৰাইজৰ বিভিন্নজনে বিভিন্ন ধৰণে মাত কথা আগবঢ়ায়। কিছুমানৰ মতে মায়ঙৰ ৰজাৰ এগৰাকী অতি সুন্দৰী জীয়ৰী আছিল। তাইৰ নাম 'পবিত্ৰা' আছিল। কিন্তু পবিত্ৰাৰ যৌৱন কালতে অকাল মৃত্যু ঘটে। মায়ঙৰ ৰজাই জীয়েকৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ সেই ঠাইৰ নাম পবিত্ৰা ৰাখিলে। কালক্ৰমত মানুহৰ মুখে মুখে বাগৰি এই বনাঞ্চলৰ নাম 'পবিত্ৰা' সলনি 'পবিতৰা' হ'ল।

অন্য এটা প্ৰবাদমতে, এই বনাঞ্চলত পাতিদৈয়া আৰু তৰা ইত্যাদি উদ্ভিদেৰে ভৰপূৰ হৈ আছিল। পাতিদৈয়া আৰু তৰাৰ প্ৰাচুৰ্য্যতাৰ বাবে এই হাবিডৰাক পাতিতৰা কৈছিল। সেই অনুসৰি পাতিতৰাৰ পৰাই পিছলৈ "পবিতৰা" হোৱা বুলি কোৱা হয়।

আকৌ আন প্ৰবাদমতে বহুলোকে কয় যে পবিতৰা হৈছে পুবৰ তৰা। কিন্তু ইয়াৰ বাহিৰেও আৰু কোনোধৰণৰ প্ৰাথমিক তথ্য জানিব পোৱা নাযায়।

**অৱস্থিতি ঃ** পবিতৰা অভয়াৰণ্য গুৱাহাটীৰ পৰা ৫২কি.মি. পূব দিশত মৰিগাঁও জিলাত অৱস্থিত। মায়ং, কমাৰপুৰ আৰু মনহা পাহাৰৰ মাজত অৱস্থিত। এই অৰণ্যৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোমোহা। বৰ্তমান মৰিগাঁও জিলাৰ মায়ং ৰাজহচক্ৰৰ মায়ং মৌজাত ব্ৰহ্মপুত্ৰ নদী আৰু কলং সুতিয়ে সৃষ্টি কৰা ভূমিখণ্ডৰ মাজত এই পবিতৰা অভয়াৰণ্য অৱস্থিত। ই নগাওঁ জিলাৰ সদৰৰ পৰা ৮৩ কি.মি. দূৰত্বত আৰু মৰিগাওঁ সদৰৰ পৰা ৩৮কি.মি. দূৰত্বত অৱস্থিত। ৰাজধানী দিছপুৰৰ পৰা ইয়াৰ দূৰত্ব ৮০কি.মি.। পবিতৰা অভয়াৰণ্যৰ অক্ষাংশ (উত্তৰ) ২৬.২৪° ৰ পৰা ২৬.২২° লৈ আৰু দ্ৰাঘিমাংশ (পূব) ৯২.০৩৯ ৰ পৰা ৯২.০৬৯ লৈ বিস্তৃত।

ভৌগোলিক বিৱৰণ আৰু চাৰিসীমা ঃ-পূৰ্বৰ সংৰক্ষিত বনাঞ্চলৰ মাটিকালিৰ পৰিমান ১৫৮৪.৭৬ হেক্টৰ বা ১২০০ বিঘা আছিল। পৰৱৰ্ত্তী সময়ত পূবে আৰু পশ্চিমে দুটা কৰিডৰৰ নিৰ্মাণ কৰি ১১০৬ হেক্টৰ মাটিও পবিতৰা অভয়াৰণ্যত অন্তৰ্ভুক্ত কৰা হৈছে। শেহতীয়াভাৱে ৰজামায়ং বনাঞ্চলখনো চৰকাৰে পবিতৰা অভয়াৰণ্যৰ লগত সংযোজিত কৰিছে। ইয়াৰ মাটিকালি ১১৯.৮৫ হেক্টৰ। বৰ্তমান পবিতৰা অভয়াৰণ্যৰ মুঠ মাটিকালি হ'ল ২৭৭৬.৬২ হেক্টৰ (৩৮.৮০ বৰ্গ কি. মি.)।

**চাৰিসীমা ঃ**

ইয়াৰ উত্তৰে ৰজামায়ং, মুৰকটা আৰু শিলদুবী ৰাজহ গাওঁ।

ঃ- দক্ষিণে হাতীগড় আৰু ঠেংভাঙ্গা ভি.জি.আ.।

ঃ- পূবে নখোলা, ভকতগাওঁ, মনহা, ৰজামায়ং, কাজলিচকী গড়কাপ্তানী পথ।

ঃ- পশ্চিমে গৰঙা বিল আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ পথ।

**জলবায়ু ঃ**

পবিতৰা অভয়াৰণ্য অঞ্চলটো নাতিশীতোষ্ণ জলবায়ু অঞ্চল। বৰষুণৰ মাত্ৰা অত্যাধিক হয়। ইয়াত গড়ে ৭০% ৰ পৰা ৯০% বৰষুণৰ পৰিমান স্বাভাৱিকভাৱেই কমি যায়। সৰ্বাধিক তাপমাত্ৰা ৯০ডিগ্ৰী ছেণ্টিগ্ৰেড।

**ইতিহাস ঃ**

১৯৭৯ চনৰ ১৮ নৱেম্বৰ তাৰিখে Govt natification no/ 4 settlement /542/65/54 memo no মৰ্মে অসম চৰকাৰে গেজেট নটিফিকেচনৰ যোগেদি সীমা নিৰূপন কৰি পবিতৰাক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষনা কৰে। ইাৰ মাটিকালি ১৫৮৪.৭৬ হেক্টৰ বা ১২০০০ বিঘা অসম চৰকাৰে পবিতৰা পি. জি. আৰক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষনা কৰে। সেয়েহে হাদুগ খুটিৰ খুটিয়াল সকলক তাৰ পৰা উচ্ছেদ কৰি হাতীগড় ভি. জি. আৰ উত্তৰ ফালে ১৫০ বিঘা মাটি সংস্থাপনৰ বাবে আৱণ্টন কৰিছিল।

ইংৰাজী ১৯৮৭ চনৰ No, F.W.R./19/87/39 নং গেজেট মৰ্মে অসম চৰকাৰে পবিতৰাক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰে।

**জৈৱ-বৈচিত্র্য ঃ-** পবিতৰা অভয়াৰণ্য জৈৱ- বৈচিত্ৰ্যৰ ক্ষেত্ৰ ত চহকী। কাৰণ পবিতৰা ক্ষুদ্ৰ প্ৰানীৰ পৰা বৃহৎ প্ৰানীও পোৱা যায়। বিশেষকৈ এই অভয়াৰণ্যক তিনিটা অঞ্চলত ভাগ কৰিছে। সেমেকা অঞ্চল(১৪.৬৬), বৃক্ষ অঞ্চল (১৮.৪৪), আৰু ঘাঁহনি অঞ্চল (৫৬.৯)। বৃক্ষ অঞ্চল আগুৰি আছে আকাশলঙঘী আজাৰ, কটৰ, ভেলচৰ, খুদ জামু ইত্যাদি নানা দুষ্প্ৰাপ্য বৃক্ষৰে। বৃক্ষ অঞ্চল আগুৰি থকা ১১বৰ্গ কি.মি. বুঢ়া মায়ং পাহাৰত থকা বৃক্ষসমূহৰ ভিতৰত টেপা, আহত, বট, অৰ্জুন, তিতাচপা ইত্যাদিয়েই প্ৰধান।

ইয়াত থকা জীৱ- জন্তুসমূহৰ বিচৰণভূমি ঘাঁহনি অঞ্চলত থকা মূল্যৱান তৃণ হ'লবিৰিণা, ইকৰা, খাগৰি, উলুখেৰ আৰু চনখেৰ। সেমেকা অঞ্চলত থকা সৰু- ডাঙৰ বিলসমূহত প্ৰায় ৬৮ বিধ বিভিন্ন প্ৰজাতিৰ মাছ আছে। ইয়াৰ উপৰিও এই অঞ্চলত দল, মেটেকা, কলমৌ, কণা শিমলু, শিঙৰী আৰু পুনী ইত্যাদি আছে।

পবিতৰা ভয়াৰণ্য সাধাৰণতে এশিঙীয়া গড়ৰ বাবে বিখ্যাত। কিন্তু এই অৰণ্যত গড়ৰ বাহিৰেও বন গাহৰি, নাহৰ ফুটুকী বাঘ, মাছৰৈ মেকুৰী, বন মেকুৰী, জহামাল, ম'হ ইত্যাদি যথেষ্ট পৰিমানে আছে। এই অৰণ্যত ২৪ বিধ স্তন্যপায়ী প্ৰাণী, ২২০ বিধ চৰাই, ৩১ বিধ সৰীসৃপ, ৮২ বিধ পখিলা, ১০ বিধ উভচৰ প্ৰাণী,৬৮ বিধ মাছ পোৱা যায়।

কিন্তু ৰূপহী পবিতৰাক অধিক আকৰ্ষণীয় কৰি তোলে পৰিভ্ৰমী চৰাইবোৰে। নৱেম্বৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাহৰ শেষলৈকে এই চৰাইবোৰ পবিতৰা অভয়াৰণ্যত থাকে। ২০০১ চনৰ গণনা অনুসৰি পৰিভ্ৰমী চৰাইৰ সংখ্যা ২০,০০০ হাজাৰতকৈ অধিক আছিল।

জানুৱাৰী- ফেব্ৰুৱাৰী মাহত আজাৰ ফুলৰ সুবাসে যেতিয়া পবিতৰা বেঙুনীয়া কৰি তোলে তেতিয়াই পৰিভ্ৰমী চৰাইবোৰ আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে মেলানি মাগে। শীতৰ শেষত পলাশ, শিমলু পবিতৰাক ৰাঙলী কৰি তোলে। আকৌ বসন্তৰ পৰশ পাই ভেট ফুলবোৰ ৰূপৰ পোহাৰ মেলে। মুঠতে পবিতৰা অভয়াৰণ্য জৈৱ- বৈচিত্ৰ্যৰ ক্ষেত্ৰ তে চহকী নহয় প্ৰাকৃতিক পৰিবেশৰ ক্ষেত্ৰ তো চহকী। গতিকে পবিতৰা অভয়াৰণ্যত পৰ্য্যটকক আকৰ্ষণ কৰিব পৰাকৈ অফুৰন্ত প্ৰাকৃতিক সম্ভাৰ আছে।

**পৰ্যটনৰ সুবিধা ঃ-** পবিতৰাক এখন সৰু কাজিৰঙা বুলি কোৱা হয়। ইয়াৰ দাঁতি কাষৰীয়া অঞ্চল ক'লা যাদুৰ বাবে বিখ্যাত, পৰ্য্যটকক আকৰ্ষিত কৰিব পৰাকৈ বহুতো পুৰণি মঠ- মন্দিৰ আছে। কিন্তু অতি পৰিতাপৰ বিষয় যে, পৰ্য্যটনৰ সম্ভাৱনা থকা সত্ত্বেও অন্য অভয়াৰণ্যৰ তুলনাত পবিতৰাত পৰ্যটকৰ সংখ্যা কম।

ইয়াৰ উপৰিও গুৱাহাটীৰ চন্দ্ৰপুৰ কাজলি ঘাটেৰে পবিতৰালৈ অন্য যানৰ লগতে ট্ৰেকাৰো অহা- যোৱা কৰিব পৰাৰ সুবিধা আছে। ঠায়ে ঠায়ে টিউবেল বহুৱাই বনভোজ খোৱাৰ দলসমূহৰ বাবে বিশুদ্ধ খোৱ- পানীৰ ব্যৱস্থা হৈছে।

পৰ্যটক সকলৰ থকা খোৱাৰ বাবে অসম চৰকাৰে পৰ্যটন বিভাগৰ অধীনত ৪টা কোঠাযুক্ত "মায়ং অতিথিশালা" আৰু বনবিভাগৰ অধীনত দুটা কোঠাৰ "মায়ং পৰিদৰ্শন বঙলা" ব্যৱস্থা আছে। পৰ্যটকৰ সুবিধাৰ বাবে অৰণ্য দৰ্শনৰ বাবে জীপ ছাফাৰী আৰু হাতীৰ ব্যৱস্থাও আছে।

**সমস্যা ঃ** পবিতৰা অভয়াৰণ্যৰ পৰেধান সমস্যাবোৰ হ'ল- (ক) গড় হত্যা, (খ) বানপানী, (গ) চোৰাং- চিকাৰী।



(ক) গড় হত্যা ঃ-পৃথিৱীৰ ভিতৰতে সৰ্বাধিক ঘনত্ব এশিঙীয়া গড় পবিতৰাতে আছে। কিন্তু বানপানী আৰু চোৰাং চিকাৰীৰ কাৰণে বহুতো গড় মৃত্যু মুখত পৰিছে। বিশেষকৈ চোৰাং চিকাৰীয়ে হত্যা কৰাৰ ফলত অভয়াৰণ্যখনত গড়ৰ সংখ্যা দিনকদিনে কমি গৈছে। এনেদৰে গড় হত্যা হৈ থাকিলে ভৱিষ্যতে গড়ৰ সংখ্যা বিলুপ্ত হৈ পৰিব।

(খ) বানপানী ঃ-পবিতৰা অভয়াৰণ্যৰ নিচেই ওচৰতে বহ্মপুত্ৰ নদী হোৱা বাবে বানপানী সমস্যাটো একেবাৰে এৰিব নোৱাৰা হৈ পৰিছে। যাৰ কাৰণে প্ৰত্যেক বছৰেই বন্যপ্ৰানীবোৰৰ বাসস্থান আৰু খাদ্য সংকটৰ বলি হ'বলগীয়া হয়।

(গ) চোৰং- চিকাৰী ঃ- চোৰাং- চিকাৰীবোৰে গড় হত্যা কৰাৰ লগতে মূল্যৱান গছ- গছনি কাটি ধ্বংস কৰাৰ বাবে পবিতৰা অভয়াৰণ্যত উদ্ভিদৰ সংখ্যা কমি গৈছে।

মতামত ঃ- পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য বহুতো সমস্যাৰে ভৰপূৰ। সেয়েহে ইয়াৰ বনবিভাগে যথেষ্ট পৰিমাণে গুৰুত্ব দিয়া প্ৰয়োজন আছে বুলি মই ভাবো। তাৰ ভিতৰত -

(ক) পবিতৰা অভয়াৰণ্যত গড়ঁ হত্যাৰ পৰিমাণ দিনে দিনে বাঢ়ি আহিবলৈ ধৰিছে। সেয়েহে গড়ঁ হত্যা বন্ধ নকৰিলে বা উচিত ব্যৱস্থা নল'লে এশিঙীয়া গড়ঁ এই অভয়াৰণ্যৰ পৰা বিলুপ্ত প্ৰাণী হৈ পৰিব আৰু সেই কাৰণে বনবিভাগে অভয়াৰণ্যত পাৰ্যমানে বনকৰ্মী নিয়োগ কৰিব লাগে।

(খ) পবিতৰা অভয়াৰণ্যৰ নিচেই ওচৰত ব্ৰহ্মপুত্ৰ নদী হোৱাৰ বাবে প্ৰত্যেক বছৰেই এই অভয়াৰণ্য বানপানীৰ কবলত পৰি আহিছে। বানপানীৰ সময়ত বন্যপ্ৰাণীবোৰৰ বাসস্থান নাইকিয়া হোৱাৰ লগতে খাদ্য সংকটে দেখা দিয়ে। সেই কাৰণে চৰকাৰে অভয়াৰণ্যখনৰ সীমাবোৰ ওখ কৰি বানপানী ৰোধ কৰিব পাৰে।

(গ) পবিতৰা অভয়াৰণ্যৰ প্ৰধান সমস্যা হৈছে চোৰাং-চিকাৰী। এই অভয়াৰণ্যখনৰ মূল্যৱান গছ- গছনিবোৰ দিনক দিনে ধ্বংস হৈ আহিছে। এই চোৰাং- চিকাৰীবোৰক গছ- গছনি কটাৰ পৰা বা জীৱ- জন্তু হত্যা কৰাৰ পৰা ৰক্ষা কৰিব লাগে। সেয়েহে বন বিভাগে উপযুক্তভাৱে সুৰক্ষা প্ৰদান কৰিব লাগে।

(ঘ) এই অভয়াৰণ্যৰওচৰত থকা উদ্যোগবোৰৰ পৰা নিৰ্গত হোৱা আৱৰ্জনাবোৰ কিছুদূৰত পেলাব লাগে অথবা দ ঠাইত পুতি থব লাগে যাতে ইয়াৰ পৰা কোনো প্ৰাণী আৰু পৰিৱেশৰ বিনষ্ট নহয়।

**সামৰণি ঃ** "পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্য" এখন মনোমোহা পৰিবেশৰ পৰ্যটন ঠাই। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য চিৰস্মৰণীয়। সেয়েহে ই এখন লেখত লবলগীয়া পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি উঠিছে। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটকে এই পৰ্যটন স্থলীলৈ অহা দেখা পোৱা যায়। আমিও এই অভয়াৰণ্যখনৰ প্ৰাকৃতিক পৰিৱেশৰ লগতে পৃথিৱীৰ বিখ্যাত এশিঙীয়া গড় চোৱাৰ বাবে বাৰুকৈয়ে আকৰ্ষিত হওঁ। সেয়ে আমি আমাৰ পৰিৱেশ অধ্যয়নৰ ক্ষেত্ৰ অধ্যয়নটো পবিতৰাত কৰিবলৈ পাই যথেষ্ট আনন্দিত হৈছিলো।

এই অভয়াৰণ্যখনৰ ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰি পবিতৰাৰ প্ৰাকৃতিক পৰিৱেশৰ লগতে ইয়াৰ জৈৱ- বৈচিত্ৰ তা সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিলো। পবিতৰা অধ্যয়ন কৰি বহুতো নজনা কথা জানিব পাৰিলো আৰু পবিতৰাৰ ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰাৰ সুযোগ লাভ কৰাৰ বাবে আমি সকলোৱে আনন্দিত হ'লো। ইয়াৰ সকলো স্মৃতি মানসপটত চিৰস্মৰণীয় হৈ থাকিব।

●

# গোলকীকৰণৰ প্ৰত্যাহ্বান

**ডেভিদ ভূএগ**
তৃতীয় যান্মাষিক

চকাৰ আবিস্কাৰৰ লগে লগে মানৱজাতিয়ে সভ্যতাৰ পথলৈ আগবাঢ়িল। আদিম অৱস্থাৰে পৰা মানুহে বৰ্তমান সময়লৈ কেৱল উন্নতিৰ পথতে ব্যস্ত হৈ আহিছে বিভিন্ন ধৰণৰ জটিল কাম সমাধা কৰিব পৰাটো মানৱ জাতিৰ বাবে গৌৰৱৰ কথা হৈ পৰিছে। বিজ্ঞানে বৰ্তমান সমগ্ৰ বিশ্বখনকে আগুৰি লৈছে। বিজ্ঞানৰ পয়োভৰ বাঢ়ি অহাৰ লগে লগে মানৱে নতুন দিশৰ সূচনা কৰিব ধৰিলে। বিজ্ঞান অবিহনে বৰ্তমান জীৱন-ধাৰণ অসম্ভৱ হৈ পৰিছে। আদিম অৱস্থাৰ পৰা আৰম্ভ কৰি বিজ্ঞানে বৰ্তমান বিশ্বখনক এনেকুৱা এটা পৰিস্থিতিলৈ লৈ গ'ল যে আদিম অৱস্থাৰ পৃথিৱী বুলিলে মানুহৰ মনত যি ভাব আছিল বৰ্তমান তেনে ভাব নাই। বিজ্ঞানৰ অগ্ৰগতিৰ বাবে বৰ্তমানৰ পৃথিৱী খন এখন গোলকীয় গাঁৱত পৰিণত হৈছে। বৰ্তমান সময়ত বিজ্ঞানে প্ৰায়ে অন্ধবিশ্বাস নাইকিয়া কৰিবলৈ সক্ষম হৈছে। আদিম অৱস্থাত মানুহে অন্ধবিশ্বাস আৰু কুসংস্কাৰ পুহি ৰাখি এক উশৃংখল সমাজৰ সৃষ্টি কৰিছিল। কিন্তু বৰ্তমান মানৱে সেই সমূহৰ পুংখানুপুংখ দিশ অধ্যয়ন কৰি তাৰ উচিত যুক্তি আগবঢ়াবলৈ সক্ষম হৈছে। বিজ্ঞানে বৰ্তমান গোটেই পৃথিৱী খনৰে ৰূপ সলনি কৰি পেলাইছে। গোলকীকৰণৰ ফলত বৰ্তমান মানুহৰ যোগাযোগ আৰু যাতায়ত একেবাৰে সহজ হৈ পৰিল। আগৰ দিনত এখন দেশ বা এখন ঠাইৰ পৰা আন এখন দেশলৈ যাত্ৰা কৰোতে বহু সময়ৰ প্ৰয়োজন হৈছিল, কিন্তু বৰ্তমানে অতি খৰটকীয়া যাতায়ত মাধ্যমৰ জৰিয়তে সময় বচাবলৈ সক্ষম হৈছে। যোগাযোগ মাধ্যমেৰে বৰ্তমান



ব্যৱস্থাৰ ঠাই অধিকাৰ কৰিছে টেকন'লজিয়ে। ৰ'দ, বতাহ, বৰষুণ ইত্যাদি সকলোৰে পৰা মানুহে বৰ্তমান সুৰক্ষিত হ'ব পাৰিছে। বিজ্ঞানৰ শিক্ষাই সমগ্ৰ বিশ্ববাসীক এক নতুন পথৰ সন্ধান দিলে। বৰ্তমানে মানৱ জাতিৰ বাবে বিজ্ঞানৰ অবদান সম্পৰ্কে কৈ শেষ কৰাটো টান। কিয়নো বিজ্ঞানে ইটোৰ পিছত সিটোকৈ বহুতো দিবলৈ সক্ষম হৈছে। বিজ্ঞানৰ প্ৰয়োগ বৰ্তমানে পৃথিৱীতে সীমাবদ্ধ নহয় ই মহাকাশ পৰ্যন্ত বিয়পিবলৈ সক্ষম হৈছে। দূৰসংযোগী কৃত্ৰিম উপগ্ৰহৰ সহায়েৰে মানুহে বৰ্তমানে বহুতো নতুন নতুন তথ্য আবিস্কাৰ কৰিব পৰা হ'ল।

গোলকীকৰণৰ ফলত মানৱজাতিয়ে যিদৰে ইমান খিনি উন্নতি কৰিছে ঠিক তেনেদৰে অৱনতিয়ো হৈছে। গোলকীকৰণে গোটেই বিশ্বৰ ওপৰত প্ৰভাব পেলাইছে। সমগ্ৰ বিশ্ব বাসী বৰ্তমানে সন্মুখীন হৈছে যথেষ্ট কঠিন প্ৰত্যাহ্বানৰ। এই প্ৰত্যাহান দূৰ কৰাতো অতি সহজ সাধ্য কাম নহয় যদিহে সমগ্ৰ বিশ্বৰ প্ৰত্যেকজন ব্যক্তিয়ে এই কথাটো বুজি নুঠে। বৰ্তমান অভাৱনীয় ভাবে বৃদ্ধি পোৱা সেউজ গৃহ গেছৰ প্ৰভাৱ পৃথিৱীৰ প্ৰত্যেকটো জীৱই ভুগিব লগা হৈছে। আমি বৰ্তমানে সজাগ নহ'লে সেউজ গৃহ গেছৰ পৰিণাম ভুগি আছো আৰু ভৱিষ্যতলৈ ভুগিব লাগিব। বৰ্তমানে পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তা প্ৰত্যেক জন ব্যক্তিৰ বাবেই অপৰিহাৰ্য্য। সেউজ গৃহ ক্ৰিয়াৰ ফল স্বৰূপে কেৱল গোলকীয় উষ্ণতা বৃদ্ধি হোৱাই নহয়, ই জলবায়ু আৰু প্ৰাকৃতিক পদ্ধতি সমূহৰ ওপৰতো যথেষ্ট প্ৰভাব পেলাইছে। সেউজ গৃহ ক্ৰিয়াৰ বাবে বিগত ৩০ বছৰৰ ভিতৰত গোলকীয় উষ্ণতা ০.৫ ছেন্টিগ্ৰেড বৃদ্ধি পাইছে। যদি এই সেউজ ক্ৰিয়াৰ বাবে জগৰীয়া গেছ সমূহ বৰ্তমান হাৰত বৃদ্ধি পাই গৈ থাকে তেন্তে ২০৫০ চনত গোলকীয় উষ্ণতা ১.৫ ছেঃ ৰ পৰা ৫.৫ ছেঃ পৰ্যন্ত বৃদ্ধি পাব পাৰে। গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি পাব। কাৰণ ভূ পৃষ্ঠৰ উষ্ণতা বৃদ্ধিৰ ফলত মেৰু আৰু পৰ্বত পাহাৰত থকা বৰফ গলি যাব আৰু সাগৰ পৃষ্ঠৰ উচ্চতা বাঢ়ি যাব। আমি যদি তথ্য সমূহ বিশ্লেষণ কৰি চাওঁ তেন্তে দেখা যাব যে অহা ৫০-১০০ বছৰৰ ভিতৰত বায়ুমণ্ডলীয় উষ্ণতা ৩° ছেঃ বৃদ্ধি পাব আৰু তাৰ ফলত সাগৰ পৃষ্ঠৰ উচ্চতা ০.২-১.৫ মিটাৰ ওপৰলৈ উঠিব। সাগৰ পৃষ্ঠৰ উচ্চতা ১ মিটাৰ বৃদ্ধি পালে বেংকক, চিডনী, ভেনিচ আদি চহৰ সমূহ সম্পূৰ্ণ ৰূপে বুৰ যাব। তাৰোপৰি হিমালয়ৰ বৰফ গলাৰ ফলত বাংলাদেশ, ভাৰত, চীন আদিৰ বহু অঞ্চল বুৰ যাব লগতে যথেষ্ট সংখ্যক কৃষি ভূমি নিচিহ্ন হ'ব তেতিয়া ভীষণ খাদ্য সংকটে দেখা দিব।

গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত মানুহৰ স্বাস্থ্যৰ ওপৰত যথেষ্ট প্ৰভাব পৰিব। উষ্ণতা বৃদ্ধিৰ ফলত মানুহে অদ্ভুত ৰোগত আক্ৰান্ত হ'ব পাৰে। উষ্ণতা বৃদ্ধিৰ ফলত শ্বাসজনিত ৰোগৰ প্ৰবণতা বৃদ্ধি পাব।

গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত ভৱিষ্যতে আমি এক অভাবনীয় পৰিস্থিতিৰ সন্মুখীন হ'ম। যিহেতুকে আমি তেনে এটা পৰিস্থিতি কামনা নকৰো সেয়েহে আমি প্ৰত্যেকজন ব্যক্তিয়ে সচেতন হবৰ হ'ল। আমি সকলোৱেই বিশ্ব পৰিৱেশ দিৱস পালন কৰো আৰু সেই দিনাই এটা গছপুলি ৰুই আমি আমাৰ দায়িত্ব পালন কৰো। কিন্তু গছপুলিটো ৰুলেই আমাৰ বাৰু দায়িত্ব শেষনে? নিজৰ সন্তানক প্ৰতিপালন কৰি ডাঙৰ দীঘল কৰাৰ দৰে পুলিটোক এডাল মূল্যবান গছলৈ বৰ্দ্ধন কৰা দায়িত্ব আমাৰ জানো নাই? আমি বাৰু গোলকীয় উষ্ণতা বৃদ্ধি কৰি নিৰীহ জীৱ সমূহৰ ওপৰত অত্যাচাৰ চলোৱা নাইনে? বৰ্তমান গোলকীয় উষ্ণতা বৃদ্ধি এখন ঠাই বা এটা অঞ্চলৰ সমস্যা হৈ থকা নাই। ই বৰ্তমান সমগ্ৰ বিশ্বৰ এটা সমস্যা আৰু এই সমস্যা সমাধানৰ বাবে প্ৰত্যেক জন ব্যক্তিৰে দায়িত্ব আৰু কৰ্ত্তব্য আছে। আমি এই সমস্যাটোৰ পৰা এৰাই চলিলে অদূৰ ভৱিষ্যতে সকলোৱে ধ্বংসৰ গৰাহত পৰিম। জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত আমাৰ মাজৰ পৰা কিছুমান জীৱ লুপ্ত হৈ যাব ধৰিছে। এই জীৱ সমূহৰ ৰক্ষণা বেক্ষণৰ দায়িত্ব আমাৰ আছে।

আমি যদি ১৯৮৮ চনৰ সময়লৈ ঘূৰি যাব বিচাৰো তেনেহলে ৩০ বছৰ পৰ্যন্ত কয়লা, পেট্ৰ'ল, ডিজেল আদি ইন্ধনৰ ব্যৱহাৰ বন্ধ কৰি দিব লাগিব। হাইড্ৰজেন চালিত যান-বাহন প্ৰস্তুতৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। আমি প্ৰদূষণ মুক্ত বাহনৰ উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰি সেইবোৰৰ ব্যৱহাৰ কৰিব লাগিব। জনসংখ্যা বৃদ্ধিৰ হাৰ ৰোধ কৰিব লাগিব আৰু জন-সজাগতা সৃষ্টি কৰিব লাগিব।

আমি এই সমস্যা সমূহৰ উপযুক্ত সমাধান সূত্ৰ উলিয়াই হাতে কামে লাগি যাব লাগিব। নহলে সমগ্ৰ বিশ্ববাসী নানান সমস্যাত ভূগিব আৰু মৃত্যুৰ গৰাহত পৰিব।

●

# দিল্লীত উত্তৰ-পূৰ্ব বাসীক হত্যা-ই কেতিয়া বন্ধ হব?

**বিকি পাল**
দ্বিতীয় ষাম্মাসিক (বাণিজ্য বিভাগ)

কৌন বনেগা কৰৌৰপতিৰ এটা নতুন বিজ্ঞাপন টেলিভিছনত সকলোৱে দেখিছে নিশ্চয়। পূৰ্ণিমা নামৰ এগৰাকী ছোৱালীক অমিতাভ বচ্চনে প্ৰশ্ন সুধিছে- ক'হিমা চহৰ কোন দেশত অৱস্থিত? প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ পূৰ্ণিমাই (জানি শুনি) অডিয়েন্স পল লাইফ লাইনটো লৈছে। উপস্থিত থকা সকলো এইজনীয়েই এই সাধাৰণ কথাটোও নাজানে- এই ভাবটো মুখলৈ আনি বুটাম টিপি প্ৰশ্নটোৰ শুদ্ধ উত্তৰ দিছে- ক'হিমা নগৰ ভাৰতত অৱস্থিত। অমিতাভ বচ্চনে কৈছে ১০০% অ'ডিয়েন্সে কৈছে ভাৰত। এয়াতো সকলোৱে জানে। পূৰ্ণিমাই কৈছে- হয় চাৰ, সকলোৱে জানে, কিন্তু কেইজনে মানে?

চাক দে ইণ্ডিয়া নামৰ হিট চিনেমাখনত দুটা দৃশ্য আছে, এটা দৃশ্য মণিপুৰ আৰু মিজোৰামৰ খেলুৱৈ দুগৰাকীক স্থানীয় ল'ৰাই অভদ্ৰ ব্যৱহাৰ কৰিছে, আনটো দৃশ্যত প্ৰশিক্ষণ শিবিৰটোত খেলুৱৈসকলৰ ৰেজিষ্ট্ৰেশ্যনৰ দায়িত্বত থকা মানুহজনে খেলুৱৈ দুগৰাকীক কৈছে- আপোনালোক আমাৰ আলহী। খেলুৱৈ দুগৰাকীয়ে আচৰিত হৈ চাই থকা দেখি মানুহজনে পুনৰ কৈছে- কিয়, সুখী হোৱা নাই নেকি? (যেন আলহী বুলি কৈ বহুত দয়া দেখুওৱা হ'ল)। জোকৰ মুখত চুণ দি এগৰাকী খেলুৱৈয়ে উত্তৰ দিছে- নিজৰ দেশত আলহী হৈ আপুনি সুখী হ'বনে?

হয় চাৰ, সকলোৱে জানে, কিন্তু কেইজনে মানে? নিজৰ দেশত আলহী হৈ আপুনি সুখী হ'বনে?- আচল প্ৰশ্ন এই দুটাই। ভাৰতত উত্তৰ- পূৰ্বাঞ্চলৰ লোকসকলো যে আন সকলো ভাৰতীয় নাগৰিকৰ দৰে একেই অধিকাৰৰে, একেই সন্মানেৰে, একেই গৌৰৱেৰে সমান ভাৰতীয় নাগৰিক সেই কথাটো সকলো ভাৰতীয়ই মানি লয়নে? দিল্লী আদি ঠাইত সকলো ভাৰতীয় নাগৰিকে উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলক ভদ্ৰজনোচিত সন্মানজনক ব্যৱহাৰ কৰেনে? ভাৰতত কিছুমান ঠাইত বাস কৰা প্ৰবাসী উত্তৰ পূৰ্বাঞ্চলবাসীৰ বেছিভাগৰে (আনকি জাহ্নু বৰুৱা, মেৰীকমৰ দৰে লোকৰো) অভিজ্ঞতা কিন্তু সুখকৰ নহয়। ওপৰত কোৱা বিজ্ঞাপনটোৱে বা চিনেমাৰ দৃশ্য কেইটাই যিসকল ভাৰতীয় নাগৰিকে দিল্লী আদি ঠাইত একমাত্ৰ উত্তৰ- পূৰ্বাঞ্চলবাসী হোৱাৰ দোষতেই (!) এজন একে ভাৰতীয়

ভাৰতত উত্তৰ- পূৰ্বাঞ্চলৰ লোকসকলো যে আন সকলো ভাৰতীয় নাগৰিকৰ দৰে একেই অধিকাৰৰে, একেই সন্মানেৰে, একেই গৌৰৱেৰে সমান ভাৰতীয় নাগৰিক সেই কথাটো সকলো ভাৰতীয়ই মানি লয়নে? দিল্লী আদি ঠাইত সকলো ভাৰতীয় নাগৰিকে উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলক ভদ্ৰজনোচিত সন্মানজনক ব্যৱহাৰ কৰেনে? ভাৰতত কিছুমান ঠাইত বাস কৰা প্ৰবাসী উত্তৰ পূৰ্বাঞ্চলবাসীৰ বেছিভাগৰে (আনকি জাহ্নু বৰুৱা, মেৰীকমৰ দৰে লোকৰো) অভিজ্ঞতা কিন্তু সুখকৰ নহয়।

নাগৰিকক আক্ৰমণ কৰি মাৰপিট, বলাৎকাৰ আনকি হত্যা পৰ্যন্ত কৰিছে। সেইসকল ভাৰতীয় নাগৰিকৰ হৃদয় পৰিবৰ্তন কৰিব পাৰিবনে? আমাৰ মতে নোৱাৰে। এই ধৰণৰ বিজ্ঞাপনবোৰ বা চিনেমাৰ এইধৰণৰ দৃশ্যবোৰ যে দেখুৱাবলগীয়া হৈছে, কিয় দেখুৱাবলগা হৈছে? কাৰণ দুৰ্ভাগ্যজনক ভাবে যে ভাৰতত এই পৰিবেশটো আছে, সেয়ে এই ধৰণৰ বিজ্ঞাপনবোৰ বা এইধৰণৰ দৃশ্যবোৰ প্ৰাসংগিক হৈ আছে। এই পৰিবেশটো আছে বুলি স্বীকাৰ কৰি লোৱা হৈছে। আৰু স্বীকাৰ কৰি লোৱা হৈছে বাবেই এই দৃশ্যবোৰৰ সৃষ্টি কৰা হৈছে। কিন্তু এই পৰিবেশটো যে আছে সেইটোৱেই হৈছে এজন দিল্লীবাসী অসমীয়া হিচাপে আমাৰ আটাইতকৈ ডাঙৰ চিন্তা আৰু ক্ষোভৰ কাৰণ। এই ক্ষোভ ব্যৱসায়িক উদ্দেশ্যৰে নিৰ্মিত হোৱা সৰু বিজ্ঞাপন এটাই হঠাতে নোহোৱা কৰিব নোৱাৰে। কাৰণ এই বিজ্ঞাপনবোৰত মূল সমস্যাটোৰ সমাধানৰ বিষয়টোৱে স্থান নাপায়। ভুক্তভোগী মানুহৰ আবেগ অনুভূতিক লৈ ব্যৱসায় কৰাৰ কথাটোৱেই আগস্থান পায়। উত্তৰ পূৰ্বাঞ্চল ভাৰতৰ অভিন্ন অংগ আৰু উত্তৰ পূৰ্বাঞ্চলৰ লোকসকল আন যিকোনো ঠাইৰ যিকোনো এজন ভাৰতীয় নাগৰিকৰ দৰেই একেই সন্মান, একেই অধিকাৰ আৰু একেই গৌৰৱেৰে ভাৰতীয় নাগৰিক এই কথাটো বুজাবলৈ অন্ততঃ আমাক কোনো বিজ্ঞাপনৰ প্ৰয়োজন নাই। উত্তৰ পূৰবাসীয়ে নিজকে ভাৰতীয় বুলি -জানে, ভাবে আৰু মানে, মানি থাকিবও। কিন্তু দিল্লীৰ দৰে ঠাইত উত্তৰ পূৰবাসীক ভাৰতীয় বুলি জানিও বহুতে বহু ধৰণৰ তুচ্ছ তাচ্ছিল্য কৰে। অতি সামান্য অজুহাতত (সেই অজুহাতটো তেওঁলোকে নিজে সৃষ্টি কৰি লয়) তেওঁলোকক আক্ৰমন কৰি অতি বৰ্বৰতাৰে হত্যা পৰ্যন্ত কৰা হৈছে। এটা ব্যৱসায়িক বিজ্ঞাপনত সোধা এটা প্ৰশ্নত উত্তৰ পূৰ বাসীৰ বহুতৰে হয়তো আৱেগত চকুপানী ওলাব পাৰে। কিন্তু সেই একেটা প্ৰশ্নত সেই আক্ৰমন কাৰীসকলৰ নিজকে উচ্চ বুলি ভাবি উত্তৰ পূৰবাসীক হীন চকুৰে চোৱা সকলৰ হৃদয় পৰিৱৰ্তন হৈ নাযায়। হোৱা হ'লে নিড'টানিয়াৰ হত্যাকাণ্ডৰ ঘা শুকুৱাৰ আগতেই, কেবিচিৰ সেই আৱেগিক বিজ্ঞাপনটো পুৰণি নৌহওঁতেই যোৱা ২১জুলাইত এজন মনিপুৰী যুৱকক দিল্লীত অতি বৰ্বৰতাৰে মৰিয়াই মৰিয়াই হত্যা কৰা নহ'লহেঁতেন।

যোৱা ফেব্ৰুৱাৰী মাহত দিল্লী পুলিচে দিল্লী নিবাসী উত্তৰ-পূবৰ মানুহখিনিৰ কাৰণে এটা হেল্পলাইন নাম্বাৰ আৰম্ভ কৰিছিল। এতিয়ালৈকে পোৱা তথ্যমতে যোৱা ফ্ৰেব্ৰুৱাৰী মাহৰ ১৪ তাৰিখৰ পৰা জুলাই মাহৰ ২১ তাৰিখলৈকে দিল্লী পুলিচে উত্তৰ পূৰৰ মানুহক হাৰাশাস্তি, মাৰপিট, বলাৎকাৰ, হত্যা কৰা আদি অপৰাধৰ বাবে দিল্লীৰ বিভিন্ন থানাত মুঠতে ৩৭৭টা গোচৰ ৰুজু কৰিলে। পৰিসংখ্যাটো চিন্তাজনক। মাত্ৰ ৬ মাহত ৩৭৭টা গোচৰ, অৰ্থাৎ দিনে গড়ে প্ৰায় ২টাতকৈ বেছি গোচৰ (গড়ে দিনত দুটাতকৈ বেছি অপৰাধ)। আমাৰ প্ৰশ্ন এটাই একমাত্ৰ উত্তৰ পূবত জন্ম লোৱাৰ বাবে সেই অভিযোগকাৰী সকলৰ বা এই নিৰ্যাতিত সকলৰ বেছিভাগৰে আন কি দোষ আছিল? হয়, দিল্লীত থকা উত্তৰ পূবৰ লোকসকলে নিজকে উত্তৰ পূবৰ বুলি কবলৈ ভয় - চিন্তা নকৰে। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰ খনত বৰ্নবাদ বিৰোধী বুলি ভাৰতবৰ্ষৰ নাম আছে। নেলচন মেণ্ডেলাৰ বৰ্ণ বৈষম্যবাদ বিৰোধী আন্দোলনৰ ভাৰতবৰ্ষ এক দৃঢ় সমৰ্থক আছিল। কিন্তু সেই ভাৰতবৰ্ষৰ ৰাজধানীতেই উত্তৰ পূৱ ভাৰতৰ একে ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে বৰ্ণ বৈষম্যমূলক আচৰণ কৰা হৈছে। এনে বৰ্ণবৈষম্যমূলক আচৰণৰ সন্মুখীন হ'ব লগা হোৱা নিৰ্যাতিত লোকসকলৰ ৰাষ্ট্ৰখনৰ প্ৰতি থকা ধাৰণাই সলনি হৈ যাব পাৰে- সেই কথাটো সকলোৱে হৃদয়ঙ্গম কৰা উচিত। ভাৰত আৰু ভাৰতীয়ৰ বিষয়ে আমি উত্তৰ পূববাসীয়ে যিমানখিনি জানো, সকলো ভাৰতীয়ই আমাৰ বিষয়ে সিমানখিনি নাজানে আৰু এই নজনাৰ দায়িত্ব আমাৰ নহয়। বহুত হৈছে আৰু নোৱাৰি। আমি দাবী জনাওঁ যে এতিয়া এই পৰিস্থিতিৰ অৱসান ঘটাবলৈ উত্তৰ পূৱৰ প্ৰতিখন ৰাজ্যৰ চৰকাৰকেইখনে মিলি প্ৰয়োজনীয় উদ্যোগ লব লাগিব, উপযুক্ত ঠাইত উপযুক্ত দাবী কৰি হেঁচা প্ৰয়োগ কৰিব লাগিব। উত্তৰ পূৱৰ পৰা নিৰ্বাচিত হোৱা প্ৰতিজন সাংসদে এই কামৰ দায়িত্বৰ সিংহভাগ নিজৰ কান্ধত তুলি ল'ব লাগিব। কেন্দ্ৰীয় চৰকাৰক এই বিষয়ত কঠোৰ সিদ্ধান্ত লৈ এই সমস্যাটো নোহোৱা কৰিবলৈ যিখিনি কৰা প্ৰয়োজন সেইখিনি কৰিবৰ বাবে বাধ্য কৰাব লাগিব। লগতে একেখন দেশৰ নাগৰিকৰ বিৰুদ্ধে কৰা বৰ্ণবৈষম্যমূলক আচৰণৰ বিৰুদ্ধে এনে এখন কঠোৰ আইন ল'ব লাগিব, য'ত অপৰাধীৰ অতি কমেও কিমান বছৰৰ শাস্তি হব সেইটো যাতে পূৰ্বনিৰ্দ্ধাৰিত হয়। এনেধৰণৰ অপৰাধবোৰ ফাষ্ট-ট্ৰেক কৰ্টত বিচাৰ কৰি অপৰাধীক অতি সোনকালে শাস্তি বিহিব লাগিব। ভাৰতবৰ্ষই আজি মেৰীকম বা সঞ্জিতাৰ মেডেল কঢ়িয়াই অনা গৌৰৱৰ অংশীদাৰ হ'লেই নহব, মেৰীকম, সঞ্জিতা, চাইখম, ইৰমশৰ্মিলা, নিড টানিয়া সকলৰ দুখখিনিও উপলব্ধি কৰি তেওঁলোকক প্ৰাপ্য সন্মানখিনিও যাচিব লাগিব।

শেষত আমি প্ৰস্তাৱ কৰো যে দিল্লী, মুম্বাই, চেন্নাই আদিৰ

দৰে মহানগৰ সমূহত উত্তৰ পূৱ ভাৰতৰ গোটেই কেইখন প্ৰদেশৰ সহযোগত একোটাকৈ অত্যাধুনিক নৰ্থ ইষ্ট চেন্টাৰ স্থাপন কৰা হওক। তথ্য প্ৰযুক্তিৰ সহায়েৰে এই চেন্টাৰসমূহে সেই মহানগৰ সমূহৰ সকলো প্ৰয়োজনীয় তথ্য-পাতি সকলোৱে অতি সহজে পোৱাকৈ মজুত ৰখাৰ লগতে মহানগৰখনত বাস কৰা প্ৰতিজন উত্তৰ পূৱৰ মানুহৰো সাধাৰণ তথ্যখিনি মজুত ৰাখিব। যিকোনো প্ৰয়োজনৰ সময়ত এই চেন্টাৰ সমূহে প্ৰৱাসী উত্তৰ পূৱ ভাৰতৰ লোকসকলক যিকোনো সহায়ৰ বাবে সদা সক্ষম হৈ থাকিব। লগতে এই চেন্টাৰসমূহে উত্তৰ - পূৱৰ সকলো অঞ্চলৰে ইচ্ছুক ছাত্ৰ- ছাত্ৰীসকলক সেই মহানগৰ সমূহত থকা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সমূহৰ বিষয়েও খবৰৰ যোগান ধৰিব আৰু বিভিন্ন সংস্থাপন আদিৰ বিজ্ঞাপন সমূহৰ বিষয়েও জনাব। লগতে একে সময়তে এই চেন্টাৰ সমূহত উত্তৰ- পূৱৰ প্ৰতিখন প্ৰদেশৰ বিষয়েও সকলোখিনি (অতীজৰ পৰা একেবাৰে শেহতীয়াকৈ) তথ্য থাকিব। সেই তথ্য- খিনি উত্তৰ পূৱৰ বিষয়ে যিকোনো কথা জানিব খোজা বা উত্তৰ পূৱ ভ্ৰমণ কৰিব খোজা ভাৰতীয় বা বিদেশী যিকোনো লোককে সকলোধৰণৰ সহায় কৰিব পৰা ধৰণৰ হব। এই চেন্টাৰসমূহ প্ৰৱাসী উত্তৰ- পূবৰ লোকসকলৰ লগতে ভাৰতৰ যিকোনো ঠাইত উচ্চ শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী ছাত্ৰ- ছাত্ৰী সকলৰ বাবেও আৰু উত্তৰ পূৱ ভাৰতৰ বিষয়ে জানিব খোজা বা উত্তৰ- পূৱ ভাৰত ভ্ৰমন কৰিব খোজা যিকোনো লোকৰ বাবে ওৱান- ষ্টপ ইনফৰ্মেশ্যন চ'ৰ্চ হ'ব।

●

## স্মৰণীয় 'তিনিটা' মহা মহিমাৰ বাণী

**দুলাল বিশ্বাস**
উ: মা: ১ম বৰ্ষ (বিজ্ঞান)

১) তিনিটা বস্তুৱে কাকো অপেক্ষা নকৰে
—— জন্ম, মৃত্যু আৰু সময়।

২) তিনিজন গুৰুক সদায় ভক্তি কৰি চলিব লাগে
—— আদিগুৰু, শিক্ষাগুৰু আৰু দীক্ষাগুৰু।

৩) তিনিটা বস্তুক কেতিয়াও পাহৰিব নালাগে
—— কৰ্তব্য, ঋণ আৰু আত্মসন্মান।

৪) তিনিটা বস্তুক সদায় নিজৰ অধীনত ৰাখিব লাগে
—— কাম, ক্ৰোধ আৰু মোহ।

৫) তিনিটা বস্তুৰ প্ৰতি সদায় দয়াশীল হব লাগে
—— নাবালক, ভোকাতুৰ আৰু পাগল।

# বন্ধুত্ব

**দুলাল বিশ্বাস**
দ্বাদশ শ্ৰেণী (বিজ্ঞান)

"Friendship is the most beautiful in the garden of life"

জীৱনত আমাক বন্ধু লাগে কিয়? আমি প্ৰতিজন মানুহে প্ৰতিজন বন্ধুক বিচাৰো নিজৰ সুখ-দুখ, ভাৱ-অনুভূতি প্ৰকাশ কৰিবলৈ। এক বন্ধুত্বহীন জীৱন কোনেও নিবিচাৰে। বন্ধুত্বহীন জীৱন মাজ সাগৰত অচল হৈ পৰা জাহাজৰ নিচিনা। বন্ধুত্ব, ই মাত্ৰ এটা শব্দ নহয়। ই এটা মধুৰ সম্পৰ্ক।

প্ৰকৃততে বন্ধুত্ব হ'ল একে চিন্তাধাৰা একে ভাৱ-অনুভূতি, নিঃস্বাৰ্থভাৱে পৰস্পৰে পৰস্পৰক ভালপোৱা, সুখ- দুখৰ সমভাগী হোৱা আদি অৰ্থাৎ ইজনৰ সৈতে সিজনৰ সম্পূৰ্ণৰূপে মিল থাকিব লাগিব। ইজনে আনজনক বুজি নাপালে প্ৰকৃতাৰ্থত বন্ধুত্ব হোৱাটো অসম্ভৱ।

প্ৰকৃতাৰ্থত জীৱনত অতি কম সংখ্যকহে বিশ্বাসী বন্ধুত্ব গঢ় লৈ উঠে। বন্ধুত্ব সহজতে গঢ় লৈ নুঠে। দুজনৰ মাজত সাদৃশ্য বোলা বস্তুটো গঢ় লৈ উঠিলেহে দুজনৰ মাজত এক ঘনিষ্ঠতা গঢ় লৈ উঠিব আৰু এই ঘনিষ্ঠতাই এক মধুৰ সম্পৰ্ক বন্ধুত্বলৈ পৰিৱৰ্ত্তিত হয়। সেইদৰে দাপোন স্বৰূপ হৈছে বন্ধু। সদায় বন্ধুত্ব গঢ়িবলৈ সাৱধানে আগবাঢ়িব লাগিব। কিয়নো বন্ধুত্ব হৈছে এনে এক সম্পৰ্ক যিজনে এজনৰ উপস্থিতিত আন এজনে একো সিদ্ধান্ত লব নোৱাৰে। আমাৰ জীৱনত সফলতাত বহুতো ত্ৰুটি ৰৈ যায়। প্ৰকৃত বন্ধুৰ বাহিৰে সেইবোৰ দোষ কোনেও দেখুৱাই নিদিয়ে। সেইবাবে কোৱা হয় যে যিবিলাকৰ প্ৰকৃত বন্ধু নাই, তেওঁলোকে জীৱনত বহুতো সমস্যাৰ সন্মুখীন হয়। এই সমস্যাবোৰ সমাধান কৰিবলৈ একমাত্ৰ লাগে বন্ধু, একমাত্ৰ বন্ধুইহে দিব একমাত্ৰ সমস্যাৰ সমাধানৰ উপায়। মনত ভাল-বেয়া লগা কথা-বতৰা, যেতিয়া খুলি কবলৈ কোনোৱে নাথাকে, তেতিয়া মানুহজন মানসিক চাপত ভোগে। যদিহে বন্ধু এজন থাকে, তেতিয়াহ'লে মানুহজন এনেকুৱা সমস্যাৰ সন্মুখীন নহয়।



বৰ্তমান যুগক কলিৰ যুগ বুলি কোৱা হয়, গতিকে এনেকুৱা সময়ত প্ৰকৃত বন্ধু কম সংখ্যকহে গঢ় লৈ উঠে। তথাপি আমাৰ জীৱনত বন্ধুত্বৰ সংখ্যা কম হলেও স্থায়ী বন্ধুৰ একান্ত প্ৰয়োজন। যিসকলে নেকি জীৱনৰ সফলতাত আগভাগ লব আৰু যিকোনো সমস্যাৰ পৰা সমাধানৰ পথ উলিয়াই দিব। সেইবাবে আমি কব পাৰি যে বন্ধুত্ব এক মধুৰ সম্পৰ্ক।

# পৰিবেশ অৱক্ষয়ৰ কাৰণ আৰু ফলাফল

**দেৱজিৎ বিশ্বাস**
দ্বিতীয় ষান্মাসিক (বিজ্ঞান শাখা)

**আৰম্ভণি** ঃ- পৰিবেশ বুলিলে আমি আমাৰ চাৰিওফালে আগুৰি থকা গছ- গছনি, মাটি, বায়ু, পানী, বিভিন্ন জীৱ জন্তুৰ সমষ্টিক বুজায়। পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰি আমি সকলোৱে বৰ্তি আছো। পৰিবেশ সাধাৰণতে তিনি প্ৰকাৰৰ। সেইবোৰ হ'ল--

(ক) প্ৰাকৃতিক পৰিবেশ

(খ) মানৱ সৃষ্ট পৰিবেশ

(গ) সামাজিক পৰিবেশ

পৰিবেশ ভালে অৰ্থাৎ সংৰক্ষিত হৈ থাকিলেহে মানৱ সমাজৰ লগতে সকলো জীৱ- জন্তু বৰ্তি থাকিবলৈ সক্ষম হব। কিন্তু বৰ্তমান যুগত জীৱশ্ৰেষ্ঠ মানুহৰ বিভিন্ন ধৰণৰ কুকৰ্মৰ বাবে পৰিবেশ দুষিত হবলৈ আৰম্ভ কৰিছে। বৰ্তমান পৃথিৱীৰ নানা সমস্যাৰ ভিতৰত পৰিবেশ প্ৰদূষণ এক জলন্ত সমস্যা হিচাপে আমাৰ সমাজত দেখা দিছে। যিহেতু নানা কুকৰ্মৰ ফলত পৰিবেশৰ অবক্ষয় হবলৈ ধৰিছে, গতিকে আমি মানুহে ভৱিষ্যত প্ৰজন্মক বৰ্তি ৰাখিবলৈ পৰিবেশ সংৰক্ষিত কৰাটো আমাৰ এক প্ৰধান কৰ্তব্য।

**পৰিবেশ প্ৰদূষণৰ কাৰণ** ঃ-পৰিবেশ প্ৰদূষণ বুলিলে সাধাৰণতে দুই প্ৰকাৰৰ প্ৰদূষণক বুজায়।

(ক) প্ৰাকৃতিক ভাবে হোৱা প্ৰদূষণ ঃ- বিভিন্ন ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ যেনে- ভূমিকম্প, আগ্নেয়গিৰি উদগীৰণ, বানপানী, ভূমিস্খলন আদি সংঘটিত হোৱাৰ ফলত পৰিবেশ বিভিন্ন প্ৰকাৰে দুষিত আৰু অবক্ষয় হয়। ইয়াৰ ফলত কোনো এখন ঠাইৰ আৰ্থ- সামাজিক ব্যৱস্থা ভাঙি যাব পাৰে। অৰ্থাৎ প্ৰাকৃতিক ভাবেও পৰিবেশৰ অবক্ষয় হব পাৰে।

(খ) মানুহৰ বাবে হোৱা পৰিবেশৰ অবক্ষয় ঃ- পৰিবেশ অবক্ষয়ৰ প্ৰধান কাৰণ হ'ল মানৱসৃষ্ট প্ৰদূষণ। মানুহে নিজৰ অনুকুলৰ বাবে নিৰ্মাণ কৰা বিভিন্ন প্ৰকাৰৰ কল- কাৰখানা, ইটা- ভাটা, গাড়ী- মটৰ আদিৰ পৰা ওলোৱা ধোঁৱাই বিশেষকৈ বায়ু প্ৰদূষণ সৃষ্টি কৰে। এই গেছবোৰত $CO_2$ থাকে আৰু ই বায়ুমণ্ডলৰ অন্যান্য গেছৰ লগত মিহলি হৈ উত্তাপ বৃদ্ধি কৰিছে। মানুহে নিজৰ প্ৰয়োজনত হাবি- বন কাটি তাত ঘৰ দুৱাৰ সাজে। ফলত গছ- গছনি নথকা মাটি ৰ'দত শুকাই অনুৰ্বৰ হৈ পৰে। পাহাৰীয়া ঠাইত জুম খেতি কৰাৰ বাবে ভূমিস্খলনৰ পৰিমাণ বৃদ্ধি পাইছে। ইয়াৰ পৰা দেখা গ'ল যে মানুহে পৰিবেশক সংৰক্ষণৰ বিপৰীতে তাৰ অবক্ষয় কৰিছে।

ফলাফল ঃ- পৰিবেশ অবক্ষয়ৰ ফলত বিভিন্নধৰণৰ সমস্যাৰ সৃষ্টি হৈছে। ইয়াৰ ফলত ভূমিস্খলনৰ পৰিমাণ বৃদ্ধি পাইছে, বহুতো ঠাইত অনাবৃষ্টিয়ে দেখা দিছে আৰু মাটিৰ উৰ্বৰতা শক্তি নোহোৱাৰ বাবে শস্যৰ উৎপাদন কমি গৈছে। পৰিবেশৰ অবক্ষয়ৰ ফলত কিছুমান মহামাৰী বেমাৰে দেখা দিছে যিবোৰত বহুতো মানুহৰ মৃত্যু হৈছে। উত্তাপ বৃদ্ধিৰ ফলত মেৰু অঞ্চলত জমা হৈ থকা বৰফ গলিবলৈ আৰম্ভ কৰিব আৰু সাগৰ পৃষ্ঠৰ লগত থকা কিছুমান ঠাই হয়তো বানপানীত ডুব যাব পাৰে।

সামৰণি ঃ- পৰিবেশৰ অবক্ষয় মানে মানুহৰ ধ্বংস। অৰ্থাৎ মানুহক জীয়াই থাকিবৰ বাবে পৰিবেশৰ অবক্ষয় ৰোধ কৰাটো অতি প্ৰয়োজনীয়। পৰিবেশৰ অবক্ষয় ৰোধ কৰিবলৈ তাৰ বিভিন্ন উপাদানৰ মাজত সমতা স্থাপন কৰিব লাগিব। তাৰোপৰি পৰিবেশ সংৰক্ষিত কৰি ৰাখিবলৈ মানুহে কিছুমান ব্যৱস্থা হাতত লব লাগিব। তেতিয়াহে ভৱিষ্যত প্ৰজন্ম বৰ্তি থাকিব পাৰিব।

(২০১৫ চনত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৫ জুনৰ বিশ্ব পৰিবেশ দিৱসত থিতাতে লিখা ৰচনা প্ৰতিযোগিতাত পুৰস্কৃত)

# ইন্টাৰনেট আৰু আমি

**দীপশিখা ৰাভা**
চতুৰ্থ ষান্মাসিক (কলা শাখা)

সাম্প্ৰতিক সময়ৰ অতি উপযোগী প্ৰযুক্তি সমূহৰ ভিতৰত এটি হৈছে ইন্টাৰনেট। ইন্টাৰনেটৰ প্ৰয়োগ বৰ্তমান সময়ত অতি বহল ৰূপত হোৱা আমি দেখিবলৈ পাওঁ। ইন্টাৰনেট বৰ্তমান যুগৰ অতি লাগতিয়াল তথা জৰুৰী প্ৰযুক্তি।

সময়ৰ অগ্ৰগতিৰ লগে লগে ক্ৰমে প্ৰযুক্তিবিদ্যাৰো উন্নতি হৈ গৈছে আৰু প্ৰযুক্তিবিদ্যাৰ ক্ৰমে উন্নতিৰ ফলস্বৰূপে ইন্টাৰনেটৰ ব্যৱহাৰো ক্ৰমে দ্ৰুতগতিত আগবাঢ়িব ধৰিছে। ইন্টাৰনেটৰ প্ৰয়োগে বৰ্তমান সমাজক এটি নতুন দিশৰ মুখে অগ্ৰসৰিত হ'বলৈ প্ৰেৰণা যোগোৱাৰ ভূমিকা গ্ৰহণ কৰিছে।

ইতিহাস ঃ- ইন্টাৰনেটৰ ব্যৱহাৰ পোন প্ৰথমে ইলেকট্ৰনিক কম্পিউটাৰৰ আৰম্ভণিৰ পিছত ১৯৫০ চনৰ পৰা আৰম্ভ হয়। ইয়াৰ ব্যৱহাৰ পোনপ্ৰথমতে আমেৰিকা, গ্ৰেট ব্ৰিটেইন আৰু ফ্ৰান্সত আৰম্ভ হয়। ইন্টাৰনেটৰ প্ৰট'ক'লৰ প্ৰথম বিষয়বস্তুটো হ'ল 'ARPANET'। কেলিফৰনিয়া ইউনিভাৰচিটিৰ Leonard Kleinrock নামৰ অধ্যাপক গৰাকীয়ে 'ARPANET'ৰ পৰা প্ৰথম Massage পঠিয়াইছিল।

১৯৯০ চনৰ পিছৰ পৰা ইন্টাৰনেটৰ ব্যৱহাৰ বহুল ৰূপে হ'বলৈ ধৰে। ইন্টাৰনেট কমাৰ্চ, কমিউনিকেচন, মেইল, ভইচ মেইল আদি পঠোৱাৰ ক্ষেত্ৰতো বহুল ৰূপে প্ৰয়োগ হব ধৰে।

১৯৯০ চনৰ পিছৰ পৰা ইন্টাৰনেটৰ ব্যৱহাৰ প্ৰচুৰ ৰূপে হোৱা দেখা যায়। ইন্টাৰনেটৰ আৰম্ভণিৰ পিছৰে পৰা আমাৰ সমাজ ক্ৰমে প্ৰযুক্তি বিদ্যাৰ দিশত ক্ৰমে উন্নতিৰ পথত অগ্ৰসৰ হয়। ইন্টাৰনেটে পৃথিৱীৰ গোলকীয় কৰণ কৰাৰ ক্ষেত্ৰতো এক অতি উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে।

ইন্টাৰনেটৰ জৰিয়তে আমি আমাৰ প্ৰয়োজনীয় তথ্য- পাতি সমূহ অতি সহজে আহৰণ কৰিব পাৰো। ইন্টাৰনেটে শিক্ষা ব্যৱস্থাৰ উন্নতি কৰাৰ ক্ষেত্ৰতো বিস্তৰ ভূমিকা গ্ৰহণ কৰে। ইন্টাৰনেটৰ জৰিয়তে আমি দেশ- বিদেশৰ বিভিন্ন তথ্য ঘৰত থাকিয়েই পাব পাৰো। আনহাতে ইন্টাৰনেটৰ জৰিয়তে আমি বিভিন্ন বিষয়ৰ শিক্ষাও আহৰণ কৰিব পাৰো।

ইন্টাৰনেটে সাম্প্ৰতিক যুগত মানুহৰ শিক্ষা দীক্ষাৰ ক্ষেত্ৰত তথা প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট সহায় আগবঢ়াইছে। ইন্টাৰনেটৰ জৰিয়তে ব্যৱসায়- বাণিজ্যৰ ক্ষেত্ৰতো যথেষ্ট সুবিধা হৈছে। ইন্টাৰনেটে পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ মানুহক একেলগ কৰাতো সক্ষম হৈছে যিয়ে গোলকীয়কৰণৰ ক্ষেত্ৰতো যথেষ্ট সহযোগিতা আগবঢ়াইছে। ইন্টাৰনেটৰ বিষয়বস্তু- ই-মেইল, ভইচ মেইল আদিৰ ব্যৱহাৰৰ জৰিয়তে আমি অতি কম সময়ৰ ব্যৱধানতে নিজৰ মনৰ কথা আদান- প্ৰদান কৰিব পাৰো। ইয়াৰ উপৰিও ক্ৰমে নানান প্ৰযুক্তিৰ আৱিষ্কাৰ ইন্টাৰনেটত বৰ্তমানে হৈছে, যিয়ে এজনে আন এজনৰ লগত বাৰ্তালাপৰ ক্ষেত্ৰ ত সুবিধা প্ৰদান কৰিছে।

ইন্টাৰনেটে শিক্ষা- দীক্ষাৰ অগ্ৰগতিৰ দিশটো যথেষ্ট সহায় আগবঢ়াইছে।

ইন্টাৰনেটৰ উপকাৰিতাৰ লগতে অপকাৰীতা সমূহো উল্লেখনীয়। ইন্টাৰনেটৰ সু-ব্যৱস্থাৰে যেনেদৰে মানুহক সহায় কৰে ঠিক তেনেদৰে অপব্যৱহাৰে মানুহক নানান অসুবিধাৰ সন্মুখীনও কৰিব পাৰে।

প্ৰতিটো বস্তুৰে এটি ভাল দিশ আৰু এটি বেয়া দিশ থাকে। ঠিক তেনেদৰে ইন্টাৰনেটৰ সুব্যৱস্থাৰে ভাল দিশৰ মুখে অগ্ৰসাৰিত কৰোৱাৰ লগতে অপব্যৱহাৰে বেয়া দিশৰ মুখে অগ্ৰসাৰিত কৰাব পাৰে।

বৰ্তমান নানান প্ৰযুক্তি ইন্টাৰনেটৰ লগত সংলগ্ন কৰা হৈছে। বিষয়বস্তুৰ পৰিসৰে সাম্প্ৰতিক যুগত ইন্টাৰনেটক এক বহল ৰূপ দিছে। ইন্টাৰনেটৰ পৰিসৰৰ মাজত আৱদ্ধ কিছুমান প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে বৰ্তমানৰ ছাত্ৰ- ছাত্ৰী বেয়া দিশৰ মুখে অগ্ৰসাৰিত হোৱা আমি দেখিবলৈ পাওঁ। আনহাতে কিছুমান এনে প্ৰযুক্তিও আছে যাৰ ভাল দিশত ব্যৱহাৰ নকৰাৰ ফলস্বৰূপেও বহুতো ছাত্ৰ- ছাত্ৰী ক্ৰমে বিপদত পৰিবলৈ বাধ্য হৈছে।

সাম্প্ৰতিক যুগত ইন্টাৰনেট অতি জৰুৰী প্ৰযুক্তি। যিয়ে আমাৰ সমাজখন আগবাঢ়ি যোৱাত যথেষ্ট সহায় আগবঢ়াইছে। ইয়াৰ ভালৰ লগত নানা বেয়া দিশো আছে। সেয়ে ইন্টাৰনেটৰ ব্যৱহাৰৰ ক্ষেত্ৰত সাৱধানতা ৰখা অতি প্ৰয়োজনীয়।

*(ভ্ৰমণ কাহিনী)*

# হাজো ভ্ৰমণ



**সহদেৱ বিশ্বাস**
দ্বিতীয় যান্মাসিক (বাণিজ্য শাখা)

ভ্ৰমণ শিক্ষাৰ এটা প্ৰধান অংগ। মই গ্ৰীষ্ম বন্ধত মা-দেউতা আৰু দাদাৰ লগত মামাহঁতৰ ঘৰলৈ গৈছিলো। মামাহঁতৰ ঘৰ কামৰূপ জিলাৰ হাজোত। হাজো কাঁহ শিল্প আৰু তীৰ্থস্থানৰ বাবে বিখ্যাত।

মোৰ জীৱনত প্ৰথম ৰেলযাত্ৰা, আমি জাগীৰোডৰ পৰা ৰাতিপুৱা ৮ মান বজাত ৰেলেৰে গুৱাহাটীলৈ গৈছিলো। ৰেলেৰে ভ্ৰমণ কৰি মোৰ বৰ আমোদ লাগিছিল। গছ- লতা, ঘৰ- দুৱাৰ আদি সকলোবোৰ আমাৰ পিছে পিছে দৌৰি আহিছিল। ৰেলৰ পৰা গুৱাহাটীত নামি বাছেৰে গৈ আমি হাজো পালো। বাছেৰে যাওঁতে ব্ৰহ্মপুত্ৰৰ ওপৰত থকা শৰাইঘাটৰ দলংখনো দেখা পালো। দুপৰীয়া ২ মান বজাত মামাহঁতৰ ঘৰ পালো। সকলোকে লগ পাই বৰ ভাল লাগিছিল।

আইতা আৰু দাদাৰ লগত পিছদিনাই হয়গ্ৰীৱ মাধৱ মন্দিৰ চাবলৈ গৈছিলো। মন্দিৰত প্ৰৱেশৰ আগতে হাত ভৰি পুখুৰীত ধুবলৈ গৈ ডাঙৰ ডাঙৰ কাছ আৰু ৰৌ মাছ দেখিছিলো। বিস্কুট দিয়াত জাকে জাকে ওচৰলৈ অহা দেখি বৰ আনন্দ লাগিছিল। তাৰ পিছত হাজোৰ কেদাৰ মন্দিৰ চাবলৈ গৈছিলো। তাত আমি ভীমৰ পইতা ভাত খোৱা চৰিয়া দেখিছিলো। তাৰ পিছত পঞ্চতীৰ্থ ভ্ৰমণ কৰি কেদাৰ মন্দিৰত ভোগ খাই মামাহতৰ ঘৰলৈ আহিলো। তাত আমি ১৫ দিন আছিলো। এই দিনকেইটা প্ৰতিমুহুৰ্ত্তৰ কাৰণে মনত পৰে। হাজো, বৰপেটা, সৰ্থেবাৰী ভ্ৰমণ কৰি ঘৰলৈ উভতি আহোতে কামাখ্যা মন্দিৰ দৰ্শনৰ কথা।



# প্ৰযুক্তিয়ে হ্ৰাস কৰিছে গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা

**দীপান্বিতা দাস**
ষষ্ঠ ষান্মাসিক (কলা শাখা)

বৰ্তমান যুগ হৈছে প্ৰযুক্তি আৰু যান্ত্ৰিক যুগ। প্ৰযুক্তিবিদ্যা যেনে- টিভি, ইন্টাৰনেট ইত্যাদিয়ে নৱ প্ৰজন্মক অতিকৈ আকৰ্ষিত কৰিছে। সাম্প্ৰতিক কালত প্ৰযুক্তিৰ দ্ৰুত প্ৰগতিয়ে সমগ্ৰ বিশ্বখন সৰু কৰি পেলাইছে। ই নিঃসন্দেহে সমাজৰ কল্যাণ সাধন কৰিছে। কিন্তু প্ৰযুক্তিৰ অত্যাধিক ব্যৱহাৰৰ ফলত এতিয়া মানুহৰ মাজত কিছুমান বদঅভ্যাসে থিতাপি লৈছে যাৰ ফলত এতিয়া মানুহে গ্ৰন্থ অধ্যয়নৰ প্ৰতি বিমুখ হৈছে। কম্পিউটাৰ, লেপটপ, টিভি, ফেচবুক আদিৰ সৈতে সকলোৰে এনেদৰে খাপ খাই পৰিছে যে এতিয়া মানুহে নিজৰ কৰ্তব্যৰ পৰা বিৰতি পালে টিভি চাই অথবা ফেচবুক কৰি সময় অতিবাহিত কৰে। সেয়ে মানুহে গ্ৰন্থ অধ্যয়নৰ বাবে সময় নাপায়। যাৰ ফলত এতিয়াৰ প্ৰজন্মৰ সাহিত্যৰ প্ৰতি আগ্ৰহ হ্ৰাস পোৱাৰ লগতে উন্নত শব্দ গঠন, ভাষাৰ বিকাশ হোৱাটো যথেষ্ট বাধাৰ সৃষ্টি হোৱা দেখা যায়

জ্ঞান লাভৰ বাবে গ্ৰন্থ অধ্যয়নৰ কোনো বিকল্প নাই। কিয়নো অধ্যয়নৰ পৰা দুৰৈৰ মনিক হাততে পোৱা যায়। গ্ৰন্থ অধ্যয়ন জীৱন বিকাশৰ বাবে অতি প্ৰয়োজনীয়। ই আমাক এক উৎকৃষ্ট মানৱ জীৱন যাপন কৰাত সহায় কৰাৰ লগতে সংস্কৃতি আৰু ইয়াৰ ঐতিহ্যক উপলব্ধি কৰাৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিজ্ঞান- প্ৰযুক্তিবিদ্যাৰ নানা অৱদানেৰে সমৃদ্ধিশালী আধুনিক সমাজখনৰ বাসিন্দা মানুহবোৰে ডাঙৰ ডাঙৰ বিষয়ৰ পৰা সাধাৰণখবৰলৈ যি বিচাৰে সেয়াই ইন্টাৰনেটত সহজলভ্য সেয়ে কিতাপ পঢ়ি সেই জ্ঞান আহৰণ কৰাটো সময়ৰ অপব্যয় বুলি ভবা হয়। প্ৰযুক্তিবিদ্যাৰ দান ইন্টাৰনেটৰ পৰা মানুহে সকলো কথা জানিব পৰা হোৱাৰ পৰা যদি আজি লক্ষ্মীনাথ বেজবৰুৱা অথবা আন কোনো মহান ব্যক্তিৰ অথবা আন কোনো বিষয়ে জনাৰ প্ৰয়োজন আহি পৰে তেন্তে মানুহে গ্ৰন্থ পঢ়ি সেই জ্ঞান প্ৰাপ্ত কৰাতকৈ ইন্টাৰনেটৰ সহায়ত সেই জ্ঞান লাভ কৰে। কাৰণ আজিৰ দিনত সকলোৰে হাতত এখন গ্ৰন্থৰ পৰিৱৰ্তে মোবাইল, কম্পিউটাৰ ইত্যাদি অতি সহজলভ্য। যাৰ ফলত এতিয়া এচাম মানুহৰ বাহিৰে, নতুন প্ৰজন্মৰ যি গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা তাক উন্নত প্ৰযুক্তিবিদ্যাই হ্ৰাস কৰি পেলোৱা পৰিলক্ষিত হৈছে।

(মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ পৰা সংগ্ৰহ)

●

# কবিতাৰ শিতান


- প্ৰকৃতিৰ সজাত সঁজাটি/পাপৰি ডেকা/ ৭৭
- আইৰ চকুলোৰে প্ৰতিবাদ/আল্পনা ৰয়/ ৭৮
- মোৰ এখিৰিকী আকাশ/সুশ্ৰিয়া সুত্ৰধৰ/ ৭৯
- আই ধৰিত্ৰী/অভিজিৎ পাটৰ/ ৭৯
- আমাৰ গাঁও/জয়ন্ত কুমাৰ দলৈ/ ৮০
- বসন্ত/তৰালি ৰয়/ ৮০
- আই/ৰূপম বৰা/ ৮১
- শিক্ষা/এলিজা খাটুন/ ৮১
- স্মৃতি/ৰিণটি পাণ্ডে/ ৮২
- নিৰাশাৰ মাজত আশা/শিল্পীশিখা মহন্ত/ ৮৩
- বিজ্ঞানৰ জেউতী/উপেন চন্দ্ৰ ডেকা/ ৮৩
- শোকৰ ছাঁ/কৰুণামন্ন মিঠি ডেকা/ ৮৪
- বিহু আহিলে..../গণেশ মণ্ডল/ ৮৫
- ক্লান্ত হৃদয়/শৈলেন্দ্ৰ দাস/ ৮৫
- মুকলি/কুইৰিন ডেকা/ ৮৬
- বসন্তৰ আগমন/নৱজ্যোতি ডেকা/ ৮৬
- বন্ধু /হৰিধন বিশ্বাস/ ৮৭
- বৰষুণ /গীতাশ্ৰী ডেকা/ ৮৭
- কবিতা/ কালেজ কে বো দিন/ ৮৭
- অভিজ্ঞান কাশ্যপৰ কবিতা/ ৮৮


POETRY




জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত তিৰা শিল্পী সকলে
"অ' মোৰ আপোনাৰ দেশ" পৰিবেশন কৰা দৃশ্য।

# কবিতা

## প্ৰকৃতিৰ সজাত সঁজাটি

**পাপৰি ডেকা**
চতুৰ্থ ষান্মাসিক



এয়া কি, পাহাৰত
ঘোৰ উন্মুক্ত বতাহ
এয়া কি, জীৱনত মোৰ
প্ৰকৃতিৰ আনন্দ,
প্ৰতিটো পুৰা হৈ পৰে নতুনৰ আশা
অথবা অনাগত ভৱিষ্যতৰ ভৰসা
জোনাক জোনাক হৈ সৰি পৰা নিয়ৰৰ
টোপালবোৰ,
আৰব্ধ আৰব্ধ হৈ মুক্ত হোৱা সপোনৰ লক্ষ্য
বৰষুণত সৰি পৰা
উই হাফলুৰ দৰে কোমল
ইমান আলসুৱা ভৈয়ামৰ দাঁতিত
মেঘৰ দলিচাত মদাৰৰ বুটা বছা
বহাগী শিপিনীজনীৰ শিৰত আকৌ
বিজুলীৰ দৰে সেন্দুৰ অকা।

প্ৰকৃতি পুৰণিয়েই হ'ল
বহুদিন হ'ল জোনাকবোৰ
বালিত সৰি পৰা,
বহুদিন হ'ল সূৰুযৰ সোণোৱালী
সেউজীয়া পাতত পৰা
প্ৰকৃতি জানো সচাই পুৰণি হ'ল
পুৰা সদায় নতুন বেলি সদায় হেঙুলীয়া হৈ
ওফৰি পৰিল পৃথিৱীৰ বহল বুকুত
সপোনৰ বুকুত সপোন ভাঙি
জহি- খহি গ'ল বহু সপোন
সপোন আকৌ জাগিল
এয়া যে জীৱন...

আবেলিৰ বুকুত পুৰা জহি- খহি
ভাঙি গ'ল বহু পুৰা
পুৰা আকৌ আহিল
এয়া যে ঐশ্বৰ্যতা, বিপুলতা অথবা
চিৰন্ততা....

পাহাৰৰ বতাহ বাগৰি
জহি- খহি গ'ল
বিয়পি গ'ল ভৈয়ামত।
নতুন সদায় ধুনীয়া....
জীৱন সদায় তোমাৰ বুকুত ওমলা।
প্ৰকৃতিৰ বৈচিত্ৰ্যতাত পুৱাই পুৱাই সাৰ পোৱা
য'ত সপোন
মিলি ৰব প্ৰকৃতিৰ বৈচিত্ৰ্যতাত
অকাই পকাই অকা এখনি প্ৰকৃতিৰ তুলিকা।

# আইৰ চকুলোৰে প্ৰতিবাদ

**আল্পনা ৰয়**
ষষ্ঠ ষন্মাসিক



টিপ্ টিপ্......
এয়া কাৰ চকুলো???
আই..... তুমিয়ে নে !

মই জানো আই
পৰ্বতৰ শিখৰত গোট মাৰি ধৰা
তেজৰ চেকুৰা, বৈ... বৈ...
পালেগৈ সমুদ্ৰৰ বুকু।

নাই আই সি নিজেও
সহিব পৰা নাই।।
নুটুকিবা আৰু চকুলো আই।।

সুৰুয নিৰ্দয়ী নহয়,
নকৰে সি নিৰ্মম প্ৰহাৰ।
তাৰ দায়িত্বত দাগ লগাইছে মানৱে,
কৰিছে প্ৰাণীৰ হাহাকাৰ।।



সকলো আপোন কৰ্মত বন্দী।
নহয় কোনো তোমাৰ বিৰুদ্ধ।
তোমাৰ দুখ সকলোৱে দেখিছে,
কিন্তু... কিন্তু আই....
সকলোৱে অন্তৰৰ বান্ধোন খুলি পৰিছে।।

সময় দিয়া আই।
মই কৰিম সহায়।।

মই এদিন আমি হ'ম,
হাতৰ শিকলি টানি ল'ম।
তুমি মাথো সময় দিয়া,
সময় দিয়া মোক আই।

তোমাক মই কান্দিব নিদিও,
আৰু দুখ সহিব নিদিও।
মই কৰিম, আই,
মই কৰিম তোমাৰ চকুলোৰ প্ৰতিবাদ।
ন কইনা ৰূপে সজাম
তোমাৰ বুকুত শীতল বতাহ বোলাম
মুখত হাঁহি বিৰিঙাম।।

# মোৰ এখিৰিকী আকাশ

**সুপ্ৰিয়া সুত্ৰধৰ**
ষষ্ঠ ষন্মাসিক (কলা শাখা)

আকাশ!
মোৰ 'বেডছাইড টেবুলৰ' কাষেৰে
পুৱাৰ প্ৰথম ৰ'দ লৈ সোমাই অহা
মোৰ এখিৰিকী আকাশ!
তোক বৰ ভাল পাঁও মই

আকাশ! আজন্ম প্ৰেমিক মোৰ...
তোৰ বিশালতাত লীন হৈ যায়...
মোৰ বিষাদৰ হুমুনিয়াহ
আৰু নিৰৱ অশ্ৰুৰ টোপাল!
মোৰ স্বাধীনতা....
পংগুত্বৰ সমস্ত গ্লানি
তোৰে উচ্চতাত চৰাই হৈ উৰে...
ক্ৰমে উচ্চতাৰ পৰা উচ্চতালৈ...

মোৰ নিষ্কৰ কলমৰ
নিৰামুহী চিঞঁাহীৰে লেখা
প্ৰতিটো শোকলগা কবিতা
বৰষুণ হৈ নামে...
ক্ৰন্দসী তোৰ নাম!
মোৰ বুকুৰ বঙিয়া বগাই
তই আহ... নিজম নিতাল ৰাতি...
জাৰৰ উম লগা ৰাতি...
আৰু কুঁৱলীৰ মায়া সানি
তোৰ সেয়া সপোন সপোন ৰাগি...

আকাশ! মোৰ এখিৰিকী আকাশ!
তোক...
বৰ ভাল পাও মই....
আকাশ! আজন্ম প্ৰেমিক মোৰ....
তোক....
বৰ ভাল পাঁও মই......



# আই ধৰিত্ৰী

**অভিজিৎ পাটৰ**
তৃতীয় ষন্মাসিক (কলা শাখা)

মা, তুমি প্ৰকৃতি অনন্যা;
তুমি সুবাস অনন্যা!
তুমি জল হৈ শৰীৰত
ৰক্তৰ কোবাল সোঁত
বোৱা।
তুমি আহাৰ হৈ
শস্য- শ্যামলা প্ৰকৃতিক
প্ৰচণ্ড শক্তি দিয়া!
তুমি জুই হৈ
নিজক প্ৰজ্জ্বলিত কৰি
আমাৰ বাবে কিছু ঠাই বনোৱা।

মা তোমাৰ মাটি
যি ধূলিকণাৰে আবৃত
সদায়ে স্পৰ্শ কৰোঁ
তোমাৰ গাল দুখনি।
তোমাৰ অনুপম সম্পদ আমি সদায় কৰিছোঁ চুৰ;
কৰিছোঁ তোমাৰ দুগ্ধহেন মাটি- পানীৰ
সদায় অৱক্ষয়।
মা, তোমাৰ চৰণৰ মূল আমি
নুবুজা হ'লো মা
আমি নুবুজা হ'লো।

# আমাৰ গাঁও

**জয়ন্ত কুমাৰ দলৈ**
কৰ্মচাৰী জাগীৰোড কলেজ

ঐতিহাসিক পূৱ দিশৰ গোভা ৰাজ্যত
ন গাঁও পাতিলে বৃটিছ আহি
কালৰ সোঁতত কালাজ্বৰে পাই
সংহাৰ কৰিলে জীৱন প্ৰাণ।
সেয়েহে বৃটিছ গৈ চহৰ পাৰিলে
পুনৰ সুদুৰ নগাওঁ
পূৱে আছে সোণালী পথাৰ ধাননি
পশ্চিমে আছে সুন্দৰ গীৰ্জা, মচ্‌জিদ
উত্তৰে আছে আকৌ পথাৰ সোণালী
দক্ষিণে আছে সুন্দৰ পাহাৰ সেউজী,
মাজত আছে বৰ নামঘৰ সৃষ্টি শ্ৰীমন্ত শঙ্কৰ
লগত আছে পাঠশালা শ বছৰৰ
সৃষ্টি সংস্কৃতিৰ পোহৰৰ!
সোঁ মাজেৰে বৈ গৈছে ঘাই সুন্দৰ আলি
যোগাযোগৰ সুবিধা আছে গোটেই ধৰণীৰ
প্ৰজাক চাবলৈ আছে গোভা দেউৰাজা
আমাৰ সকলোৰে মন প্ৰাণৰ।
অ' আমাৰ গাওঁ, অ' আমাৰ গাওঁ
আমাৰ গাঁৱৰ "মান ৰাখিবলে"
আহক আমি সকলোৰে আগুৱাই যাওঁ
এইখনেই অ-বিভক্ত নগাও জিলাৰ পশ্চিমত থকা গাওঁ
এইখনেই আমাৰ মৰমৰ - চেনেহৰ পশ্চিম নগাওঁ।



# বসন্ত

**তৰালি ৰয়**
পঞ্চম ষন্মাসিক (কলা)

আকাশৰ নীলা নীলা ডাৱৰখিনি
তোমাৰ যেন পোৱাল মনি...
অস্তাচলৰ সময়ত সৌন্দৰ্যৰ
ঢৌ উঠে যত...
সেয়া যেন চকুৰ পাপৰি।

অযুত ৰঙেৰে বোলোৱা
ৰামধেনু খনি
জিলিকে নীল নীলাভত,
অপৰূপা জ্যোতিৰূপা
সৌন্দৰ্যৰ পূজাৰিণী
হোৱা তুমি
বসন্ত ৰাণী।

ব'লা কাল ধুমুহাই
বা- চাটি লৈ যায়
উৰুৱাই ঘৰ- বেৰ চালি,
ধেমালিৰ হেপাহঁত
মলয়াই নিব খোজে
গছ লতাৰ সেউজীয়া পাহি।
গহীন গহীন খোজেৰে
ৰচি যোৱা যে কবিতা...
দুৱৰীও পৰিব পাৰে জয়,
ফুলৰ সুবাসেও পাৰ ভাঙি
বৈ যায়,
কটাক্ষত সৰি সৰি
পৰি যায় ৰূপ।

তোমাৰেই আগমনে
প্ৰকৃতিত লাহে লাহে
সাজি দিয়ে সৌন্দৰ্যৰ আলয়,
মোৰো হৃদয় আলয়ত
আদৰিলো সাদৰী,
হেৰা বসন্ত ৰাণী
তুমিয়েই প্ৰকৃত ৰূপহী।

# আই

ৰূপম বৰা
ষষ্ঠ ষন্মাসিক

তোমাৰ কোমল দলিচাত
মোৰ শুবৰ মন যায়
আকাশে বতাহে কেৱল
তোমাক চাব মন যায়
তোমাক বিচাৰি গোটেই জীৱন
শেষ কৰিবও মন নাই
জীৱনৰ আগবেলাতেই বিচাৰিছো
তোমাক, মোৰ কোনো প্ৰেয়সী নাই।।

হে মোৰ প্ৰকৃতি প্ৰেয়সী
তোমাৰ প্ৰেমত পৰিছো আজি
তোমাক যেতিয়া কোনোবাই আঘাত কৰে
মোৰ বুকুৰ মাজৰ পৰা
আধা কলিজা নষ্ট হৈ পৰে।
কিমান সময় বান্ধি ৰাখিবা
তোমাৰ এই সুমধুৰ ধৈৰ্য্যক
তোমাৰ এই কষ্টক আৰু
চাবৰ মন নাই
তোমাক মোৰ প্ৰেয়সী ৰূপত সজাই
ৰাখিবৰ মন যায়।
আজি জীৱনৰ অন্তিম বেলাত
তোমাৰ সেউজী হাঁহিয়ে
মোক বাৰুকৈ কৰিছে বলীয়া।।

তোমাক এৰি থৈ যাব মন নাই
কিন্তু, আজি মই
বিলীন হৈ যাম শূন্যতাৰ মাজত
আকৌ এদিন আহিম
অন্য এক নতুন ৰূপত।

# শিক্ষা

এলিজা খাটুন
তৃতীয় ষন্মাসিক

শিক্ষাৰ সমান নাই ধন সংসাৰত
মানুহ গুণবান শিক্ষাৰ বলত।
শিক্ষাৰ বলতেই মানুহে ফুৰে আকাশত উৰি,
শিক্ষাৰ বলতেই মানুহে ফুৰে পানীৰ তলত ঘূৰি।
শিক্ষা নাই যাৰ তাৰ দিনতে আন্ধাৰ
শিক্ষা বিনে জীৱনত সকলো অসাৰ।
সকলো ধৰণৰ ধন শিক্ষা মহাধন
শিক্ষা বিনে শূন্য হয় সবাৰে জীৱন।
সকলো বস্তু আছে যাৰ শিক্ষাকণহে নাই
তেওঁতকৈ দুখীয়া জগতত নাই।
ধন- ধান সম্পত্তি সকলো ভাগ
শিক্ষাৰ ভাগ কিন্তু কেতিয়াও নহয়।
শিক্ষা হৈছে জীৱনৰ লগৰী
শিক্ষাইহে দিয়ে সকলো সহাৰি।
শিক্ষাই নিৰক্ষৰতাৰ আন্ধাৰ আঁতৰাই
শিক্ষাই সাক্ষৰতাৰ আলোক বিয়পাই।
শিক্ষা হৈছে জ্ঞান ভাণ্ডাৰ ধাৰক
শিক্ষা হৈছে মানৱ সম্পদ সৃষ্টিৰ কাৰক।
হেন জানি শিক্ষাক নকৰিবা হেলা
শিক্ষাইহে তৰিব সংকটৰ বেলা।



# নিৰাশাৰ মাজত আশা

**শিল্পীশিখা মহন্ত**
স্নাতক পঞ্চম ষান্মাসিক (বিজ্ঞান)

কাঁচি জোনটোলৈ চাই চাই কি বিছাৰিছা সৰলা?
সৌৰা চোৰা জোনটিয়েও মিচিকিয়াই হাঁহি
উঠিছে তোমাৰ সেমেকা মুখখন দেখি, অকল
জোনটোৱে কিয় তৰাবোৰেও ৰখাব পৰা নাই খিলখিলীয়া হাঁহিক।
পূৰ্ণিমাৰ ৰজনীয়েই হওক
বা অমাৱস্যাৰ ৰজনী বাচ বিচাৰ নাই মাথো
আকাশলৈ দৃষ্টিগোচৰ.....
নাই সৰলা
এনেদৰে নুশুনে, তেওঁ ঘূৰাই নিদিয়ে তোমাৰ
জীৱন সংগীক, নিদিয়ে তোমাৰ হিয়াৰ আমঠুক।
উভতি আহা লুইতৰ সোঁতে তোমাকো
এতিয়া উটুৱাই লৈ যাব দূৰণিলৈ;
থাকি যাব অশ্রুসিক্ত অলেখ স্মৃতি লগতে
অলেখ সপোন, চাওঁ হাতখন দিয়া, এনেদৰে
এৰি যাব নোৱাৰা, জোনটিকো হাঁহি সামৰি
অলপ পৰ জিৰাবলৈ অৱকাশ দিয়া।
প্ৰভাত হ'বলৈ অলপ সময় বাকী; সূৰ্য্যৰ ৰঙা
কিৰণে লগত লৈ অহা নতুন জীৱনটোক
আদৰণি জনাবলৈ লুইতৰ পানীৰে মুখখন
ধুই লোৱা আৰু এই শুভ্ৰ বালিত নিজৰ
খোজৰ প্ৰতিটো চিনে চিনে সকলো
দুখ- যন্ত্ৰণাক এৰি দিয়া যাতে আৰু
কোনো দিনেই একেটা চিনেদি পুনৰ উভতি
আহিব নোৱাৰা।



# বিজ্ঞানৰ জেউতী

**উপেন চন্দ্ৰ ডেকা**
কৰ্মচাৰী

বিজ্ঞানে পৃথিৱীৰ আবিস্কাৰৰ মূল
বিজ্ঞানে আনে প্ৰগতি সোঁত।
বিজ্ঞানে সভ্যতাৰ বিকাশ সাধে
সভ্যতা নহলে সৃষ্টি নহয়
সৃষ্টিত হয় মুক্তিৰ আলয়
মুক্তি লয় হয় বিজ্ঞান সাধয়
সাধনা এটি মাথোন সৃষ্টি।
সৃষ্টিত হয় বিজ্ঞান জেউতী।
জেউতীয়ে আনি দিয়ে বিজ্ঞানৰ সমলয়
সমলয়ত থাকিলে বহুজন উপকৃত হয়।
বিজ্ঞান নহলে দেশত নহয় উন্নতি।
বিজ্ঞানে আনে প্ৰগতিৰ গতি।

কথা কবিতা

# শোকৰ ছাঁ

**কৰুণাময় মিঠি ডেকা**
তৃতীয় সান্মাষিক (কলা শাখা)



তেতিয়া সময় সন্ধিয়াৰ ছয়বাজি চল্লিশ মিনিট
কুঁৱলীয়ে লাহে লাহে চৌপাশ আৱৰিছে
হাত সাৱতি বৰলুইতৰ কাষেৰে এপাক মাৰিলো
ডাঠ কুঁৱলীত বহু দূৰলৈ মনিবই নোৱাৰি
নিৰৱ চৌপাশ মাথো এজাকমান চৰাইৰ কলকলনি
এটি ৰিণিকি ৰিণিকি বিষাদৰ কান্দোন অস্পষ্ট
লাহে লাহে সেই কান্দোনৰ সুৰে স্পষ্ট ৰূপত আঘাত কৰিলে
হঠাতে অলপ দূৰত কিবা এটাৰ ছাঁ দেখি উচপ খালো
লাহে লাহে ছাঁটোৰ ফালে খোজ ললো
এবাৰ কান্দোন আৰু মাজে মাজে সেমেকা হাঁহি
মোৰ ভৰিৰ খোজৰ শব্দ পাই ছাঁটোৱে পিছভূমুকি চালে
এজনী ছোৱালী, প্ৰায় বিশ-একৈছ বছৰীয়া
তাইৰ কাষত বহি কান্দোনৰ কাৰণ সুধিলো
তাই চকুজুৰি সেমেকাই ক'লে
"এইখন বৰলুইত
য'ত মোৰ পৰিয়াল, ঘৰ মাটি হেৰুৱালো
অ' নহয়..., বৰলুইতে চলনাৰে কাঢ়ি নিলে সকলো
আই-বোপাই লগতে সৰু ভাই-ভনিটিক চোচৰাই টানি নিলে
হাতত থাকি গ'ল মাথো পৰিয়ালৰ মৰমৰ পৰশ
এদিন কেইজনমান সমাজৰ ভদ্ৰ চেহেৰাই
অকলে পাই মোৰ দেহৰ সৈতে ৰং খেলিলে
গোটেই ৰাতি মই আৰু সেইকেইজন লোক
শৰীৰৰ সুবাস ক'ত হেৰাল গমেই নাপালো
এতিয়া মই এজোপা নঙঠা বিৰিখ
প্ৰায় মন-প্ৰাণহীন নিথৰ দেহা
মোৰ অস্তিত্ব বৰলুইতে উটুৱাই নিলে
নোহোৱা হ'ল শৰীৰৰ তাপ-সুবাস
তথাপিও মই জীয়াই থাকিম
আৰু চাম বৰলুইতে কাৰ কি কাঢ়ে"
তেনেকৈ কৈ তাই অকস্মাতে থিয় হ'ল
আৰু এচপৰা মাটি নৈখনত দলিয়াই
একেলগে হাঁহি আৰু চিঞৰি কান্দি ক'লে
"তই বৰলুইত..,
তই মোৰ সকলো কাঢ়িলি
পৰিয়াল, ঘৰ-মাটি লগতে মোৰ শৰীৰৰ লাজ
তথাপিও..., তথাপিও তোক বেয়া নাপাও
জাননে, তোৰ সৈতে মোৰ একো শত্ৰুতা নাই,
কেৱল এটি অনুৰোধ
তই মোৰ বাহিৰে আন কাকো নিদিবি
ইমান বোৰ শোকৰ ছাঁ।"

# বিহু আহিলে....

**গণেশ মণ্ডল**
পঞ্চম যান্মাসিক (বাণিজ্য)

(১)
বিহু আহিলে বান্ধৈ
কুলি চৰাইৰ মাতত
বিহু আহিলে বান্ধৈ
ঢোলৰে চেৰত

গছে-গছে কুঁহিপাত মেলিলে
নাহৰ, কপৌ, তগৰো ফুলিলে
শিপিনীসকলে তাঁতৰ শালত বহি লৈ
চেনাইলৈ গামোচা বৈছে, বিহুত দিবলৈ।
(২)
বিহু আহিলে বান্ধৈ
পেপাই লহৰ তুলিলে
বিহু আহিলে বান্ধৈ
আমাৰ নাচনীও ওলালে।

আমাৰ এই ঢোলৰে ঐ চেৰত
মেঘেও গৰজিলে আকাশত
নাচনী মৰমৰ এই বিহুৰ বতৰত
কেনেকৈ থাকিব বহি ঘৰৰ ভিতৰত
(৩)
পাহাৰ বগাই বগাই বান্ধৈ
কপৌ ফুল আনি দিম
গগনাটি বনাই বান্ধৈ
খোপাতে গুজি দিম।

নাচনীয়ে গগণাটি বা 'ব
বিহুতলী বৰ শুৱনি হ'ব।
সাঁজি- কাচি লৈ ৰূপহীজনী হৈ
ককাল ভাঙি নাচিব, বিহুতলীত গৈ।

# ক্লান্ত হৃদয়

**শৈলেন্দ্ৰ দাস**
প্ৰাক্তন ছাত্ৰ (জাগীৰোড মহাবিদ্যালয়)

তুমি চৰাই হৈ এদিনাখন আমাৰ পদূলিৰ
চোতালত উমলিবলৈ আহিবা,
মই একান্ত মনে তোমালৈ অপেক্ষা কৰিম।
তুমি আহিলে-
তুমি মই একেলগ হম...
একেলগ হব আমাৰ ক্লান্ত দুটি হৃদয়,
হিয়া- উজাৰি পাতিম দু-আষাৰ মনৰ কথা।
পাছত আমি দুয়ো উৰি উৰি...
তোমালোকৰ পদুলিৰ আমলখি গছজোপাত
একেলগে শান্তিৰে জিৰণি লম।
আমাৰ ভাগৰুৱা ক্লান্ত হৃদয়ক জিৰণি দিম...।
প্ৰকৃতিৰ বুকুত আমি আনন্দেৰে উমলিম,
পৃথিৱীত বিলাই দিম আমাৰ প্ৰেমৰ বতৰা,
প্ৰেমেৰে জিনিম বিশ্ববাসীৰ মন।
আমি দুয়ো প্ৰেমৰ প্ৰতীক,
তোমালোকৰ আমলখি গছজোপাইওঁ গম পাব,
গম পাব পৃথিৱীৰ সকলোৱে,
তোমাৰ মোৰ ভালপোৱাৰ সম্পৰ্কৰ কথা...।
আমি দুয়ো শান্তিৰ প্ৰতীক এই পৃথিৱীৰ,
পাছত আমি দুয়ো একেলগে
উৰি উৰি বিলীন হৈ যাম এই আকাশেদি
দক্ষিণৰ দুৰৈৰ এই পাহাৰেদি এক অজান দেশলৈ,
পাছত দুয়ো আমি একেলগে............।

# মুকলি

**কুইৰিন ডেকা**
তৃতীয় ষান্মাসিক (কলা শাখা)

মোৰ দুহাতৰ শিকলি
খুলি দিয়া,
মোক লাগে মুক্ত আকাশ
সেউজীয়া গছ গছনিৰ বিশালতা
মই শুনিব বিচাৰোঁ,
পুৰাৰ চৰাইৰ গান
হৃদয় জুৰুৱা, সেই মিঠা গান।
বন্ধ দুৱাৰ, বন্ধ কোঠাৰ স্তব্ধতা
মোৰ পচন্দ নহয়
কিছু কোলাহল কিছু আন্ধাৰ
মোৰ হেপাহ নহয়
মন মগজুয়ে আৰ্তনাদ কৰে
বিচাৰি শান্তি, বিচাৰি মুক্ত পৃথিৱী
সেয়েহে মোক এৰি দিয়া
খুলি দিয়া যান্ত্ৰিকতাৰ শিকলি,
মই মোৰ ভালপোৱাবোৰৰ, মাজলৈ গুচি যাওঁ,
সেউজীয়া সাৰটি লওঁগৈ।





# বসন্তৰ আগমন

**নৰজ্যোতি ডেকা**
পঞ্চম ষান্মাসিক (কলা)

ফুলবোৰ ফুলিছে বতাহত নাঁচিছে
ভোমোৰাই পৰিছে পাহিত,
আকাশত শোভা কৰিছে তৰাই
জোনাকৰ মিচিকি হাঁহিত।
নিশাৰ আকাশত জোনাকী পৰুৱাই
জিলিকালে নিজম ৰাতি,
নীলা আকাশত মেঘবোৰে আহি
পৃথিৱী পেলালে ঢাকি।
সেউজীয়া ধৰণী ধুনীয়া ফুলনি
আকাশত বিজুলী চাকি,
বসন্ত ৰজাই আদৰি আনিলে
পৃথিৱীৰ বহাগী ৰাণী।

## বন্ধু

**হৰিধন বিশ্বাস**
স্নাতক পঞ্চম ষান্মাসিক

তোমাৰ মহাবিপদৰ সময়তো
সদায় কাষত থাকে যিজন,
তোমাৰ প্ৰকৃত বন্ধু বুলি জানিম সিজন।
প্ৰকৃত বন্ধুৱে কেতিয়াও বন্ধুৰ মনত
দিব নোখোজে দুখ,
প্ৰকৃত বন্ধুৱে নিবিচাৰে কেতিয়াও
টকা, পইচা আৰু সন্মান
প্ৰয়োজন হ'লে বন্ধুৱে সকলো স্বাৰ্থ
বন্ধুৰ বাবে দিয়ে বিসৰ্জন।
বন্ধু হয় বন্ধুৰ জীৱনৰ অংশ
প্ৰকৃত বন্ধুই নকৰে কেতিয়াও
বন্ধুৰ জীৱন ধ্বংস।

## বৰষুণ

**গীতাশ্ৰী ডেকা**
তৃতীয় ষান্মাসিক (কলা বিভাগ)

ফাগুনৰ পচোৱাৰ
মাজে মাজে
শীতৰ বিদায়ৰ বেলাত
এজাক বৰষুণ নামি আহিছিল
জিৰ জিৰ
সপোনক ধুৱাই
পুৰা গধুলিক ধুৱাই
এজাক কোমল বৰষুণ
হৃদয়ৰ বৰষুণ।

## कविता

### कालेज के वो दिन

सन्तुस सरकार
कक्षा- एकादश (विज्ञान शाखा)

कालेज के वो दिन.....
कुछ बाते भूली हुई
कुछ पल बिते हुए
हर गलती के एक नया बहाना
बाद में पकड़ जाना
मौका मिलने पर क्लाच न करना
केण्टिन में दोस्तों के साथ गप्पे मारना
उसकी एक झलक के लिए तड़पना
उनको देखने देखने पढ़ाई भूल जाना
हर पल में नया स्वपना
जो आज टुट गये
फिर भी है अपना
कालेज की वो दिन, वो लम्हों में
जिन्देगी जी भर के जिना
याद करके वो पल को
जिन्देगी भर मुस्कुराना।

# অভিজ্ঞান কাশ্যপৰ কবিতা

পঞ্চম ষান্মাসিক (কলা)

## গান্ধীৰ পুতলা

(১)
তেওঁ মৌন
সকলোবোৰ দেখিওঁ
আজি তেওঁ মৌন
হয়তো তেওঁ বোবা
নহ'লে হয়তো
তেওঁৰ আছে আজি
মৌন ব্ৰত।

(২)
তেওঁ মৌন
হয়তো তেওঁ
বধিৰ নতুবা
তেওঁ অন্ধ
আৰু সেয়েহে হয়তো
আজি তেওঁ মৌন

(৩)
এদিন তেওঁ
ঘূৰাই পাব নিজৰ
দৃষ্টিশক্তি
কানেৰেও শুনিবলৈ
সক্ষম হৈ উঠিব
আৰু সেইদিনা
তেওঁ কান্দিব
চিঞৰি চিঞৰি
কান্দিব
কিন্তু তেতিয়া
আন সকলোলোক
হৈ পৰিব
একো একোজন
দৃষ্টিহীন
বধিৰ
আৰু
ধাৰণ কৰিব।
মৌন ব্ৰত।

(সময় থাকোতেই নিজক পৰিবৰ্তন কৰা। অন্যায় দেখি অন্ধ হৈ নাথাকিবা। কাৰোবাৰ যন্ত্ৰণাৰ চিঞৰ শুনি বধিৰ হৈ নাযাবা আৰু সকলো দেখি শুনিও মৌনব্ৰত ধাৰণ নকৰিবা। নহ'লে এদিন তোমাৰ বিপদৰ সময়ত তুমি তোমাৰ কাষত পাবা গান্ধীৰ পুতলা কেইটাহে)

## নিমাতি ঘাটৰ আবেলি

আবেলিৰ ৰঙা বেলিটিয়ে
নিমাতি ঘাটৰ সেই
কাঠৰ স্তম্ভটোৰ
মনোৰম ছবি আকেঁ
বৰলুইতৰ বুকুত।
লুইতখনে হয়তো ভাল নাপায়
বেলিটিয়ে অঁকাছবি,
সেয়েহে সৰু সৰু লহৰেদি
মুচি দিয়ে
ছবিটো
নিজৰ বুকুৰ পৰা।

## অস্তিত্ব অপৰাজিত

মই এজন পথিক
লক্ষ্যহীন যদিও মই
সংগী বিহীন নহয়
মোৰ শৰীৰটো মোৰ সংগী
মোৰ বন্ধু
মোৰ যাত্ৰাৰ শেষ নহয়
কিন্তু
মৃত্যুয়ে শেষ কৰিব মোক
শৰীৰটোক
যদিও তেতিয়া অকলশৰীয়া হৈ পৰিম
তথাপি অব্যাহত থাকিব মোৰ-
যাত্ৰাৰ
লক্ষ্যহীন যাত্ৰা
কাৰণ,
মোৰ অস্তিত্বই অপৰাজিত।

# গল্পৰ শিতান


- অনুভৱ /বাবুল মালাকাৰ / ৯১
- সংঘাত আৰু মিলন /দীপক ৰাজভৰ/ ৯৫
- প্ৰতিদান / ৰঞ্জু গগৈ চুতীয়া/ ৯৮
- পেংক্ৰাইছিচ /ড° খগেন শৰ্মা/ ১০২







কাৰ্বি শিল্পী সকলে জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত
"অ' মোৰ আপোনাৰ দেশ" পৰিবেশন কৰা দৃশ্য।

# অনুভৱ

গল্প

**বাবুল মালাকাৰ**
(গ্ৰন্থাগাৰিক)

নামঘৰটোৰ বেৰত আঁৰি থোৱা আছিল এখনি ফটো। আইনা আৰু কাঠৰ সৰু ফ্ৰেমেৰে সুন্দৰকৈ বান্ধি আলফুলকৈ ৰাখি থোৱা ফটোখনৰ চাৰিওফালে ধূপ-ধূনাৰে পূজা অৰ্চনা কৰি হাতযোৰ কৰি বহুত সময় বহি আছিল ভগ্নেশ্বৰ।

পুৱা-গধূলি সদায় সি এই কামখিনি কৰিলেহে মনটোত অলপ শান্তি অনুভৱ কৰে। কিন্তু আজি সেই কামখিনি কৰোতে বহুখিনি সময় খৰচ কৰিলে সি। কাৰণ আজি তাৰ 'অফিচ' নাই। 'অফিচ' বুলি ক'লে তাৰ মূৰ কামোৰণি উঠে।

ৰাতি পুৱালেই লাগিল লেঠা। "হেৰা, তাৰা-তাৰি কৰা। ভাত হ'লনে নাই? এহ্ এতিয়া তুমি বাহিৰা কামবিলাক এৰাচোন। মোৰ দেৰি হৈ যায় নহয়।..." আৰু যে ক'ত কি-মানুহজনীক অকণো শান্তি নিদিয়ে সি।

দৌৰা দৌৰিকৈ মুখত ভাতকেইটামান গুজি লৈ 'অফিচ' পায়গৈ সি। কিন্তু লগৰ কেৰাণি বিলাকৰ উৎপাত দেখিলে বিৰক্তিত মূৰৰ কামোৰণি উঠে তাৰ। সিহঁতে 'মক্কেল' নহ'লে কামেই নকৰে। চাহ-তামোল খাই আবোল-তাবোল বকি বহি থাকে। ঘোঁচ। কেৱল ঘোঁচ। ঘোঁচ নহ'লে কাৰো ফাইলেই নোচোৱে সিহঁতে। চোৰ!

চোৰ! মন্ত্ৰীৰ পৰা পিয়ন মহৰীলৈকে চবেই চোৰ! কোননো সাধু?"- এনেকুৱা পৰিৱেশৰ মাজত বুৰি থাকে সিহঁত।

কিন্তু ভগ্নেশ্বৰে সেইবোৰ নোচোৱে। তাৰ মনত সেইবোৰ অস্পৃশ্য! চুৱাঁ। সেইবোৰ শনি। অশুভ।

'কেলেই লাগিছে সেইবিলাক অসৎ পথৰ ধন।' ভদ্ৰ ঘৰৰ ল'ৰা সি। বংশ মৰ্যদা আছে তাৰ! সি তেনেকুৱা নীচ কামত হাত দি পূৰ্বপুৰুষক অপমান কৰিব নোখোজে। "ঘোঁচ খাই নিজৰ ল'ৰা তিৰোতা আৰু বংশ পৰিয়ালক মানুহৰ আগত হেয় কৰিব নোৱাৰো নহয়।"- এই মনোভাৱ তাৰ।

দেখিছে নহয় সিদিনা ঘৰৰ ওচৰৰে তালুকদাৰ বোলা জনৰ ওপৰত কেইজনমান মানুহে দিয়া মন্তব্য! "আহিল চোৰটো"।

"ৰাইজৰ শাওঁপাত! কম বিৰক্তিত নকয় তেনেকুৱা কথাবিলাক মানুহে!" ঘৃণাত নাকটো কোঁচ খাই যায় তাৰ।

-"লোকৰ ধনেৰে কেইখনমান গাড়ী দৌৰোৱা; কেইতলামান ঘৰ সজা বা পৰ্বত সদৃশ কিছু মাটি-সম্পত্তিৰ গৰাকী হোৱাটো সাধাৰণ কথা। কিন্তু এইবোৰ কিছুমান মানুহৰ হুমুনিয়াহ হে! অস্থায়ী! সাগৰৰ মাজত কঁপি থকা নাওঁ বা জাহাজৰ দৰে এই ডুবু! এই

ডুবু! কেতিয়া ধ্বংশ হৈ যায় একো ঠিক নাই।”- কথাবিলাক মনে মনে ভাবি যায় সি।

‘টেবুল’ত ফাইল পালেই সি লগে লগে যাবতীয় কামখিনি কৰি পিছৰ টেবুললৈ পঠিয়াই দিয়ে। সেইবাবে অইন কেৰাণী বিলাকৰ নিচিনাকৈ তাৰ চকুৰ আগত ফাইলৰ দ’ম দেখিবলৈ পোৱা নাযায়।

হাজৰিকা! অৰুণ হাজৰিকা। দেউতাক। খেতিয়ক আছিল। এজন আদৰ্শ খেতিয়ক। সাতদলা গাওঁখনৰ ৰাইজে সমীহ কৰি চলা এজন আত্মমৰ্যাদা সম্পন্ন খেতিয়ক। দিনে দুখনকৈ হাল বায়। বলধ গৰু চাৰিটা। দিনটো খেতি পথাৰতে থাকে। কেতিয়াবা যদি কোনোবাই কৰবাত নতুন প্ৰজাতিৰ কিবা খেতি বাতিৰ লগত পৰিচয় হ’ব লাগে- তেনেহ’লে হাজৰিকাৰ ওচৰলৈ গ’লেই হ’ল। মানুহজনে কিছুবছৰ বাচন-বেপাৰো কৰিছিল। সেইবাবে ‘ওপৰ অসম’, ‘নামনি অসম’ আদি ঠাই বিলাকৰ প্ৰায় সকলোখিনি মানুহকে অতি ভালদৰে চিনি পাইছিল। সেই কাৰণে কোনো ঠাইত নতুন প্ৰজাতিৰ কিবা খেতি দেখিলেই হ’ল। অৰুণ হাজৰিকাই সেইবিধ সংগ্ৰহ কৰিবই কৰিব। পিছত গাঁৱৰ মানুহে তেখেতৰ পৰা সেইবোৰ যথাবিধি সংগ্ৰহ কৰি নিজাববীয়াকৈ খেতি কৰে।

- কাকা, এইটো কি ধান? গাঁৱৰ মানুহে সোধে।

-‘এ, বাদালা! বৰপেটাৰ পৰা আনিছিলো।’

-‘এ, সেইডৰা কি ধান? জকমকাই আছে!’

- সেইডৰা মালভোগ। ... তাক শিৱসাগৰৰ পৰা আনিছিলো। তেখেতে কৈ যায়।

আজি শিৱৰাত্ৰি। অৰ্থাৎ শিৱপূজাৰ দিন। সেইবাবে ভগ্নেশ্বৰৰ অফিচ বন্ধ। ৰাতিপুৱাৰ পৰাই শিৱ বাবাৰ মন্দিৰত মানুহৰ ভিৰ। কি ল’ৰা, কি তিৰোতা, কি চোৰ, কি ডকাইত- আতায়ে ‘বাবা’ৰ আশীষ লবৰ বাবে হাতত ফুল, মালা, ধতুৰা গুটি লৈ একাদিক্ৰমে শাৰী পাতি ৰৈ আছে। ঘৰৰ ওচৰৰ ডেকানীয়ে কিন্তু সেইটো মন্দিৰলৈ যোৱা নাই। তেখেতে ঘৰৰ নামঘৰটোতে ‘ভোলানাথ’ৰ ফটোখনৰ আগতে ভক্তিভাৱে ধূপ-ধূনা আদিৰে পূজা- অৰ্চনা কৰিছে।

কিন্তু ভগ্নেশ্বৰে ‘শিৱ’ বা ‘ভোলানাথ’ৰ ফটোত পূজা কৰা নাই। সি পূজা কৰিছে তাৰ দেউতাকৰ ফটোখনিত। তাৰ নামঘৰটোত মাত্ৰ এজনেই দেৱতাৰ স্থান। সেইটো হ’ল অৰুণ হাজৰিকা। তাৰ চিৰ নমস্য দেৱতা। অৰুণ হাজৰিকাই হ’ল তাৰ মনত দুৰ্গা, শিৱ, গণেশ, কৃষ্ণ, বিষ্ণু ইত্যাদি সকলো। আছে। তাৰো এটা কাৰণ আছে।

নামঘৰটোত সোমোৱাৰ পিছতে সদায় গহীন হৈ পৰে ভগ্নেশ্বৰ। অন্তৰৰ কোনোবাখিনিত বিষ অনুভৱ কৰিবলৈ লয় সি। বহুদিন আগৰ সেই পুৰণা বিষটো সেই দিন ধৰি সদায় থাকি গ’ল তাৰ। তেতিয়াই সি তাৰ অন্তৰ খন ‘খালি-খালি’ অনুভৱ কৰে।

নামঘৰটোৰ পৰা ওলাই আহোতেই ঘৈণীয়েকে সুধিলে- “চাহ দিম নেকি?”

“- দিয়া।” - তলমূৰকৈয়ে ক’লে সি।

* * * *

-“কোনোবা ‘পদীপ’ নামৰ মানুহ এজনে ফোন কৰিছিল!”- ঘৈণীয়েক সৰস্বতীয়ে ক’লে।

-‘কোন পদীপ?’ - চাহ কাপত সোহা মাৰি সুধিলে ভগ্নেশ্বৰে।

-‘দধিয়াল চুপাৰ’ বোলে।

-‘দধিয়াল চুপা! তাৰ পুৰণি জন্মভূমি! সেই দধিয়াল চুপাৰ প্ৰদীপ! সেই যে ওখ পাখকৈ মানুহজন। নামটো শুনিলেই ‘ব্ৰে ইনটো’ নষ্ট হৈ যায় তাৰ।

শিক্ষিত হৈও মানুহজন অশিক্ষিত। গাঁৱৰ মানুহে তাৰ নাম দিছে ‘নাৰদ’। কোনো মানুহহে বিশ্বাসত নলয় তাক। কিয়নো সি কাৰ কথা ক’ত লগাই ফুৰে তাৰ কোনো ‘ইয়াত্তা’ নাই। সেইজন মানুহৰ মতে তাৰ কোনো নিজৰ বাহিৰে পৃথিৱীৰ কোনোজন মানুহ ভাল নহয়। মানুহৰ দোষ খুচৰি ফুৰাই তাৰ প্ৰধান কৰ্ত্তব্য বুলি সি ভাবে।

-‘গাওবুঢ়া’! এটা অভিযোগ লৈ আহিলো। হাজৰিকাৰ চোতালত থিয় দিছিল সি।

-‘অ’, পদীপ দেখোন! বহা।’ নাঙলৰ ফালটো হাতত লৈ হঠাৎ ওপৰমুৱাকৈ চাই ওচৰতে পাৰি থোৱা বেঞ্চখনৰ ফালে ইঙ্গিত কৰিলে অৰুণ হাজৰিকাই।

-‘নবহো ৰবা! এটা কথা কওঁ বুলি আহিলো।’

-‘কি কথা?’ মেৰামতি কৰি থকা পুৰণি নাঙলখন ওচৰৰ জেওঁৰাখনত আউজাই থৈ সুধিলে হাজৰিকাই।

-‘এহ্ ৰাতিপুৱা! আমাৰ পদুমীয়ে বিললৈ পানী আনিবলৈ গৈছিল। ই বোলে বেয়া বেয়াকৈ জোকাইছে!”

-‘ই মানে?’- আচৰিত হোৱাৰ দৰে সুধিলে হাজৰিকাই।

-‘ভগ্নেশ্বৰে।’

কথাষাৰ শুনি বহুত সময় তভক মাৰি লৈছিল হাজৰিকা। হাতত লৈ থকা নাঙলৰ ফালটো তেতিয়া তলত সৰি

পৰিল গমেই নাপালে তেখেতে।

"মোৰ ল'ৰাই অইনৰ ছোৱালী জোকালে! যিটো কথা সদায় ভয় কৰি চলো সেইটো কথাই মোক আগুৰি ধৰিলে। হায়! মানুহৰ ভাগ্য!....." কথাখিনি অনুভৱ কৰি ডেই পুৰি গ'ল হাজৰিকাৰ।

- 'কথাটোত তাৰ একো দোষ নাই। বহুত সময় তভক মাৰি ৰোৱাৰ পিছত তলমূৰকৈয়ে লাহে লাহে ক'লে হাজৰিকাই।"মই তাক উপযুক্ত সময়ত উচিত শিক্ষা দিব নোৱাৰিলো,... যিটোৰ অভাৱত সি আজি এটা অতি বেয়া কাম কৰি পেলালে।... দোষটো মোৰেই।..তাৰ গাত একো দোষ নাই।..তাৰ বাবে মইহে শাস্তিৰ যোগ্য।' কথাখিনি কৈ গম্ভীৰ হৈ পৰিছিল হাজৰিকা।

কথাবিলাক সোঁৱৰণ কৰি পঞ্চাশ বছৰ আগলৈকে ঘুৰি গ'ল ভগ্নেশ্বৰৰ মনটো। এজন ভাল খেতিয়কৰ ল'ৰা বুলি গৌৰৱবোধ কৰে সি। পুৰণি গৌৰৱ থকা, শিক্ষিত বংশ-মৰ্যদা থকা আগশাৰীৰ পৰিয়ালৰ সদস্য সি। গাঁৱৰ অইন মানুহে অনবৰতে সমীহ কৰি চলে সিহঁতক।

ককাদেউতাক 'মতিৰাম' বৃটিছৰ দিনৰে মেট্ৰিক পাছ কৰা এজন প্ৰখ্যাত সমাজসেৱী। গাওঁখনত থকা একমাত্ৰ শিক্ষানুষ্ঠান সাতদলা ১২৫০ নং প্ৰাথমিক বিদ্যালয়খন মতিৰামে নিজৰ ঘৰতে প্ৰতিষ্ঠা কৰিছিল। ওচৰৰ চাৰি- পাচখন গাৱঁৰ পৰা বাটকুৰি বাই আহি কিমান ল'ৰা-ছোৱালী পঢ়ি শুনি ওলাই গ'ল সেইখন স্কুলৰ পৰা তাৰ হিচাপ নাই। কথাবিলাক অনুভৱ কৰি পদীপৰ প্ৰতি ঘৃণাত নাকটো কোঁচ খাই গ'ল তাৰ।

- "কিয় ফোন কৰিছিল সি?"- অন্যমনস্ক ভাবে সুধিলে ভগ্নেশ্বৰে।

-"পুতেকৰ কিবা চাকৰি...." কথাখিনি শেষ কৰিবলৈ নাপালেই সৰস্বতীয়ে।

-" চাকৰি দিয়া মানুহ বিচাৰি নাপালে আৰু সি"- কথাখিনি ওপৰতে পাতি ধৰিলে সি।

মানুহ! মানুহক সি তেতিয়াৰ পৰাই ভয় কৰি চলে। সেই ১৯৭৪ চনটো। সেই চনটোৰ সেই দিনটোৰ যিটো মুহূৰ্ত অৰুণ হাজৰিকাই বুকুত বিষটো অনুভৱ কৰিছিল। দলটোত সিও আছিল। খুৱাৰ পথাৰত গৰু এৰাল দি ঘৰলৈ উভতি যাওঁতে আদবাটতে সিহঁতক লগ পাইছিল সি। নবীন, ৰাতুল আৰু দ্বীপ। সিহঁতে সৃষ্টি কৰা পৰিৱেশটোত অস্বস্তি বোধ কৰিছিল সি। কিন্তু সিটো তাত সমূলি ভাগ লোৱা নাছিল! কথাটো সি ভাল পোৱা নাছিল। তেনে স্থলত ...! কথাবোৰ ভাবি মূৰত সৰগ ভাগি পৰিছিল তাৰ। অন্যায়! ঘোৰ অন্যায়!! তাৰ ওপৰত মিছাকৈ বদনাম এটা জাপি দিছিল 'পদীপ' বোলাজনে। কিবা এটা ভাবি প্ৰতিবাদ কৰিবলৈও সাহস নহ'ল তাৰ। দুয়োটা চকুৰ ভিতৰৰ পৰা নিঃশব্দে বৈ যোৱা লোতকৰ প্ৰতি কোনো গুৰুত্ব নিদি লগে লগে সেই কঠোৰ সিদ্ধান্তটো লৈ পেলালে সি। "মই আৰু মোৰ ছাঁ দুয়ো-দুয়োৰে লগৰীয়া।"

শিলতকৈও কঠিন এই সিদ্ধান্ত। গোটেই জীৱন- জুৰি বৈ গ'ল তাৰ। "সঙ্গ নাথাকিলে একা!" তেতিয়াৰে পৰা গহীন-গম্ভীৰ হৈ পৰিল সি। তেতিয়াৰে পৰা অদৰকাৰত কাৰো লগত এষাৰ কথা পতাৰো প্ৰয়োজন বোধ নকৰে সি। যিটো সময়ত কিশোৰ- কিশোৰীয়ে সমনীয়া লগ বা সঙ্গৰ অভাৱ অনুভৱ কৰি মনত অপাৰ কষ্ট পায় সেই সময়ত সি সঙ্গ ত্যাগ কৰাৰ কছোৰ সিদ্ধান্তত অটল হৈ থাকিল।

-সময়! কাল! কালৰ কুটিল গতি! সময়ৰ অটল গহ্বৰত সকলো লীন হৈ যায়। সেইটো বছৰতে ভগ্নেশ্বৰৰ নেতৃত্বত গাঁৱৰ ডেকা ল'ৰা বিলাক লগ হৈ এটা সংঘ প্ৰতিষ্ঠা কৰিছিল -"সাতদলা সমাজসেৱী জ্যোতি সংঘ।" গাওঁখনত এটা পৰিৱেশ আহক! শিক্ষাৰ পৰিৱেশ আহক! সাংস্কৃতিক পৰিৱেশ আহক! -এই মনোভাব। কৈলাশ, প্ৰবীন, তাৰিণী উৎসাহী ল'ৰা। সিহঁতে সেই কামটোত উবুৰি খাই পৰিছিল। কিন্তু ভগ্নেশ্বৰৰ উৎসাহ কমি যোৱাৰ লগে লগে এটা সময়ত সংঘৰ কাম সম্পূৰ্ণ ৰূপে বন্ধ হৈ গ'ল। এতিয়া তাৰিণী, প্ৰবীন, কৈলাশ সেই তিনিওজনেই পৃথিৱীৰ মায়া ত্যাগ কৰি গুছি গ'ল। দেউতাক অৰুণ হাজৰিকাওঁ গ'ল। নগ'ল প্ৰদীপ। নগ'ল তাৰ কুৎ স্বভাৱটো। "-কথাবিলাক মনৰ ভিতৰতে পাগুলি এক প্ৰকাৰ বিৰক্তি বোধ কৰিলে সি।

"স্বাৰ্থ ! হো! ব্যক্তি স্বাৰ্থই পৃথিৱীখন ধ্বংশ কৰিলে। এই স্বাৰ্থৰ কাৰণে পৃথিৱীখনত কিমান অঘটন ঘটি আছে। কিন্তু মই ইয়াৰ পিছে পিছে ঘুৰি ফুৰিবতো নোৱাৰো! এই স্বাৰ্থৰ কাৰণে কিমান তথাকথিত সাধু মহন্তৰ চৰিত্ৰৰ স্খলন হ'ল; ধ্বংশ হ'ল! পুতেকৰ স্বাৰ্থ। চাকৰিৰ বাবে ফোন কৰিছে!"- কথাবিলাক বাদাত্মক ভাবে মনৰ মাজেদি পাৰ হৈ গ'ল তাৰ।

-"আৰু কিবা কৈছে নেকি?"- চাহৰ কাপটোত আকৌ এটা সৰুকৈ হোপা দি সুধিলে সি।

-'গাঁৱৰ মাটিখিনি বিক্ৰী কৰাৰ কথা সুধিছে। আজিকালি বোলে মাটিৰ দাম বাঢ়িছে।'- ক'লে সৰস্বতীয়ে।

"দালালি। গাঁৱেভূঞে সকলোতে দালালি। ইবোৰৰ উৎপাতত সাধাৰণ মানুহৰ

নগুৰ নাগতি হৈ আছে। কোনো দয়া মায়া নাই। কেৱল টকা! টকা!! এই বয়সতো ধাণ্ডা কৰি আছে সি। কেৱল লাগে! লাগে!! কম কথাত জলকুবেৰে যুধিষ্ঠিৰক এই প্ৰশ্নটো কৰিছিলনে?- "পৃথিৱীৰ আচৰিত ঘটনাটো কি? মানুহ! মৰিব বুলি জানিওঁ কোনো দিনে নমৰো বুলি ভাবে।"- কথাবোৰ ভাবি গ'ল ভগ্নেশ্বৰে।

গাঁৱৰ ঘৰ! গাঁৱৰ মাটি!! কিয় বিক্ৰী কৰিব লাগে সি? ভগ্নেশ্বৰৰ গোটেই শৈশৱ, গোটেই যৌৱন লুকাই আছে তাত। সৰুতে মাক দেউতাকৰ উপৰিও পেহীয়েক আৰু মাহীয়েকৰ কোলাত কিমান দিন উঠি ফুৰিছিল সি। দেউতাকৰ স'তে গৰু পোৱালি বিলাকক গোহালি ঘৰত কিমান মৰম কৰিছিল সি। গা মূৰ পিহি দিছিল। কিমানবাৰ কোলাত লৈছিল! ... যৌৱন। যৌৱন সেইটো কাল জীৱনক উপলব্ধি কৰাৰ কাল। আহি গ'ল ধুমুহা। লাগিল খেলি-মেলি।... হঠাৎ বহুখিনি দুৰ্ব্বলতা অনুভৱ কৰিছিল সি জয়মতীৰ প্ৰতি। আচম্বিতে ওচৰ চাপি গৈছিল দুয়োজনে। হৃদয়ৰ টান। যুক্তি দুৰ্বল হৈ যায় তাত। - "নাই নাই। নোৱাৰি? বংশ মৰ্যদাৰ কথা আছে। দেউতাই কথাটো গম পালে বৰ দুখ পাব।" কথাটো অনুভৱ কৰি বহু কষ্ট কৰি আঁতৰি আহিছিল সি। কিন্তু তাৰ পিছৰ পৰাই সি এটা ডাঙৰ উপকাৰ বিচাৰি পালে। ৰহস্যবাদী কবিতাবিলাকে সহজতে বুজি পোৱা হৈছিল সি।...

.... মাক উত্তৰা। কেনেকুৱা মাটিৰ মানুহ! দেউতাক ঢুকোৱাৰ পিছতো সৌ সিদিনালৈকে সেইডৰা মাটিকে খামুচি ধৰি আছিল তেওঁ। দুজনীকৈ গাইগৰু পুহি গাখীৰ খাইছিল তেওঁ। পোৱালি কেইটা কিমান মৰম লগা আছিল! ....দেউতাক অৰুণ হাজৰিকা কম বহল হৃদয়ৰ মানুহ আছিলনে? গাওঁখনৰ কোনো মানুহৰ খোৱা- লোৱাৰ নাটনি হ'লেই হাজৰিকাৰ ওচৰ চাপিছিল সিহঁতে -"কাকা এমোন ধান ধাৰে লাগিছিল! এই বাৰ বাদাম ধানখিনি চপালেই ধাৰখিনি মাৰি দিম।"

-"গাওঁবুঢ়া, এই বাৰো খোৱা- লোৱাৰ বৰ টান পৰিলহে! ধান এমোন লাগিছিল.....।" ইত্যাদি।

দিয়ে। ধাৰ দিয়ে হাজৰিকাই। কিন্তু সময়ত ধাৰ মৰাত মুৰ পোলোকা মাৰে দুই চাৰিজনে। তাৰ ভিতৰত দুই চাৰিজন ভাল মানুহো আছে। কিন্তুহাজৰিকাই সেইবুলি কোনোদিন কাকো টান কথা শুনাই নাপালে।

অকণমান আজৰি সময় পালেই পান- তামোলৰ বাৰীখনিত সোমাই গান গাই গাই কামত মনোযোগ দিয়ে হাজৰিকাই। - "ভাতৃক নেদেখি অনন্তৰে সত্ৰাজিত/ মহাশোকে ক্ৰন্দন কৰিলা বিপৰীত।" আদি কামৰ মাজে সুৰ লগাই মাজে গাই যায় মানুহজনে।

-পুৰণি কথাবিলাক সোঁৱৰণ কৰি এক প্ৰকাৰ নিঃসঙ্গতাত বুৰ গ'ল ভগ্নেশ্বৰ।

এনেকুৱা পৰিস্থিতি সি নিজকে সদায় কেওঁ কিছু নোহোৱা অকলশৰীয়া মানুহ বুলি ভাবে, যেন এটি ছয়- সাত বছৰীয়া শিশুহে। দেউতাকৰ বুকুৰ মাজত সোমাই আশ্ৰয় লবলৈ মনটো বৰকৈ চটফটাবলৈ ধৰিলে তাৰ, যেন কোনোবা শত্ৰুৱে তাক আক্ৰমণ কৰিবলৈ খেদিহে ফুৰিছে আৰু তাৰ পৰা ৰক্ষা পাবলৈ সি ঘৰলৈ দৌৰি আহিছে আৰু দেউতাক অৰুণ হাজৰিকাক বিচাৰি ফুৰিছে।

ক্ষন্তেকৰ বাবে ভগ্নেশ্বৰে নিজৰ অস্তিত্ব পাহৰি গ'ল আৰু নামঘৰটোৰ দুৱাৰখনৰ ফালে বাৰে বাৰে জুমি জুমি চাবলৈ ধৰিলে- যেন তাৰ সেই জীৱন্ত দেউতাক অৰুণ হাজৰিকাই ভিতৰত কিবা কাম কৰিহে আছে আৰু সি সমুখৰ বাৰান্দাত বহি অসহায় ভাবে দেউতাকৰ ফালে চাই চাই ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিছে।

-"চাহ কাপ ঠাণ্ডা হৈ গ'ল দেখোন।" সৰস্বতীয়ে সোহাতৰ বাউসী লৰচৰ কৰি দিয়াত এক প্ৰকাৰ চক খাই উঠিল ভগ্নেশ্বৰ।

-"মই এবাৰ শিৱ- মন্দিৰৰ পৰা আহো।" কৈয়ে সৰস্বতী বাহিৰলৈ ওলাই গ'ল।

"মন্দিৰলৈ কিয় যাব লাগে! হৃদয়খনেই এটা মন্দিৰ নহয় জানো! হৃদয়ত আৰাধনা কৰিলেই হৈ যায় দেখোন! ...তথাপি মানুহ মন্দিৰলৈ যায়। ...লাগে। এটা অৱলম্বন লাগে। এটা বিগ্ৰহ লাগে। আৰু তাক ৰাখিবলৈ নিৰ্দ্দিষ্ট ঠাই অকণমান লাগে। এটা অবাস্তৱ কথাক বাস্তৱ কৰিবলৈ চেষ্টা কৰিব লাগে। কল্পনাও কেতিয়াবা বাস্তৱ হৈ যায়। সময়ত বাস্তৱও লাহে লাহে কল্পনাৰ বুকুত হেৰাই যায়। মোৰ দেউতা এসময়ত বাস্তৱ আছিল...। অৰুণ... তেওঁ আজিৰ দিনত কল্পনা! .. শিৱ, দুৰ্গা ঈশ্বৰ অবাস্তৱ। তাক বাস্তৱ কৰিবলৈ মানুহ মন্দিৰলৈ যায়....।" কথাবিলাক মনৰ মাজত জুকিয়াই জুকিয়াই ভগ্নেশ্বৰে নামঘৰটোৰ ফালে একেথৰে চাই থাকিল। তাত অইন কোনো নাই। আছে তাৰ হৃদয়ৰ দেৱতা। যিজন একালত এজন মানুহ আছিল।

●

# সংঘাত আৰু মিলন

গল্প

**দীপক ৰাজভৰ**
স্নাতক পঞ্চম ষান্মাসিক (কলা শাখা)

জুন মাহৰ সময়, দিনৰ ভাগত প্ৰচণ্ড গৰম, মানুহৰ উপৰিও যেন জীৱজগতৰ সমস্ত উদ্ভিদ-প্ৰাণীয়ে অত্যাধিক গৰমৰ বাবে অশান্তি পাইছে। গছৰ ডাল-পাতেও স্তব্ধ হৈ নীৰৱতা অৱলম্বন কৰিছে; নাই এছাটি মলয়া বতাহ যাৰ দ্বাৰা সকলোৰে গা- মন শীতল কৰি শান্তি পাব। দুপৰীয়া বাৰ মান বাজিছে, এহাল দম্পতীয়ে ঘাই পথৰ কাষত থকা এজোপা ডাঙৰ আঁহত গছৰ তলত জিৰণি লৈছে। দুয়োজনা ব্যক্তি নিজা গাড়ী লৈ উদ্ভিদ, জীৱ- জন্তুৰে ভৰা বৈচিত্ৰ ময় উদ্যান এখনৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিবলৈ গৈছিল, তাৰ পৰা উভতি আহোঁতে মাজবাটত আঁহত গছ এজোপাৰ তলত জিৰাইছে। পতি-পত্নী দুয়োজনাই হাইস্কুলৰ শিক্ষক আছিল। তেওঁলোকৰ জীৱনত অৰ্থনৈতিক দিশত একো অভাৱ নাছিল। ধনে-ধানে তেওঁলোকৰ ঘৰ পৰিপূৰ্ণ আছিল। ভগৱানে তেওঁলোকৰ জীৱনত এটাই অভাৱ ৰাখিছিল যে তেওঁলোকৰ এজনো সন্তান নাছিল। সেয়েহে তাৰ বাবে তেওঁলোক দুজনে সদায় হতাশাত ভুগিছিল, চিন্তিত হৈছিল ভৱিষ্যতে তেওঁলোকৰ সম্পত্তিৰ উত্তৰাধিকাৰী কোন হ'ব অথবা বৃদ্ধ বয়সত তেওঁলোকক চোৱা-চিতাৰ দায়িত্ব কোনে ল'ব। যিয়েই নহওক তেওঁলোকে সুখে-শান্তিৰে জীৱন অতিবাহিত কৰিছিল। দম্পতীহালৰ বৰ্তমান বয়স পঞ্চাশ- পচপন্নত ভৰি দিছে। পতিৰ নাম পংকজ আৰু পত্নীৰ নাম মীনা। প্ৰচণ্ড গৰমত আঁহত গছৰ তলত জিৰণি লোৱাৰ সময়তে দুয়ো অলপ জা-জলপান আৰু শীতল পানীয় খাই গা-মন শীতল কৰিছে। সেইদিনা পৰিবেশটো অত্যন্ত গৰম হোৱাৰ বাবে বাট-পথত মানুহৰ সমাগম দেখা পোৱা নগৈছিল, ঠাইখনত সম্পূৰ্ণভাৱে নিৰ্জনতা দেখা গৈছিল। কিছু সময় পিছত এটি দুবছৰীয়া শিশু তেওঁলোকৰ ফালে আগবাঢ়ি আহিল। শিশুটিৰ ঘৰ ঘাইপথৰ পৰা ৫০-৬০ মিটাৰমান দূৰত অৱস্থিত। শাৰিৰীকভাৱে সুস্থ-সবল দেখাত ধুনীয়া শিশুটি চাই পংকজ আৰু মীনাই আকৰ্ষিত হৈছিল, তেওঁলোকৰ মনত পুত্ৰ সন্তানৰ কামনা-বাসনা জাগি উঠিছিল। পংকজে পত্নী মীনাক ক'লে-মীনা আমাৰ জীৱনত সন্তান পোৱাৰ আশা নাই, গতিকে আমি এই পুত্ৰ শিশুটিক কোনোমতে ঘৰত নি লালন-পালন কৰিব পাৰিলে ইয়ে আমাৰ জীৱনত আশাৰ প্ৰদীপ হ'ব। মীনাই ক'লে মানৰ শিশু এটা চুৰ কৰাটো মহাপাপ; বহু কষ্ট কৰি মানুহে সন্তান জন্ম দি লালন- পালন কৰি ডাঙৰ দীঘল কৰে; যদি শিশুটিক আমি ইয়াৰ পৰা নিওঁ তেন্তে ইয়াৰ মাক-দেউতাকে অন্তৰত বহু কষ্ট পাব। কাৰোবাৰ বস্তু কাঢ়ি আনি নিজৰ কৰাতো ভাল জানো? কাৰোবাৰ মনত আঘাত দি নিজে শান্তি লভাটোও মানৱীয় কাৰ্য নহয়।

নাৰীৰ মন পুৰুষৰ মনতকৈ যথেষ্ট কোমল আৰু দয়ালু স্বভাৱৰ। মীনাৰ গাত থকা মানৱীয় গুণে পতি পংকজক এনে অপৰাধ নকৰিবলৈ গভীৰভাৱে বুজালে; কিন্তু

পংকজে মীনাৰ কথা আন্তৰিকতাৰে গ্ৰহণ নকৰি তেওঁৰ মনে নিৰ্দেশ দিয়া মতে কাম কৰিবলৈ আগবাঢ়িল। পংকজে ল'ৰাটোক মাতি তাক সুস্বাদু মিঠাই দিলে। সুস্বাদু মিঠাই খাই কণমানি শিশুৰ মন মিঠাইত ভূল গ'ল। ল'ৰাটোক আকৌ এবাৰ মিঠাই খাবলৈ দি ফুচুলাই গাড়ীত উঠাই লৈ দ্ৰুতবেগে ঘৰমুৱা হ'ল। মাক-দেউতাকৰ পৰা বিচ্ছিন্ন হোৱা শিশু তিনি-চাৰিদিনমান কান্দিছিল যদিও তাক সুস্বাদু মিঠাই আৰু সৰু ল'ৰা- ছোৱালীৰ আকৰ্ষণীয় খেলৰ সামগ্ৰী দি মন ভূলোৱা হৈছিল। দম্পতীহালে আনৰ শিশুক নিজৰ কৰি যিদৰে মনত অনাবিল শান্তি লভিছে ঠিক তাৰ পৰিৱৰ্তে শিশুৰ প্ৰকৃত পিতৃ-মাতৃয়ে ভুগিছে দুখ যন্ত্ৰণা আৰু হতাশা। কিছুদিন যোৱাৰ পিছত ন- পিতৃ- মাতৃয়ে শিশুটিক নিম্ন প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰাই দিলে আৰু ল'ৰাটোৰ নাম দিয়া হ'ল 'কৰণ'। পংকজ আৰু মীনাৰ সপোন পুত্ৰ কৰণক পঢ়াই শুনাই এদিন কলেজৰ প্ৰফেচাৰ হিচাপে গঢ় দিব। এনেদৰে সি এদিন হাইস্কুল শিক্ষান্ত পৰীক্ষা অৱতীৰ্ণ হৈ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। কলা শাখাত নাম ভৰ্তি কৰি উচ্চতৰ মাধ্যমিক পৰীক্ষাও লেটাৰসহ প্ৰথম বিভাগত পাচ কৰি স্নাতক মহলাত ভৰ্ত্তি হয়। কেইবছৰমান পিছত পুত্ৰ কৰণে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি এখন কলেজৰ অধ্যাপক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিলে।

কলেজীয়া জীৱনত কৰণে এজনী ধুনীয়া ছোৱালীৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু তাইৰ লগতে কৰণৰ গভীৰ প্ৰেমৰ সম্পৰ্ক ঘটে। কৰণৰ মতে ছোৱালীজনী ৰূপে-গুণে ধুনীয়া হোৱাৰ উপৰিও তাইৰ অন্তৰখনো বৰ ধুনীয়া আছিল; তাইৰ নাম আছিল মধুস্মিতা। কৰণে মধুস্মিতাক জীৱনৰ প্ৰকৃত লগৰী হিচাপে বাছি লৈ তাইৰ লগতে বিবাহ পাশত আৱদ্ধ হোৱাৰ আশা হৃদয়ত পুহি ৰাখিছে। ইতিমধ্যে মধুস্মিতাই চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰি ডাক্তৰ হোৱাৰ লক্ষ্যত উপনীত হৈ ডাক্তৰ হোৱাৰ পথত।

কৰণক বিয়াখন পাতি দিয়াৰ বাবে পিতৃ পংকজে ভিতৰি ভিতৰি যো-জা চলাইছে। দেউতাকে পুত্ৰ কৰণক এদিন ক'লে 'বাপু তোমাৰ বাবে মই এজনী ছোৱালী চাই ৰাখিছো। তাই ইতিমধ্যে ইংৰাজীত সন্মানসহ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে, তাইৰ লগতে তোমাৰ বিয়াখন পাতি দিয়াৰ কথা ভাবিছোঁ। কৰণে এক মিনিট স্তব্ধ হৈ মৃদু সুৰেৰে দেউতাকক ক'লে- দেউতা মধুস্মিতা নামৰ ছোৱালী এজনীৰ লগত মই বিবাহ পাশত আৱদ্ধ হ'ব বিচাৰো; তাই আৰু কিছুদিন পিছত ডাক্তৰ হ'ব; তাইক মই বহুদিনৰে পৰা ভাল পাওঁ। দেউতাকে ক'লে-এই নীচ জাতিৰ ছোৱালীৰ লগত মই নিজৰ পুত্ৰক কেতিয়াও বিয়া হব নিদিওঁ; তই এই নীচ জাতিৰ ছোৱালীক বিয়া কৰি আমাৰ মুখত কালিমা সানিব বিচাৰিছ; তোক এনে কাম কেতিয়াও কৰিবলৈ নিদিওঁ।

কৰণে নিজ হৃদয়ত ফুলি থকা ফুলপাহিক মোহাৰি নেপেলাই বাগিছাৰ আনফুললৈ মন দিবলৈ আগবাঢ়ি নগ'ল। কৰণে কেইবাদিন ভাবি-চিন্তি চালে আৰু শেষত মধুস্মিতাক ত্যাগ নকৰিবলৈ সিদ্ধান্তত উপনীত হ'ল। মধুস্মিতাই ইতিমধ্যে সমাজত নিজকে ডাক্তৰ হিচাপে প্ৰতিষ্ঠা কৰিলে।

কৰণৰ দেউতা পংকজৰ মতে ছোৱালীজনীৰ গাত এটাই নেতিবাচক গুণ আছিল যে তাই নীচ জাতিৰ ছোৱালী। কিন্তু প্ৰেমৰ এটা স্বভাৱ যে প্ৰেমে জাতি-কূল, ধৰ্ম আৰু বয়স নামানি সীমাবদ্ধতাৰ প্ৰাচীৰ ভাঙি যায় এখন মৰমৰ পৃথিৱীলৈ মনৰ শান্তি লভিবলৈ। পিছে ভাল-বেয়া, শুদ্ধ-অশুদ্ধ বিচাৰ নকৰি, কিবা কথাক ভালদৰে চালি জাৰি নাচায় কাম কৰিবলৈ যোৱাটো প্ৰকৃত মানুহৰ পৰিচয় নহয়। পুত্ৰ কৰণে পলায়ন কৰি মধুস্মিতাৰ লগত বিবাহ পাশত আৱদ্ধ হয়। দেউতাকে হৈ বিবাহক অস্বীকাৰ কৰি পুত্ৰক ঘৰৰ পৰা খেদি দিলে; পিতাকে কৰণক ত্যাজ্য পুত্ৰ কৰিলে। পিতৃ- মাতৃৰ সুখ- শান্তি আৰু সন্তুষ্টিত বাধা দি এজন পুত্ৰই নিজে শান্তি লভিবলৈ যোৱাটো সঁচাকৈয়ে এটা অমানৱীয় কাৰ্য। কৰণে নিজ পত্নীসহ বেলেগ এখন ঠাইত থকাৰ সিদ্ধান্ত লৈ নিজ গাওঁ অঞ্চল এৰি বেলেগ এখন ঠাইলৈ গুছি গ'ল।

কৰণ হ'ল পংকজ আৰু মীনাৰ তুলনীয়া সন্তান, বহু দূৰণিৰ ঠাই এখনৰ পৰা কৰণ নামৰ শিশুটো দুবছৰীয়া থকা অৱস্থাত হৈ দম্পতীহালে অপহৰণ কৰি আনি তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। এই দুবছৰীয়া শিশুটোক মীনা আৰু পংকজে যে অপহৰণ কৰি আনিছিল সেই কথা কৰণৰ প্ৰকৃত পিতৃ- মাতৃয়ে গম পায়। আৰু ল'ৰাটো ডাঙৰ হৈ বিয়া-বাৰু কৰাৰ কথাও তেওঁলোকৰ কাণত পৰে।

কৰণৰ প্ৰকৃত পিতৃ-মাতৃয়ে পংকজ আৰু মীনাক তেওঁলোকে হত্যা কৰাৰ সিদ্ধান্ত ল'লে। এদিন সন্ধিয়া সময়ত পংকজে বজাৰ কৰি ঘৰমুখে গৈ আছিল। সেই সময়তে মানুহ কেইজনমানে পংকজক আক্ৰমণ কৰিলে; মাৰ-পিট কৰি হত্যা কৰাৰ চেষ্টা কৰিছিল। কিন্তু এই হুলস্থুল শুনি কেইজনমান ব্যক্তি আহি মাৰ-পিট এৰুৱাই দিয়ে। মাৰ-পিটত পংকজৰ প্ৰাণ বাচিল যদিও ভালকৈয়ে আঘাতপ্ৰাপ্ত হয়; দুয়োখন ভৰি আৰু এখন হাত ভাঙি গ'ল। বহু চিকিৎসকৰ সহায় লৈও আৰোগ্য নোহোৱাত বিকলাংগৰ দৰে ঘৰতে বহি থাকিব লগা হ'ল। এই শোকবাৰ্তা

পংকজে মীনাৰ কথা আন্তৰিকতাৰে গ্ৰহণ নকৰি তেওঁৰ মনে নিৰ্দেশ দিয়া মতে কাম কৰিবলৈ আগবাঢ়িল। পংকজে ল'ৰাটোক মাতি তাক সুস্বাদু মিঠাই দিলে। সুস্বাদু মিঠাই খাই কণমানি শিশুৰ মন মিঠাইত ভূল গ'ল। ল'ৰাটোক আকৌ এবাৰ মিঠাই খাবলৈ দি ফুচুলাই গাড়ীত উঠাই লৈ দ্ৰুতবেগে ঘৰমুৱা হ'ল। মাক-দেউতাকৰ পৰা বিচ্ছিন্ন হোৱা শিশু তিনি-চাৰিদিনমান কান্দিছিল যদিও তাক সুস্বাদু মিঠাই আৰু সৰু ল'ৰা- ছোৱালীৰ আকৰ্ষণীয় খেলৰ সামগ্ৰী দি মন ভূলোৱা হৈছিল। দম্পতীহালে আনৰ শিশুক নিজৰ কৰি যিদৰে মনত অনাবিল শান্তি লভিছে ঠিক তাৰ পৰিৱৰ্তে শিশুৰ প্ৰকৃত পিতৃ-মাতৃয়ে ভুগিছে দুখ যন্ত্ৰণা আৰু হতাশা। কিছুদিন যোৱাৰ পিছত ন- পিতৃ- মাতৃয়ে শিশুটিক নিম্ন প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰাই দিলে আৰু ল'ৰাটোৰ নাম দিয়া হ'ল 'কৰণ'। পংকজ আৰু মীনাৰ সপোন পুত্ৰ কৰণক পঢ়াই শুনাই এদিন কলেজৰ প্ৰফেচাৰ হিচাপে গঢ় দিব। এনেদৰে সি এদিন হাইস্কুল শিক্ষান্ত পৰীক্ষা অৱতীৰ্ণ হৈ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। কলা শাখাত নাম ভৰ্তি কৰি উচ্চতৰ মাধ্যমিক পৰীক্ষাও লেটাৰসহ প্ৰথম বিভাগত পাচ কৰি স্নাতক মহলাত ভৰ্ত্তি হয়। কেইবছৰমান পিছত পুত্ৰ কৰণে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি এখন কলেজৰ অধ্যাপক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিলে।

কলেজীয়া জীৱনত কৰণে এজনী ধুনীয়া ছোৱালীৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু তাইৰ লগতে কৰণৰ গভীৰ প্ৰেমৰ সম্পৰ্ক ঘটে। কৰণৰ মতে ছোৱালীজনী ৰূপে-গুণে ধুনীয়া হোৱাৰ উপৰিও তাইৰ অন্তৰখনো বৰ ধুনীয়া আছিল; তাইৰ নাম আছিল মধুস্মিতা। কৰণে মধুস্মিতাক জীৱনৰ প্ৰকৃত লগৰী হিচাপে বাছি লৈ তাইৰ লগতে বিবাহ পাশত আৱদ্ধ হোৱাৰ আশা হৃদয়ত পুহি ৰাখিছে। ইতিমধ্যে মধুস্মিতাই চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰি ডাক্তৰ হোৱাৰ লক্ষ্যত উপনীত হৈ ডাক্তৰ হোৱাৰ পথত।

কৰণক বিয়াখন পাতি দিয়াৰ বাবে পিতৃ পংকজে ভিতৰি ভিতৰি যো-জা চলাইছে। দেউতাকে পুত্ৰ কৰণক এদিন ক'লে 'বাপু তোমাৰ বাবে মই এজনী ছোৱালী চাই ৰাখিছো। তাই ইতিমধ্যে ইংৰাজীত সন্মানসহ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে, তাইৰ লগতে তোমাৰ বিয়াখন পাতি দিয়াৰ কথা ভাবিছোঁ। কৰণে এক মিনিট স্তব্ধ হৈ মৃদু সুৰেৰে দেউতাকক ক'লে- দেউতা মধুস্মিতা নামৰ ছোৱালী এজনীৰ লগত মই বিবাহ পাশত আৱদ্ধ হ'ব বিচাৰো; তাই আৰু কিছুদিন পিছত ডাক্তৰ হ'ব; তাইক মই বহুদিনৰে পৰা ভাল পাওঁ। দেউতাকে ক'লে-এই নীচ জাতিৰ ছোৱালীৰ লগত মই নিজৰ পুত্ৰক কেতিয়াও বিয়া হব নিদিওঁ; তই এই নীচ জাতিৰ ছোৱালীক বিয়া কৰি আমাৰ মুখত কালিমা সানিব বিচাৰিছ; তোক এনে কাম কেতিয়াও কৰিবলৈ নিদিওঁ।

কৰণে নিজ হৃদয়ত ফুলি থকা ফুলপাহিক মোহাৰি নেপেলাই বাগিছাৰ আনফুললৈ মন দিবলৈ আগবাঢ়ি নগ'ল। কৰণে কেইবাদিন ভাবি-চিন্তি চালে আৰু শেষত মধুস্মিতাক ত্যাগ নকৰিবলৈ সিদ্ধান্তত উপনীত হ'ল। মধুস্মিতাই ইতিমধ্যে সমাজত নিজকে ডাক্তৰ হিচাপে প্ৰতিষ্ঠা কৰিলে।

কৰণৰ দেউতা পংকজৰ মতে ছোৱালীজনীৰ গাত এটাই নেতিবাচক গুণ আছিল যে তাই নীচ জাতিৰ ছোৱালী। কিন্তু প্ৰেমৰ এটা স্বভাৱ যে প্ৰেমে জাতি-কূল, ধৰ্ম আৰু বয়স নামানি সীমাবদ্ধতাৰ প্ৰাচীৰ ভাঙি যায় এখন মৰমৰ পৃথিৱীলৈ মনৰ শান্তি লভিবলৈ। পিছে ভাল-বেয়া, শুদ্ধ-অশুদ্ধ বিচাৰ নকৰি, কিবা কথাক ভালদৰে চালি জাৰি নাচায় কাম কৰিবলৈ যোৱাটো প্ৰকৃত মানুহৰ পৰিচয় নহয়। পুত্ৰ কৰণে পলায়ন কৰি মধুস্মিতাৰ লগত বিবাহ পাশত আৱদ্ধ হয়। দেউতাকে হৈ বিবাহক অস্বীকাৰ কৰি পুত্ৰক ঘৰৰ পৰা খেদি দিলে; পিতাকে কৰণক ত্যাজ্য পুত্ৰ কৰিলে। পিতৃ- মাতৃৰ সুখ- শান্তি আৰু সন্তুষ্টিত বাধা দি এজন পুত্ৰই নিজে শান্তি লভিবলৈ যোৱাটো সঁচাকৈয়ে এটা অমানৱীয় কাৰ্য। কৰণে নিজ পত্নীসহ বেলেগ এখন ঠাইত থকাৰ সিদ্ধান্ত লৈ নিজ গাওঁ অঞ্চল এৰি বেলেগ এখন ঠাইলৈ গুছি গ'ল।

কৰণ হ'ল পংকজ আৰু মীনাৰ তুলনীয়া সন্তান, বহু দূৰণিৰ ঠাই এখনৰ পৰা কৰণ নামৰ শিশুটো দুবছৰীয়া থকা অৱস্থাত হৈ দম্পতীহালে অপহৰণ কৰি আনি তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। এই দুবছৰীয়া শিশুটোক মীনা আৰু পংকজে যে অপহৰণ কৰি আনিছিল সেই কথা কৰণৰ প্ৰকৃত পিতৃ- মাতৃয়ে গম পায়। আৰু ল'ৰাটো ডাঙৰ হৈ বিয়া-বাৰু কৰাৰ কথাও তেওঁলোকৰ কাণত পৰে।

কৰণৰ প্ৰকৃত পিতৃ-মাতৃয়ে পংকজ আৰু মীনাক তেওঁলোকে হত্যা কৰাৰ সিদ্ধান্ত ল'লে। এদিন সন্ধিয়া সময়ত পংকজে বজাৰ কৰি ঘৰমুখে গৈ আছিল। সেই সময়তে মানুহ কেইজনমানে পংকজক আক্ৰমণ কৰিলে; মাৰ-পিট কৰি হত্যা কৰাৰ চেষ্টা কৰিছিল। কিন্তু এই হুলস্থুল শুনি কেইজনমান ব্যক্তি আহি মাৰ-পিট এৰুৱাই দিয়ে। মাৰ-পিটত পংকজৰ প্ৰাণ বাচিল যদিও ভালকৈয়ে আঘাতপ্ৰাপ্ত হয়; দুয়োখন ভৰি আৰু এখন হাত ভাঙি গ'ল। বহু চিকিৎসকৰ সহায় লৈও আৰোগ্য নোহোৱাত বিকলাংগৰ দৰে ঘৰতে বহি থাকিব লগা হ'ল। এই শোকবাৰ্তা

পুত্ৰ কৰণে শুনা পাই তাৰ লগত পত্নীকো লগত লৈ আহি পিতৃ-মাতৃৰ লগত একেলগে থাকিববৈলে ল'লে। পিতৃদেৱে মানুহৰ পৰা মাৰ খোৱাৰ উদ্দেশ্য কৰণে নিজ মাতৃৰ পৰা জনা নাছিল যদিও সি ওচৰ-চুবুৰীয়াৰ পৰা জানিব পাৰিলে। কৰণ যে পংকজ আৰু মীনাৰ তুলনীয়া সন্তান আছিল সেই সম্পৰ্কে সি গাঁৱৰ মানুহৰ পৰা কিছুদিন আগতে শুনিছিল। তথাপিতো সি নিজৰ পিতৃ-মাতৃৰ প্ৰতি উদাসীন হোৱা নাছিল। কৰণে গভীৰভাৱে ভাবি দেখিলে যে মোৰ প্ৰকৃত পিতৃ- মাতৃয়ে মোৰ বাবে দুখ- যন্ত্ৰণা আৰু হতাশাত ভুগি আছে; সিহঁতৰ অন্তৰত শান্তি দিয়াই মোৰ প্ৰকৃত কৰ্তব্য হ'ব। এফালে তুলি-তালি ডাঙৰ- দীঘল কৰা পিতৃ-মাতৃ পংকজ আৰু মীনা আৰু আনফালে তেওঁৰ প্ৰকৃত পিতৃ-মাতৃ, এই দুয়োৰো মাজত কোনো পিতৃ-মাতৃক তেওঁ এৰি দিব বিচৰা নাই। কাৰণ কৰণৰ ডাঙৰ- দীঘল হোৱাত দুয়ো ঘৰৰ পিতৃ মাতৃৰো অপৰিসীম অৱদান আছে। সেয়াই ভাবি কৰণে নিজৰ পিতৃ-মাতৃকো মাতি আনি নিজৰ ঘৰতে থকা মেলাৰ ব্যৱস্থা কৰি দিলে। কৰণ আৰু তেওঁৰ পত্নী, কৰণৰ প্ৰকৃত পিতৃ-মাতৃ আৰু তুলনীয়া পিতৃ- মাতৃ পংকজ আৰু মীনা, সকলোৱে একেলগে মিলি যৌথ পৰিয়াল হিচাপে বাস কৰিব ধৰিলে। দুয়ো পৰিয়ালৰ মাজত কৰণ অপহৰণক লৈ সংঘাত হৈছিল যদিও পিছত দুয়োপক্ষৰ মিলন হ'ল।

মীনাই এদিন পংকজক ক'লে-শিশু অপহৰণৰ দৰে ডাঙৰ অপৰাধ নকৰিবলৈ তোমাক মই এদিন মানা কৰিছিলো; কিন্তু তুমি মোৰ কথা মনা নাছিলা, সেয়েহে তাৰ ফল আজি ভুগিবলৈ বাধ্য হৈছা। আজি জীৱনৰ ভাটিবেলাত কোনোবাই তোমাৰ হাত-ভৰি ভাঙি বিকলাংগ কৰিলে।

বিজ্ঞজনৰ মুখত শুনা যায় - "যেনে কৰ্ম তেনে ফল"। যাক ইংৰাজীত কোৱা হয় - As you sow, So you the reap. এজন ব্যক্তি অসৎ কৰ্মৰ পৰা আঁতৰি আহি সৎকৰ্মৰ দিশে ধাৱমান হ'ব লাগে। অসৎ কৰ্মই মানুহৰ জীৱনত অধঃপতন নমাই আনে। সৎ কৰ্মই মানুহক এখোজ উন্নতিৰ দিশলৈ আগুৱাই নিয়ে। পংকজে নিজৰ জীৱনৰ ভাটিবেলাত হাত-ভৰি ভাঙি যোৱাৰ বাবে বিকলাংগ হৈ দুখ-যন্ত্ৰণা আৰু হতাশাত ভুগিবলগীয়া হ'ল।

●

কোনোৱে তোমাক সহায় কৰিব নোৱাৰে, নিজে নিজৰ সহায়ক হোৱা।

— গৌতম বুদ্ধ

মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা, এনেভাবে কাম কৰা যাতে তুমি আনে জানিবৰ যোগ্য হোৱা।

— কনফুচিয়াছ

যেতিয়া তুমি হাঁহিবা, তোমাৰ গোটেই পৃথিবীয়ে তোমাৰ সতে হাঁহিব। যেতিয়া কান্দিবা, অকলে কান্দিবা।

— হোৰাছ

**সংগ্ৰহ ঃ পাকিজা আলম**
তৃতীয় ষান্মাসিক

# প্ৰতিদান

গল্প

**ৰঞ্জু গগৈ চুতীয়া**
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

সন্ধ্যা সময়। গোসাঁই ঘৰত ধূপ-চাকি দি ছোৱালী জনীৰ বাবে কিবা এটা বনাবলৈ যো-জা কৰিছো। বজাৰৰ পৰা অনা বস্তুখিনি থৈ এওঁ ক'লে - 'আলহী এজন লৈ আহিছো হে। নতুনকৈ বদলি হৈ ইয়ালৈ আহিছে। দীপক ভূঞাৰ ভাড়াঘৰত থাকে। এদিন পুতুল ডেকাৰ ঘৰত চিনাকী হৈছিলো। আজি বজাৰতে লগ পাই লৈ আহিলো। হোটেলৰ পৰা মিঠাইকেইটামান লৈ আনিছো, চাহ একাপ বনোৱা। একে উশাহে কথাখিনি কৈ অতিথিৰ লগত বহিলগৈ তেওঁ। ছোৱালীজনীৰ বাবে পাছত বনাবলৈ থৈ আলহীৰ বাবে চাহ বনালো। ডাইনিং টেবুললৈ নামাতি ড্ৰইংৰুমতে চাহকাপ দিলোগৈ।

"এখেত ডাঃ নৃপেন শইকীয়া" এওঁ পৰিচয় কৰাই দিলে। নমস্কাৰ জনাই ক'ত ঘৰ, ইয়াত ক'ত থাকে, কিমানদিন হ'ল ইয়াত ইত্যাদি প্ৰথম পৰিচয়ত সাধাৰণতে সুধিবলগীয়া সকলোখিনি কথা সুধিলো। যাবৰ পৰত আমি কোৱালৈ বাট নাচাই নিজেই পৰিয়াল সহ এদিন আমাৰ ঘৰলৈ অহাৰ কথা ক'লে। ভাত খোৱাকৈ লৈ আহিব বুলি কৈ গেটৰ মুখলৈকে আগবঢ়াই দিলো। এওঁ স্কুটাৰেৰে ঘৰত থৈ আহিলগৈ।

লাহে লাহে আমাৰ দুই পৰিয়ালৰ মাজত মিত্ৰতা বাঢ়ি আহিবলৈ ধৰিলে। ডাঃ শইকীয়া আমাৰ ঘৰলৈ অহা হ'ল। এও সময় পালেই তেওঁলোকৰ ঘৰলৈ পাক মৰা হ'ল। মিতিৰে মিতিৰৰ ঘৰলৈ টোপোলা বন্ধাৰ দৰে বাৰীৰ শাক-পাচলিৰ টোপোলাও তেওঁৰ হাতত মই তুলি দিয়া হ'লো। হওঁক তেওঁ আপদে-বিপদে মাত এষাৰ পাবলৈ মনৰ মানুহ এঘৰ পাইছোঁ।

এদিন ডাক্তৰৰ পৰিবাৰে তেওঁলোকৰ ঘৰলৈ যাওঁতে আমাৰ ঘৰৰফালে ভাড়াঘৰ চাবলৈ দঢ়াই দঢ়াই কৈছিল। আমাৰ ঘৰৰ ওচৰত ভাড়াঘৰ পোৱা কঠিন। তথাপিও কথাষাৰ গুৰুত্ব সহকাৰে লৈ সিদিনাৰে পৰা ওচৰৰ যাকে পাওঁ তাকে ক'বলৈ ধৰিলো ঘৰ ভাড় দিব খুজিলে যাতে মোক জনায়।

ছোৱালীজনী স্কুলত থবলৈ এদিন ৰিক্সাত উঠিছো। পান দোকানী কাঞ্চাই 'বাইদেউ', 'বাইদেউ' বুলি দৌৰি আহিছে। ৰিক্সাৱালাক অকণমান ৰ'বলৈ ক'লো।

"কি হ'ল কাঞ্চা?"

"আপুনি যে কৈছিল ঘৰ চাবলৈ দত্তচাৰৰ ঘৰটো খালি হৈছে। লাগে যদি আজিয়েই কৈ দিব। নহ'লে বেলেগে লৈ ল'ব।"

"আচ্ছা, হ'ব দে" বুলি কৈ তাইক স্কুলত থৈ বাহিৰে বাহিৰেই মই গোলাপ দত্তৰ ঘৰ পালোগৈ। শ্ৰীমতী দত্তই ৰুমকেইটা দেখুৱালে। আহল বহল চাৰিটা কোঠা ৰান্ধনিঘৰটোক বাদি দি। চাৰিটা মানুহৰ কাৰণে যথেষ্ট। ভাৰাও বহুত বেছি নহয়। ৰাতিলৈ

শ্ৰীমতী শইকীয়াক মই সকলোখিনি জনালো। পাছদিনাই শ্ৰীমান-শ্ৰীমতী দুয়ো আহি ঘৰটো চালেহি। পচন্দৰ ঘৰ এটা যাতে হাতৰপৰা হেৰাই নাযায় তাৰ বাবে মালিকক এহেজাৰমান আগধনো দি গ'ল। এসপ্তাহমানৰ ভিতৰতে ডাঃ শইকীয়াৰ পৰিয়াল নতুন ভাড়াঘৰলৈ আহিল। দিন যায় মানে আমাৰ মাজৰ ঘনিষ্ঠতা বাঢ়িবলৈ ধৰিলে। আমাৰ আত্মীয় মানুহ আহিলে তেওঁলোকৰ ঘৰলৈ নিওঁ, তেওঁলোকৰ আত্মীয় আহিলে আমাৰ ঘৰলৈও ননাকৈ নাথাকে। তিনি চাৰিদিনৰ অন্তৰে অন্তৰে গধূলি এপাক মৰাটো আমাৰ মানুহজনৰ নিয়মত পৰিণত হ'ল। দুই তিনি দিন ডাক্তৰ নাহিলে আমাৰো বহুদিন যেন অহা নাই এনে লগা হ'ল। কেতিয়াবা কেতিয়াবা আধাঘণ্টাৰ বাবে যোৱা মানুহটোৰ বাবে ভাত-পানী বনাই ৰৈ থাকিবলগীয়া হয়। আহিলে কওঁ "ভাল যেনিবা এঘৰ ওচৰ চপাই দিলো, গলেই আঠা লগাদি লাগি ধৰিবলৈ।" "নকবাহে - মানুহটোৰ কি যে কথা; আহোঁ আহোঁ বুলি কেইবাৰ যে টিকা ডাঙিছো, কথাৰ বান্ধত আকৌ বহি পৰিছো। পানীৰ ফুৰাৰাহে যেন।

এদিন আধাঘণ্টাৰ ভিতৰত ঘূৰি আহিম বুলি সঁচাকৈ আধাঘণ্টাৰ ভিতৰত ঘূৰি আহিল। ভাবিলো ডাক্তৰ মানুহ, বেমাৰী চাবলৈ কোনোবাই লৈ যাবহি পায়। সেয়ে সোণকালে গুচি আহিল। সোঁহাতত এটা পলিথিনৰ টোপোলা। ডাক্তৰক ঘৰত নাপাই চাগৈ পৰশ হোটেল পালেগৈ। পৰশ হোটেলত ভাল কচুৰি পায়। গধুলি চাহকাপৰ লগত খাবলৈ প্ৰায় এওঁ গৰম কচুৰি লৈ আনে। পিছে টোপোলাটো খুলি চাইহে দেখো - ডাঙৰ মাছৰ পিচকেইচামান। মাছৰ পিচকেইটা ডাঙৰ দেখিয়েই মই সুধিলো - "কিমান ল'লে?"

"তিনিশ টকা"

"ইমান দাম দি কিয় আনিলা? তোমালোকে খৰচ কৰিবলৈ অলপো চিন্তা নকৰা দেই!"

ইমান ডাঙৰ মাছৰ পিচ কিমানদিন খোৱা নাই! দুজনমান লগলাগি আনিলো যেনিবা - খাবলৈহে আনিছো; তাতেনো কি হ'ল? জীয়াই থাকিমনো কেইদিন। এই বয়সতে ভালপোৱা বস্তুবোৰ খাই বৈ নল'লে ভাটি বয়সত প্ৰেছাৰ ডায়েবেটিচে লম্ভিলে মুখৰ লোভ মুখতেই সামৰিব লাগিব। মাছ-মাংস নহ'লে এসাজো নোখোৱা দীপকৰ দেউতাকৰ সিদিনা খাদ্য তালিকাখন শুনা নাইনে? চকুৰ আগতে দেখা নাইনে পেটুৰা মদগজ্ মানুহটো ডাইবেটিচৰ অত্যাচাৰত টুটুৰা বেঙেনাৰদৰে হ'ল। আমাৰ বা কি অৱস্থা হয় কোনে জানে। বয়স থাকোঁতেই সেয়ে খাই ল'ব লাগে।

"খাইতো মইওঁ ভাল পাওঁ। কিন্তু ইমান দাম দি এই ছয়পিছ মাছ অনাৰ কাৰণেহে কথাটো কৈছো। তাৰোপৰি কালি মাত্ৰ মাছ খাইছো। হ'ব দিয়া বাৰু!"

"মানে কম পইচাত পোৱা হ'লে তেনেকৈ নক'লাহেতেন নহয়নে! নে কি? ফ্ৰিতে খাবলৈ পোৱা হ'লে ভাল লাগিলহেঁতেন নহয়নে? এওঁ ৰগৰ কৰি ক'লে।"

"অ' তো"

"ফ্ৰিয়েই বেঙী"

"ক'ত পালা?"

"ক'ত পাম ভাবি চোৱাচোন। ইমানবোৰ মানুহৰ লগত অতদিন হলি-গলি কৰিলো, কেতিয়াবা এনেকুৱা ডাঙৰ মাছৰ পিচ দেখিবলৈ পাইছিলা জানো? এতিয়াহে "খাচ" মানুহৰ লগত হলি -গলি হৈছে বুজিছা। "অ তাৰমানে ডাঃ শইকীয়াই দিছে। কিনি আনিছিলনে?"

"ডাক্তৰ মানুহে কিনিব লাগে নেকি? মাষ্টৰ মানুহেহে কিনিব লাগে। মই বহি থাকোতেই ল'ৰা এটাই মস্ত শিলঘৰীয়া মাছ এটা উলিয়ালেহি। সিয়েই কাটিলে বাচিলে। আহিবৰ সময়ত শইকীয়াৰ পৰিবাৰে জোৰ কৰি টোপোলাটো দি পঠালে।

এইদৰে বা কতই কিমান দিয়ে। ডাক্তৰ মানুহৰ কথাই বেলেগ। খাতিৰ আছে। আমাৰ এওঁলোকেতো ফ্ৰিতে শিলঘাৰীয়াটো বাদেই দৰিকণা মাছ কেইটামানো কাৰোৰে পৰা আজিলৈকে পোৱা নাই। মনে মনে ভাবিলো।

তিনিপিচ মাছ পিছদিনাখনলৈ ৰাখি বাকী তিনি পিছ বিলাহীৰে সৈতে তৰকাৰী বনালো। বৰ তৃপ্তিৰে ভাতসাজ খালো। উগাৰ এটা মাৰি এওঁ ক'লে - শইকীয়া ডাক্তৰৰ জহতে এইসাজ তৃপ্তিৰে খালো আৰু। ময়ো 'হয় দিয়ক' বুলি যোগ দিলো।

একবছৰমান থকাৰ পাছত ডাক্তৰ বদলি হ'ল গহপুৰলৈ। পৰিয়াল থাকিল ইয়াতে। বদলি হৈ গ'লেও আমাৰ দুটা পৰিয়ালৰ মাজৰ সম্পৰ্ক অটুট হৈয়ে থাকিল। ঘৰলৈ আহিলে ডাক্তৰ পিছদিনা ৰাতিপুৱা আমাৰ ঘৰ ওলাইহি। এক ডেৰঘণ্টাৰ তলত কোনোদিন নবহাকৈ নাথাকে। কথাৰে ফুলি থকা পেটটো নজমৰালৈকে ডাক্তৰে কৈ যায় অনৰ্গল। এওঁ নিৰৱ শ্ৰোতা। শেষৰ ফালে এওঁ হামিয়াবলৈ ধৰে। হামি আহিলেও ডাক্তৰ এৰি দিয়া বিধৰ মানুহ নহয়। বিভিন্ন ধৰণৰ ডাক্তৰী জীৱনৰ অভিজ্ঞতাৰ বৰ্ণনা শেষ নহয় মানে শুনাইহে এৰিব।

দুটা বছৰ গহপুৰত কটাই মৰাণ হস্পিতেলখনলৈ পুনৰ

তেওঁ বদলি হৈ আহিল। আমাৰো মনবোৰ ভাল লাগিল। মনবোৰ যিমান সোণকালে ভাল লাগি আহিছিল বেয়া লাগিবলৈও কিন্তু বেছি দিন নালাগিল। সিদিনা দেওবাৰ। ৰাতিপুৱা চাহকাপ খাই এওঁ অলপ ওলাই গৈছে। মই খুচ-খাচ কিবাকিবি কৰি আছো। গেট খোলাৰ শব্দ শুনি খিৰিকীয়েদি জুমি চালো শইকীয়ানী আহিছে। কলিংবেল টিপিবলৈ লওঁতেই "আহক, আহক" বুলি ভিতৰলৈকে মাতি আনিলো।

থিয়ৈ থিয়ৈ তেখেতৰ আগমনৰ উদ্দেশ্য বাখ্যা কৰিলে। উদ্দেশ্য ছোৱালীজনীৰ বোলে কিবা অপাৰেচন হ'ব দুই এদিনতে। ডাক্তৰ শইকীয়াই যোৱা ৰাতিয়েই ছোৱালীজনী নাচিং হ'মত ভৰ্ত্তি কৰিবলগীয়া অৱস্থা হ'ল। গতিকে টকা ত্ৰিশ হাজাৰমান ধাৰলৈ লাগে। গধুলি এবাৰ আহিম বুলি কৈ মানুহগৰাকী খৰখেদাকৈ গ'লগৈ।

শইকীয়ানী যোৱাৰ অলপ পাছতে এওঁ আহিলত কথাটো ক'লো। ইতিমধ্যে ডাক্তৰ শইকীয়াইও ফোনযোগে কথাটো তেওঁক জনাইছিল। স্কুলৰ ফাগুৰ পৰা মাটিৰ মালিকক দিবলৈ টকা ত্ৰিশহেজাৰ লৈছিল। সেইখিনি মোৰ হাততে আছিল। কথাটো ক'লো। তেখেতে একে আষাৰে ক'লে "বিপদত পৰা মানুহক সহায় কৰিব পৰাটো ভাগ্যৰহে কথা।" তাতে ডাক্তৰ শইকীয়াৰ বিপদ। আমি সহায় নকৰিলে কোনে কৰিব? ভাতকেইটা সোনকালে বনোগৈ। কালিলৈ অপাৰেচন হ'ব যেতিয়া মৱেগৈ নাচিং হ'মত পইচাকেইটা দি আহোঁগৈ, লগতে খবৰ এটাও কৰা হ'ব। তুমি শইকীয়ানীলৈ ফোন এটা কৰি মই যোৱাৰ কথা জনাই দিবা।

যিমান পাৰি সোনকালে ভাতকেইটামান বনাই খুৱাই-বুৱাই এওঁক ডিব্ৰুগড়লৈ পঠাই ছোৱালীজনীক লগত লৈ দেওবৰীয়া বজাৰখন নিজেই কৰিবলৈ ওলাই গ'লো। বজাৰৰ মোনাখন ঘৰত থৈয়েই শইকীয়াৰ ঘৰলৈ গৈ এওঁ যোৱাৰ খবৰটো দিলোগৈ। শইকীয়ানীৰ শেতাপৰা মুখখন সজীৱ হৈ উঠিল। ডাঙৰ বিপদ এটাৰ পৰা যেন উদ্ধাৰ পাইছে। তেখেতৰ মুখৰ সজীৱতাই মোৰ অন্তৰখনো সজীৱ কৰি তুলিলে। চাহ একাপ খাই ঘৰলৈ আহিলো।

নাচিং হ'মৰ পৰা অহাৰ পিছদিনাই দুয়ো খবৰ ল'বলৈ গৈছিলো। সেয়াই তেওঁলোকৰ ঘৰলৈ আমাৰ শেষ যোৱা। ডাক্তৰে হস্পিতেলৰ কোৱাৰ্টাৰ পালে। ভাৰাঘৰ এৰি হস্পিতেলৰ কোৱাৰ্টাৰলৈ যোৱাৰ লগে লগেই আমাৰ সম্পৰ্কত যতি পৰিল। ডাক্তৰ নহা কাৰণে আমাৰ এওঁ যাবলৈ মন নকৰা হ'ল। শইকীয়ানী আমাৰ ঘৰৰ সন্মুখেৰেই তেওঁলোকৰ ছোৱালীৰ লগৰীয়াৰ ঘৰলৈ যায়। সোমোৱাটো দূৰৰ কথা ঘৰৰফালে দৃষ্টি নিক্ষেপ কৰিবলৈও অসুবিধা পায়। টকা ত্ৰিশহাজাৰ দি বিপদত সহায় কৰি ডাঙৰ অপৰাধহে কৰিলো আমি। এবছৰ দুবছৰকৈ পাঁচবছৰত ভৰি দিলে। পইচাৰ কথাটো বাদেই মানুহেও ঘৰ এৰিলে। এওঁক মাজে মাজে মই মৌখিক দিওঁ - "হেৰা-কোৱাচোন, ছয় পিচ শিলঘৰীয়া মাছৰ দাম যদি ত্ৰিশহাজাৰ টকা হয় ডেৰপিছ মাছৰ দাম কিমান হ'ব?" এওঁ হাঁহে।

শইকীয়ানীক ৰাষ্টাই-পদুলিয়ে কেতিয়াবা পাওঁ। কিবা এটা নক'লে নহয় বাবেই হয়তু কয়-"আপুনি আমাৰ ঘৰলৈ আজিকালি নোযোৱাই হ'ল।" ময়ো নিৰুদ্বেগভাৱে কওঁ "সময় নাই এক্কেবাৰে"। মনতে ভাবো এইবোৰ মানুহ নে জানোৱাৰ - লাজ মান বুলিবলৈ একো নাই। ধাৰ শুজিবলৈ অসুবিধা হ'ব পাৰে, কিন্তু কথা এটাওতো ক'ব পাৰে। এওঁক এদিন সুধিলো - শইকীয়া ডাক্তৰক বাটে পথে কেতিয়াবা লগ পোৱানে?

"পাওঁ"

"মাত-বোল কৰেনে?"

"কৰে।"

"পইচাকেইটাৰ কথা কিবা উলিয়াই নেকি?"

"কিয়, সেইকেইটাৰ ধাৰ জানো আগেয়ে মাৰি থোৱা নাই?"

"কেনেকৈ?"

"কিয়, তিনিদিন ভাত খাইছিলো - মাংস, দাইল, আলু, পিয়াজ, নহৰু, আদা, হালধি, নিমখ, চাউল, গেছ, ৰঙালাউ, বন্ধাকবি, ফুলকবি এইবিলাক বজাৰত এনে পাইছিল নেকি? গৈ গৈ যে চাহবোৰ খাইছিলা - চাহ, চেনি, বিস্কুট, ভূজিয়া, সৰু খুৰমা, গাখীৰ, গেছ - আটাইবোৰ মিলি হিচাব কৰাচোন? বাকীখিনি ডাঃ আমাৰ ঘৰলৈ অহা আৰু আমি তেওঁলোকৰ ঘৰলৈ যোৱাৰ ফিজ। ডাক্তৰে গাত হাত দিলেই দেখোন দুশ-তিনিশ ফিজ লয়। ডাক্তৰক লগ কৰিবলৈ গ'লেও ফিজ লয়, ডাক্তৰ ঘৰলৈ আহিলেও ফিজ লয়। গতিকে ঠিকেই আছে।"

"ৰগৰ কৰিবলৈ নাপালা? পইছা খুজিবই লাগিব। তুমি যদি নোখোজা মই খুজিম।" "সঁচা কথা ক'বলৈ গ'লে মোৰ ডাক্তৰৰ মুখামুখি হ'বলৈ লাজ লগা হ'ল।" "অ লাজ লাগিব লাগে কাৰোবাৰ, লাগে কাৰোবাৰ। নহ'ব দেই এইদৰে, ইমান কষ্ট কৰি উপাৰ্জন কৰা ধন এইদৰে পানীত পৰিবলৈ নিদিম।"

হেৰা, সেইকেইটা দান দিলো বুলি ধৰি লোৱা। কিয় ধৰি

লম। দান দিব লাগে যদি নোহোৱা মানুহক দিম। ডাক্তৰ কিবা দৰিদ্ৰনে যে তেওঁক আমি দান দি উদ্ধাৰ কৰিব লাগে।

"তুমিও বৰ আউটডেটেডহে। দৰিদ্ৰ মানুহক আজি কালি দান নিদিয়ে নহয়। কি সত্যযুগৰ কথাবোৰ কোৱাহে। এই আধুনিক যুগত সেই সত্যযুগীয়া কথাবোৰ শোভা নাপায়। ডাঃ শইকীয়া-শইকীয়ানী তোমাৰ মোৰদৰে আউটডেটেড নহয় নহয়। তেওঁলোকে জানে কোন সময়ত কাক কেনে ব্যৱহাৰ কৰিব লাগে।

একো নামাতিলো মই। কি ফচহু কথাবোৰ বকি আছে এওঁ। টকা ত্ৰিশহাজাৰ বৰ ডাঙৰ কথা বা সৰু কথাও নহয়। ডাঙৰ কথাটো হ'ল তেওঁলোকৰ বিশ্বাসঘাটক আৰু পলৰীয়া মনোবৃত্তিটো। এই বিশ্বাসঘাটক ফাঁকিদাৰী ডাঙৰ মানুহবোৰকে আমি সাত চালাম কৰোঁ তেওঁলোকৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ পালে গদ্‌গদ অনুভৱ কৰোঁ। যিমানেই কথাবোৰ মনত পৰিছে খংটো বাঢ়ি আহি আছে। নাই, এইবোৰ মানুহক এটা শিক্ষা নিদিলে নহয়। আজি আমাক ঠগিছে আৰু বা কিমানক বা ঠগিব। আমাক যি কৰিলে কৰিলে আৰু যাতে কাৰোবে ওপৰত টঙীজাল পেলাবলৈ সততে সাহস কৰিব নোৱাৰে এইলৈ অলপ সতৰ্ক কৰি দিয়াটো ভাল। এদিন পুৱা আঁঠমান বজাতেই ডাক্তৰৰ কোৱাৰ্টাৰ ওলালোগৈ। কোৱাৰ্টাৰৰ সন্মুখত টিঙৰ চালিৰ তলত এখন বগা ৰঙৰ চুইফট ডিজায়াৰ গাড়ী। গাড়ীখন দেখি মূৰটো আৰু গৰম গৈ হ'ল। কেইবাবাৰো দৰ্জাত টোকৰ দিয়াৰ পিছত শইকীয়ানী ওলাই আহিল।

'অ' আপুনি - ভাল মনত পৰিল। বহক; বহক' বুলি চকী এখন আগবঢ়াই দিলে।

"গাড়ী কেতিয়া ল'লে?"

"গাড়ী পুৰণাই হ'ল - দুবছৰেই হ'ল দেখোন।"

"আপোনালোক ডাঙৰ মানুহ। ত্ৰিশ হাজাৰ টকা আপোনালোকে আনক এনেই এৰি দিব পাৰে। আমাৰ কাৰণে ত্ৰিশ হাজাৰ টকা ত্ৰিশ লাখৰ সমান। স্কুল ফাণ্ডৰ পৰা মাটিৰ মালিকক দিবলৈ ধাৰ কৰি লোৱা ত্ৰিশহাজাৰ টকা যে আপোনালোকৰ ছোৱালীৰ অপাৰেচনৰ সময়ত ধাৰলৈ লৈছিল সেইকথা আপোনালোকৰ হয়তু মনত নাই। আমাৰ কিন্তু ভালকৈ মনত আছে। সেয়ে আজি মনত পেলাই দিবলৈ আহিলো। আপুনিঘৰৰ গৃহিণী। আপোনাৰ কথা আপোনাৰ মানুহজনে নিশ্চয় নুশুনাকৈ নাথাকিব। স্বামীক ঋণমুক্ত কৰাৰ মানসিকতা আপোনাৰ থকা উচিত। একে উশাহে কথাখিনি কৈ মই দপদপাই ওলাই আহিলো। অতদিনে গুজৰি গুমৰি থকা কথাখিনি ব্যক্ত কৰি মনটো বহুত পাতল লাগিল। হাতৰ ঘড়ীটোলৈ চালো। চাৰে আঠ বাজিছে। এওঁকো শইকীয়াক এশিকনি দিবলৈ বাধ্য কৰাব লাগিব। নহ'লে সমাজৰ বৰ মানুহবোৰৰ ভণ্ডামিত আমাৰদৰে মানুহবোৰৰ গতি নাইকীয়া হ'ব।

●

শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা, কিন্তু ফলবোৰ বৰ মিঠা।

— এৰিষ্টটল

কথাত নহয়, কামতহে মানুহৰ প্ৰকৃত পৰিচয়।

— চীনা প্ৰবচন

প্ৰচণ্ড ইচ্ছাশক্তি থাকিলে ভাগ্যও সলনি কৰিব পাৰি।

— আব্দুল কালাম

পৃথিৱীত আটাইতকৈ বেয়া কাম আনৰ সুনাম নষ্ট কৰা।

— ৰামকৃষ্ণ পৰমহংস

**সংগ্ৰহ ঃ পাকিজা আলম**
তৃতীয় ষান্মাসিক

# পেংক্ৰাইছিচ

গল্প

ড° খগেন শৰ্মা
সহযোগী অধ্যাপক, ভূগোল বিভাগ

পি. জি. আই চণ্ডীগড় হস্পিটেলৰ তলৰ মহলাৰ ৫ নম্বৰ ফাৰ্মাচি খনত চন্দ্ৰ খামটিয়ে ফাৰ্মাচি খনৰ পৰা লোৱা ব্যৱহাৰ নোহোৱা অপাৰেচনৰ বস্তু কেইপদ ঘুৰাই দিছে- প্ৰায় পাঁচ হাজাৰ টকাৰ বস্তু। মুঠ ন হাজাৰ টকাৰ বস্তু লৈছিল। কিন্তু ৪ হেজাৰ টকাৰ অপাৰেচন পাইপ ডাল ডাঃ জয়ন্ত শৰ্মাই হস্পিটেলৰ পৰা দি সহায় কৰা বাবে ফাৰ্মাচীৰ পৰা লোৱা ডাল আৰু অন্যান্য ব্যৱহাৰ নোহোৱা সামগ্ৰী কেইপদ ঘুৰাই দিছে। চন্দ্ৰ খামটিৰ মনতো ভাল নহয়; আজি প্ৰায় ৩মাহ এইখন হস্পিতালতে ঘৈণীয়েক ৰুমা মানচেৰ চিকিৎসা কৰি আছে। চিভিয়াৰ একুইট পেংক্ৰাইছিচ হৈছে - অপাৰেচনৰ পিছৰ ইনফেক্চন জনিত পেংক্ৰিয়াচৰ ৰোগ।

চন্দ্ৰ খামটিৰ ঘৰ লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ গোসাইবাৰী খামটি গাঁৱত। বৌদ্ধ ধৰ্মাৱলম্বী খামটি সম্প্ৰদায়ৰ মেচা খামটিৰ ডাঙৰ ল'ৰা। ওচৰৰ খেৰাজখাট হাইস্কুলৰ পৰা মেট্ৰিক ভালদৰে পাচ কৰি উচ্চ শিক্ষা লৈ এতিয়া কামৰূপ জিলাৰ ক্ষেত্ৰী মহাবিদ্যালয়ত ভুগোলৰ অধ্যাপক। খামটি সম্প্ৰদায়ৰ মানুহ ইয়াত ঔষধত দিবলৈয়ো নাই। লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলত কেইবাখনো খামটি গাঁও আছে। নাৰায়ণপুৰ বৰ খামটি গাঁও, শ্ৰী ভূঞা খামটি গাওঁ, গোসাই বাৰী খামটি গাওঁ, বৰপথাৰ খামটি গাওঁ, দেওতোলা খামটি গাওঁ আদি সাতখন মান খামটি গাওঁ আছে। মৰি ডিক্ৰং নদীৰ পাৰত গোসাইবাৰী খামটি গাওঁ। এই গাওঁ সমূহৰ লোকসকল অতীতৰ শদিয়াৰ পৰা অহা। ইংৰাজৰ এজন অফিচাৰক খামটিয়ে হত্যা কৰা কাৰণে খামটি সকলৰ শক্তি হ্ৰাস কৰিবলৈ এই অঞ্চলত সংস্থাপিত কৰিছিল বুলি বুৰঞ্জীয়ে কয়। এই খন গাঁৱতো আগতে বহুত মানুহ আছিল যদিও আধুনীকতাৰ অগ্ৰগতিৰ লগে লগে বহু মানুহ শদিয়া চৌখাম আদি ঠাইলৈ গুচি গৈছে। এতিয়া কেইঘৰ মানহে মানুহ আছে। গাওঁ খনৰ এমুৰত বাপুচাং। তাত এজন শ্ৰমন আৰু এজন ভীক্ষু আছে। কৃষিজীৱি খামটি সকল পঢ়া শুনাত খুব আগ্ৰহী নহয় বুলিয়েই ক'ব পাৰি। তাৰ মাজতে মেচা খামটিৰ তিনিটা ল'ৰাই পঢ়া শুনাত ভাল হ'ল। চন্দ্ৰ খামটিয়ে ক্ষেত্ৰী কলেজত চাকৰি পোৱাত ভায়েক দুটাকো ইয়ালে লৈ আহিল। সেই সময়ত আলফাৰ স্বাধীন অসম গঢ়াৰ আন্দোলন তুংগত। গাঁৱে গাঁৱে আলফাৰ সামৰিক প্ৰশিক্ষণৰ কেম্প। আঁতৰত থকা গাঁৱৰ মানুহো ঘৰলে আহিলে আলফাৰ পহৰাদাৰী সৈনিকে তন্ন তন্নকে পৰীক্ষা কৰাৰ পিছতহে গাঁৱত

সোমাবলে দিয়ে। চন্দ্র খামটিও এদিন তেনে সমস্যাৰ মুখা মুখী হৈছিল। ক্লাচ টেন আৰু এইটত পঢ়ি থকা ভায়েক নৌক আৰু আলুং আলফাৰ প্ৰসংগত পঞ্চমুখ। চন্দ্ৰই কথাবোৰ জুকিয়াই চাই ভায়েক দুটাক নিজৰ লগত ৰখাৰ কথা ভাবিলে। চন্দ্র খামটিয়ে বাপেকক বুজাই ক'লে যে ইয়াত থাকিলে সিহঁত দুটাও আলফাৰ সৈনিক হ'ব আৰু পিচত আমাৰ বিলাই বিপত্তি নোহোৱা হ'ব।

"মোৰ লগতে ইহঁত দুটাক ৰাখিম আৰু তাতে নাম লগাই দিম। তোৰ অলপ কষ্ট হ'ব। মাটি খিনি আধিকে দিবি নহ'লে উপাই নাই" চন্দ্ৰই বাপেকক ক'লে। বাপেক সন্মত হ'ল আৰু বছেৰেকীয়া পৰীক্ষাৰ পিছতে দুয়োটাকে ক্ষেত্ৰী হাইস্কুলত নাম লগাই দিলে। দুয়োটা এতিয়া সংস্থাপিত। ডাঙৰ ভায়েক নাৰায়ণ পুৰতে এখন মাধ্যমিক বিদ্যালয়ত শিক্ষক, সৰু ভায়েক ডাক্তৰ। চণ্ডীগড়ৰ পি. জি. আই. এম. ই. আৰত ডাক্তৰ কৰে। চন্দ্র খামটিৰ ঘৈণীয়েক ৰুমা মানচেৰ চি.বি. ডিত এটা পাথৰ হৈছে। 'মভিং' পাঠৰ। ডাক্তৰ ভায়েকে গম পাই মাতি পথালে। ইয়াত ই. আৰ.চি.পি. কৰি উলিয়াই আনিব পাৰিব পাঠৰটো। পি.জি.আই চণ্ডীগড় এখন ডাঙৰ মেডিকেল গৱেষণা প্রতিষ্ঠান। তাত অত্যাধুনিক যন্ত্ৰৰ দ্বাৰা এনে পাঠৰ উলিয়াই আনে। চন্দ্রহঁত আহিল আৰু বিখ্যাত গেষ্ট্ৰএণ্ট্ৰটয়লজিষ্টে ডাঃ ভচিনেই চাইছিল। পাঠৰটো ওলাল যদিও দুৰ্ভাগ্য বশতঃ চন্দ্র খামটিৰ ঘৈণীয়েকৰ 'ইনফেকচন' হ'ল। তীব্ৰ বিষ। ফুলি ডিম্বাকাৰ দিলে। হস্পিটেলত ভৰ্ত্তি কৰিলে। ডাক্তৰো নাৰ্ভাচ। এসপ্তাহৰ পিছত ফুলাতো কমিল কিন্তু তীব্ৰ জ্বৰ উঠিল। জ্বৰ নকমেই। দামী এণ্টিবায়তিক ২০০০.০০ টকা এটা ইনজেকচনৰ দাম। চিটি স্কেনত ধৰা পৰিল। ভিতৰত পুজ ওলাই জমা হৈ আছে। পাইপ সুমাই ফুটা কৰি উলিয়াব লাগিব। মুঠতে দুৰ্যোগ সমাগত। ইফালে ক্ষেত্ৰীত ল'ৰা দুটা বেমাৰী শাহুৰেকৰ লগত থৈ গৈছে। স্কুল চলি আছে। ঘৰৰ পৰা মাক আহিবলৈয়ো পইচাংকেন উৎসৱৰ সময়।

হস্পিটেলত ইটোৰ পিছত সিটো পৰীক্ষা। দিন ৰাতি চেদ-ভেদ নাই কাম চলি থাকে। হাজাৰ হাজাৰ মানুহ। ৰাতিতো কিন্তু লোক মুকলিতে শুই থাকে। দেখি অবাক চন্দ্র প্রফেচৰ। হাজাৰ হাজাৰ মানুহ যদিও চিনাকি কোনো নাই। অকলশৰীয়া অনুভৱে চন্দ্র খামটিক দুৰ্বল কৰি তোলে। এদিন ৰাতি ২ বজাত এক্সৰে কৰিবলৈ যাওতে অসমীয়া কথা কোৱা মানুহ এজন পাই হাতত থাপ মাৰি ধৰি 'আপুনি অসমীয়া' চন্দ্ৰই উৎফুল্লিত ভাবে ক'লে। "হয় মই ডাঃ ধ্রুব গগৈ" মানুহ জনে ক'লে। গম পালে যে চন্দ্ৰৰ ভায়েকৰ বন্ধু। আৰু ৩/৪ জন অসমীয়া ডাক্তৰ থকাৰ কথা ক'লে আৰু চিনাকী কৰাই দিয়াৰ প্ৰতিশ্ৰুতি দিলে।

হস্পিতেলত শুবলে ঠাই নাই; ৰাতি খবৰ কাগজৰ ওপৰত শুব লাগে, পুৱা ডাক্তৰ অহাৰ আগতে উঠিব লাগিব। বেমাৰীৰ বাবে অনা ভাতকে (বেমাৰীয়ে নেখায়েই) খাই অতি কষ্টেৰে ভগবানকে ধিয়াই সময়বোৰ পাৰ কৰিছে। শকত আৱত ধুনীয়া সুস্থ মানুহ জনীক আনি ইয়াত বেমাৰী কৰা কাৰণে চন্দ্র খামটিয়ে নিজকে ধিক্কাৰ দিয়ে মাজে মাজে। ইফালে পাইপেৰে পুজ ওলায়ে আছে। জ্বৰ উঠিয়েই আছে। ডাঃ ভচিনক লগ ধৰাত কয় -"আপকা দেশ মে কামাখ্যা হাইতো উচকি চোচিয়ে।" তাৰ মানে সম্পূর্ণ ভগৱানৰ ওপৰত ভৰষা। মাজতে ভায়েকৰ চিনাকী খ্ৰীষ্টিয়ান পেষ্টৰ আব্ৰাহামে সিহঁতৰ ৰুমলে আহি যীশুক উদ্দেশ্যে প্ৰাৰ্থনা কৰে। আব্ৰাহমৰ মতে ডাক্তৰতকৈ প্ৰাৰ্থনাতহে ভাল হ'ব অসুখটো।

আগতে দুবাৰ অপাৰেচন কৰি পাইপ সুমাইছিল পুঁজ উলিউৱাৰ বাবে। আজিও অপাৰেচন কৰিব লগা হ'ল। যোৱা ৰাতি পাইপদাল নিজে নিজেই খুলি পৰিল। অপাৰেচন কৰি বেমাৰীক বেডত শুৱাই চন্দ্ৰই বস্তু কেইপদ ফাৰ্মাচীত ঘুৰাই দিবলৈ গ'ল। পইচাও কমি আহিছে। এই খিনি ঘুৰাই দিলেও কিছু সকাহ পাব। কিন্তু এয়া কি ফাৰ্মাচীৰ ল'ৰা জনে চাৰি হাজাৰ টকাৰ পাইপ দালৰ দাম ঘুৰাই নিদিলে - ক'লে সেইদাল বোলে চন্দ্ৰই জমাই দিয়া নাই। চন্দ্ৰই খং কৰি ক'লে -"কেনেকে হ'ব। সেই দালো ঘুৰাই দিছো। বেছি দামী কাৰণে তোমালোকে গাইপ কৰি দিলা।" চন্দ্ৰৰ খংটো উঠি আহিল। এনেয়েও চৰ্ট টেম্পাৰৰ মানুহ। ডেকা অৱস্থাত তাৰ খং উঠিলে গাঁৱত চবেই ভয় কৰে। মাৰো বুলিলেই মাৰি দিয়ে। বল খেলোতে কিমান যে মাৰপিত কৰে। "চাল্লা জোক হৈ তেজ পিবলৈ আহিচ বিপদত পৰা মানুহৰ। আজি ৩ মাহে মানুহ জনীক ভাল কৰিব পৰা নাই। আলৈ অথানি হৈ মৰি আছো ইয়াত। টকা পইচা, সময় চব বৰ্বাদ। ল'ৰা ছোৱালী কিতা আলৈ অথানিকে পেলাই থৈছো আৰু তহঁতে এই জুৰুলা মানুহটোৰ ৪ হাজাৰ টকা মাৰিবলৈ আহিছ। শুন মই বিপদত পৰা মানুহ আৰু এজন নৈষ্ঠিক বুদ্ধিষ্ট হিচাবে শাও দিছো মোৰ চাৰি হাজাৰ টকা খাই হোলোকা হোলোকে বমি কৰিবি-তহঁতৰ চল্লিচ লাখ টকা পানীত পৰিব। অসমত হ'লে আটাইকেইটাৰ মূৰ ভাঙি দিলো হেতেঁন।" ভঙা ভঙা হিন্দীত উগ্র মূৰ্ত্তি ধৰি চন্দ্ৰই ক'লে। মানুহৰ জুমৰ মাজেদি সি ফোঁ ফোৱাই গুচি আহিল।

ৰুমত সোমাই দেখিলে পেষ্টৰ আব্ৰাহমে প্ৰাৰ্থনাত ব্যস্ত। চন্দ্ৰই ঘৈণীয়েকৰ ওচৰতে বহি মুৰ পিতিকিবলৈ ধৰে। আচৰিত আজি জ্বৰ একেবাৰে নাই। প্ৰাৰ্থনা সামৰি পেষ্টৰে ক'লে 'খামটি

দাদা আজি শেষ প্ৰাৰ্থনা জনালো। আপোনাৰ বৌক যীশুৱে কৰুণা কৰিব। আপুনি বৰ সৎ মানুহ। দুদিন কষ্ট হ'ল।"

-"থোৰকহে আপোনাৰ প্ৰাৰ্থনা দিনক দিনে দেখোন অৱস্থা বেয়াহে হৈ আহিছে। তেওঁৰ পুজ ওলায়ে আছে। আজি আকৌ ফাৰ্মাচীখনে মোৰ চাৰি হাজাৰ টকা মাৰি দিলে। ইমান বেইমান।" খঙত সি গৰজি উঠিল।

-"আপুনি চিন্তা নকৰিব" - পেষ্টৰে সান্তনা দি ক'লে "আপোনাৰ সকলো সমস্যা সমাধা কৰিব যীশুৱে। মই আন্তৰিকতাৰে প্ৰাৰ্থনা জনাইছো - যীশুৱে শুনিছে।" চিষ্টাৰ এজনী সোমাই আহি নৈমিত্তিক যোখ মাখ ল'লে।

পেষ্টৰে সান্তনা দি গ'লগৈ।

"খামটি দাদা আপোনালোক খ্ৰীষ্টান নে কি?" চিষ্টাৰে চন্দ্ৰক প্ৰশ্ন কৰিলে।

"নহয় কিয় ক'লে" চন্দ্ৰই ক'লে।

"পেষ্টৰ জনে আজি ইমান দিনে প্ৰাৰ্থনা কৰি আহিছে, খ্ৰীষ্টান হ'লেহে কৰে, আপোনালোকক কিবা ভাল পাইছে হ'বলা" চিষ্টাৰে সন্তুষ্টিৰে ক'লে।

ডাঃ ৰাণা চাৰ আহি চালে। আজি জ্বৰ নাই কাৰণে সন্তোষ পালে। পূজ বন্ধ হ'লেই জ্বৰ নাইকিয়া হ'ব বুলি চন্দ্ৰই আশা কৰি আছে। মাজতে বৰ বেয়া দিন গৈছিল চন্দ্ৰ হ'তৰ। এদিন যদি কপি কপি জ্বৰ উঠে আনদিনা ভয় ভয় লাগি থাকে ৰুমাৰ। ডাঃ ভচিনে এজন চাইক'লজিষ্টকো দেখুৱালে। কামত নাহিল। সেই দিনাই ৰাতিলৈ চন্দ্ৰৰ ভায়েক আৰু খুলশালিয়েক গোসাই বাৰীৰ পৰা অহাৰ পিছতে ঘৈণীয়েকৰ ভয় ভাবতো নাইকিয়া হ'ল। সিহঁত থাকোতেই এটা অপাৰেচন হৈছিল। -"বলা অলপ ফুৰাই আনো" ঘৈণীয়েকক চন্দ্ৰই ক'লে। হাতত ধৰি বাৰান্দাতে খোজ কঢ়াই আনি ৰুমত বহুৱাই থ'লে। সন্ধিয়া হওঁ হওঁ। গাখীৰ অকমান আনিবলৈ চন্দ্ৰ তললৈ নামি গ'ল। সেই ফাৰ্মাচী খন পোৱাৰ লগে লগে ফাৰ্মাচীৰ ল'ৰা জনে চিঞঁৰি চিঞঁৰি মাতিলে - "দাদা এই ফালে আহক আপোনাৰ পাইপদাল পালো তলত পৰি আছিল। আহক পইচাটো লৈ যাওক"।

চন্দ্ৰ অবাক হ'ল। আচলতে সিহঁতে ভয় খালে। বুদ্ধিষ্ট মানুহ জনৰ শাওপাত লাগে বুলিহে টকা কেইটা ঘুৰাই দিলে।

সি টকা কেইটা লৈ গাখীৰ খিনি আনি ৰুমলে সোমাই আহিল। "চোৱা চোৱা মোৰ টকা কেইটা পালো ভগবানে চকু মেলি চাইছে"- আনন্দতে সি ঘৈণীয়েকক ক'লে।

-"মোৰো জ্বৰ আজি একেবাৰেই নাই, পুজ দিনতো ওলোৱা নাই" ঘৈণীয়েকেও উচাহেৰে ক'লে

-"তাৰমানে যীশু, বুদ্ধ ভগবানে আমাক দয়া কৰিছে। পেষ্টৰৰ প্ৰাৰ্থনা যীশুৱে শুনিলে" আনন্দত চন্দ্ৰ আত্মহাৰা হ'ল।

চন্দ্ৰৰ ডাক্তৰ ভায়েক সেই সময়তে আহিল তেওঁ ক'লে "যিহওক ডাক্তৰৰ প্ৰচেষ্টাতে আপোনালোক মুক্ত হ'ল"। চন্দ্ৰই বাধাদি ক'লে- নহয় ভাইটি ডাক্তৰৰ লগতে পেষ্টৰৰ প্ৰাৰ্থনা আৰু গোবিন্দ মহাপ্ৰভুৰ কৃপাতহে আমি এই যন্ত্ৰণাৰ পৰা মুক্ত হ'ম। যি নহওক সোনকালে তেওঁলোক ঘৰলৈ যাব পাৰিব। ডাক্তৰে ৰিলিজ দিয়ালৈ বাট চাই ৰ'ল।

●

# সাক্ষাৎকাৰ




বড়ো শিল্পী সকলে জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত
"অ' মোৰ আপোনাৰ দেশ" পৰিবেশন কৰা দৃশ্য।

## জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগৰ সৈতে

# সাক্ষাৎকাৰ

২০১২ চনত আমাৰ মহাবিদ্যালয়ৰে গণিত বিভাগৰ অধ্যাপক ড°ভবেন চন্দ্ৰ নেওগে এই মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰে। ডেকা আৰু দৃঢ় মনোবলৰ অধ্যক্ষ গৰাকীৰ আছে হাজাৰ সপোন - মহাবিদ্যালয় খনক আগুৱাই নিয়াৰ। কম দিনৰ ভিতৰতে মহাবিদ্যালয় খনৰ আন্তঃ গাথনি উন্নয়ন তথা নতুন নতুন বিভাগ খুলি ছাত্ৰ ছাত্ৰী সকলক আগুৱাই নিয়াৰ প্ৰচেষ্টা অব্যাহত ৰখা দেখা গৈছে। সেয়ে তেখেতক টুকুৰীয়াই চাবৰ বাবে এই সাক্ষাৎকাৰতো লোৱা হ'ল।

- তত্বাৱধায়ক



**? জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে ২০১২ চনত যোগদান কৰাৰ সময়ত আপোনাৰ আকাংক্ষা কি আছিল ?**

**উত্তৰ** ঃ সৰ্বপ্ৰথমে এই সাক্ষাৎকাৰৰ ব্যৱস্থা কৰাৰ বাবে তত্বাৱধায়ক হিচাপে আপোনালৈ মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন আৰু লগতে ধন্যবাদ জ্ঞাপন কৰিছো। আপোনাৰ প্ৰথম প্ৰশ্নটোৰ পোনপটীয়া উত্তৰ দিয়াৰ আগতে কিছু পাতনিৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰিছো। এই ক্ষেত্ৰত মোৰ একান্ত ব্যক্তিগত চিন্তাধাৰা আৰু কৰ্ম পৰিকল্পনাৰ বিষয়ে ক'বলৈ বিচাৰিছো। সমাজত থকা এজন সুক্ষ্ম অনুভূতি সম্পন্ন তথা সমাজ সচেতন ব্যক্তি হিচাপে মই থকা সমাজখনলৈ মোৰ সামৰ্থ অনুযায়ী যদি কিবা অকণমানো অৰিহণা আগবঢ়াব পাৰো তেনেহ'লে মোৰ জীৱন ধন্য হোৱা বুলি মই বিবেচনা কৰিব পাৰিম।

গণিত বিষয়ৰ এজন শিক্ষক হিচাপে মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ লগত ১৯৯৪ চনৰে পৰা জড়িত হৈ পৰাৰ পৰৱৰ্তী সময়বোৰত বৃত্তিটোৰ নিৰ্দিষ্ট নিয়মৰ মাজেৰে নিজৰ শৈক্ষিক যোগ্যতাৰ উত্তৰণৰ পথত অগ্ৰসৰ হৈ গৈ থাকোতে এদিন অনুভৱ কৰিব পৰা হ'লো যে মহাবিদ্যালয় এখনৰ অধ্যক্ষ হ'বৰ বাবে প্ৰয়োজনীয় অৰ্হতাখিনি দেখোন মোৰ আহৰণ কৰা হৈ গৈছে। ঠিক

তেনে সময়তে অসমৰ বিভিন্ন মহাবিদ্যালয়ত অধ্যক্ষ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ হ'বলৈ ধৰিছিলে। সামাজিক দায়বদ্ধতা নিজে কান্ধ পাতি লোৱা এজন ব্যক্তি হিচাপে লগে লগে মনলৈ প্ৰশ্ন আহিল— কেৱল গণিত বিষয়ৰ এজন শিক্ষক হিচাপে মই সমাজলৈ যিমান অৰিহণা আগবঢ়াব পাৰিম তাতকৈ মহাবিদ্যালয় এখনৰ অধ্যক্ষ হিচাপে সমাজলৈ অৰিহণা আগবঢ়াবলৈ বহুগুণে বেছি সুযোগ লাভ কৰিব পাৰিম। মনৰ ভিতৰত ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰা এই ধাৰণাৰ ওপৰত বিশ্বাস ৰাখিয়েই ২০১২ চনৰ আৰম্ভণিতেই মই মোৰ কৰ্মক্ষেত্ৰখন পৰিৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো। সামাজিক দায়িত্ববোধৰ তাগিদাতে সৰল স্বাচ্ছন্দ্যযুক্ত জীৱনটোক ত্যাগ কৰি প্ৰত্যাহ্বান যুক্ত পদবী এটা ল'বলৈ স্ব-ইচ্ছাই আগবাঢ়ি আহিছিলো। অধ্যক্ষৰ পদৰ দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয়খনৰ অভ্যন্তৰৰ সমস্যা আৰু সম্ভাৱনাবোৰৰ বুজ ল'বলৈ যত্ন কৰিছিলো। অনুভৱ কৰিছিলো সমস্যা যিমান, সম্ভাৱনা তাতকৈ বহু বেছি।

গতিকে চকুৰ আগত দেখা পোৱা সম্ভাৱনীয়তা সমূহক বাস্তৱত ৰূপ দিয়াৰ আকাংক্ষাই আছিল সেই সময়ৰ সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয়।

**? মহাবিদ্যালয়ৰ আন্তঃগাঠনি উন্নয়নৰ ক্ষেত্ৰত কি কি আঁচনি আছে আৰু কিমানখিনি সাফল্যমণ্ডিত হৈছে?**

উত্তৰ ঃ মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়ন নিৰ্ভৰ কৰে পুঁজিৰ ওপৰত। সাধাৰণতে আমাৰ দৰে মহাবিদ্যালয়বোৰ প্ৰাৰম্ভিক অৱস্থাত ৰাইজৰ দান-বৰঙণিৰে নিৰ্মাণ কৰা হয়। সেয়েহে শ্ৰেণীসমূহ চলাই নিব পৰাকৈ ভৱনসমূহ নিৰ্মাণ কৰা হয়। আমাৰ জাগীৰোড মহাবিদ্যালয়খনো তাৰ ব্যতিক্ৰম নহয়। বৰ্তমান সময়ৰ আধুনিক শিক্ষাৰ বাবে প্ৰয়োজনীয় সা-সুবিধা উপলব্ধ্য কৰিব পৰাকৈ এই ভৱনসমূহ পৰ্য্যাপ্ত নহয় বাবে এই ভৱনসমূহৰ মেৰামতি নাইবা নতুনকৈ নিৰ্মাণৰ প্ৰয়োজনীয়তা আহি পৰিছে। বিজ্ঞান শাখা আৰু নতুনকৈ আৰম্ভ কৰা বাণিজ্য শাখাৰ সম্প্ৰসাৰণৰো প্ৰয়োজন আহি পৰিছে। আমাৰ হাতলৈ বিভিন্ন উৎসৰ পৰা অহা পুঁজিৰে ইতিমধ্যে কেইবাটাও আন্তঃগাঁথনি তৈয়াৰ কৰা হৈছে।

'বিশ্ববিদ্যালয় অনুদান আয়োগ'ৰ পুঁজিৰে নিৰ্মিত শিক্ষক জিৰণিকোঠা যুক্ত ভৱনটোৰ ওপৰত অতি কমদিনৰ ভিতৰতে দুটা অতিৰিক্ত মহলাৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰাৰ অন্তত বিশ্ববিদ্যালয় অনুদান আয়োগৰ উত্তৰ-পূব আঞ্চলিক কাৰ্য্যালয়ৰ যুটীয়া সচিব মহোদয়ৰ দ্বাৰা দ্বাৰ উদ্‌ঘাটন কাৰ্য্য ইতিমধ্যে সমাপন কৰা হৈছে। ফলত ভৱনটোত শিক্ষা বিভাগৰ লেবৰেটৰী সহ বিভাগীয় শিক্ষকৰ বাবে সুকীয়া কোঠাৰ ব্যৱস্থা কৰিব পৰা হৈছে। এই ভৱনতেই 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্বদ্যিালয়'ৰ এটা অধ্যয়ন আৰু পৰীক্ষা কেন্দ্ৰ কাৰ্য্যালয়ৰ ব্যৱস্থা কৰিব পৰা হৈছে। অসম চৰকাৰৰ চৰকাৰী অনুদানেৰে সম্পূৰ্ণ নতুনকৈ ডিজিটেল লাইব্ৰেৰীৰ বাবে অন্য এটা ভৱনৰ নিৰ্মাণ কাৰ্য্য চলাই থকা হৈছে। আনহাতে নতুনকৈ নিৰ্মাণ কৰা অন্য এটা তিমিহলীয়া ভৱনত ভূগোল বিভাগ আৰু গণিত বিভাগক সম্পূৰ্ণ পৃঠক ভাৱে কোঠাৰ আবণ্টন দিয়াৰ উপৰিও দক্ষাতা বৃদ্ধি বিষয়ক বৃত্তিমুখী স্নাতক ডিগ্ৰীৰ (বি.ভক.) পাঠ্যক্ৰমৰ পাঠদানৰ বাবে কোঠাৰ ব্যৱস্থা কৰিব পৰা হৈছে। এই আঁচনিৰ অধীনত অভিনয় বিভাগৰ বাবে এটা অভিনয় প্ৰেক্ষাগৃহৰ সুকীয়া ব্যৱস্থা কৰা হৈছে। অন্য এক আঁচনি সাজু কৰি ৰখা হৈছে কলা শাখাক তিনি মহলীয়া ভৱনৰ জড়িয়তে নতুনকৈ গঢ় দিয়াৰ বাবে।

গতিকে অতি কম সয়মৰ ভিতৰতে আন্তঃগাঁথনিৰ উত্তৰণৰ বাবে বহুখিনি কৰা হৈছে। সফলতাৰ বিচাৰ মোৰ ফালৰ পৰা কৰাৰ ধৃষ্ঠতা নাই। মই কেৱল সময় আৰু সুবিধাৰ সদ্ব্যৱহাৰ কৰি আন্তৰিকতাৰে নিজ দায়িত্ব পালন কৰি গৈছো। কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনওটা শাখাৰ উপৰিও দক্ষতা বৃদ্ধি বিষয়ক দুটা সম্পূৰ্ণ নতুন বিভাগ বি. ভক. আৰু কমিউনিটি কলেজৰে গঠিত এই বৃহৎ পৰিয়ালটোৰ প্ৰয়োজন পূৰাব পৰাকৈ এতিয়াও বহু কৰিব লগীয়া আছে। অৱশ্যে থকা খিনিৰ সদ্ব্যৱহাৰ কৰিলে সুফল (আউটপুট) বেছিকৈ পোৱা যাব বুলি অনুভৱ কৰো।

**? মহাবিদ্যালয়ৰ শাৰীৰিক উন্নয়নৰ (Physical Development) লগে লগে শৈক্ষিক উন্নয়ন (Academic Development) হৈছে বুলি আপুনি ভাবেনে?**

উত্তৰ ঃ মহাবিদ্যালয়খনৰ শাৰীৰিক উন্নতিৰ সমান্তৰালভাবে শৈক্ষিক উন্নতি হোৱাটো অতি জৰুৰী বিষয়। নহ'লে সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰেই প্ৰহসনত পৰিণত হ'ব। আমাৰ

কাৰ্য্যকালত যেনেদৰে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ উন্নয়নত গুৰুত্ব দিয়া হৈছে তেনেদৰে শৈক্ষিক উন্নতিৰ দিশটোকো সমানে গুৰুত্ব দিয়া হৈ আহিছে। বিগত বৰ্ষৰ উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ শাখাৰ ফলাফলসমূহে তাকেই প্ৰতীয়মান কৰিছে। শ্ৰেণীসমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ নিৰ্ধাৰিত শতাংশ বাধ্যতামূলক কৰা, অনিয়মীয়া ছাত্ৰ-ছাত্ৰীৰসকলৰ ওপৰত জৰিমনা বিহাৰ ব্যৱস্থা কৰা, সঘনাই পৰিদৰ্শনৰ ব্যৱস্থা কৰা, শিক্ষাগুৰুসকলৰ দ্বাৰা শ্ৰেণীসমূহ নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ বাবে আৰু ভাল ফলাফল বা সজ আচৰণ কৰা সকলক পুৰস্কৃত কৰা আঁচনিবোৰৰ বাবেও কিছু আশানুৰূপ ফল লাভ কৰা বুলি মনলৈ প্ৰত্যয়ৰ ভাব আহে আৰু বিগত বৰ্ষবোৰৰ পৰীক্ষাৰ ফলাফলসমূহে তাকেই যেন প্ৰতিফলিত কৰে। ক্ৰমান্বয়ে ৰিজাল্টবোৰত কোৱালিটিৰ সংখ্যা বাঢ়িছে। আনহাতে সতকাই চকুত নপৰা এটা সমস্যা কিছু পৰিমাণে লাঘৱ হোৱা বুলি কাৰ্য্যালয়ৰ তথ্যই আমাক পতিয়ন নিয়াইছে। সেইটো হৈছে মহাবিদ্যালয়খনত ড্ৰপ আউটৰ সংখ্যা আগতকৈ যথেষ্টখিনি হ্ৰাস পাইছে।

শৈক্ষিক উন্নয়নত ব্যাঘাট জন্মোৱা অন্যান্য কিছু আনুসংগীক সমস্যা আছে যিবোৰ মুঠেও এৰাব নোৱাৰা সমস্যা বুলি বিবেচনা কৰিব পাৰি। উদাহৰণ স্বৰূপে, মহাবিদ্যালয়ৰ পাঠদান কাৰ্য্যসূচী আৰম্ভ কৰাৰ প্ৰধান সময়চোৱাত আমাৰ মহাবিদ্যালয়ৰ কেইবাটাও বিভাগৰ জ্যেষ্ঠ শিক্ষক প্ৰায় নিয়মিত ভাবেই নিৰ্বাচন, সমীক্ষা আদি কামত জড়িত হ'ব লগা হোৱাৰ বাবে পাঠদান কাৰ্য্যসূচীত সাংঘাটিকভাৱে ক্ষতিগ্ৰস্ত হয়। ফলত সময়মতে পাঠ্যক্ৰম শেষ কৰিব নোৱাৰাৰ বাবে শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰীসকলৰ অপূৰণীয় ক্ষতি হয় যাক কেতিয়াও পূৰণ কৰিব নোৱাৰি। তদুপৰি বিভিন্ন বিভাগত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে থাকিব লগীয়া পৰ্য্যাপ্ত শিক্ষকৰ অভাৱৰ বাবেও বহু সমস্যাৰ সৃষ্টি হৈ আহিছে। এনেবোৰ সমস্যাৰ মাজতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ ফলাফল আশাব্যঞ্জক বুলিয়েই মন্তব্য কৰিব পাৰি। ইয়াৰ লগত সংলগ্ন তালিকা কেইখন লক্ষ্য কৰিলেই ফলাফল সমূহৰ উন্নতিৰ উমান পোৱা যাব। লগতে ড্ৰপ আউটৰ এটা পৰিসংখ্যা পঢ়ুৱৈ সকলৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰা হৈছে।

**? নতুনকৈ আৰম্ভ কৰা বিভাগ সমূহৰ বিষয়ে আভাষ এটা দিব নেকি? এই বিভাগবিলাকে ছাত্ৰ-ছাত্ৰীসকলক নিয়োগৰ পথ দিব পাৰিব বুলি আপুনি ভাবেনে?**

উত্তৰ ঃ মহাবিদ্যালয়খনত অধ্যক্ষ হিচাপে যোগদান কৰাৰ বহু আগৰে পৰা ইয়াৰ এজন শিক্ষক হিচাপে কাম কৰাৰ দিনৰে পৰা ইয়াত বাণিজ্য শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰি আহিছিলো। স্থানীয় বিভিন্নজনৰ লগত হোৱা দৈনন্দিন বাৰ্তালাপবোৰে মই অধ্যক্ষৰ দায়িত্ব ভাৰ লোৱাৰ পিছতে মূৰ্ত ৰূপ পালে। সমাজৰ বিভিন্নজনৰ প্ৰয়োজন তথা আবেদন অনুভূতিক সন্মান জনাই সেয়েহে পৰৱৰ্তী বছৰটোতে অৰ্থাৎ ২০১৩ বৰ্ষৰ পৰাই মহাবিদ্যালয়খনত বাণিজ্য বিভাগটো আৰম্ভ কৰি অঞ্চলটোৰ ৰাইজৰ দীৰ্ঘদিনৰ এটা অভাৱ পূৰণ কৰাৰ প্ৰচেষ্টা কৰা হ'ল। সম্পূৰ্ণ নীতি-নিয়মৰ মাজেৰে উপযুক্ত যোগ্য আৰু মেধা সম্পন্ন কেইজনমান ডেকা শিক্ষক নিযুক্তিৰ জড়িয়তে আৰম্ভ কৰা এই নতুন বাণিজ্য বিভাগটোলৈ বিভিন্ন ঠাইৰ পৰা অহা ভাল-ভাল ছাত্ৰ-ছাত্ৰীৰ আগমনে মহাবিদ্যালয়খনত বাণিজ্য শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে প্ৰতীয়মান কৰে। নতুনকৈ আৰম্ভ কৰা এই বিভাগটোত মেধা সম্পন্ন শিক্ষকৰ নিয়োগ তথা ভাল-ভাল ছাত্ৰ-ছাত্ৰীৰ আগমনে আমাৰ প্ৰচেষ্টা কিছু পৰিমাণে সাফল্যমণ্ডিত হোৱা বুলি আজি বিভাগটোৱে তৃতীয় বৰ্ষত ভৰি দিয়াৰ সময়ত অনুভৱ কৰিব পাৰিছোঁ।

তদুপৰি বিশ্ববিদ্যালয় অনুদান আয়োগে গ্ৰহণ কৰা শেহতীয়া দক্ষতা বৃদ্ধিমূলক যি আঁচনি লৈছিল আৰু আমাৰ দৰে মহাবিদ্যালয়বোৰক এই প্ৰক্ৰিয়াত অংশগ্ৰহণৰ যি আহ্বান জনাইছিল তাৰ প্ৰতি সঁহাৰি জনাই দাখিল কৰা আমাৰ প্ৰকল্প অনুমোদনৰ পৰৱৰ্তী পৰ্য্যায়ত আমাৰ মহাবিদ্যালয়খনত সম্পূৰ্ণ অগতানুগতিক চাৰিটা পাঠ্যক্ৰম ২০১৫-১৬ শৈক্ষিক বৰ্ষৰ পৰা আমি আৰম্ভ কৰিছো। এই কেইটা অগতানুগতিক আৰু দক্ষতা বৃদ্ধি বিষয়ক বিষয় হৈছে— কমিউনিটি কলেজৰ অধীনত দুবছৰীয়া পাঠ্যক্ৰম ক্ৰমে (১) পাল্প এণ্ড পেপাৰ টেক্নলজী (Pulp and paper Technology) (২) ফেশ্যন টেকনলজী (Fashion Technology) আৰু বেচেলৰ অব ভকেচনৰ (B. Voc.) তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম ক্ৰমে (১) অভিনয় (Acting) আৰু (২) ৰিটেইল মেনেজমেণ্ট

(Retail Management)।

নিয়োগৰ প্ৰত্যক্ষ বা পৰোক্ষ সুবিধা থকা এই বিভাগ কেইটা ভিন্নৰুচি সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ উদেশ্যেৰে খোলা হৈছে। পেপাৰ টেকনলজী বিষয়টোত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে পেপাৰমিলত নিয়োগৰ প্ৰত্যক্ষ সম্ভাৱৱনীয়তা থকাৰ উপৰিও পেপাৰমিলৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সম্বন্ধ থকা উদ্যোসমূহত নিয়োগৰ সুবিধা লাভ কৰিব। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত পৰ্য্যাপ্ত পৰিমাণে কেঁচামাল থকাৰ বাবে বৰ্তমনৈ চলি থকা চাৰিটা কাগজ কলৰ উপৰিও নতুনকৈ স্থাপন কৰিব লগীয়া আন সাতটা কাগজ কলত প্ৰশিক্ষিত তথা দক্ষতা সম্পন্ন স্থানীয় যুৱকৰ নিযুক্তি নিশ্চিত কৰাৰ বাবেই এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। আমাৰ মহাবিদ্যালয়ৰ বাদে পশ্চিমবংগৰ পৰা আৰম্ভ কৰি সমগ্ৰ পূৰ্বাঞ্চলত ক'তো এনেধৰণৰ পাঠ্যক্ৰম বৰ্তমানলৈকে প্ৰচলন হোৱা নাই। হিন্দুস্থান কাগজ নিগমৰ অধীনস্থ স্থানীয় নগাঁও পেপাৰমিলৰ লগত বুজাবুজিৰ চুক্তিৰ জৰিয়তে যুটীয়াভাৱে আৰম্ভ কৰা এই বিষয়টোৰ শিক্ষাৰ্থীসকলক উদ্যোগটোৰ অভিজ্ঞ বিষয়া সকলে পোণপটীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰি অহাৰ উপিৰও তাতেই তেওঁলোকৰ ব্যৱহাৰিক শ্ৰেণীসমূহৰ সৰহভাগৰে পাঠদান অনুষ্ঠিত কৰা হৈছে। ফলত ছাত্ৰ-ছাত্ৰী সকলৰ ব্যৱহাৰিক জ্ঞান আহৰণত বিশেষ সহায়ক হৈ উঠিছে। আমাৰ বোধেৰে সমগ্ৰ দেশতে এনেধৰণৰ এইটোৱে একমাত্ৰ পাঠ্যক্ৰম যিটো বিষয়ৰ শিক্ষাৰ্থীয়ে পোনপটীয়াকৈ পেপাৰমিলৰ লগত দৈনন্দিন পাঠগ্ৰহণ কাৰ্য্যসূচীত নিজক জড়িত কৰাৰ সুযোগ পাইছে। এইক্ষেত্ৰত পেপাৰমিলটোৰ শীৰ্ষৰ পৰা আৰম্ভ কৰি বিভিন্ন পৰ্য্যায়ৰ বিষয়া সকলৰ সৰ্বাত্মক সহযোগিতাৰ বাবে সমূহ বিষয়া কৰ্মচাৰীৰ ওচৰত আমি কৃতজ্ঞ।

আনহাতে ফেশ্যন টেকনলজী বিষয়টো আধুনিক সময়ৰ লগত খাপখোৱা এটা অতি গুৰুত্বপূৰ্ণ বিষয়। আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো দিশতে প্ৰভাৱ পেলাব পৰা এই বিষয়টোৰ নিয়োগৰ ক্ষেত্ৰবোৰো বিচিত্ৰ। তদুপৰি স্ব-নিয়জোনৰ জড়িয়তে স্বাৱলম্বী হোৱাৰো পূৰ্ণ সুযোগ থকা বিষয়টো শিকাৰ বাবে মহাবিদ্যালয়খনত এই বৃত্তিত দক্ষ দুগৰাকী শিক্ষকক নিযুক্ত কৰাৰ উপৰিও ব্যৱহাৰিক পাঠদানৰ সুবিধাৰ বাবে এটা কাৰখানাৰো ব্যৱস্থা কৰা হৈছে। আনহাতে শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয় দক্ষতা বৃদ্ধিত অধিক জ্ঞান লাভ কৰাৰ বাবে বাহিৰৰ শিক্ষানুষ্ঠানৰ লগত ব্যৱহাৰি প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হয়। শিক্ষাৰ্থীসকলৰ দক্ষতা বৃদ্ধিত সহায়ক হোৱাকৈ গুৱাহাটীৰ নেচনেল ইষ্টিটিউট অৱ ফেশ্যন আৰু টেক্সটাইল টেকন'লজীৰ লগত আমাৰ বুজাবুজি চুক্তি স্বাক্ষৰ কৰা হৈছে।

